
স্মাৰক-গ্ৰন্থ

# হীৰকদ্যুতি



হীৰক জয়ন্তী সমাৰোহ

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ

স্মাৰক-গ্ৰন্থ

# হীৰকদ্যুতি


## সম্পাদনা সমিতি

সভাপতি ঃ
ড° জয়কৃষ্ণ মহন্ত

সম্পাদিকা ঃ
উষাৰাণী বৰুৱা

সদস্য-সদস্যা ঃ
ভাৰতী দত্ত
মহেশ্বৰ হাজৰিকা
ৰূপালীম ঠাকুৰ
ৰিম্পী গগৈ

প্ৰচ্ছদ, অলংকৰণ ঃ
মৃদুল শৰ্মা

অংগসজ্জা
দেৱজীৎ বৰা

প্ৰকাশক
হীৰক জয়ন্তী
উদ্‌যাপন সমিতি

প্ৰথম প্ৰকাশ ঃ ৩ ছেপ্তেম্বৰ,২০১০

অৰিহণা ঃ ৬০/- টকা

মুদ্ৰণ
প্ৰিণ্ট্‌টেক্ অফ্‌ছেট্
জীৱন ফুকন নগৰ
ডিব্ৰুগড়
☎ ০৩৭৩-২৩১৬৫৪০




ড° জয়কৃষ্ণ মহন্ত, অধ্যক্ষ



ড° উষাৰাণী বৰুৱা



ড° ভাৰতী দত্ত



ড° মহেশ্বৰ হাজৰিকা



ৰূপালীম ঠাকুৰ



ৰিম্পী গগৈ


A Souvenir in commemoration of Diamond Jubilee Celebration Concluding Ceremony, D.H.S.K. College, Dibrugarh, Edited by Dr. Usha Rani Baruah, Published by : Narendra Mahela, Gen. Secy, Diamond Jubilee Celebration Committee



TEACHER'S CORNER
DHSK College
Acc. No.................
Call No.................


## উচৰ্গা

প্ৰতিষ্ঠাৰ কালৰেপৰা
বৰ্তমানলৈকে
কানৈ কলেজৰ সৈতে
সম্পৰ্কিত
সকলো ব্যক্তিলৈকে
শ্ৰদ্ধাৰে
এই স্মৃতি গ্ৰন্থখনি
উচৰ্গা কৰা হ'ল।

# বিচ্ছুৰিত বৰ্ণালী


| | | |
|---|---|---|
| কিছু কথা | | ৩ |
| কল্পনাৰ সোণালী সপোন ঃ ডিব্ৰুগড় কলেজ | অশ্বিনী চৰণ চৌধুৰী | ৫ |
| ডিব্ৰুগড় হনুমানবক্স সূৰযমল কানৈ কলেজৰ স্মৃতিৰ পাঁপৰি | ড° যোগীৰাজ বসু | ১৪ |
| আধুনিক ডিব্ৰুগড়ৰ খনিকৰ ড° লক্ষ্মীপ্ৰসাদ দত্ত | ভীমকান্ত কোঁৱৰ | ৩৪ |
| হীৰক জয়ন্তী বৰ্ষ (২০০৫)-ত কানৈ কলেজ | ড° ভাৰতী দত্ত | ৪৪ |
| মোৰ দৃষ্টি আৰু অনুভৱেৰে কানৈ কলেজ | ড° আতিকুদ্দিন আহমেদ | ৫৬ |
| চাৰ্বাক দৰ্শনৰ চমু পৰিচয় | ড° প্ৰিয়াংশু প্ৰৱল উপাধ্যায় | ৬৮ |
| Radhanath Phukan : The Philosopher | Dr. Moheswar Hazarika | ৭৫ |
| কৃষ্ণস্তোত্ৰম্ আৰু মাধৱদেৱ | ড° কেশৱানন্দ দেৱগোস্বামী | ৮২ |
| চিত্ৰসূত্ৰ ঃ ভাৰতীয় চিত্ৰকলাৰ ব্যাকৰণ | ড° নগেন শইকীয়া | ৮৭ |
| সময় গৰল আৰু অমৃত | ড° প্ৰহ্লাদ কুমাৰ বৰুৱা | ১০১ |
| ক্ৰোধাৎ ভৱতি ... | ড° জয়কৃষ্ণ মহন্ত | ১০৬ |
| বিজ্ঞান শিক্ষাৰ সমস্যা | ড° কুলেন্দু পাঠক | ১১১ |
| শিশুৰ বিজ্ঞান শিক্ষাঃ গোটাচেৰেক বিক্ষিপ্ত চিন্তা | ড° ক্ষীৰধৰ বৰুৱা | ১১৯ |
| বিশ্ব পৰিৱেশৰ সমস্যা | ডিম্বেশ্বৰ চলিহা | ১২৫ |
| Teaching & Non-Teaching Staff | | ১৩১ |
| Diamond Jubilee Concluding Function Celebration Committee Members of different Committees : | | ১৩৫ |
| ফটোৱেও কথা কয় | | ১৩৮ |




# কিছু কথা

ভাৰত তথা অসমৰ পূৱ প্ৰান্তৰৰ ঐতিহ্যমণ্ডিত চহৰ ডিব্ৰুগড়। স্বাধীনতাৰ প্ৰাক্‌কালত কেইগৰাকীমান বিদ্যুৎসাহীলোকৰ আশাশুধীয়া প্ৰচেষ্টাত এইখন চহৰত উচ্চ শিক্ষাৰ অনুষ্ঠান ডিব্ৰুগড় কলেজৰ জন্ম হয় ১৯৪৫ চনত। প্ৰথম অৱস্থাত জৰ্জ হাইস্কুল (বৰ্তমান বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত শ্ৰেণীসমূহ আৰম্ভ কৰাহয়। ১৯৫০ চনত ডিব্ৰুগড় কলেজে নাম সলনি কৰি হনুমানবক্স সুৰজমল কানৈ কলেজৰূপে পৰিচিত হয়। কলেজখনে জন্মলগ্নৰপৰা বৰ্তমানলৈকে সুদীৰ্ঘ ৬৫ টা বছৰ অতিক্ৰম কৰিলে।

কলেজখনে ৬০ টা বছৰ পূৰ্ণ কৰাৰ সময়তে ইয়াৰ হীৰক জয়ন্তী উদ্‌যাপনৰ যো-জা চলিছিল। কিছু কাৰ্যসূচীও হাতত লোৱা হৈছিল। কিন্তু অনিবাৰ্য কাৰণবশতঃ ই মাজতে স্থগিত হৈ পৰিল। তাৰ পিছত আৰু ৪টা বছৰ পাৰ হৈ গ'ল। এই বছৰৰ কলেজৰ ছাত্ৰ একতা সভাখনে পুনৰ উদ্যোগ ল'লে আধৰুৱা কামখিনি পূৰ্ণতা দিয়াত। তেওঁলোকৰ সদিচ্ছাৰ প্ৰতি সঁহাৰি জনাই কলেজখনৰ ৬৫ বছৰত হীৰক জয়ন্তী সমাৰোহৰ সামৰণী অনুষ্ঠান পাতিবলৈ লোৱা হ'ল।

প্ৰথমবাৰ হীৰক জয়ন্তী উদ্‌যাপন কৰিবলৈ লোৱাৰ সময়ত পতা প্ৰথমখন সাধাৰণ বৈঠকতে এখন আটকধুনীয়া স্মৃতিগ্ৰন্থ প্ৰকাশৰ এটি পৰামৰ্শ আমাৰ ফালৰপৰা দাঙি ধৰা হৈছিল। হীৰক জয়ন্তীৰ অন্যবোৰ কৰ্ম আধৰুৱা হৈ ৰোৱাৰ লগতে স্মৃতিগ্ৰন্থৰ কথাও তল পৰিল। এখোজো আগবঢ়া নহ'ল এইক্ষেত্ৰত। এতিয়া সামৰণী অনুষ্ঠান পাতিবলৈ লৈ পুনৰ স্মৃতিগ্ৰন্থৰ প্ৰসঙ্গ উত্থাপন হোৱাত আমাৰ গাতে ইয়াৰ দায়িত্ব অৰ্পণ কৰা হ'ল। খাল কাটি ঘঁৰিয়ালহে মাতিলোঁ। হাতত সময় তেনেই সীমিত। এটা মাহো সম্পূৰ্ণকৈ হাতত নোপোৱা অৱস্থাত এনে গুৰু দায়িত্ব পালন কৰা কি দুৰূহ কাম জনাই জানে।

ডিব্ৰুগড়ত লেখকৰ অভাৱ নাই। অভাৱ সময়ৰহে। তথাপি যাৰেই ওচৰত হাত পাতিলোঁ কোনেও বিমুখ নকৰিলে। ভালে কেইজনে নতুনকৈ লিখিবলৈ সময় নোহোৱাত পূৰ্বৰ লেখাকে দি হ'লেও মোক কৃতাৰ্থ কৰিলে. এইসকল লেখকৰ ওচৰত মই চিৰঋণী হৈ ৰ'লোঁ। আনহাতে নতুন প্ৰজন্মক ঐতিহ্যমণ্ডিত কানৈ কলেজৰ জন্মলগ্নৰ ইতিহাস জনোৱাৰ প্ৰয়াসেৰে জন্মলগ্নৰ সৈতে জড়িত কেইগৰাকীমান ব্যক্তিৰ লেখা পুৰণি 'কানৈয়ান' আৰু স্বৰ্ণজয়ন্তীৰ স্মৃতিগ্ৰন্থ 'অৰ্দ্ধ শতাব্দী'ৰ পাতৰপৰা বাচি বিচাৰি অনা হ'ল। সেইখিনি লেখাৰ পৰিপূৰক হিচাপে বৰ্তমানলৈকে সামৰি আৰু দুটামান প্ৰবন্ধ লেখাই লোৱা হ'ল। এই সকলো লেখকলৈ মোৰ কৃতজ্ঞতা জনালোঁ।

স্মৃতি গ্ৰন্থখন প্ৰকাশৰ ক্ষেত্ৰত হীৰক জয়ন্তী সমাৰোহৰ সামৰণী অনুষ্ঠানৰ উদ্‌যাপন সমিতিৰ সভাপতি তথা বৰ্তমান কানৈ কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° জয়কৃষ্ণ মহন্তৰ উৎসাহ আৰু প্ৰেৰণা শলাগ ল'বলগীয়া। লগতে প্ৰকাশক, উদ্‌যাপন সমিতিৰ সম্পাদক অধ্যাপক নৰেন্দ্ৰ মাহেলাৰ সহায়-সহযোগিতা উল্লেখনীয়। দুয়োৰে কাষত মই কৃতজ্ঞতাৰ পাশত আৱদ্ধ।

স্মৃতিগ্ৰন্থখন প্ৰকাশৰ প্ৰতিটো পদক্ষেপতে মোক দিয়া পৰামৰ্শৰে সহায় কৰিলে সম্পাদনা সমিতিৰ সমূহ সদস্য আৰু সদস্যাই। তেওঁলোকৰো শলাগ ললোঁ। অধ্যাপক মৃদুল শৰ্মাই বেটুপাত পৰিকল্পনাৰপৰা আৰম্ভ কৰি বিভিন্ন দিশত মোক সহায়ৰ হাত আগবঢ়াই কৃতজ্ঞতাৰ পাত্ৰ হৈ ৰ'ল। প্ৰিণ্টটেক্ অফ্‌ছেট্ এণ্ড পাব্লিছাৰ্চৰ স্বত্বাধিকাৰী আৰু সমূহ কৰ্মীবৃন্দলৈ শলাগ জনালোঁ।

হীৰকদ্যুতিয়ে আপোনাসৱৰ আশীৰ্বাদ প্ৰাৰ্থী হৈ আত্মপ্ৰকাশ কৰিছে। ইয়াৰ বিচ্ছুৰিত বৰ্ণালীয়ে আপোনাসৱৰ মন ৰঙাব পাৰিলে তাৰ সফলতাৰ ভাগ পূৰ্বে উল্লিখিত সমূহ ব্যক্তিৰেই প্ৰাপ্য। দায়-দোষ, ত্ৰুটি-বিচ্যুতিখিনি সম্পাদিকাৰ অপাৰগতা বুলি ধৰিব। কিয়নো সধীজনে কৈ গৈছে — পখী সৱ উৰয় পখা অনুসাৰে —

আপোনাসৱৰ কৃপাপ্ৰাৰ্থী

উষাৰাণী বৰুৱা
৩/৯/২০১০





# কল্পনাৰ সোণালী সপোন ঃ ডিব্ৰুগড় কলেজ

অশ্বিনী চৰণ চৌধুৰী

We are informed that Sjt Aswini Charan Chdoudhury, Secretary, Assam Jatiya Mahashabha, has taken the initiative in the matter of starting an I.A.College at Dibrugarh. It is reported that he has secured the permission of the George Institution authorities to make use of its premises fot the purpose of holding the College classes. We wish Sjt Choudhury all success. (19 th May, 1945, Times of Assam.)

Times of Assam কাগজৰ সম্পাদকীয়ত এইখিনি কথা প্ৰচাৰ হোৱাত ডিব্ৰুগড়ত কিছুমান লোকৰ মাজত আলোচনা-সমালোচনা হ'বলৈ ধৰিছিল। কোনো সভা-সমিতি নোহোৱাকৈ, ৰাইজৰ অগোচৰতে কেনেকৈ কলেজ হ'ব পাৰে বুলি বু-বু বা-বা আৰম্ভ হৈছিল। প্ৰগাঢ় আগ্ৰহ নজন্মিলে, আন্তৰিক অনুপ্ৰেৰণা নাজাগিলে, নিষ্ঠা নাথাকিলে কোনো কামৰে সফলতা কামনা কৰা সম্ভৱ নহয়। অনুপ্ৰেৰণাৰো কিবা এটা উৎস থাকিব লাগিব। ৰাইজৰ আলোচনাই, ৰাইজৰ আশীৰ্বাদেই অন্তৰত কিবা এটা শক্তিৰ উদয় কৰে, কামৰ কাৰণে আগ্ৰহ জন্মায় ক'ব নোৱৰাকৈয়ে। এই আগ্ৰহেই হৈছে জেদ। জেদৰ আগত বাধাই একো কৰিব নোৱাৰে। এই বাধাবোৰে জেদৰ অন্তৰায় হৈ, শুভকামৰ কাৰণে শক্তি যোগায়, কামৰ বাট মুকলি কৰি দিয়ে।

সৰ্বশক্তিমান ভগৱানে কাৰ হতুৱাই কি কাম কৰায়, কাৰ মনত কি শক্তি

যোগায় এই কথা কোনেও নাজানে। সাধাৰণ মানুহৰ হতুৱাই সেই শক্তি নিহিত কৰি বহু অসাধ্য কামো সাধ্য কৰি তোলে। ডিব্ৰুগড়ত এখন উচ্চশিক্ষাৰ অনুষ্ঠান গঢ় দিয়াটো দুঃসাধ্য বুলিয়ে ক'ব পাৰি।

১৯৪৫ চনৰ কোনোবা এটা মুহূৰ্তত চকুত পৰিল নলবাৰীৰ নিচিনা চহৰ এখনত কলেজ খোলাৰ যো-জা কৰাৰ কথা। ডিব্ৰুগড়ৰ নিচিনা চহকী ঠাই এখনৰ তুলনাত নলবাৰীৰ নিচিনা আৰ্থিক দিশত পিছপৰা ঠাই এখনৰ তুলনা নহয়। মনত আঘাত লগাটো স্বাভাৱিক কথা। সভা-সমিতি পাতি উচ্চ-শিক্ষাৰ বাবে আলোচনা সমালোচনা একো হোৱা নাছিল। জৰ্জ স্কুলৰ এখন সভাত কলেজ খোলাৰ কথা এদিন আলোচনা হৈছিল। কিন্তু কেইবাজনো বক্তাই-কলেজ খোলাৰ কথা ভাল নাপালে। তেওঁলোকে কৈছিল যে কলেজ এখন খুলি কিছুমান কেৰাণী কাম কৰা মানুহ তৈয়াৰ কৰাহে হ'ব। তাৰ পৰিৱৰ্তে টেকনিকেল কলেজ, ইঞ্জিনিয়াৰিং কলেজ আদি খোলাহে ঠিক হ'ব। কথাটো সেইখিনিতে তল পৰি গ'ল। কিন্তু মনত ধাউতি থাকিলে আৰু নিষ্ঠা থাকিলে তাক কোনেও দমাব নোৱাৰে। কলেজ খোলাৰ কথা মনত দ-কৈ বহি গৈছিল। ইতিমধ্যে এইটো দেখা গ'ল যে, ডিব্ৰুগড়ত শিক্ষিত লোকৰ অভাৱ নাই। শিক্ষা, ধন ডিব্ৰুগড়ত যথেষ্ট আছে। কিন্তু কেনেকৈ কামত আগবঢ়া যায় এই কথাকে ভবা হ'ল। কেইজনমান শিক্ষিত লোকৰ ঘৰে ঘৰে ফুৰা হৈছিল। স্বৰ্গীয় বেণুধৰ ৰাজখোৱাদেৱে কৈছিল, "কোনোবাই কলেজ খুলিলে মোৰ ছোৱালীজনীকে প্ৰথমে ভৰ্তি কৰি দিম যোৱা।" স্বৰ্গীয় গোবিন্দ শৰ্মাদেৱে কৈছিল, "কোনোবাই কলেজ খুলিলে মোৰ ঘৰতে বহি থকা ল'ৰাক ভৰ্তি কৰা হ'ব। কিন্তু প্ৰত্যেককে কেনেকৈনো কলেজ হ'ব, কোনে আগ ভাগ ল'ব এই কথাটো কোৱা হোৱা নাছিল। 'কলেজ পাতিবলৈ অজস্ৰ টকা লাগিব, ৰাজহুৱা সভা নহ'লে এই কথাটো বিবেচনা কৰা সম্ভৱ নহ'ব — ইত্যাদি নানা মতামতেৰে ৰাইজৰ মতামতবোৰ গোটোৱা হৈছিল। কোনোবা দুজন-এজনে কৈছিল, উচ্চশিক্ষা লাভ কৰিব খুজিলে আমি কলিকতা, গুৱাহাটী আদি ঠাইলৈ পঠাব পাৰোঁ। ইয়াত কলেজ খোলাৰ আৱশ্যক নাই।' কলেজ খোলাৰ অন্তৰালত কোনো আৰ্থিক লাভালাভৰ বা স্বাৰ্থ পূৰণৰ আকাংখ্যা নিহিত নাছিল। তাত আছিল ডিব্ৰুগড় অঞ্চলত লাখ লাখ যুৱকৰ শিক্ষা লাভৰ





স্বাৰ্থ। অন্তৰৰ আন্তৰিক অনুপ্ৰেৰণা আগবাঢ়ি যাব ধৰিলে। বাধাই যেন একো কৰিব নোৱাৰিলে। কোনো কথালৈ ভ্ৰূক্ষেপ নাই। কলেজ খোলা প্ৰেৰণা যেন ভগৱান প্ৰদত্ত।

আনহাতে, ডিব্ৰুগড় চহৰত শিক্ষিত লোকৰ হিচাপ-নিকাচ কৰাৰো সময় হৈছিল। কলেজত অধ্যাপনা কৰিবৰ বাবে উপযুক্ত লোকৰ খবৰ-বাতৰি লোৱা হৈছিল। পোন প্ৰথমতে, সকলোৰে আদৰণীয় সকলোৰে ভাল পোৱা, উপযুক্ত শিক্ষিতলোক স্বৰ্গীয় যোগীৰাজ বসুদেৱৰ খবৰ লোৱা হৈছিল। বিৰাজ আশ্ৰমৰ ভিতৰৰ পৰা বাহিৰলৈ নহা স্বৰ্গীয় বসুৰ তালৈ যাবলৈ আৰম্ভ কৰা হৈছিল। প্ৰথম দিনা গৈ কোনো সমিধান পোৱা নগ'ল। তেখেতে কথা-বতৰা কৈয়ে 'কি কলেজ হ'ব' — এই বুলি কৈ, কথাৰ ওৰ পেলালে। তাৰ পৰা উলটি অহা হ'ল যদিও সেই কথাই হতাশ কৰিব নোৱাৰিলে। অদম্য হেপাহ দমাব নোৱাৰি কামত আগবঢ়া হৈছিল। কি কি বিষয় থাকিব, এইটো ঠিক কৰি প্ৰত্যেক বিষয়ৰে এজনকৈ অধ্যাপক বিচৰা হৈছিল। বুৰঞ্জী বিভাগত স্বৰ্গীয় লক্ষ্মীপ্ৰসাদ দত্তৰ তালৈ যোৱা হৈছিল। সেই সময়ত তেওঁ ঘৰত নাছিল। তেখেতে তেতিয়া চাবুৱাত থকা চীনা কেম্পত কাম কৰিছিল। তেওঁৰ দেউতাক স্বৰ্গীয় মহেন্দ্ৰ দত্তই কথা দিছিল যে কলেজ হ'লে তেওঁ তাত কাম কৰিব। তাৰ পিছত শ্ৰীযুত নিৰ্মল বসুদেৱক লগ ধৰা হৈছিল। তেওঁ তেতিয়া ৰেলৱেত কাম কৰিছিল। তেখেতৰ পৰা সন্মতি পোৱা হৈছিল আৰু মনত আশা বান্ধি আন এগৰাকী ব্যক্তিৰ ওচৰ চপা হৈছিল। তেখেত হ'ল চাপ্লাই বিভাগত কাম কৰা স্বৰ্গীয় সুশীল দত্তদেৱ। তেৰোঁ সন্মতি জনালে। এনেকৈয়ে ৰসনলাল আগৰৱালা, মুজিবুৰ ৰহমান, স্বৰ্গীয় উমাপদ দে, শ্ৰীদেৱ কুমাৰ দত্ত, স্বৰ্গীয় পৰশুৰাম সোণোৱাল, বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য, ৰাজেন্দ্ৰ লাল নাথ, দীপালী চৌধুৰী আদিৰো অনুমতি লোৱা হৈছিল। কিন্তু আচল কথা ধন সংগ্ৰহৰ কোনো আয়োজন কৰা নহ'ল। কলেজ খোলাৰ বাবে যে বহু ধনৰ আৱশ্যক এই কথাটোলৈ কিন্তু মন-কাণেই কৰা নহৈছিল। কোনো ৰাজহুৱা সভা-সমিতি নোহোৱাকৈ গাইগুটীয়াভাবে কামবোৰ চলাই যোৱা হৈছিল।

ইতিমধ্যে Times of Assam' ৰ ১৯মে'ৰ সংখ্যাত সম্পাদকীয়ৰ ফালৰ পাৰ কলেজ খোলাৰ আয়োজনৰ কথা প্ৰকাশ হৈছিল। এই খবৰ পাই

বহুতৰ ভিতৰত কলেজ হোৱাৰ সপক্ষে আৰু বিপক্ষে আলোচনা-সমালোচনা হৈছিল। কিন্তু এইটো ঠিক যে, অনুপ্ৰেৰণাৰ আগত সকলো বাধা-বিঘিনি উফৰি গৈছিল।

এজন বুঢ়া ভদ্ৰলোকে এদিন বাটতে লগ ধৰি কৈছিল, — "কি কথা, কলেজ খোলা বোলে? কলেজ খোলাৰ বেলেগ কমিটি আছে নহয়?" তাৰ উত্তৰত একো নাজানো বুলি কোৱা হৈছিল। তেখেতে ধমক দি কৈছিল — 'বাতৰি কাকতত দি দিয়া মিছা কথা বুলি।' আৰশ্যে এইটো কথা ঠিক যে সেই সময়ত কলেজ খোলাৰ কাৰণে আন এটা কমিটি আছিল। তাৰ সম্পাদক আছিল স্বৰ্গীয় জীৱন ফুকনদেৱ আৰু সভাপতি আছিল স্বৰ্গীয় ৰায়চাহাব ডাঃ ফণী ঘোষ। কিন্তু কেবাবছৰ হৈ যোৱাৰ পিছতো সেই কমিটিয়ে কোনো কামত আগবঢ়া নাছিল। আন এদিনাখন এজন যুৱবন্ধুৱে বাটতে লগ ধৰি কৈছিল —'বেলেগৰ পৰা অহা মানুহ এজনে ডিব্ৰুগড়ত কি কলেজ খুলিব? কলেজ খুলিলে ৰাজহুৱা সভা-সমিতি হ'ব লাগিব। আপোনাৰ কি স্বত্ব আছে ইয়াত কাৰো অনুমতি নোহোৱাকৈ কলেজ খুলিব?' এই বুলি প্ৰশ্ন কৰিছিল। তাৰ উত্তৰত কোৱা হৈছিল, ডিব্ৰুগড়ত যদি কলেজ নালাগে, তেন্তে প্ৰফেচাৰসকলে ডেস্ক আৰু বেঞ্চকে শিকাই আহিব।

কলেজ খোলাৰ আয়োজনৰ কথা বহুতে জানিবলৈ ইচ্ছা কৰিছিল, কিন্তু বাটত বিঘিনি ঘটিব বুলি কাৰো আগত জনোৱা হোৱা নাছিল।

সেই সময়ত গুৱাহাটীৰ আৰ্ল ল কলেজৰ অধ্যক্ষ শৰৎ চন্দ্ৰ দত্তদেৱে (ন্যায়াধীশ) মতাই নি কলেজ খোলাৰ কথা সুধিছিল। একো কোৱা নহ'ল কিন্তু তথাপি তেখেতে উৎসাহ দিছিল।

খৰচ-পাতি চলাবৰ কাৰণে ধন সংগ্ৰহৰ কথা মনতে নাছিল। কাগজ কলমৰ কথাও ভবা হোৱা নাছিল। স্বৰ্গীয় সাৰদাশংকৰ প্ৰসাদ দত্তই এযোৰ দোৱাত কলম দি সহায় কৰিছিল। আন এজন বন্ধু শ্ৰীভড়ালীয়ে চাইনবোৰ্ড দিছিল। স্বৰ্গীয় নবীন চন্দ্ৰ বৰদলৈ, ৰুদ্ৰ বড়া, সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰী আদিয়ে বিশেষভাৱে সহায় কৰি কলেজ খোলাত অৰিহণা যোগাইছিল। ডেপুটি ইন্সপেক্টৰ অফিচৰ পৰা ফৰ্ম আদি সংগ্ৰহ কৰা হৈছিল। শুৱালকুছিৰ দোকানৰ পৰা Admission Register ৰ ক'ভাৰ কৰিবৰ কাৰণে মুগাৰ কাপোৰ





বিনাপইচাৰে লোৱা হৈছিল। বৰা এণ্ড কোম্পানীৰ ৰুদ্ৰ বৰাৰ পৰা এটা ট্ৰাংক আৰু কেছ বক্স লোৱা হৈছিল। এই দৰে কলেজৰ কাম আগ বাঢ়িছিল।

ৰাইজৰ মাজত কথাবোৰ আলোচনা হ'লত কেইজনমান ডেকা বন্ধুৱে ইয়াৰ বিপক্ষে, বাধাদিয়াৰ প্ৰয়াসেৰে ৰাজহুৱা সভা পাতিছিল। তাঁলৈ নিমন্ত্ৰণ পোৱা হৈছিল যদিও যোৱা নহৈছিল। সেই সভালৈ যোগেন হাজৰিকা আৰু সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰী (কলেজীয়া ছাত্ৰ) আদি কেবাজনকো যাব দিয়া হৈছিল। ৰায় চাহেব স্বৰ্গীয় বেণুধৰ ৰাজখোৱাদেৱে সভাত সভাপতিত্ব কৰিছিল। জৰ্জস্কুলত অনুষ্ঠিত হোৱা সেই সভাতে কলেজ খোলাৰ আয়োজন বন্ধ কৰিবৰ বাবে বাক-বিতণ্ডা চলিছিল। কিন্তু যোগেন হাজৰিকাৰ দৰে কেবাজনো কলেজীয়া ছাত্ৰৰ আগত সেইবোৰ বাধা উফৰি গৈছিল। 'ডিব্ৰুগড়ৰ ওচৰে-পাজৰে থকা দুখীয়া শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ বাবে এখন কলেজ লাগিবই। যেয়ে নোখোলক, ডিব্ৰুগড়ত কলেজ লাগিবই।' এনেবোৰ কথাৰ আগত স্বৰ্গীয় ৰাজখোৱাদেৱেও তাতেই জোৰ দিলে আৰু এই ধৰণে প্ৰস্তাৱ ল'লে —"This meeting of the students of Dibrugarh is fully sympathetic to the present move taken by some gentlemen of the town to start an Arts College at Dibrugarh from next session, and urges on the movers to hold a public meeting immediately for the purpose." (Times of Assam, 26th May, 1945)

কলিকতা University ৰ পৰা এখন calendar আনি বিষয়বোৰ ঠিক কৰি লোৱা হৈছিল আৰু ছাত্ৰসকলে শোধাব লগা ধনৰ পৰিমাণ ঠিক কৰা হৈছিল।

কলেজ খোলাৰ নিমন্ত্ৰণী চিঠি ছপা কৰা হোৱা নাছিল। টাইপ কৰিয়ে চিঠি বিলোৱা হৈছিল আৰু তাৰ উত্তৰো কেইজনমানৰ পৰা পোৱা হৈছিল। তলত তাৰ নকল এটি দিয়া হ'ল।

Dear Choudhury,

I have received today with great delight your kind invitation to the opening ceremony of our Dibrugarh

college. I cannot express how very happy I am feeling today at the thought that at last my ambition to see a college at Dibrugarh has come to blossom. I know that the major portion of our thankfulness for the birth of the institition should go to you.....

Sd/ B. K. Borgohain
Sibsagar.
15th June, 1945

শিক্ষা বিভাগৰ মন্ত্ৰী খান বাহাদুৰ চৈয়দুৰ ৰহমানে চিঠি উত্তৰ দি জনালে

Dear Choudhury,

I am very happy that a college a long felt one of Dibrugarh is going to be fulfilled at the opening of the institution for Higher education. It requires a lot of fund. I don't understand how it possible to collect such a huge fund. I offered my hearty thanks for your endevour. I shall be very happy if I can contribute to help you in some way.......

Sd/ S. Rahman
Shillong.
18th May, 1945

স্বৰ্গীয় যোগীৰাজ বসুদেৱক অধ্যক্ষ, মঃ মজিবুৰ ৰহমানক উপাধ্যক্ষ হিচাপে লৈ বাকী Staff কেইজনো ঠিক কৰা হৈছিল।

আৰম্ভণিৰ দিন লাহে লাহে ওচৰ চাপি আহিল। কোনে আৰম্ভ কৰিব এই বিষয়ে একো ঠিক কৰা হোৱা নাছিল। হঠাতে মনত পৰিল স্বৰ্গীয় মঃ ফাইজনুৰ আলিদেৱলৈ। কাৰণ তেখেতে এদিন ডিব্ৰুগড়ত কলেজ খোলাৰ বিপক্ষে এখন সভাত কৈছিল। আগতে কোনো নিমন্ত্ৰণী পত্ৰ নিদিয়াকৈ সেইদিনা ৰাতিপুৱাতে তেখেতক অনুৰোধ কৰা হৈছিল যাতে আৰম্ভণিৰ কামখিনি সমাধা কৰি দিয়ে। কলেজ আৰম্ভণিৰ খবৰটো চহৰত শুনাই দিয়া হৈছিল। ছোৱালীকে প্ৰথমে ভৰ্তি কৰা হ'ব বুলি এজনী ছোৱালীক ঠিক কৰি





থোৱা হৈছিল। ইমান আয়োজনৰ ভিতৰতো ক'ত কলেজ খোলা হ'ব এই ঠাই কিন্তু ঠিক হোৱা নাছিল।

জৰ্জস্কুলখন (এতিয়া বাগ্মীবৰ নীলমণি ফুকন) তেতিয়া সকলো অনুষ্ঠানৰে প্ৰথম কেন্দ্ৰস্বৰূপ আছিল। স্বৰ্গীয় গোবিন্দ শৰ্মাদেৱৰ কথামতে এই স্কুলখনৰ পৰা অনুমতি বিচাৰি এখন দৰ্খাস্ত দিয়া হৈছিল, কিন্তু অনুমতি পোৱা নাছিল। মেনেজিং কমিটিৰ পিছদিনা স্বৰ্গীয় শৰ্মাদেৱক দেখা কৰা হ'লত তেখেতে খঙেৰে কৈছিল — "নালাগে অনুমতি, মই অনুমতি দিছোঁ। আপুনি কলেজ পাতক।" গতিকে জৰ্জ স্কুলৰ লিখিত অনুমতি কলেজ খোলাৰ আগেয়ে পোৱা নাছিল।

কোৱা বাহুল্য যে, শিক্ষকসকলৰ প্ৰতি আমি বিশেষভাৱে কৃতজ্ঞ। কাৰণ শিক্ষকসকল নহ'লে কলেজৰ কথা ভাবিবই পৰা নগ'লহেঁতেন। এজন এজনকৈ প্ৰত্যেকজন শিক্ষকে বিনা পইচাৰে কাম কৰিবলৈ আগবাঢ়ি আহিছিল। তেখেতসকলৰ এনে আগ্ৰহক নশলাগি নোৱাৰি। যিদিনাই গোটেই কেইজন শিক্ষকক একেলগ কৰি আলোচনাত বহুৱাব পৰা গৈছিল সেইদিনাহে ভবা হৈছিল কল্পনাৰ সপোন বোধহয় বাস্তৱত পৰিণত হ'ব।

কলেজ খোলাৰ আগমুহূৰ্তলৈ ধন তোলাৰ কোনো আয়োজন কৰা নহৈছিল। ক'ৰবাত কিবা হ'লে বা ক'ৰবাত লাগিলে নিজৰ জেপৰ পৰাই উলিয়াই দিয়া হৈছিল। আনোৱাৰ আলি নামৰ এজন ছাত্ৰই ২০০ টকা খৰচৰ কাৰণে দিছিল। কলেজ আৰম্ভ কৰিবৰ দিনা নিজৰ জেপৰ পৰাই আঠ অনা আৰু বাসুদেৱে দিয়া আঠ টকাৰে কলেজ fund ৰ আৰম্ভণি কৰা হৈছিল।

কোনো সভা-সমিতি ৰাজহুৱাভাৱে কৰা নহৈছিল। কাৰণ আন এটা পক্ষই খুঁত উলিয়াই ৰাইজৰ চকুত তাক উদঙাই দেখুৱাবলৈ চেষ্টা কৰি আছিল। কেইজনমান ডেকা বন্ধুৱে গুপ্তচৰৰ দৰে থাকি সকলো কথা সাঁকিয়াই দি আছিল। ভগৱানৰ কৃপাত কামবোৰ সু-চাৰুৰূপে হৈ গৈছিল। পইচাৰ অভাৱত আৰম্ভণি সভাৰ দিনা ৰাইজক চাহ-পানী খুৱাবৰ শক্তি নাছিল। বজাৰৰ মনমোহন মিষ্টান্ন ভাণ্ডাৰে উপযাচি আহি অতিথিক আপ্যায়ন কৰিছিল।

আজিৰ যি আনন্দ সেই আনন্দ সেই সময়ত নাছিল। স্বৰ্গীয়া গৌৰী চলিহা বাইদেৱে উপদেশ দি কৈছিল, 'তুমি আৰু দুজনমানৰ সহায় লোৱা,

তোমাৰ বৰ কষ্ট হৈছে।' যাৱতীয় খৰচ-পাতিৰ অভাৱত বিনা পইচাৰে বৰুৱা প্ৰেছৰ পৰা ছপা কৰা হৈছিল। বৰুৱা প্ৰেছত বোধহয় ১৪০ টকা বাকী থাকি গ'ল। তেতিয়াৰ Assam Tribuneৰ সম্পাদক স্বৰ্গীয় লক্ষ্মীনাথ ফুকনদেৱে কৈছিল, "টকা-পইচা নোহোৱাকৈ এইখন কি কলেজ খুলিব? ডাঙৰ ডাঙৰ ধনী ধনীমানুহ লওক।" কথাবোৰ কাণতহে পৰিছিল কিন্তু বেছি মূল্য দিয়া হোৱা নাছিল।

আৰম্ভণিৰ দিনটো ঠিক কৰা হ'ল। ১৯৪৫ চনৰ ১৫ জুন, বৃহস্পতিবাৰ। সময় পুৱা ৮ বজাত। এই দিনটোতে ভাৰতৰ ভাগ্যনিয়ন্তা মহাত্মগান্ধীৰ প্ৰধান শিষ্য পণ্ডিত জৱাহৰলাল নেহৰুক আদি কৰি স্বদেশী আন্দোলনৰ কৰ্মীসকলক কাৰাবাসৰ পৰা মুক্তি দিছিল। মুক্তি প্ৰয়াসী হিচাপে আমিও সেই দিনটোকে ঠিক কৰিছিলোঁ। জৰ্জস্কুলৰ শিক্ষক স্বৰ্গীয় বংশীধৰ দাসক অফিচৰ সহায়ক হিচাপে ঠিক কৰা হৈছিল, স্বৰ্গীয় মঃ ফাইজনুৰ আলীদেৱৰ হতুৱাই আৰম্ভণি কৰা হৈছিল। বিশিষ্ট অতিথি হিচাপে স্বৰ্গীয় জীৱন ফুকন, নৱ কুমাৰ দত্ত আদি বহুতো গণ্য-মান্যলোক উপস্থিত আছিল। সভাত সভাপতিত্ব কৰিছিল স্বৰ্গীয় ৰাজখোৱাদেৱে। সভা মুকলি কৰিছিল মঃ ফাইজনুৰ আলীদেৱে।

অধ্যক্ষ বসু ডাঙৰীয়াক সজোৱা হৈছিল লিখকৰ নিজৰ হাতঘড়ী, গাত লোৱা মুগাৰ চাদৰ আদিৰে। বেংকৰ চেকবহী দেখি বসুদেৱে কৈছিল, 'মই আজিহে চেক্ দেখিছোঁ।' শেষত কলেজ খোলাৰ প্ৰস্তাৱ গৃহীত হৈছিল, স্বৰ্গীয় ৰাজখোৱাদেৱক কলেজ কমিটিৰ সভাপতি হিচাপে লৈ।

সেই সময়ত ৰায় বাহাদুৰ স্বৰ্গীয় সদানন্দ দুৱৰাদেৱ finance committe ৰ সদস্য আছিল। কামৰ পৰা অৱসৰ লোৱাৰ পিছত ডিব্ৰুগড় কলেজ কমিটিৰ সভাপতি হিচাপে লোৱা হৈছিল।

এইদৰে এটি পইচা জমা নোহোৱাকৈয়ে ৰাইজৰ অনুগ্ৰহত, ৰাইজৰ সদ্ ইচ্ছাত, ৰাইজৰ অভাৱ পূৰণৰ অৰ্থে ডিব্ৰুগড় কলেজৰ আৰম্ভণি কৰা হৈছিল। বহু বাধা-বিঘিনিৰ ...... মাজতে জন্ম পোৱা ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ 'ডিব্ৰুগড় কলেজ' ৰূপান্তৰিত হ'ল ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়লৈ, ১৯৫০ চনত।

বৰ্তমান কলেজ থকা মাটিখিনি আগেয়ে চৰকাৰী মাটি আছিল। ইয়াৰ





এডোখৰ হাবি-বননিৰে ভৰা চীনা কবৰখানা, এডোখৰ মিছনেৰীসকলৰ হোষ্টেল আৰু আনডোখৰ আছিল ফৰেষ্ট অফিচ। পিছত ডেপুটি কমিচনাৰৰ পৰা এই মাটিৰ ১৬ বিঘা কলেজৰ কাৰণে লৈ বাকী ৮ বিঘা মিশ্যমেৰীসকলক স্কুলৰ কাৰণে দিয়া হৈছিল।

অৱশ্যে এইটো ঠিক যে, পিছতো ডিব্ৰুগড়ত কলেজ স্থাপিত হ'লহেঁতেন কিন্তু সময়ৰ সুযোগ হয়তো ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিব নোৱাৰিলেহেঁতেন। A College without a coffer' সম্ভৱ নহ'লহেঁতেন। স্বৰ্গীয় বসুডাঙৰীয়াৰ নিচিনা আদৰ্শবাদী শিক্ষক এজনক exploit কৰিবৰ সুবিধা নহ'লহেঁতেন। স্বৰ্গীয় লক্ষ্মীপ্ৰসাদ দত্তদেৱৰ নিচিনা দেহেকেহে লগা মানুহ এজনক আৰু অবৈতনিকভাৱে কাম কৰা সুযোগ্য শিক্ষকসকলে শিক্ষাদান কৰাৰ সমৰ্থ হেৱালহেঁতেন।

যদিও কেতিয়াবা কাম কৰাৰ ভিতৰত ৰাইজৰ মতামত উপেক্ষা কৰি, ইচ্ছামতে কামত আগবঢ়া হৈছিল নাইবা কথাৰ সত্যতা গোপনে ৰখাহৈছিল, কাৰ্যৰ সফলতাৰ অনুকূলেহে, ৰাইজৰ মংগলৰ হকে। কাৰণ উদাহৰণৰপৰা দেখা যায় যে, কেতিয়াবা বহুমতে কামৰ অগ্ৰসৰত অন্তৰায় জন্মায়।

কলেজ প্ৰতিষ্ঠা হোৱাৰ দিনৰে পৰা শিক্ষক স্বৰ্গীয় দত্তদেৱকে আদি কৰি বহুজনে অশেষ কষ্টেৰে অনুষ্ঠানটিক নদন-বদন কৰি তোলাত অহোপুৰুষাৰ্থভাৱে চেষ্টা কৰি আহিছিল। শিক্ষাৰ অনুষ্ঠান এটা গঢ় দিয়াত শিক্ষকৰ নিষ্ঠা, সমাজসেৱা, ত্যাগ, নিঃস্বাৰ্থপৰতা, মৰম আৰু ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ প্ৰতি ধাউতি, শিক্ষকৰ প্ৰতি সন্মান, বন্ধুত্ব আৰু অভিভাৱকৰ সহযোগ আদিয়ে বিশেষভাৱে বৰঙণি যোগাইছিল।

প্ৰথম অৱস্থাত কলেজৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ সহযোগ, শিক্ষকসকলৰ কৰ্তব্যনিষ্ঠা আৰু অনুষ্ঠানটিৰ প্ৰতি জন্মা ৰাইজৰ সদিচ্ছা বিশেষভাৱে উল্লেখনীয়।

আদৰ্শবাদীসকলৰ এনে অনুকৰণে অনুষ্ঠানটিক সজীৱ কৰি ৰাখিছে আৰু ৰাখিবও। আদৰ্শ কেতিয়াও লুপ্ত হ'ব নোৱাৰে। আদৰ্শৰ জয়-জয় ময়-ময় সদায়ে আছে। ❑❑

# ডিব্ৰুগড় হনুমানবক্স সূৰযমল কানৈ কলেজৰ স্মৃতিৰ পাপৰি

ড° যোগীৰাজ বসু

ওঁ স্বস্তি !

ডিব্ৰুগড় হনুমান বক্স সূৰযমল কানৈ কলেজৰ ৰূপালী জয়ন্তী সমাগত। ৰূপালী জয়ন্তী উৎসৱৰ স্মৃতি-চিহ্ন হিচাপে আলোচনী এখন প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি সম্পাদনা সমিতিয়ে মোলৈ এটি অনুৰোধ জনালে — মই কলেজখনৰ এটি ইতিবৃত্ত লিখি দিব লাগে। সঁচা কথা, সম্পাদনা সমিতিৰ তৰফৰপৰা এই প্ৰস্তাৱটি পাই মই আনন্দিত নহৈ নোৱাৰিলোঁ; কাৰণ, কানৈ কলেজ মোৰ অতি আদৰৰ, অতি চেনেহৰ। কিন্তু কথা হ'ল — কলেজখনৰ সুদীৰ্ঘ বাইশ বছৰৰো অধিক কালৰ বিস্তৃত বিৱৰণী এটি সীমিত দৈৰ্ঘ্যৰ প্ৰবন্ধ এটাত লিখি অঁতোৱাটো তেনেই উজু নহয়, অসম্ভৱ বুলি ক'লেও কিজানি অত্যুক্তি কৰা নহ'ব। সেইবাবে থাউকতে স্মৃতিৰ ভঁৰালৰ কেইটিমান কথাহে মই ইয়াত উল্লেখ কৰিম।

১৯৪৫ চনৰ ৭ মে'। সেইদিনাখন আমাৰ ডিব্ৰুগড়ৰ ধৰ্মীয় অনুষ্ঠান 'বিৰাজ'ত শ্ৰীঅশ্বিনীচৰণ চৌধুৰীয়ে মোক দেখা কৰে। প্ৰসঙ্গক্ৰমে ডিব্ৰুগড়ত এখন কলেজ স্থাপন কৰিব পৰাৰ সম্ভাৱনাৰ বিষয়ে তেখেতে মোৰ লগত আলোচনা কৰে। সিদিনা মোৰ জ্বৰ। শ্ৰীচৌধুৰীয়ে মোক ইয়াকো জনালে — তেখেত এই সম্পৰ্কে ডিব্ৰুগড়ৰ দুই চাৰিজন উৎসাহী ব্যক্তিৰ লগত আলোচনা কৰিছেই। তেখেতৰ ইচ্ছা, — ইচ্ছা নহয়, তেখেতে টানি ধৰিলে যে প্ৰস্তাৱিত কলেজখনৰ অধ্যক্ষৰ ভাৰ গ্ৰহণ কৰিব লাগে মই। মই পিছে খোলাকৈ ক'লোঁ,





"চৌধুৰী, আপোনাৰ প্ৰস্তাৱৰ বাবে ধন্যবাদ। কিন্তু মোক মাফ কৰিব। অধ্যক্ষৰ পদ ল'বলৈ মোৰ নিতান্তই ইচ্ছা নাই। ইয়াতকৈ আপুনি এক কাজ কৰক। মোৰ শিক্ষাগুৰু শ্ৰীউমাপ্ৰসন্ন দে আছে। তেখেতকে অধ্যক্ষ হিচাপে নিৰ্বাচন কৰক। নহ'লে আপোনালোকে ভাল দেখা অইন কাৰোবাকে অধ্যক্ষ পাতক। তেও মোক বাদ দিয়ক। মই বাৰু অধ্যাপক হিচাপে থাকিম। টকা-পইচাৰ লেঠাকে ধৰি শাসনকাৰ্য মই তেনেই ভাল নাপাওঁ। অধ্যক্ষৰ বাবে মোক নধৰিব।" চৌধুৰীয়ে কিন্তু তেখেতৰ নিজৰ কথা এৰি নিদি ক'লে, "অকল ময়ে নহয়, প্ৰত্যেকে বাঞ্ছা কৰে আপুনি অধ্যক্ষ হওক। আপুনি সন্মতি দিলে সকলোৱে সহযোগ কৰিব।" তথাপিও মই না কৰিলোঁ। আকৌ চৌধুৰীয়েও মোক এৰা নিদিলে। এদিন, দুদিন-চাৰিদিন তেখেতে মোক লগ ধৰিলে। তেখেতৰ কথাও একেটাই — মই অধ্যক্ষ হ'বই লাগিব। শেহান্তৰত চতুৰ্থ দিনা তেখেতে ক'লে, "আপুনি যদি সন্মতি নিদিয়ে, তেন্তে আমাৰ আঁচনি পণ্ড হৈ যাব। আৰু আমিও কাগজত প্ৰকাশ কৰি দিম যে আপুনি অধ্যক্ষ হ'বলৈ সন্মতি নিদিয়াৰ বাবেই কলেজ আৰম্ভ কৰিব পৰা নহ'ল। আৰুতো উপায় নাই। চৌধুৰীৰ কৰ্তব্যনিষ্ঠাই আৰু কলেজখন পতা বিষয়ে একাগ্ৰতাই মোক মোহিত কৰিলে। শেহান্তৰত উপায়ান্তৰ হৈ সন্মতি দিবলগীয়াই হ'ল।

ইয়াৰ পূৰ্বে আৰু দুবাৰ ডিব্ৰুগড়ত কলেজ পতাৰ চেষ্টা চলোৱা হৈছিল। আৰু দুয়োটা চেষ্টাই ব্যৰ্থকাম হৈছিল। এইবেলি এনে সিদ্ধান্ত লোৱা হ'ল যে কলেজ আৰম্ভ নকৰাকৈ কোনো টকা-সিকা তোলা নহ'ব। চৌধুৰীয়ে কেবাগৰাকীও শিক্ষক যোগাৰ কৰিলে। তেখেতসকলৰ প্ৰতিজনেই এবছৰৰ বাবে অবৈতনিক হিচাপে কাম কৰিবলৈ সন্মতি দিলে। জৰ্জ ইনষ্টিটিউশ্যনৰ কৰ্তৃপক্ষয়ো তেওঁলোকৰ স্কুলৰ ঘৰতে ৰাতিপুৱা বেলা কলেজৰ 'ক্লাছ' চলাবলৈ সানন্দে অনুমতি দিলে।

হ'বলগীয়া কাম বৈ নাথাকিল।

১৯৪৫ চনৰ জুলাইৰ ১৫ তাৰিখে জমাৰ ঘৰত পাই-পুণিকা এটি নোহোৱাকৈয়ে কলেজ আৰম্ভ কৰা হ'ল। সেই তাৰিখেই এক জনবহুল সমাৰেশ লৈ নগৰৰ বিশিষ্ট সন্মানীয় আৰু শিক্ষিত ব্যক্তি মিঃ ফাইজনুৰ

আলিয়ে কলেজ উদ্বোধন কৰিলে। কবিৰাজ গিৰিশ চন্দ্ৰ শাস্ত্ৰী ডাঙৰীয়াই মঙ্গলাচৰণ পাঠ কৰিলে। ডিব্ৰুগড় নিবাসী প্ৰতিটো সম্প্ৰদায়ৰ গণ্য-মান্য লোকসকলে এই উদ্বোধনী সভাত যোগদান কৰিছিল।

তেতিয়াও গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম হোৱা নাই। অসমৰ সকলো কলেজ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত। আমাৰো কলেজৰ পৰিচালনা সমিতি এখন গঠন হ'ল; শ্ৰীচৌধুৰী হ'ল চেক্ৰেটাৰী আৰু মই অধ্যক্ষ। প্ৰথম বাৰ্ষিক আই. এ. শ্ৰেণীও খোলা হ'ল। অধ্যাপকৰ পদত নিযুক্ত হ'ল — শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত, শ্ৰীনিৰ্মল কুমাৰ বসু, শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য, শ্ৰীসুশীল চন্দ্ৰ দত্ত, শ্ৰীউমাপ্ৰসন্ন দে, এডভোকেট শ্ৰীশক্তিপদ পাত্ৰ, শ্ৰীসুৰেন্দ্ৰ নাথ শৰ্মা প্ৰমুখ্যে ব্যক্তিসকল। এখেতসকলৰ প্ৰতি গৰাকীয়ে এবছৰৰ বাবে অবৈতনিকভাৱে খাটিলে। প্ৰথম ছাত্ৰী হ'ল এজনী ছোৱালী শ্ৰীমতী সৰলা চৌধুৰী। প্ৰথম হেড এচিষ্টেণ্ট আছিল স্বৰ্গীয় দেবেন্দ্ৰ চন্দ্ৰ বৰুৱা। জৰ্জ স্কুলৰ চৌকিদাৰ গৌৰীনাথকে কলেজৰ এককক্ষীয়া প্ৰথম চৌকিদাৰৰ পদত লোৱা হ'ল। কলেজৰ মেনেজিং কমিটিৰ সভাপতি হ'ল ৰায়বাহাদুৰ সদানন্দ দুৱৰা। বিভিন্ন সম্প্ৰদায়ৰ কেইগৰাকীমান লোকক সভ্য কৰা হ'ল। কলেজে স্বীকৃতি পোৱাৰ পিচতহে এখন নিয়মীয়া 'গভৰ্ণিং বডি' গঠন কৰা হয়। তাৰ পিছত বৃহৎ পৰিসৰৰ সাধাৰণ সভা (General Council) গঠন কৰা হয়।

কলেজ আৰম্ভ হোৱাৰ সাতমাহ পিছতহে ডিব্ৰুগড়ৰ ৰাইজৰ বিশ্বাস জন্মে যে কলেজখন বৰ্তিব আৰু এই ঠাইৰ আৱশ্যকতাও পূৰ কৰিব পাৰিব। শিক্ষকসকলৰ ত্যাগ আৰু আত্মোৎসৰ্গৰ প্ৰতিও ৰাইজৰ শলাগনি আহিল। কলেজৰ বয়সৰ অষ্টম মাহত ধন-সংগ্ৰহ কমিটি গঠন কৰা হ'ল। এই সমিতিৰ আগশাৰীৰ সদস্য আছিল স্বৰ্গীয় সদানন্দ দুৱৰা আৰু ড° ফনীন্দ্ৰনাথ ঘোষ। জৰ্জ স্কুলৰ প্ৰধান শিক্ষক গৰাকীক কলেজৰ প্ৰতিখন সমিতিৰ সদস্য কৰা হৈছিল। ময়ো জৰ্জ স্কুলৰে ছাত্ৰ। এইখন স্কুলৰ পৰাই মই মেট্ৰিকুলেশ্যন পৰীক্ষা পাছ কৰিছিলোঁ। জৰ্জ স্কুলৰ ষষ্ঠমান শ্ৰেণীৰ ছাত্ৰ হিচাপে মই যিটো কোঠালিত বহিছিলোঁ, সেইটো কোঠাতে মোৰ অধ্যক্ষৰ 'অফিচ' পতা হ'ল। এই স্মৃতিকণাই মোক আনন্দ দিলে আৰু দিলে অনুপ্ৰেৰণা।





কলেজ আৰম্ভ কৰা হৈছিল জুলাই মাহত। কিন্তু স্বীকৃতিৰ (affiliation) বাবে আৱেদন কৰা হয় নৱেম্বৰ মাহত। এতেকে ১৯৪৫-৪৬ চনৰ বাবে স্বীকৃতি লোৱাৰ কোনো উপায়েই নাছিল। আগতে আৰম্ভ কৰা কাৰ্যৰ বাবে স্বীকৃতি দিয়া নিয়ম নাই। যি কি নহওক, মেনেজিং কমিটিৰ পৰামৰ্শ অনুসৰি শ্ৰীচৌধুৰী আৰু মই কলিকতালৈ বুলি ৰাওণা হ'লোঁ। তালৈ গৈ পাই ড° কালিদাস নাগ, ডাঃ জে. পি. নিওগি প্ৰমুখ্যে কলিকতা বিশ্ববিদ্যালয়ৰ চিনেটৰ মুখপাত্ৰ সদস্যসকলৰ লগত সাক্ষাৎ কৰা হ'ল। ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ জ্যেষ্ঠ ভাতৃ শ্ৰীৰামপ্ৰসাদ মুখাৰ্জী ডাঙৰীয়াই খুচি কৰিয়ে আমাক যথেষ্ট সহায় কৰিলে — তেখেতৰ নিজৰ 'কাৰ'তেই আমাক তুলি নিলে, কলিকতা বিশ্ববিদ্যালয়ৰ বহুতো গণ্য-মান্য বিষয়াৰ লগত আমাক পৰিচয় কৰি দিলে। কিন্তু দুখৰ বিষয়, অহোপুৰুষাৰ্থভাৱে চলোৱা আমাৰ এই সকলো চেষ্টাই বিফল হ'ল। পশ্চাৎ স্বীকৃতি কোনোপধ্যেই নিদিয়ে। মোৰ সহযাত্ৰী চৌধুৰী ডিব্ৰুগড়লৈ উভতিল। আৰু নিৰাশাতো আশাৰ ৰেঙণি পোষণ কৰি মই লগ ধৰিবলৈ ওলালো ড° শ্যামাপ্ৰসাদ মুখাৰ্জীক। ড° মুখাৰ্জী সেই সময়ত ৰোগাক্ৰান্ত অৱস্থাত সাওঁতাল-পৰগণাৰ অন্তৰ্গত মধুপুৰত। তেখেতৰ শাৰীৰিক অসুস্থতাৰ তেনে অৱস্থাতো মই গৈ দেখা কৰিলোঁ — কৰ্তব্যৰ খাতিৰত। ড° মুখাৰ্জীয়ে যথেষ্ট সহানুভূতি প্ৰদৰ্শন কৰি মোক বুজাই ক'লে যে সেই বছৰলৈ স্বীকৃতি দিয়াটো যেনেতেনে অসম্ভৱ। অৱশ্যে তেখেতে মোক পূৰা আশ্বাস দিলে যে ১৯৪৬-৪৭ চনৰ বাবে স্বীকৃতি দিবই। তেতিয়াই এখন দৰখাস্ত দিবলৈও ক'লে। মই লগে লগে দৰখাস্তখনৰ খচৰা এটা কৰিলোঁ আৰু মুখাৰ্জী মহোদয়ে নিজৰ অফিচৰ কৰ্মচাৰী এজনৰ হতুৱাই ততালিকে দৰখাস্তখন টাইপ কৰালে। জ্বৰত ভুগি শয্যাশায়ী অৱস্থাত থাকিও সেইগৰাকী মহানুভৱ ব্যক্তিয়ে আমাক আশাতীতভাৱে সহায় সাহায্য আগবঢ়ালে। তেখেতৰ মহত্ত্ব, তেখেতৰ সততাৰ এয়ে নিদৰ্শন। সেইদিনাই তেখেতক মই মোৰ জীৱনত প্ৰথম লগ পাওঁ। ড° মুখাৰ্জীৰ যেনে কথা তেনে কাম। তাৰ অকণো হেৰফেৰ হ'ব নোৱাৰে। ১৯৪৬-৪৭ চনৰ পৰাই আমাৰ কলেজে স্বীকৃতি পালে। কলেজৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে পৰম কাৰুণিক ভগৱানৰ

করুণাৰ প্ৰতি প্ৰাৰ্থনা জনাই ড° মুখাৰ্জীয়ে মৌলৈ এখন ব্যক্তিগত চিঠিও লিখে। ১৯৪৫-৪৬ চনৰ বাবে স্বীকৃতি নাপালেও কিন্তু প্ৰথম চাম ল'ৰা-ছোৱালীৰ বিশেষ অসুবিধা নহ'ল। ছোৱালী কেইজনীয়ে 'প্ৰাইভেট' হিচাপে পৰীক্ষা দিলে। ছাত্ৰসকলৰ প্ৰতিজনেই আছিল হয় এম. ই. নহয় হাইস্কুলৰ শিক্ষক। সেই অৰ্হতা লৈয়ে তেওঁলোকে পৰীক্ষাত বহিল। কলিকতা বিশ্ববিদ্যালয়ৰ নিৰ্দেশ অনুসৰি সকলো পৰীক্ষাৰ্থীয়ে ১৯৪৭ চনত যোৰহাট কেন্দ্ৰত পৰীক্ষা দিয়ে।

আমাৰ কলেজক স্বীকৃতি দিয়া সম্পৰ্কে কলেজ পৰিদৰ্শন কৰিবলৈ কলিকতা বিশ্ববিদ্যালয়ে কলেজ ইন্সপেক্টৰ স্বৰ্গীয় সতীশ চন্দ্ৰ ঘোষ ডাঙৰীয়াক পঠিয়ায় ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত। তাৎপৰ্যপূৰ্ণ মই ঘোষ মহাশয়ক কলিকতাত দেখা কৰোতে তেখেতে কৈছিল যে কলেজৰ পুঁজিৰ নামত কম পক্ষেও ষাঠী হেজাৰ টকা (৬০,০০০) বেঙ্কত জমা থকা দেখুৱাব লাগিব। ধন-সংগ্ৰহ কমিটিৰ অক্লান্ত পৰিশ্ৰমৰ ফলত পৰিদৰ্শক মহোদয় আহি পোৱাৰ আগে আগে পুঁজিত চাৰি কুৰি চাৰি হাজাৰ টকা জমা কৰে। ইয়াৰ উপৰিও কলেজৰ পুথিভঁৰাললৈ ৰায়বাহাদুৰ হনুমানবক্স কানৈ ডাঙৰীয়াই দহ হেজাৰ টকাৰ অনুদান এটি আগবঢ়ায়। পৰিদৰ্শক ঘোষ মহোদয়ে শিক্ষকসকলৰ অৰ্হতা তথা টনকিয়াল পুঁজিত সন্তুষ্ট হৈ কলেজক স্বীকৃতি দিলে।

১৯৪৯ চনত অসমৰ তৎকালীন ৰাজ্যপাল শ্ৰীপ্ৰকাশে আমাৰ কলেজ পৰিদৰ্শন কৰে। কলেজৰ আৰম্ভণিত শিক্ষকসকলৰ অবৈতনিক শিক্ষাদান কাৰ্যৰ উল্লেখ কৰি তেখেতে কয়, "মই জানিব পাৰি সুখী হৈছো যে এইখন কলেজৰ প্ৰতিষ্ঠা হৈছে ত্যাগৰ ভিত্তিত, ইটা বা লোহা-লক্কৰৰ ভিত্তিত নহয়। যি বস্তু ত্যাগৰ ওপৰত প্ৰতিষ্ঠিত সি যুগমীয়া।" আমাৰ তৰফৰ পৰা আমি সংস্কৃত ভাষাৰেই তেখেতলৈ স্বাগতম জনাইছিলোঁ, মানপত্ৰ দিছিলোঁ শ্ৰীপ্ৰকাশে মানপত্ৰ গ্ৰহণ কৰি ক'লে, 'অসম ৰাজ্যত আজিয়েই প্ৰথম মই সংস্কৃত ভাষাত ৰচিত মানপত্ৰ পালোঁ। কলেজীয়া জীৱনতেই মই সংস্কৃতৰ মাধ্যমেৰে কথা ক'ব পাৰিছিলোঁ, অথচ আজি নোৱাৰোঁ — এইবাবে সঁচাই মই লজ্জিত।" শ্ৰীপ্ৰকাশ আছিল পৃথিৱী বিখ্যাত পণ্ডিত ধৰ্মবিদ দাৰ্শনিক ড°





ভগৱান দাসৰ সুপুত্ৰ। শ্ৰীপ্ৰকাশে আমাৰ লিখিত সংস্কৃতৰ স্বাগতম পত্ৰখনিৰ আঠটা নকল খুজিলে। সময় তালিকা অনুসৰি আমাৰ কলেজ পৰিদৰ্শনৰ বাবে শ্ৰীপ্ৰকাশৰ সময় আছিল মাথোঁ পাঁচ মিনিট, তেখেতে কিন্তু পুৰা পয়ঁচল্লিশ (৪৫) মিনিট আমাৰ লগত কটালে।

কলেজৰ প্ৰথম সৰস্বতী পূজাখন জৰ্জ স্কুলৰ চৌহদতেই এক আনন্দমুখৰ অথচ গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰে পালন কৰা হয়। সেই সময়ত একে চৌহদতে কেন্দ্ৰীয় চৰকাৰৰ Observatory ও পতা হৈছিল। ইয়াৰ ভাৰপ্ৰাপ্ত বিষয়া মৰমিয়াল ভদ্ৰলোক শ্ৰীমিহিৰ বসু, এম, এচ, চি, ডাঙৰীয়াই বিনা খৰচতে পূজামণ্ডপ আৰু কেউকাষৰ কোঠালীত বিদ্যুৎ বন্তিৰ যোগাযোগ কৰাই দিছিল। প্ৰথম বাৰ্ষিকৰ ছাত্ৰ শ্ৰীমাখন বৰাই মিঠাইৰ খৰচ বহন কৰিছিল। কলেজৰ প্ৰথম সাত-আঠ বছৰলৈকে সৰস্বতী দেৱীৰ উপাসনাত তথা শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি, জন্মাষ্টমী, ইদ্ মেহফিল আদি উৎসৱবোৰৰ উদ্‌যাপনত বাহ্যিক আড়ম্বৰ নাছিল, কিন্তু আছিল গাম্ভীৰ্য, পবিত্ৰতা আৰু আন্তৰিকতা। সৰস্বতী পূজাত শিক্ষক-ছাত্ৰই মিলি সমকণ্ঠে দেৱীৰ স্তুতি-প্ৰশস্তি গাইছিল, ঘণ্টাৰ পিচত ঘণ্টা ধৰি কীৰ্তন গোৱাত আগভাগ লৈছিল বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্যই। দুই এক ছাত্ৰ সমন্বিতে মই দেৱীৰ বিভিন্ন স্তোত্ৰ পাঠ কৰিছিলোঁ। তেনে মহত্ব, পবিত্ৰতা, আন্তৰিকতা আৰু একনিষ্ঠ ভক্তিৰ কথা আজি কল্পনা কৰিব নোৱাৰি।

১৯৪৭ চনত কলেজৰ শিক্ষক-ছাত্ৰই মিলি ঘৰে ঘৰে ধনসংগ্ৰহ কৰাৰ এটা চেষ্টা চলায়। সমূহ ছাত্ৰবিলাকক আঠটা দলত ভাগ কৰি প্ৰতি দলকে দুগৰাকী শিক্ষকৰ অধীনত দিয়া হ'ল। আঠ গৰাকী শিক্ষকে চহৰখনৰ আঠটা ভাগৰ পৰা কিছু ধন সংগ্ৰহ কৰিলে। মই নিজেও এটা দলৰ ভাৰ লৈছিলোঁ। আমাৰ চেষ্টাৰ ফলস্বৰূপে এঘাৰ দিনত এঘাৰ হাজাৰ টকা তোলা হ'ল। এই ধন সংগ্ৰহ কাৰ্যৰ লগত জড়িত এটা বিশেষ ঘটনা আজিও মোৰ মনত অমৰ হৈ আছে। বজাৰ অঞ্চলত সকলো পৰ্যায়ৰ মানুহৰ পৰাই চান্দা তোলা হৈছিল। আমি শিক্ষক-ছাত্ৰসকল খোজ কাঢ়ি কাঢ়ি দুৱাৰে দুৱাৰে, দোকানে দোকানে গৈ চান্দা তোলাৰ উৎসাহ-উদ্দীপনা দেখি চিগাৰেট দোকানী, পাণ দোকানী

আদি নিম্নবিত্তৰ - অলপীয়া ধনৰ লোকসকলেও আমাক বিমুখ নকৰিছিল; তেওঁলোকৰ সাধ্যানুসাৰে কোনো কোনোৱে দু-অনালৈকে কলেজৰ নামত অৰিহণা যোগাইছিল। এদিনৰ কথা — দিনৰ এটা ভাগত বজাৰত চান্দা তুলি আমি কলেজলৈ ঘূৰি আহিছোঁ। এনেতে দেখোঁ এজন ৰিক্সাৱালা (Rickshaw-wala) আমাৰ ফালে আগবাঢ়ি আহিছে। আহি আহি সি আমাৰ ওচৰ পালে আৰু আমাৰ সন্মুখৰ মেজখনতে টকা এটা থৈ ক'লে, "ছাৰ, আপোনালোকে চান্দা তোলোঁতে মই বজাৰত নাছিলোঁ। সেইবাবে মোৰ চান্দাকণ দিবলৈহে ইয়ালৈ আহিছোঁ।" এই মহান ৰিক্সাৱালাৰ মহত্ত্বই মোক ভাৱপ্ৰণোদিত কৰি তুলিলে। মেজঁৰ পৰা টকাটো তুলি ল'লোঁ আৰু এটা বাকচত ভৰাই বাকচটোৰ গাত লিখি থ'লোঁ ঃ "Princely donation of a noble soul" (এখনি মহৎ অন্তৰৰ এক ৰাজ-অৱদান)। মহত্ত্বপূৰ্ণ এই সৰু ঘটনাটি মোৰ মানসপটত চিৰ উজ্জ্বল, চিৰ সেউজীয়া।

১৯৪৭ চনত কলেজখন চৰকাৰী ছোৱালী উচ্চ ইংৰাজী বিদ্যালয়ে খালী কৰি দিয়া খেৰীঘৰলৈ স্থানান্তৰিত কৰা হয়। ১৯৫০ চনলৈকে আমাৰ কলেজত কলা বিষয়তহে শিক্ষাদান কৰা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয় ১৯৪৮ চনত স্থাপিত হয় আৰু তেতিয়াৰ পৰাই আমাৰ কলেজখন ইয়াৰ অধীনলৈ অনা হয়। ১৯৪৯ চনত বি. এ. মহলাৰ প্ৰথম দলটো ওলায়। এজন ছাত্ৰৰ বাহিৰে আটাইকেইজন ছাত্ৰই কৃতকাৰ্য হয়। আকৌ ছাত্ৰীৰ পিনৰ পৰা শ্ৰীমতী সুকৃষ্ণা বসু নামৰ ছোৱালী এজনীয়ে কৃতকাৰ্যতা লাভ কৰে। তেওঁ অধ্যাপক নিৰ্মল কুমাৰ বসুৰ ভনীয়েক।

কেইবা বছৰো ধৰি শিক্ষকসকলৰ কেইগৰাকীমান শিক্ষকে নিজৰ নিজৰ বিষয়সমূহৰ উপৰিও অন্য বিষয়ৰো অধ্যাপনা কৰিব লাগিছিল। অথচ তাৰ বাবে তেওঁলোকে অতিৰিক্তি পাৰিশ্ৰমিক বিচৰা নাছিল। অধ্যাপক উমাপ্ৰসন্ন দেই তেখেতৰ অধ্যাপনাৰ বিষয় ইংৰাজীৰ উপৰিও বাণিজ্য ভূগোলৰ অধ্যাপনা কৰিছিল। অধ্যাপক বীৰেন্দ্ৰ ভট্টাচাৰ্য আৰু মোৰ মাজত বঙালী বিষয়ৰ পাঠদান ভগাই লৈছিলোঁ। অধ্যাপক সুশীল দত্ত টেক্সটাইল অফিচাৰ (Textile officef) হৈ শিৱসাগৰলৈ বদলি হোৱাত মই Logic আৰু Indian





Philosophy ৰ অধ্যাপনা কৰিছিলোঁ। আনহাতে মোৰ নিজৰ বিষয় সংস্কৃত আৰু ইংৰাজীতো অধ্যাপনা কৰিব লাগিছিলেই। অধ্যাপক মনীন্দ্ৰ চক্ৰৱৰ্তীয়ে নিজৰ বিষয় Philosophy ৰ বাদেও Bengali Second Language ৰ অধ্যাপনা কৰিছিল। বিশ্ববিদ্যালয়ে কিছুমান ছাত্ৰীক বি. এ. শ্ৰেণীত Bengali Second Language ল'বৰ বাবে অনুমতি দিছিল। সেয়েহে মাত্ৰ দুবছৰৰ বাবে এই বিষয়টোৰ অধ্যাপনাৰ ব্যৱস্থা কৰিব লগাত পৰিছিল।

ইয়াৰ পিছত দুগৰাকী প্ৰখ্যাত সাহিত্যিকে এজনৰ পাছত আনজনে অসমীয়া বিভাগৰ আসন অলংকৃত কৰিছিল। তেখেতসকল যথাক্ৰমে বেণুধৰ ৰাজখোৱা আৰু কবি যতীন্দ্ৰ নাথ দুৱৰা। অসমীয়া বিভাগৰ প্ৰথম অধ্যাপক আৰু সেই সময়ৰ ডিব্ৰুগড়ৰ যোগান বিষয়া (Supply Officer) শ্ৰীসুৰেন্দ্ৰনাথ শৰ্মাও এজন কবি আৰু সুপণ্ডিত আছিল। ডিব্ৰুগড়ৰ পৰা বদলি হৈ যোৱাৰ সময়ত তেখেতে কলেজৰ পুঁজিলৈ এশ টকীয়া এটি বৰঙনি আগবঢ়াইছিল।

ইয়াৰ পিছত আই. কম. আৰু বি. কম. শ্ৰেণী একেলগে খোলা হয়। ১৯৪৮ চনত পোনপ্ৰথমে কেৱল সংস্কৃত বিভাগত অনাৰ্চ খোলা হয়। ইয়াৰ বাবে সেই সময়ৰ উপাচাৰ্য ড° কৃষ্ণকান্ত সন্দিকৈয়ে আমাক অভিনন্দন জনায়। প্ৰথম বাৰৰ বাবে সংস্কৃত অনাৰ্চত মাত্ৰ এজনী ছোৱালী আছিল। তেওঁ ১৯৫০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম স্থান লাভ কৰে। তেওঁৰ নাম আছিল শ্ৰীমতী তৃপ্তি ভট্টাচাৰ্য। সংস্কৃতৰ পিছত যথাক্ৰমে বুৰঞ্জী, অৰ্থনীতি আৰু আন আন বিষয়ত অনাৰ্চ খোলা হয়। ইয়াৰ লগে লগে কমাৰ্চ আৰু বিজ্ঞানৰ বিষয়বোৰতো অনাৰ্চ হয়।

১৯৫০ চনতে বুৰঞ্জী বিভাগৰ প্ৰধান অধ্যাপক লক্ষ্মীপ্ৰসাদ দত্ত কলেজৰ উপাধ্যক্ষ পদত নিযুক্ত হয়। আৰম্ভণিৰে পৰা দত্ত ডাঙৰীয়াই কলেজৰ সৰ্বাংগীন উন্নতিৰ বাবে মনোযোগ দিছিল। অক্লান্ত কৰ্মী আৰু সুসংগঠক হিচাপে তেখেত কলেজৰ এজন বিশিষ্ট সদস্য হৈ পৰিছিল। যেতিয়া মই কলেজৰ শিক্ষাদান, পুথিভঁৰাল, অধ্যয়নচক্ৰ, শিক্ষক সংস্থাৰ সাংস্কৃতিক অনুষ্ঠান বা নিয়মানুৱৰ্তিতা আদি বিষয়ৰ প্ৰতি মন দিছিলোঁ, তেতিয়া তেখেতে কলেজৰ ঘৰ-দুৱাৰ বা ছাত্ৰাবাসৰ উন্নয়নমূলক পৰিকল্পনাবোৰৰ ৰূপায়ণত যত্ন

কৰিছিল। আমাৰ সম্পৰ্ক সদায়েই সৌহাৰ্দ্যপূৰ্ণ আৰু ভাতৃভাবাপন্ন আছিল। চাৰিবেৰৰ মাজত থকা এজন অধ্যক্ষতকৈ মোৰ কৰ্তব্য শিক্ষক হিচাপে বা নিয়মানুৱৰ্তী হিচাপে বেচি আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক হিচাবে মোৰ শ্ৰদ্ধেয় শিক্ষাগুৰু আৰ. আৰ. টমাচে আমাৰ কলেজ দুবাৰ পৰিদৰ্শন কৰিছিল। অধ্যক্ষ আৰু উপাধ্যক্ষৰ মাজৰ সম্বন্ধলৈ লক্ষ্য কৰি ছাত্ৰ আৰু অধ্যাপকসকলৰ আগত তেখেতে এইদৰে মন্তব্য দিছিল — "এইখন ৰাজ্যৰ বহুতো কলেজ মই পৰিদৰ্শন কৰিলোঁ, কিন্তু মই ক'তো অধ্যক্ষ আৰু উপাধ্যক্ষৰ মাজত এনে সম্বন্ধ দেখা নাই। আত্মাহীন শৰীৰে কাম চলাব নোৱাৰে, ঠিক তেনেকৈ শৰীৰ বিহীন আত্মাইও কাম চলাব নোৱাৰে। সেয়েহে মই দত্ত আৰু বসু ডাঙৰীয়াক এই কলেজৰ যথাক্ৰমে শৰীৰ আৰু আত্মাৰূপে অভিহিত কৰিছোঁ।"

প্ৰথম দৰ্শনতে পৰিদৰ্শক টমাচ মহোদয়ে আমাৰ কলেজৰ চাফ-চিকুণতা; নিয়মানুৱৰ্তিতা, পুথিভঁৰাল আৰু শিক্ষকসকলৰ ভাতৃস্বৰূপ সম্পৰ্ক দেখি বৰ আচৰিত আৰু আনন্দিত হৈছিল। তেখেতে মন্তব্য দিছিল এই বুলি "মই কলেজৰ খেৰীঘৰৰ ভিতৰতে ৰাজকীয় ব্যৱস্থা এটাৰ আভাস পাইছোঁ।" "Imperial arrangement within a cottage" এই পৰিৱেশত নিয়মানুৱৰ্তিতাই ভালদৰে বিৰাজ কৰিছে। ইয়াত শিক্ষকসকলে যি উমৈহতীয়া দায়িত্বশীলতাৰে কাম কৰিছে, মই ভাবোঁ এই দায়িত্ববোধৰ আদৰ্শ অন্যান্য কলেজৰ বাবেও অনুকৰণীয়"। আমি কলেজৰ গুৰি ধৰোঁতাসকলে সংঘবদ্ধ তথা ঐক্যবদ্ধতাৰে একে পৰিয়ালৰ মানুহৰ দৰে দায়িত্ব বহন কৰিছিলোঁ। শ্ৰীলক্ষ্মীপ্ৰদাস দত্তৰ অফিচৰ বোজা কঢ়িওৱা গাড়ীৰ নিচিনা এখন মটৰ গাড়ী আছিল। প্ৰায়েই আমি কলেজৰ বিভিন্ন কামৰ বাবে গাড়ীখন ব্যৱহাৰ কৰিছিলোঁ। আমাক তেনেকুৱাকৈ ঘুৰি থকা দেখিলে বহুতো নাগৰিকে এইদৰে মন্তব্য দিছিল 'ডিব্ৰুগড় কলেজৰ দলটো আহিছে।" কিছুমানে আকৌ কয় "তেখেতসকলক সদায় একেলগে দেখা যায়।" সেই সময়ত বি. এ. মহলাত ছাত্ৰৰ সংখ্যা নিচেই তাকৰ আছিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষা আৰম্ভ হোৱাৰ আগদিনাখন আমি প্ৰতিজন ছাত্ৰৰ ঘৰলৈ গৈছিলোঁ। এনেকৈ যাওঁতে আমাৰ





বাহন আছিল শ্ৰীদত্তৰ গাড়ীখন। প্ৰতিজন ছাত্ৰকে লগ ধৰিছিলোঁ, প্ৰতিজনকে উৎসাহ দিছিলোঁ — আশীৰ্বাদ দিছিলোঁ। প্ৰথম দিনাৰ পৰীক্ষাৰ ঠিক আগে আগে ওপৰ মহলাৰ ছাত্ৰসকলে প্ৰতিজন পৰীক্ষাৰ্থীৰ কপালত তিলক পিন্ধাইছিল। মোৰ ফালৰপৰা মই এখন লজেন্সেৰে ভৰা ট্ৰে পঠিয়াই দিওঁ। ট্ৰেখনৰ ওপৰত লিখি পঠিয়াওঁ — goodwill lozens পৰীক্ষাৰ্থীসকলেও হাতত "Good will Lozens" লৈহে পৰীক্ষাগৃহত প্ৰৱেশ কৰে।

১৯৫০ চনত বিজ্ঞান শাখা খোলা হয়। ইয়াৰ লগে লগেই ডিব্ৰুগড় কলেজৰ নাম ৰখা হ'ল 'ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ কলেজ'। হনুমান বক্স সুৰযমল কানৈ ফাৰ্ম লিমিটেডে কলেজৰ বিজ্ঞান শাখা খোলাৰ বাবে এক লাখ টকা দান দিয়ে আৰু সেই বাবেই কলেজৰ এই নতুন নামকৰণ হয়। কলেজৰ বিজ্ঞান শাখাৰ স্বীকৃতি দিয়াৰ সম্পৰ্কে গুৱাহাটী বিশ্ববিদ্যালয়ে দুজনা বিশিষ্ট অধ্যাপকক কলেজ পৰিদৰ্শন কৰিবলৈ নিয়োগ কৰে। তেখেতসকল দুজনা হ'ল কলিকতাৰ ড° জে. চি. বৰ্ধন, ডি. এ. চি. (ড'বল) আৰু আমাৰ অসমৰে ড° হিৰণ্য চন্দ্ৰ ভূঞা ডাঙৰীয়া। স্বৰ্গীয় ড° ৰোহিণী কান্ত বৰুৱা আমাৰ বিজ্ঞান শাখাৰ উপদেষ্টা আছিল। তেখেত কলেজৰ গৱৰ্ণিং ব'ডিৰো সদস্য আছিল। তেখেতৰ নিৰ্দেশ অনুসৰিয়ে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান বিষয়কেইটাৰ বিজ্ঞানাগাৰ (Laboratories) খোলা হৈছিল। ড° বৰুৱাই এই বিষয়ত একান্ত নিষ্ঠা পোষণ কৰিছিল আৰু বিজ্ঞানাগাৰৰ নিৰ্মাণ কাৰ্য চলি থকা অৱস্থাত তেখেতে কৰ্মীসকলকে ধৰি সকলো কাজ-কামবোৰত চকু দিছিল। পৰিদৰ্শকদ্বয় ড° বৰ্ধন আৰু ড° ভূঞা বিজ্ঞানাগাৰ কেইটা দেখি পৰম সন্তুষ্ট হৈছিল, তদনুসৰি স্বীকৃতিও প্ৰদান কৰিছিল। পৰিদৰ্শন-টোকাত তেখেতসকলে জীৱবিজ্ঞানৰ বিজ্ঞানাগাৰটোৰ বিষয়ে এনেদৰে মন্তব্য কৰিছিল — "গোটেই অসমৰ ভিতৰতে সৰ্বশুদ্ধ এক আদৰ্শ বিজ্ঞানাগাৰ" ('the ideally perfect laboratory in the state.')। বিজ্ঞান শাখা স্থাপন কৰিবলৈ চৰকাৰে বেৰি হোৱাইট মেডিকেল স্কুলৰ পুৰণি ঘৰটোৰ এটা অংশ আমাক দিছিল আৰু তাৰ কাৰণে চৰকাৰে কলেজৰ পৰা ভাৰা লৈছিল।

খেল-ধেমালি, তৰ্ক প্ৰতিযোগিতা বিষয়তো আমাৰ ছাত্ৰসকলে সমগ্ৰ অসমৰ ভিতৰত হোৱা প্ৰতিযোগিতা এনেকি আন্তঃবিশ্ববিদ্যালয় প্ৰতিযোগিতাতো যথেষ্ট সুনাম আৰু বঁটা অৰ্জন কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ত শতবাৰ্ষিকী উৎসৱ উপলক্ষ্যে আহ্বান কৰা আন্তঃবিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাত শ্ৰীতপন লাল বৰুৱা আৰু শ্ৰীচৈফুদ্দিন আহমেদে আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰিছিল। তেওঁলোকৰ দলটোক দ্বিতীয় সৰ্বশ্ৰেষ্ঠ দল বুলি ঘোষণা কৰা হৈছিল। এন. চি. চি.ত আমাৰ কেডেট শ্ৰীপ্ৰদোষ দত্তক নিউ দিল্লীৰ পথাৰত সৰ্বশ্ৰেষ্ঠ কেডেটৰ সন্মান দিয়া হৈছিল। আমাৰ কিছুমান ছাত্ৰ 'মিঃ অসম' আৰু 'মিঃ ইউনিভাৰচিটি' উপাধিৰে বিভূষিত কৰা হৈছিল। আন্তঃবিশ্ববিদ্যালয় ক্ৰীড়া মহোৎসৱত আমাৰ কিছুমান ছাত্ৰই প্ৰতিষ্ঠা কৰা ৰেকৰ্ড আজিলৈকে অনতিক্ৰম্য আৰু অতুলনীয় হৈয়েই আছে — শিৱ গগৈৰ 'হেমাৰ থ্ৰ' (Hammer Throw), মদন সোণোৱালৰ 'জেভেলিন থ্ৰ' (Javelin Throw) ইত্যাদিৰ ৰেকৰ্ড এই ক্ষেত্ৰত উল্লেখযোগ্য। ঠিক সেইদৰে বিশ্ববিদ্যালয়-পঞ্জীৰ পাত লুটিয়াই চালে বিজ্ঞান, বাণিজ্য কলা আদি বিষয়ত আমাৰ ছাত্ৰসকলৰ চমকপ্ৰদ ফলাফলৰ উমান পোৱা যাব। আমাৰ কলেজৰ উৎকৃষ্টতম ছাত্ৰ শ্ৰীতপন লাল বৰুৱাৰ নামটোৱে মোক আমাৰ গৌৰৱময় কাহিনী এটাৰ কথা মনত পেলাই দিয়ে। বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ পৰীক্ষাত অৱতীৰ্ণ হওঁতে শ্ৰীবৰুৱাই ইংৰাজী বিষয়ত তৃতীয়খন প্ৰশ্ন কাকতত 'Gandhian politics' নামৰ ৰচনাখন পৰীক্ষা হলত চেষ্টা চলাই লিখি পেলাইছিল। অধ্যাপক ডি. এন. ঘোষৰ "College Essays' নামৰ হেল্পবুকখনে ছাত্ৰসমাজত বিস্তৃত সুখ্যাতি লাভ কৰিছে। এই কিতাপখনৰ এটি সংস্কৰণৰ শেষৰ ফালে অধ্যাপক ঘোষে পৰীক্ষাৰ বহীত পোৱা, ছাত্ৰসকলে পৰীক্ষা ঘৰত লিখি উলিওৱা, কেইখনমান ৰচনা সংযোগ কৰি দিছিল। তেওঁ সেই বহীবোৰৰ ৰোল নম্বৰ আৰু পৰীক্ষা কেন্দ্ৰবোৰৰ নাম উল্লেখ কৰিছিল। তপন লাল বৰুৱাই লিখা Gandhian Politicsনামৰ গোটেইখন ৰচনা গ্ৰন্থকাৰ ঘোষে উচ্চ প্ৰশংসাৰে সৈতে তাত সংযোগ কৰিছিল। তপন লালৰ পৰীক্ষাৰ কেন্দ্ৰ নাম আৰু ৰোল নম্বৰবোৰ বিচাৰি উলিওৱা হৈছিল। মই অধ্যাপক ঘোষলৈ পৰীক্ষাৰ্থীৰ নাম লিখি পঠাইছিলোঁ। তেখেতে সেই পৰীক্ষাৰ্থীজনক তেখেতৰ





আন্তৰিক অভিনন্দন জনাবলৈ মোক অনুৰোধ জনাই উত্তৰ দিছিল।

আমাৰ কলেজ-পুথিভঁৰালটো গুৰুত্ব আৰু সংখ্যা গৰিষ্ঠতা উভয় দিশৰ পৰা এটা আপুৰুগীয়া সম্পদ। সত্তৰতকৈও অধিক বছৰীয়া চৰকাৰী কটন কলেজৰ বাহিৰে অসমৰ কোনোখন চৰকাৰী সাহায্যপ্ৰাপ্ত কলেজত ইমান বেচি সংখ্যক কিতাপ নাই। আমাৰ প্ৰদেশৰ বহুতো সাহায্যপ্ৰাপ্ত কলেজ পৰিদৰ্শন কৰাৰ সৌভাগ্য মোৰ ঘটিছে। সংবাদপত্ৰ, আলোচনীৰ বাহিৰেও বৰ্তমান আমাৰ কলেজ পুথিভঁৰালত ৪১,০০০ (একচল্লিশ হাজাৰ) অতকৈ অধিক সংখ্যক কিতাপ আছে। ১৯৪৫ চনৰ পৰা ১৯৬৭ চনলৈ এই কালছোৱাত মই কলেজৰ অধ্যক্ষ পদত আছিলোঁ। গোটেই কালছোৱাতে মই এটা কাম কৰিছিলোঁ — ভাৰতৰ যিমানবোৰ বিভিন্ন ঠাইলৈ মই গৈছোঁ সেইবোৰৰ কিতাপৰ দোকানবোৰলৈ মই যাওঁ আৰু কলেজৰ পুথিভঁৰালৰ বাবে দুষ্প্ৰাপ্য কিতাপ সংগ্ৰহ কৰোঁ, সকলো বিষয়ৰ ওপৰত। যেনে, International Library of Famous Literature, Historian's History of the World' গ্ৰীক মূল আৰু ইংৰাজী অনুবাদেৰে সৈতে Plutarch's History' খণ্ডবোৰ, দৰ্শনৰ কেতবোৰ কিতাপ, ইত্যাদি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৎকালীন উপাচাৰ্য পণ্ডিত প্ৰবৰ ড° কৃষ্ণকান্ত সন্দিকৈদেৱে প্ৰৱেশিকা পৰীক্ষাৰ কেন্দ্ৰ সম্পৰ্কীয় কামত আমাৰ কলেজলৈ প্ৰথমবাৰ আহোতে গোটেই গ্ৰন্থাগাৰটো ঘূৰি-পকি চাই চমকপ্ৰদ গ্ৰন্থ-সংগ্ৰহ দেখি ভূয়সী প্ৰশংসা আগবঢ়াইছিল। মোৰ শ্ৰদ্ধাস্পদ শিক্ষাগুৰু ড° বাণীকান্ত কাকতিদেৱেও আমাৰ কলেজলৈ ১৯৫২ চনত আহোঁতে ড° সন্দিকৈৰ প্ৰশংসা বাণীকে দোহাৰিছিল। আমাৰ গ্ৰন্থাগাৰত থকা দুখন কিতাপৰ প্ৰকাশৰ ঠিকনা দুটিও ড° কাকতিদেৱে টুকি লৈছিল। কিতাপ দুখন আছিল Dr. Jan Gonda-ৰ Sanskrit in Indonesia আৰু ব্ৰজেন্দ্ৰ নাথ শীলৰ "Positive Science of the Hindus". ড° কাকতিদেৱে মন্তব্য কৰি গৈছিল — "এই দুখন কিতাপ অসমৰ কোনো পুথিভঁৰালতে — আনকি বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰতো নাই।" প্ৰসংগক্ৰমে উল্লেখ কৰি পাৰি যে আমাৰ কলেজৰ স্নাতক মহলাৰ স্বীকৃতি প্ৰদান সম্পৰ্কত গুৱাহাটী বিশ্ববিদ্যালয়ে ড° কাকতিক ১৯৪৮ চনত

পৰিদৰ্শনৰ ভাৰ দিছিল। ময়ো আগধৰি তেখেতলৈ এখন চিঠি লিখিলোঁ এইবুলি যে তেখেতে যাতে পৰিদৰ্শনৰ তাৰিখটো দয়া কৰি দুদিনমান আগতে জনায়, কাৰণ আমি তেখেতৰ এটা বক্তৃতাৰ আয়োজন কৰিব খোজোঁ। মোৰ চিঠিৰ উত্তৰত তেখেতে লিখি পঠালে — "I am not going to inspect your college. When a Scholar like you is the principal no inspection is necessary. I have recommended affiliation." (তোমালোকৰ কলেজ পৰিদৰ্শন কৰিবলৈ মই নাযাওঁ। তোমাৰ দৰে এজন বিদ্বান ব্যক্তি অধ্যক্ষৰ পদত থাকোতে পৰিদৰ্শনৰ কোনো প্ৰয়োজন নাই। মই স্বীকৃতি মঞ্জুৰ কৰিছোঁ)। মোৰ 'বিদ্যাৰ দৌৰ' কিমান, মই কিমানখিনি পাব পাৰিছোঁ, মোৰ সীমিত জ্ঞানৰ কথা মই জানোঁ। ড° কাকতিৰ মন্তব্যটি নিশ্চয় মোৰ প্ৰতি থকা তেখেতৰ উদাৰ হৃদয়ৰ স্নেহ আৰু বিশ্বাসৰহে নিদৰ্শন। জীৱনৰ প্ৰতি ক্ষেত্ৰতে মই নিজকে এজন ছাত্ৰ হিচাপে, এজন নিঃকিন জ্ঞানভিকহু হিচাপেহে পৰিচয় দিওঁ।

আমাৰ কলেজত ১৯৫৪ চনৰ পৰা ১৯৫৬ চনলৈ দুবছৰো অধিক কালধৰি শিক্ষক সকলৰ বাবে শিক্ষাৰ উচ্চ মানবিশিষ্ট সাংস্কৃতিক অনুষ্ঠান এটি চলোৱা হৈছিল। অনুষ্ঠানটিৰ বাবে পাবলগীয়া যশস্যাৰ গৰাকী হ'ল তেতিয়াৰ ইংৰাজীৰ অধ্যাপক সুখময় বসু। প্ৰতি শনিবাৰে বিয়লি ৪ বজাত অনুষ্ঠানটি বহিছিল। প্ৰতি বৈঠকতে কলেজৰ এজন শিক্ষকক এটি বক্তৃতা দিয়াৰ ভাৰ দিয়া হৈছিল। নিৰ্দিষ্ট দিনৰ এমাহৰ আগতে তেখেতক জাননী দিয়া হৈছিল। তেখেতে নিৰ্দিষ্ট দিনত ভাষণ দিছিল। কলা, বিজ্ঞান, বাণিজ্য সকলো বিষয়ৰে বক্তৃতা চলিছিল। তেনে কেইটিমান বক্তৃতা উল্লেখযোগ্য — সুখময় বসুৰ "Action on Shakespeare's Drama" মোৰ নিজৰ 'Aristotle Theory of Arts – a Critical Evalutions', হৰিদেৱ গোস্বামীৰ 'What if Atom', ব্ৰজেন দাসৰ 'Shelley and Yeats', নিৰ্মল বসুৰ 'Rationalisation in Industries', বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তীৰ Economic Development মনীন্দ্ৰ চক্ৰৱৰ্তীৰ New Horizons of Psychology,' আশুতোষ বিশ্বাসৰ Aspects of moral Education', মোৰ অইন এটা Study of Indian Culture outside India in Every part of the Globe', বালকৃষ্ণ মেননৰ Science of Biology in a changing World' ইত্যাদি। শ্ৰীসুখময় বসু এতিয়া কৰিমগঞ্জ কলেজৰ অধ্যাপক।





সংস্কৃত, অৰ্থনীতি আৰু বুৰঞ্জীৰ আলোচনা চক্ৰই আৰম্ভণিৰে পৰাই উন্নত মানদণ্ডত কাম কৰি আছিল। কলেজৰ স্নাতক মহলাৰ প্ৰথম ছটা চাম ইমান বুদ্ধিমান আৰু জ্ঞানপিপাসু আছিল যে ইংৰাজী সাহিত্যৰ বিভিন্ন বিষয়ত মই বক্তৃতা দিবলগীয়া হৈছিল। ভাষণবোৰ সাধাৰণতে 'পাছক'ৰ্চ'ৰ শ্ৰেণীত দিয়া হ'লেও সিবোৰ মানদণ্ডই 'অনাৰ্চৰ সীমাকো দেই গৈছিল। বসন্ত ভূঞা, গিৰীন্দ্ৰ কাকতি আদি কেইজনমান ছাত্ৰই সংক্ষিপ্ত লিপি প্ৰণালী (Short hand) জানিছিল; তেওঁলোকে আমাৰ ভাষণ ঠাইতে লিখি লৈছিল। তাৰ পিচত টাইপ কৰি তাৰ নকল আমাক দিছিলহি।

তৰ্ক-প্ৰতিযোগিতা আছিল কলেজ জীৱনৰ এটা অঙ্গ। তৰ্ক কৰা কৌশল বা আদৰ-কায়দা শিকাবলৈ শিক্ষকসকলৰ দ্বাৰা মোহৰা দিয়া হৈছিল। মোহৰাবিলাকৰ ভিতৰত এটা ইমান চিত্তাকৰ্ষক আৰু প্ৰাণোচ্ছল আছিল যে আজিলৈকে মই তাক পাহৰিব পৰা নাই। বিষয়টো আছিল, "Democracy in India is a misnomer". অধ্যাপক বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তীয়ে সপক্ষে আৰু হেমেন্দ্ৰ বৰঠাকুৰে বিপক্ষে তৰ্ক কৰিছিল।

সৰস্বতী পূজাৰ পিছদিনাখনেই অনুষ্ঠিত হোৱা সৰস্বতী সন্মিলনত আকস্মিক বক্তৃতা, তৰ্ক আৰু কলা প্ৰতিযোগিতা পতাটো এটা নিয়মীয়া ৰীতিয়ে হৈ পৰিছিল। পিছলৈ গৈ এই প্ৰতিযোগিতাসমূহ 'কলেজ-সপ্তাহ' সমাৰোহত অনুষ্ঠিত হৈছিল।

কানৈ কলেজৰ আলোচনীৰ প্ৰথম সংখ্যাটো প্ৰকাশ পায় ১৯৪৮ চনত। এই সংখ্যাৰ সম্পাদিকা আছিল শ্ৰীমতী ইৰা দত্ত।

কলেজৰ নতুন গৃহ নিৰ্মাণ কৰা হয় কদমণি অঞ্চলত। নিৰ্মাণ কাৰ্য শেষ হয় ১৯৫৭ চনত। ১৯৫৮ চনত এই নতুন ঘৰলৈ কলেজ স্থানান্তৰিত কৰা হয়। তেতিয়াৰ উপায়ুক্ত শ্ৰীলক্ষেশ্বৰ শৰ্মা ডাঙৰীয়াৰ কাৰ্যদক্ষতাৰ জৰিয়তে

ভাৰতৰ তৎকালীন উপ-ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱে কলেজৰ নৱনিৰ্মিত গৃহৰ দ্বাৰোদ্‌ঘাটন কৰিবলৈ সন্মতি প্ৰদান কৰে। ১৯৫৮ চনৰ ২৯ ডিচেম্বৰ তাৰিখে এইগৰাকী বিশ্ববিখ্যাত পণ্ডিতে ডিব্ৰুগড়ত পদাৰ্পণ কৰি চহৰখনৰ শোভা বঢ়াইছিল আৰু সেইদিনাই তেখেতে কলেজ-গৃহৰ উদ্বোধন কৰিছিল। তেখেতৰ সমগ্ৰ ভাষণটিকে 'টেপ ৰেকৰ্ড' কৰি ৰখা হৈছিল।

১৯৬০ চনত আমাৰ কলেজত সংস্কৃত, বুৰঞ্জী আৰু অৰ্থনীতিৰ স্নাতকোত্তৰ শ্ৰেণী প্ৰৱৰ্তন কৰা হয়। ১৯৬৭ চনলৈকে স্নাতকোত্তৰ শ্ৰেণী চলাই থকা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ে আমাৰ কলেজৰ স্নাতকোত্তৰ শ্ৰেণী কেইটাক স্বীকৃতি দিছিল। ১৯৬২ চনৰপৰা এই কলেজৰপৰা পৰীক্ষা দিয়া ছাত্ৰসকলে প্ৰাইভেট হিচাপে পৰীক্ষা নিদি ৰেগুলাৰ হিচাপে পৰীক্ষা দিয়াৰ সুবিধা অৰ্জন কৰিছিল। অৱশ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰতহে তেওঁলোকে পৰীক্ষা দিব লাগিছিল।

এই কলেজৰ পৰা সংস্কৃত বিষয়ত স্নাতকোত্তৰ পৰীক্ষা দিয়া ছাত্ৰসকলে সন্তোষজনক সাফল্য অৰ্জন কৰিছিল। উল্লেখযোগ্য যে দুজন ছাত্ৰই প্ৰথম শ্ৰেণী লাভ কৰি সুখ্যাতি অৰ্জন কৰিছিল। অৰ্থনীতি বিষয়ত এজন ছাত্ৰই দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছিল। সেই বছৰত প্ৰথম শ্ৰেণী কোনো ছাত্ৰই পোৱা নাছিল। সেই কেইবছৰত কেইজনমান অতিৰিক্ত শিক্ষক নিযুক্ত কৰিবলগীয়া হৈছিল, কেৱল স্নাতকোত্তৰ মহলাৰ বাবে। এই মহলাৰ অধিক সংখ্যক শিক্ষকেই কলেজৰ ৰেগিউলাৰ শিক্ষকহে। এখেতসকলে স্নাতকোত্তৰ মহলাত পাৰ্ট-টাইম হিচাপেহে কাম কৰিছিল।

পি. এইচ. ডি. অথবা ডি. ফিল. উপাধি লাভৰ বাবে গৱেষণা কৰি থকা শিক্ষকসকলক কলেজ গ্ৰন্থাগাৰৰ কিতাপ পত্ৰৰ যোগান ধৰা হৈছিল। তদুপৰি উচ্চ শিক্ষা লাভৰ বাবে বিদেশলৈ যাব খোজা শিক্ষকসকলক কলেজে ছুটী মঞ্জুৰ কৰিছিল। এই বিষয়ত অধ্যাপক ভূপেন চৌধুৰী, সলিল কুমাৰ বসু, ভুৱন চন্দ্ৰ চুতীয়াৰ নাম উল্লেখযোগ্য। আমাৰ কলেজৰ পৰা অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীউপেন্দ্ৰ নাথ গোস্বামীয়ে তেওঁৰ শোধগ্ৰন্থ "Kamarupi Dialect" ৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পোনতে ডি. ফিল. উপাধি





লাভ কৰে। অইন কেইগৰাকীমান শিক্ষকেৰে সৈতে মই নিজেও গৱেষণা চলাই আছিলোঁ। এখেতসকলৰ ভিতৰত নিৰ্মলকুমাৰ বসু, আশুতোষ বিশ্বাস, টি. কে. আয়াৰ, জি. বি. এল. দাসৰ নাম উল্লেখযোগ্য।

১৯৪৭ চনৰ পৰা ১৯৫৭ চনলৈ প্ৰায় দহ বছৰ কাল ধৰি আমাৰ কলেজত অইন এটি শ্ৰেণীৰ অৱতাৰণা কৰা হয়। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত জীৱনত অপৰ্যাপ্ত উপকাৰিতা সাধন কৰা এই শ্ৰেণীটো আছিল 'পুস্তক-পৰিচয়'। শ্ৰেণীটো খোলাৰ মূল উদ্দেশ্য আছিল প্ৰথম বাৰ্ষিক আৰু তৃতীয়া বাৰ্ষিকৰ ছাত্ৰসকলৰ মাজত নতুন কিতাপ আৰু প্ৰখ্যাত প্ৰকাশন পৰিষদৰ সৈতে চিনাকি কৰি দিয়া ছাত্ৰ-ছাত্ৰীসকলক ন-ন কিতাপৰ সৈতে পৰিচয় কৰি দিয়াৰ লগতে সেই কিতাপসমূহ পঢ়িবলৈ তেওঁলোকক উপদেশ দিয়া হৈছিল। মই নিজে প্ৰতি সোমবাৰে প্ৰথম বাৰ্ষিক আৰু প্ৰতি বুধবাৰে তৃতীয় বাৰ্ষিকৰ ছাত্ৰসকলক পঢ়াইছিলোঁ। কিতাপবোৰ পৰিচয় কৰি দিয়াৰ লগে লগে ছাত্ৰসকলে সেইবোৰ নিজ চকুৰে চাব পাৰিছিল। এই উদ্দেশ্যে কিতাপবোৰ শ্ৰেণীলৈকে অনা হৈছিল। এই শ্ৰেণীটো ডেকা ছাত্ৰসকলৰ বাবে শিক্ষাৰ বাটত এক নতুন জ্ঞান-দিগন্তৰ সাধন কৰিছিল। ছাত্ৰসকলৰ মাজত ইয়াৰ প্ৰতি বিশেষ অনুৰাগ পৰিলক্ষিত হৈছিল। অসমৰ কলেজসমূহ পৰিদৰ্শন কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ে বঙ্গবাসী কলেজৰ অধ্যক্ষ শ্ৰীপ্ৰশান্ত কুমাৰ বসুক দুবাৰ নিয়োগ কৰিছিল। আমাৰ কলেজ পৰিদৰ্শন কৰোঁতে তেখেতে 'পুস্তক-পৰিচয়' শ্ৰেণীৰ কথা জানিব পাৰি অতিশয় আনন্দিত হয় আৰু উদাত্তকণ্ঠে ভূয়সী প্ৰশংসা আগবঢ়ায়। অকল সেয়ে নহয়, পিচত নিজৰ কলেজতো তেনে শ্ৰেণী খোলাৰ কথা তেওঁ আমাক জনাইছিল।

অনাৰ্চ শ্ৰেণীত কাব্যৰ ইতিহাস পঢ়ুৱাব লাগে। এই শ্ৰেণীটো আমি শ্ৰেণীৰ কোঠাৰ ভিতৰত নলৈছিলোঁ, লৈছিলোঁ পুথিভঁৰালত। ইতিহাস বা বুৰঞ্জীত সন্নিবদ্ধ কিতাপবোৰৰ বিষয়ে পঢ়োৱাৰ লগে লগে পুথিভঁৰালৰ পৰা সেই গ্ৰন্থখন আনি তাৰ বিষয়ে তন্ন তন্নকৈ ছাত্ৰসকলক সকলো কথা দেখুৱাই দিয়া হৈছিল। ছাত্ৰসকলক এনেদৰে 'জীৱন্তৰূপ'ত পঢ়ুৱা আৰু 'বাস্তৱ আকাৰে' সকলোবোৰ দেখুৱাই দিয়া কৌশলটো মই শিকিছিলোঁ মোৰ পূজ্যাস্পদ কটন

কলেজৰ প্ৰাক্তন অধ্যাপক শ্ৰীলক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়দেৱৰ পৰা।

ছাত্ৰ জীৱনত সমাজ সেৱা এটা বিশেষ অঙ্গ। দেশৰ ভৱিষ্যতে আজিৰ ডেকা ছাত্ৰসকললৈকে অপেক্ষা কৰি আছে। সমাজৰ একো একোটা বিশিষ্ট অঙ্গ হিচাপে প্ৰতিজন ছাত্ৰৱে সমাজৰ প্ৰতি যথেষ্ট কৰিবলগীয়া আছে। ইয়াৰ উপৰিও সমাজৰ মাজেদিহে ব্যক্তিয়ে নিজৰ জীৱনৰ পূৰ্ণতা অৰ্জন কৰিব লাগে। সেয়েহে ছাত্ৰ জীৱনতে প্ৰতিজন ডেকা-গাভৰুৱে সমাজ সেৱাৰ প্ৰতি মনোনিৱেশ কৰা বাঞ্ছনীয়, সমাজৰ কামত আত্মনিয়োগ কৰাটো প্ৰত্যেকৰে কৰ্তব্য। ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ কলেজৰ বাবে ই কোনো নতুন কথা নহয়। আমাৰ কলেজৰ প্ৰতিজন ছাত্ৰই, প্ৰতিজনী ছাত্ৰীয়ে সমাজসেৱাৰ মন্ত্ৰত দীক্ষিত। সমস্যাবহুল দেশ অসমত কি সামাজিক, কি ৰাজনীতিক, কি প্ৰাকৃতিক এটাৰ পিছত এটাকৈ দুৰ্যোগৰ সৃষ্টি হৈয়ে থাকে। এইবিলাকৰ প্ৰতিকাৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট সহায় কৰি আহিছে। ১৯৫৪ চনৰ প্ৰৱল বানপানীৰ কথা সকলোৰে মনত আছে। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই হাজাৰ বিজাৰ লোকক গৃহহীন কৰে, শ শ লোকৰ সলিল সমাধি হয়। পানীৰ কোবাল সোঁতে উটুৱাই নিয়াৰ আগতে বাণপ্ৰপীড়িত লোকসকলৰ ঘৰৰ বস্তু-বাহানি বাহিৰলৈ উলিওৱাত আৰু সেইবোৰ নিৰাপদ ঠাইলৈ কঢ়িয়াই নিয়াত আমাৰ ছাত্ৰসকলে প্ৰাণপণে সহায় আগবঢ়াইছিল। সমাজসেৱাত ব্যস্ত থাকিব লগা বাবে আমাৰ ৰাতিপুৱাৰ শ্ৰেণীবোৰ প্ৰায় এমাহজুৰি বন্ধ কৰি দিয়া হৈছিল। প্ৰপীড়িত লোকসকলক সহায় কৰাত আমি শিক্ষকসকলেও ছাত্ৰৰ লগত মিলি গৈছিলোঁ। স্বেচ্ছাসেৱক বাহিনীত ভৰ্তি হৈ আমি বিপদ-বিঘিনি সঙ্কুল ঠাইতো কৰ্মৰত হৈছিলোঁ। এই স্বেচ্ছাসেৱক বাহিনী তেতিয়াৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ আদৰ্শক ভিত্তি কৰি গঢ়ি উঠিছিল। ১৯৫৪ চনৰ চেপ্তেম্বৰ মাহত নগৰৰ চৌপাশে ঘূৰি নেহৰুৱে সেই ভয়ঙ্কৰ ক্ষতি আৰু পুনৰ নিৰ্মাণৰ মানসিক তথা শাৰীৰিক প্ৰস্তুতিৰ স্বৰূপ উপলব্ধি কৰিব পাৰিছিল। তৰঙ্গায়িত নদীৰ কোবাল সোঁতক বাধা দিবলৈ আমাৰ কলেজৰ শিক্ষক, ছাত্ৰ উভয়ে নদীলৈ শিল আদি দলিয়াইছিল। সমাজ সেৱাৰ নামত নিজে নিজৰ ঢোল বজাই ফুৰাৰ পৰা বিৰত থাকিবলৈ মই ছাত্ৰসকলক সদায় অনুপ্ৰাণিত কৰিছিলোঁ। কিছুমান





সংস্থা বা অনুষ্ঠানৰ আত্মপ্ৰচাৰৰ মনোবৃত্তিয়ে মোক বাৰুকৈয়ে দুখ দিছিল। কিন্তু তেওঁলোকে মাথোঁ কেইঘণ্টা বা কেইদিনমানৰ বাবেহে কামৰ নামত নিজক জাহিৰ কৰাৰ চেষ্টাত আছিল, তেওঁলোকে লগত আনিছিল কেমেৰামেন। আলোচনী বা বাতৰিকাকতৰ বুকুত তেওঁলোক অমৰ হৈ যাব বিচাৰিছিল। প্ৰকৃততে এনে ভেৰীনিনাদেই সমাজ সেৱাৰ সকলো উৎসাহ, প্ৰেৰণা মষিমূৰ কৰি পেলায়। শিক্ষক আৰু ছাত্ৰৰ সহযোগতে কলেজ চৌহদৰ কেবাটিও পথ সজা হৈছিল আৰু কিছুমান সাধাৰণ দ' ঠাই পুতি পেলোৱা হৈছিল। আমাৰ ছাত্ৰসকলৰ নিয়মানুবৰ্তিতা আৰু শৃংখলাই অকল কলেজ পৰিদৰ্শক সকলকে নহয়, আন বহুতো গণ্যমান্য ব্যক্তিৰো দৃষ্টি আকৰ্ষণ কৰিছিল। শ্ৰীপ্ৰকাশ, অসমৰ গভৰ্ণৰ ফজল আলি, স্বৰ্গীয় গোপীনাথ বৰদলৈ, শ্ৰীবিষ্ণুৰাম মেধি, আচাৰ্য জে. বি. কৃপালনি, শঙ্কৰ ৰাও দেৱৰ দৰে পণ্ডিত আৰু ড° ৰাধাকৃষ্ণণেও ছাত্ৰসকলৰ নিয়মানুবৰ্তিতাক ভূৰি ভূৰি প্ৰশংসা কৰিছিল। আমাৰ কলেজৰ নিয়মানুবৰ্তিতাৰ দ্বাৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদগ্ধ পণ্ডিত অধ্যাপক আইচটাৰলাইন (Eisterline) ইমান গভীৰভাৱে প্ৰভাৱিত হৈছিল যে তেওঁ 'ইউনাইটেড ষ্টেটচ ইনফৰমেচন চাৰ্ভিচ'ৰ দ্বাৰা প্ৰকাশিত পত্ৰিকা এখনিত তেওঁৰ চাক্ষুষ বৰ্ণনা লিপিবদ্ধ কৰিছিল।

স্মৃতিজড়িত কাৰ্যাৱলীৰ কথা কৈ অঁতাব নোৱাৰি, লিখনিয়ে ৰৈ যাব নোখোজে। কিন্তু মই ৰৈ যাব লাগিব, নহ'লে সেই কাৰ্যাৱলীয়েই স্মৃতিগ্ৰন্থখনিৰ এটি শকত অংশ অধিকাৰ কৰিব। তেতিয়া হ'লে প্ৰত্যেক প্ৰবন্ধৰ বাবে ভগাই থোৱা পৃষ্ঠা গণনাত আউল লাগিব। গতিকে মোৰ মানসপটত ভাহি থকা কেইটিমান মধুৰ দৃশ্যৰ অৱতাৰণা কৰাৰ পিছতে মই মোৰ প্ৰবন্ধৰ সামৰণি মাৰিম।

কলেজৰ চালুকীয়া অৱস্থাতে ছাত্ৰ আৰু শিক্ষকসকলে এবাৰ আইথান নামেৰে এখন তীৰ্থ স্থানলৈ বনভোজ খাবলৈ গৈছিলো। তেতিয়া আছিল জানুৱাৰী মাহ। মই ৰিক্সাত গৈছিলোঁ; আনবিলাক গৈছিল শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তৰ গাড়ীত। মই দুখন নিৰামিষ ব্যঞ্জন ৰান্ধিছিলোঁ। আৰু ছাত্ৰসকলে ৰান্ধিছিল দুখন আমিষ ব্যঞ্জন। আহাৰৰ পিচত সকলোৱে আবৃত্তি আৰু গানত যোগদান

কৰিছিল। দলৰ নিৰ্দেশক্ৰমে মই চেক্সপীয়েৰৰ সিদ্ধহস্ত লেখনী প্ৰসুত 'জুলিয়াচ চিজাৰ'ৰ মাৰ্ক এণ্টোনিৰ বচন আৰু কেইটিমান বৈদিক স্তোত্ৰ আবৃত্তি কৰিছিলোঁ। ছাত্ৰসকলেও বিভিন্ন আবৃত্তিৰ যোগে এক সুন্দৰ পৰিবেশ গঢ়ি তুলিছিল। নদীৰ শুকান বালিৰ ওপৰত ঘূৰি ঘূৰি মই কীটচৰ 'নাইটিঙ্গেলৰ গান' (Nightingale's ode) আৰু ওৱাৰ্ডছৱৰ্থৰ 'অমৰত্বৰ গান' (Immortality ode) আবৃত্তি কৰি কৰি বুজাই দিছিলোঁ। কেইজনমান শিক্ষকে ৰবি ঠাকুৰৰ কবিতা আবৃত্তি কৰিছিল। প্ৰত্যাৱৰ্তন কালত দত্তৰ গাড়ীখন বাটতে বিকল হয়। নিৰ্মল ঘোষ, চিত্ত, অনিল কুমাৰ আৰু আন ছাত্ৰসকলে প্ৰায় এমাইল ধৰি গাড়ীখন ঠেলি ঠেলি আনিছিল। তথাপি গাড়ী 'ষ্টাৰ্ট' নহ'ল। মই বিক্ৰমত আগবাঢ়ি গৈ এটি মেচিন পঠাই দিছিলোঁ আৰু গাড়ীখন কাৰ্যক্ষম হৈ উঠিছিল।

বিদায় দিৱসত, আগেয়ে বি. এ. মহলাৰ ছাত্ৰসকলে অনুষ্ঠানৰ আগমুহূৰ্তত সাধাৰণ আমোদৰ সময়ত শিক্ষকৰ থালৰ পৰা মিঠাই আদি নি খাইছিল। আমি শিক্ষকসকলে তাত বৰ ৰং পাইছিলোঁ। কাৰণ ইয়াৰ জৰিয়তে ছাত্ৰসকলৰ একান্ত শ্ৰদ্ধা আৰু মৰমৰ আভাস পোৱা গৈছিল।

অধ্যাপক তফজ্জুল আলিয়ে আমাৰ কলেজত যোগদান কৰাৰ দিনাখন ছাত্ৰসকল আনন্দত বিহ্বল হৈ পৰিছিল। যিহেতু অধ্যাপক আলি এজন সুগায়ক আছিল সেইবাবে অতি সোনকালে এটি সঙ্গীতানুষ্ঠানৰ ব্যৱস্থা কৰা হৈছিল। আনন্দমুখৰ পৰিৱেশত আলিয়ে কেবাটিও গান গাইছিল। গানত ব্যুৎপত্তি থকা শিক্ষকসকলৰ আনবিলাকেও সঙ্গীতানুষ্ঠানত অংশ গ্ৰহণ কৰিছিল।

ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা ব্যক্তিৰে শিক্ষকমণ্ডলী গঠিত হৈছিল। অসম, বঙ্গ, উৰিষ্যা, বিহাৰ, উত্তৰ প্ৰদেশ, মাদ্ৰাজ, মহীশুৰ, মহাৰাষ্ট্ৰ, কেৰালা, মধ্য প্ৰদেশ আৰু কাশ্মীৰ আদি সকলো ঠাইৰে ব্যক্তিৰ সমাৱেশত অধ্যাপক মণ্ডলী সৃষ্টি হৈছিল। ১৯৫৪ চনৰ 'কলেজ সপ্তাহ'ত এইটো সিদ্ধান্ত কৰা হৈছিল যে ভাৰতৰ বিভিন্ন প্ৰদেশৰ অধ্যাপকে আপোন দেশৰ ভাষাত এটিকৈ গান গাব লাগিব। আলি আৰু বীণাই অসমীয়াত এটি দ্বৈতসঙ্গীত গাইছিল। বীৰেন ভট্টাচাৰ্যই গাইছিল বঙলাত। ৰথে উৰিয়াত, প্ৰেমচান্দ জৈনে হিন্দীত,





নাৰায়ণমে তেলেগুত, চি. কে. মেথিউৱে তামিলত, আইয়াৰে মালয়ালমত, পৰান্‌জিপে মাৰাঠী আৰু গুজৰাটীত। মই গাইছিলোঁ সংস্কৃতত আৰু শ্ৰীলক্ষ্মীপ্ৰসাদ দত্তই গাইছিল ইংৰাজীত। আমাৰ শিক্ষক আৰু ছাত্ৰসকলে ইয়াক বাৰুকৈ উপভোগ কৰিছিল।

অসমৰ সকলো কলেজৰ ভিতৰত আমাৰ কলেজতে প্ৰথমে কেবাখনো সংস্কৃত নাটকৰ অভিনয় কৰা হৈছিল। শকুন্তলা, মুদ্ৰাৰাক্ষস, মধ্যমা-ব্যায়োগ আদিৰ পৰা বিভিন্ন দৃশ্য আমাৰ ছাত্ৰসকলে অভিনয় কৰিছিল। ইয়াৰ বাবে যোগ্য সন্মানৰ উত্তৰাধিকাৰী হ'ল প্ৰিয়াংশু প্ৰৱল উপাধ্যায়ৰ লগতে অধ্যাপক বিশ্বাস আৰু ডক্টৰ আইয়াৰ। ❑❑

# আধুনিক ডিব্ৰুগড়ৰ খনিকৰ ড° লক্ষ্মীপ্ৰসাদ দত্ত

ভীমকান্ত কোঁৱৰ

স্বাধীনোত্তৰ কালৰ ডিব্ৰুগড় বুলিলেই অসমৰ শিক্ষাজগতৰ লগত পৰিচয় থকা যেইকোনো ব্যক্তিয়েই লক্ষ্মীপ্ৰসাদ দত্তকেই বুজে। লক্ষ্মীপ্ৰসাদ দত্ত প্ৰকৃততেই আধুনিক ডিব্ৰুগড়ৰ নিৰ্মাতা। মানৱ সভ্যতা সংস্কৃতিৰ মূল সম্পদ শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত থকা তেখেতৰ বুদ্ধিদীপ্ত দক্ষতা আৰু উল্লেখনীয় অৱদানৰ বাবেই লক্ষ্মীপ্ৰসাদে এনে সন্মান আৰু আসন অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। ৰায়চাহাব হনুমানবক্স কানৈ আৰু তেখেতৰ পৰিয়ালক অনুপ্ৰাণিত কৰি ডিব্ৰুগড়ত কানৈ কলেজ সমূহ প্ৰতিষ্ঠা আৰু সৰ্বশেষত এই কলেজসমূহৰ পৰিচালনা সমিতিৰ যুটীয়া বৈঠকত গৃহীত প্ৰস্তাৱ আৰু কানৈৰ বিশলাখ টকীয়া দানৰ প্ৰতিশ্ৰুতিৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাই ভাৰতত যি খিয়াতি আৰু যশস্যা ৰাখিলে সেই জ্যোতিৰ বলতেই লক্ষ্মীপ্ৰসাদ দত্ত অমৰ হৈ ৰ'ল। কানৈ কলেজসমূহৰ পূৰ্বোত্তৰ অসমত যি ভূমিকা, লক্ষ্মীপ্ৰসাদৰো সেয়ে চিনাকি। দাতাপক্ষও লক্ষ্মীপ্ৰসাদৰ গুণতেই ৰাইজৰ অশেষ শ্ৰদ্ধাৰ পাত্ৰ হৈছে। ৰায়চাহাব কানৈদেৱক ১৯৬৫ চনত ভাৰত চৰকাৰে পদ্মশ্ৰী উপাধিৰে সন্মানিত কৰে।

লক্ষ্মীপ্ৰসাদৰ আৰু এটি চিনাকি আছে। লক্ষ্মীপ্ৰসাদ এজন সুদক্ষ প্ৰশাসক। লক্ষ্মীপ্ৰসাদ এজন কৃতিত্বপূৰ্ণ সংগঠক। কলেজত ছাত্ৰ-ছাত্ৰীৰ মাজত শৃংখলা, নিয়মানুবৰ্তিতা আৰু সৌষ্ঠৱ ৰক্ষাৰ ক্ষেত্ৰত লক্ষ্মীপ্ৰসাদৰ যি ব্যক্তিত্ব আৰু কৃতিত্ব সেয়া সকলোৰে প্ৰশংসনীয়। তেনেদৰেই কলেজত শৈক্ষিক





পৰিৱেশ ৰক্ষাত আৰু অধ্যাপকসকলক নিজৰ মুখ্য দায়িত্ব পালনত ব্ৰতী কৰাত তেখেতৰ যি নৈপুণ্য সেয়াও অবিস্মৰণীয়। ৰাইজ, দাতা, অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, কাৰ্যালয় সহকাৰী, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আদি সকলোকে একগোট কৰি সংগঠন কৰাত লক্ষ্মীপ্ৰসাদৰ কৃতিত্ব সাথৰৰ দৰেহে, কিম্বদন্তিৰ শাৰীৰহে। চৰকাৰৰ পৰা যিমানবোৰ শিতানত কলেজৰ বাবে অনুদান আদায় কৰিব পাৰি; ছাত্ৰ-ছাত্ৰী-অধ্যাপক সকলোকে সংগঠন কৰি যি অমোঘ শক্তিৰ সৃষ্টি কৰিব পাৰি; ধনী অথচ বদান্যতাপূৰ্ণ ব্যক্তিৰ পৰা ৰাজহুৱা অনুষ্ঠানৰ বাবে যিমান অৰ্থ-কড়িৰ দান আদায় কৰিব পাৰি আৰু তাৰ সহায়েৰে যিমান ডাঙৰ কাৰ্য সম্পাদন কৰিব পাৰি এনে সকলোবোৰ কৌশলপূৰ্ণ কাৰ্যত লক্ষ্মীপ্ৰসাদ আছিল প্ৰকৃততেই অতি যোগ্য দক্ষ ব্যক্তি। লক্ষ্মীপ্ৰসাদৰ সংগঠন ক্ষমতা প্ৰকৃততেই শলাগণীয়। এই এটা গুণৰ বাবেই লক্ষ্মীপ্ৰসাদৰ ইমান নাম, ইমান কৃতিত্ব।

এই ব্যক্তি জনাৰ আৰু এটি গুণৰ কথা উল্লেখ কৰিব লাগিব। সমাজৰ সকলো খাপৰ মানুহৰে প্ৰতি কলেজৰ সকলো পৰ্যায়ৰে কৰ্মচাৰীৰ প্ৰতি থকা তেখেতৰ সহানুভূতিশীল মনোভাৱ আৰু সহৃদয়তা। উচিত কাৰ্যত তেখেতে সকলোকে সহানুভূতিশীলভাৱে সহায় কৰিছিল। এয়া তেখেতৰ বহল দৃষ্টিভংগীৰ পৰিচয়।

এখেতৰ অন্য এটি উল্লেখনীয় গুণ বা দক্ষতা হৈছে — সময়ত ঘপহ কৰে ল'ব পৰা উপযুক্ত সিদ্ধান্ত। যেই কোনো সমস্যাৰ সৃষ্টি হ'লে তাক অতিক্ৰম কৰিবলৈ তেখেতৰ আছিল চতুৰতাপূৰ্ণ কৌশলী বুদ্ধিমত্তা। তেখেতে সাহসেৰে লোৱা সিদ্ধান্তসমূহ কাৰ্যকৰী কৰিবৰ বাবে মানুহৰ ওচৰত যিমানখিনি সহজ হ'ব লাগে সিমানখিনি হ'বলৈ তেখেতৰ কোনো কুণ্ঠাবোধ নাছিল। মানুহক বুজাই-সুজাই সৈমান কৰাত আছিল তেখেতৰ মোহনীয় ব্যক্তিত্ব ধৈৰ্য তথা কুশাগ্ৰ বুদ্ধি। চমৎকাৰিত্বপূৰ্ণ তেখেতৰ কূট-কৌশল সৰহভাগ লোকৰ বাবে অবোধ্য।

এখেতৰ আৰু এটি বিশেষত্বৰ কথাও ক'ব লাগিব। তেখেতৰ হৃদয়ৰ উদাৰতা আছিল সৰ্বজনবিদিত। পেটত অলপ কুষাৰি থাকিলেও অতি সহজভাৱে মিঠামুখীয়া মাত একেষাৰেৰে সকলোকে মোহিত কৰিব পৰা

গুণকণ বৰ কাৰ্যকৰী ঔষধ। বিপদে-সম্পদে, বিয়াই-সবাহে, উৎসৱে-পাৰ্বণে, সভাই-হৰিষাই, বিহুৱে-সংক্ৰান্তিয়ে সকলো চিনাকি আৰু আপোন লোককে সপৰিয়ালে উপস্থিত হৈ সান্ত্বনা, সম্ভাষণ, শুভেচ্ছা, আশীৰ্বাদ, উপহাৰ, উৎসাহ, প্ৰেৰণা, উপদেশ, পৰামৰ্শ, দিহা-বুদ্ধি, সহায় সাৰথি কৰি সকলোকে বুকুৰ মাজলৈ টানি আনিব পৰাটো বাৰু কম প্ৰশংসনীয় গুণনে?

ৰং-ৰহইচ আৰু তৃপ্তি পলোৱা ভোজ-ভাত পছন্দ নকৰা মানুহ সংসাৰত নাই। লক্ষ্মীপ্ৰসাদে এই উপায়টো প্ৰায়েই প্ৰয়োগ কৰি সফলকাম হৈছিল। নিজেও এনে অনুষ্ঠানত ভাগ লৈ তৃপ্তি লাভ কৰিছিল আৰু আনকো আনন্দ দান কৰিছিল। অন্নভোজনৰ পিছত 'মধুৰেণ সমাপয়েৎ' কৰাৰ ব্যৱস্থা তেখেতৰ সহজলভ্য গুণ আছিল। প্ৰশংসা সকলোৱেই পেটেৰে ভাল পায়। যি যিমানৰ পাত্ৰ তাতকৈও অধিকভাৱেও প্ৰশংসা কৰি সকলোকে জয় কৰিছিল।

তেখেতৰ ওখ-পাখ, শকত-আৱত দৰ্শনীয় গঢ়-গতিও আছিল তেখেতৰ মোহনীয়তাৰ অন্যতম সম্পদ। ভৰিত চেণ্ডেল আৰু শুদ্ধ বগা খদ্দৰৰ সাজ-পাৰে তেখেতক অতি গঢ়িয়ত কৰি তুলিছিল। সভা শুৱনি পুৰুষজনৰ গাম্ভীৰ্যপূৰ্ণ খোজ-কাটল, পৰিৱেশ আৰু কথা-বতৰাই এক মোহনীয় ব্যক্তিত্ব গঢ়ি তুলিছিল।

মুকলি মনেৰে শ'ল ঠেকত পেলাই মিহিভাৱে শিক্ষা দিয়াতো আছিল লক্ষ্মীপ্ৰসাদৰ কৃতিত্ব। কৌশলপূৰ্ণভাৱে প্ৰয়োজন মতে দিয়া উপযুক্ত শিক্ষাৰ বাবেই বহুতেই তেখেতলৈ ভয়মিশ্ৰিত শ্ৰদ্ধা দেখুৱাবলৈ বাধ্যত পৰিছিল।

ডিব্ৰুগড়ত অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্ৰত লক্ষ্মীপ্ৰসাদৰ ভূমিকা যে সবাতোকৈ ওপৰত সেই কথা সৰ্বজনসন্মত। দানবীৰ ৰায়চাহাব পদ্মশ্ৰী হনুমান বক্স কানৈৰ সাৰথিত্বত অতি দক্ষতাৰে আবুৰত থাকি অনেক কঠিন কামকো অতি সহজভাৱে সমাধা কৰি গৈছিল। সাৰথিয়ে ৰথীক যুদ্ধ জয়ত নানানভাৱে সহায় কৰে। সাৰথিৰ দক্ষতা আৰু সামৰ্থ্যৰ ওপৰত ৰথীৰ কৃতিত্ব বহু প্ৰকাৰে নিৰ্ভৰ কৰে। কৃষ্ণাৰ্জুনৰ মিলন আৰু দুয়োজনাৰে সন্মিলিত শুভ প্ৰচেষ্টাত জগতৰে মঙ্গলসাধন হোৱাৰ দৰেই ৰায়চাহাব পদ্মশ্ৰীকানৈ আৰু লক্ষ্মীপ্ৰসাদৰ যুগ্ম আঁচনিয়ে প্ৰকৃততেই জগতৰ মঙ্গল সাধন কৰিছে। কানৈৰ সভাপতিত্বত বহা কানৈ কলেজসমূহৰ পৰিচালনা সমিতিসমূহৰ যুটীয়া সভাত





অসমত দ্বিতীয়খন বিশ্ববিদ্যালয় ডিব্ৰুগড়তে স্থাপন কৰিব লাগে বুলি প্ৰস্তাৱ গৃহীত হৈছিল। বিধান সভাত খৰতকীয়াভাৱে এই বিষয়ক বিধেয়ক দাঙি ধৰে তদানীন্তন শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাই। পদ্মশ্ৰীহনুমানবক্স কানৈয়ে অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় ডিব্ৰুগড়ত স্থাপন হ'লে বিশ লক্ষ টকাৰ এটি শকত দান আগবঢ়াব বুলি ইতিমধ্যে ঘোষণা কৰিছিল। দানবীৰ কানৈৰ এনে সাহসিক পদক্ষেপৰ বাবেই অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় ডিব্ৰুগড়ত প্ৰতিষ্ঠিত হ'ল। লক্ষ্মীপ্ৰসাদে কানৈৰ বলত বলীয়ান হৈ নিজৰ সহজ বুদ্ধিমত্তাৰে যি সিদ্ধান্ত লৈ আগবাঢ়িল তাত অলপো হেৰ-ফেৰ নহ'ল। ৰেহ লগাই লোৱা দিহা মতেই সকলো কাম সমাধা হ'ল। ১৯৬৫ চনৰ ১ জুলাইত কানৈ কলেজ চৌহদৰ নৱমিৰ্নিত কানৈ কৰ্মাচ কলেজ ভৱনত ডিব্ৰুগড়ৰ জিলাধিপতি শ্ৰীভৱানী কুমাৰ ভূঞাৰ সভাপতিত্বত বহা সভাত ন্যায়াধীশ ড° শ্ৰীযুত শৰৎ কুমাৰ দত্তই বিশ্বদ্যিালয়ৰ কাৰ্যালয় উদ্বোধন কৰিলে। ৰায়চাহাব পদ্মশ্ৰী কানৈয়ে আদৰণী ভাষণ দান কৰিলে আৰু অধ্যক্ষ ড° যোগীৰাজ বসুৱে শলাগৰ শৰাই আগবঢ়ালে। লক্ষ্মীপ্ৰসাদৰ সপোন দিঠকত পৰিণত হ'ল। লক্ষ্মীপ্ৰসাদৰ ডিব্ৰুগড়ত অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় স্থাপন হ'ল। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজৰ অধ্যক্ষ লক্ষ্মীপ্ৰসাদ দত্ত নৱ প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়ৰ আইনৰ ব্যৱস্থা মতে সৃষ্ট ৰেক্টৰ পদবীত নিযুক্ত হ'ল আৰু উপাচাৰ্যৰ নিযুক্তি নোহোৱা পৰ্যন্ত দুয়োটি পদমৰ্যাদাৰে কাৰ্যনিৰ্বাহ কৰি বিশ্ববিদ্যালয়ৰ প্ৰাৰম্ভিক কাম-কাজ চলাই নিলে। কিন্তু কানৈ কলেজৰ অধ্যক্ষ তথা প্ৰধান কাৰীকৰ ৰূপে পৰিচালনা সমিতি সমূহৰ মাননীয় সদস্য মণ্ডলীৰ সহযোগত একপ্ৰকাৰ স্বতন্ত্ৰীয়া সিদ্ধান্তৰে যেনেদৰে মুকলিভাৱে সকলো কাম কৰি যাব পাৰিছিল বিশ্ববিদ্যালয়ত তেখেতৰ তেনে স্বতন্ত্ৰীয়া পৰিৱেশ নাথাকিল। ৰেক্টৰ পদবীৰ যিমানখিনি পৰিধি তাৰ ভিতৰতে তেখেতৰ কাৰ্যদক্ষতা সীমাবদ্ধ হৈ থাকিল। এনেদৰে তেখেতে অসম বিধান সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয় আইন সংশোধিত নোহোৱা পৰ্যন্ত ৰেক্টৰ পদবীত ১৯৭০ চনলৈকে ৫ বছৰ আছিল। তাৰ পিছত ৫ বছৰ কাল বিশ্ববিদ্যালয়ৰ উন্নয়ন আৰু সমন্বয়ৰক্ষী বিষয়াৰূপে কাৰ্যনিৰ্বাহ কৰে। এইখিনি সময়তে কিছুদিন কলেজ পৰিদৰ্শকৰো দায়িত্বত আছিল। এই দশক জোৰা কালছোৱাত

বিশ্ববিদ্যালয়ৰ উন্নয়ন আৰু প্ৰতিষ্ঠাত লক্ষ্মীপ্ৰসাদে নিজাববীয়া অমূল্য অৰিহণা আৰু অৱদান আগবঢ়াই গৈছে। অৱশ্যে বিশ্ববিদ্যালয়ত কটোৱা সময়ছোৱাত তেখেত সিমান সুখী নাছিল।

এইখিনিতে লক্ষ্মীপ্ৰসাদৰ জন্ম, শিক্ষালাভ আৰু অন্যান্য অৱদান সম্পৰ্কে কিছু কথা উল্লেখ কৰা হওঁক।

**১। জন্ম ঃ** ডিব্ৰুগড়েই লক্ষ্মীপ্ৰসাদৰ জন্মভূমি আৰু কৰ্মভূমি। ডিব্ৰুগড়েই লক্ষ্মীপ্ৰসাদৰ মহানিৰ্বাণ থলী। ডিব্ৰুগড়ৰ জপৰা-চেতিয়া ৱাৰ্ডৰ টেকেলা গাঁওখণ্ডৰ দক্ষিণ আমোলপট্টিত লক্ষ্মীপ্ৰসাদৰ জন্ম হয় মহান ৰুচ বিপ্লৱৰ বছৰতে ১৯১৭ খ্ৰীষ্টাব্দৰ ১৬ ফেব্ৰুৱাৰীত।

**২। পিতৃ-মাতৃ ঃ** লক্ষ্মীপ্ৰসাদৰ দেউতাক মহেন্দ্ৰ প্ৰসাদ দত্ত বৃটিছ অসম চৰকাৰৰ আৱকাৰী অধীক্ষক (Exise Supdt.) আছিল। তেখেতে ১৯৪২ খ্ৰীঃত অৱসৰ গ্ৰহণ কৰে। মহেন্দ্ৰ প্ৰসাদ দত্ত (১৮৮২-১৯৭৫) ৰ ৮ জন ল'ৰা-ছোৱালীৰ ভিতৰত লক্ষ্মীপ্ৰসাদ আছিল জ্যেষ্ঠ। লক্ষ্মীপ্ৰসাদৰ বাইদেৱেক প্ৰজ্ঞা চৌধুৰী অসম মিউজিয়ামৰ কিউৱেটৰ প্ৰেমধৰ চৌধুৰীৰ পৰিবাৰ আছিল। ভায়েক শ্ৰীবিষ্ণু প্ৰসাদৰ পিছত ৪ গৰাকী ভনীয়েক আৰু কনিষ্ঠ ভায়েক শিৱ প্ৰসাদ দত্ত বি,ই। অসমৰ খ্যাতনামা ৰাজনীতিজ্ঞ আৰু নাট্যকাৰ শ্ৰীলক্ষ্যধৰ চৌধুৰী লক্ষ্মীপ্ৰসাদৰ বৈনায়েক।

লক্ষ্মীপ্ৰসাদৰ মাতৃ স্বৰ্ণলতা বুৰঞ্জী প্ৰখ্যাত তিৰু কাকতী বংশৰ আছিল। তেখেত এগৰাকী শিক্ষয়িত্ৰী হোৱাৰ উপৰিও বিশিষ্টা সমাজসেৱিকা আছিল। তেখেত ডিব্ৰুগড় মহিলা সমিতিৰ অন্যতম প্ৰতিষ্ঠাতা হোৱাৰ লগতে সম্পাদিকা আৰু সভানেত্ৰীও আছিল।

**৩। প্ৰাথমিক আৰু হাইস্কুলীয়া শিক্ষা ঃ** লক্ষ্মীপ্ৰসাদে ডিব্ৰুগড়ৰ আমোলাপট্টি প্ৰাথমিক বিদ্যালয়ত শিক্ষাজীৱন আৰম্ভ কৰি ১৯২৮ চনলৈকে জৰ্জ ইন্সটিটিউচনত আৰু ১৯৩৩ চনলৈকে ডিব্ৰুগড় চৰকাৰী ল'ৰাৰ হাইস্কুলত শিক্ষা গ্ৰহণ কৰিছিল। ১৯৩৩ চনত তেখেতে ১ম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়।

**৪। কলেজীয়া শিক্ষা ঃ** প্ৰথমে কটন কলেজত পঢ়িছিল যদিও পিছত শ্বিলঙৰ চেইণ্ট এন্থনি কলেজৰ পৰাই ১৯৩৭ খ্ৰীঃত প্ৰথম বিভাগত আই.এ





পৰীক্ষাতো উত্তীৰ্ণ হয়। ১৯৩৯ খ্ৰীঃত শ্বিলঙৰ এড্‌মাণ্ডচ্ কলেজৰ পৰা বুৰঞ্জী বিষয়ত সন্মান লৈ স্নাতক মহলাত কৃতকাৰ্য হয়। ইয়াৰ পাছত কলিকতা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি বুৰঞ্জীবিষয়ত এম. এ. ডিগ্ৰী লাভ কৰে। এম. এ. ডিগ্ৰী লৈ গুৱাহাটীৰ চৰকাৰী আইন মহাবিদ্যালয় আৰ্ল-ল-কলেজৰ পৰা বি-এল্ ডিগ্ৰীও গ্ৰহণ কৰে ১৯৪৩ খ্ৰীষ্টাব্দত। লক্ষ্মীপ্ৰসাদ লখিমপুৰ জিলাৰ প্ৰথম ১০ গৰাকী এম.এ.ৰ ভিতৰৰে এজন।

**৫। লক্ষ্মীপ্ৰসাদৰ অস্থায়ী চাকৰি জীৱন ঃ** আইনৰ স্নাতক হোৱাৰ পূৰ্বে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত লক্ষ্মীপ্ৰসাদে ড° বি. এল. ব'ৰ অধীনত সহকাৰী অসামৰিক বিষয়া আছিল।

তাৰ পাছত তেখেত পিকিং চিণ্ডিকেটৰ সহকাৰী শাখা ব্যৱস্থাপক পদবীত আছিল। এই পদত লক্ষ্মীপ্ৰসাদে দিনজান বিমানঘাটিৰ পৰা কুইমিংটান চীনলৈ সামগ্ৰী সৰবৰাহৰ দায়িত্ব পালন কৰিছিল।

লক্ষ্মীপ্ৰসাদে অলপ দিন ডিব্ৰুগড়ত ওকালতি কৰিছিল। ১৯৬২ চনত লখিমপুৰ জিলাৰ অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সন্মানীয় কমাণ্ডেণ্টৰ পদতো আছিল।

**৬। দেশৰ স্বাধীনতা আন্দোলনৰ প্ৰতি সঁহাৰি ঃ** ডিব্ৰুগড়ো স্বাধীনতা আন্দোলনৰ অন্যতম ঘাই থলী আছিল। ডিব্ৰুগড়লৈ মহামানৱ মহাত্মা গান্ধী আহিছিল আৰু ডিব্ৰুগড়ৰ বহুজন ত্যাগী পুৰুষে স্বাধীনতা আন্দোলনৰ মহাযজ্ঞত নিজক সঁপি দিছিল। স্বাধীনতা আন্দোলনৰ ঢৌৱে লক্ষ্মীপ্ৰসাদকো কঁপাই তুলিছিল। তেখেতে অনুকুল সঁহাৰি দি বিলাতী কাপোৰ বৰ্জন কৰি খদ্দৰৰ পোচাক গ্ৰহণ কৰিছিল। খদ্দৰৰ সাজ-পাৰেৰেই তেখেতে মানৱী শৰীৰ ত্যাগ কৰি মহামানৱৰ আৰু ভাৰতীয় জাতীয় আদৰ্শৰ পৰাকাষ্ঠা দেখুৱাই যায়। ১৯৭৭ চনৰ নিৰ্বাচনত ডিব্ৰুগড় নগৰ সমষ্টিৰ পৰা তেখেতে সমাজবাদী কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতাও কৰিছিল। জাতীয় কংগ্ৰেছ দলৰ প্ৰতি তেখেতৰ আন্তৰিক সমৰ্থন আছিল।

**৭। ডিব্ৰুগড়ৰ কলেজৰ অধ্যাপকৰ পদত ঃ** ১৯৪৫ চনত ডিব্ৰুগড় কলেজ প্ৰতিষ্ঠা হোৱাৰে পৰা তেখেতেও অন্য বহুকেইগৰাকী উচ্চশিক্ষিত ডিব্ৰুগড়ীয়া স্বনামধন্য ডেকাৰ দৰেই অবৈতনিকভাৱে অধ্যাপনা কৰিছিল।

লক্ষ্মীপ্ৰসাদ আছিল বুৰঞ্জী বিভাগৰ মুখ্য অধ্যাপক। আৰম্ভণি কালৰে পৰা লক্ষ্মীপ্ৰসাদ ডিব্ৰুগড় কলেজৰ প্ৰধান কাৰ্যকৰী গঢ় দিওঁতা হৈ পৰে।

**৮। কানৈ কলেজৰ উপাধ্যক্ষ আৰু অধ্যক্ষৰ পদত ঃ** ১৯৫০ চনত ডিব্ৰুগড় কলেজৰ নাম কানৈকলেজ হয় আৰু লক্ষ্মীপ্ৰসাদ উপাধ্যক্ষৰ পদত নিযুক্ত হয়। প্ৰতিষ্ঠাপক অধ্যক্ষ যোগিৰাজ যোগীৰাজৰ প্ৰধান হৈ পৰে। ১৯৬৩ চনত জুলাই মাহত ডিব্ৰুগড়ৰ ছোৱালী কলেজ মনোহাৰী দেৱী কানৈ মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাত যোগীৰাজ বসু সেই কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হোৱাত লক্ষ্মীপ্ৰসাদ কানৈ কলেজৰ অধ্যক্ষ হয় আৰু সেই পদবীত ১৯৬৫ চনৰ জুলাই মাহলৈকে থাকে। কলেজত লক্ষ্মীপ্ৰসাদৰ ভূমিকা আৰু অৱিহণা সম্পৰ্কে ওপৰত আলোচনা কৰা হৈছে। এইখিনিতে লক্ষ্মীপ্ৰসাদৰ pic up Van খনৰ কথা উল্লেখনীয়। ডিব্ৰুগড় কলেজ পিছৰ কানৈ কলেজৰ নানান কামত এই ভেনখন ব্যৱহাৰ কৰা হৈছিল। ডিব্ৰুগড়ৰ সেই সময়ৰ ৰাইজৰ নিশ্চয় এই বিশিষ্ট যানখনৰ দৃশ্য মনত আছে।

**৯। কানৈ কমাৰ্চ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ পদত ঃ** কানৈ কলেজৰ কমাৰ্চ শাখাটোক ১৯৬০ চনত এখন পূৰ্ণাঙ্গ কলেজ ৰূপে প্ৰতিষ্ঠা কৰাত লক্ষ্মীপ্ৰসাদক এই কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ সন্মান দিয়া হৈছিল। মৃত্যুৰ পৰলৈকে এই কলেজৰ লগত লক্ষ্মীপ্ৰসাদৰ সম্পৰ্ক আছিল।

**১০। কানৈ ল-কলেজৰ অধ্যক্ষৰ পদত ঃ** ১৯৬৫ চনত কানৈ কমাৰ্চ কলেজতে কানৈ-ল-কলেজৰ আৰম্ভণি কৰা হয়। লক্ষ্মীপ্ৰসাদে ১৯৭৫ চনত বিশ্ববিদ্যালয়ৰপৰা অৱসৰ লোৱাৰ পিছত কানৈ ল-কলেজৰ লগত জড়িত হৈ পৰে আৰু তেখেতৰ মৃত্যুৰ পৰলৈকে এই কলেজৰ অধ্যক্ষ আৰু পৰিচালনা পৰিষদৰ সম্পাদকৰ দায়িত্বত আছিল। তেখেতৰ অধ্যক্ষতাৰ কালতেই বৰ্তমান ৰেডক্ৰচ পথৰ দাঁতিত থকা স্থায়ী বিৰাট ভৱনটি কানৈ পৰিয়ালৰ দানেৰে সম্পূৰ্ণ হয়।

**১১। অসম সাহিত্য সভাৰ লগত সম্পৰ্ক ঃ** লক্ষ্মীপ্ৰসাদৰ অসম সাহিত্য সভাৰ লগত নিবিড় সম্পৰ্ক আছিল। তেখেত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি আছিল ১৯৬৮-৭০ চনত। অসম সাহিত্য সভাৰ উদ্যোগত ডিব্ৰুগড়ত পতা শতবাৰ্ষিকী উৎসৱসমূহত লক্ষ্মীপ্ৰসাদে বিশেষ ভূমিকা গ্ৰহণ





কৰিছিল।

ডিব্ৰুগড় সাহিত্য সভাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন নিৰ্মাণত লক্ষ্মীপ্ৰসাদৰ অৱদান যুগমীয়া। তেখেত নিৰ্মাণ সমিতিৰ সভাপতি আছিল।

১৯৬৬ চনৰ ৩০, ৩১ ডিচেম্বৰ আৰু ১৯৬৭ চনৰ ১ জানুৱাৰীত ডিব্ৰুগড়ত অনুষ্ঠিত অসম সাহিত্য সভাৰ চতুৰ্ত্ৰিংশ সন্মিলনীৰ আদৰণী সমিতিৰ তেখেত আছিল সভাপতি।

১৯৬৯ চনৰ ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰী তাৰিখে বৰপেটাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষট্‌ত্ৰিংশ সন্মিলনীত ৮ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত হোৱা বুৰঞ্জী অধিৱেশনত লক্ষ্মীপ্ৰসাদে সভাপতিত্ব কৰিছিল।

১৯৬৭ চনৰ ২৪ নৱেম্বৰত ডিব্ৰুগড়ত অনুষ্ঠিত ৰজনীকান্ত বৰদলৈ শতবাৰ্ষিকী আদৰণী সমিতিৰ লক্ষ্মীপ্ৰসাদ আছিল সভাপতি। প্ৰখ্যাত সমালোচক সাহিত্যিক ত্ৰৈলোক্যনাথ গোস্বামীদেৱে ৰজনীকান্ত বৰদলৈ পথ উন্মোচন কৰিছিল।

১৯৭২ চনৰ ১১ ডিচেম্বৰত ডিব্ৰুগড়ত অনুষ্ঠিত বেণুধৰ ৰাজখোৱা জন্ম শতবাৰ্ষিকী উৎসৱৰ আদৰণী সমিতিৰ সভাপতি আছিল লক্ষ্মীপ্ৰসাদ। অসমৰ ৰাজ্যিক মন্ত্ৰী পদ্মকুমাৰী গোহাঞিয়ে বেণুধৰ ৰাজখোৱা পথ উন্মোচন কৰিছিল।

এইদৰে ১৯৭০ চনৰ ৩০ আগষ্ট তাৰিখে অনুষ্ঠিত মফিজুদ্দিন আহমদ হাজৰিকা জন্ম শতবাৰ্ষিকী মহোৎসৱৰ আদৰণী সমিতিৰ সভাপতি আছিল লক্ষ্মীপ্ৰসাদ।

অসম সাহিত্য সভাৰ সভাপতি কবি সাহিত্যিক হেম বৰুৱাই সভাপতিত্ব কৰা আৰু বঙ্গীয় প্ৰখ্যাত সাহিত্যিক অন্নদাশঙ্কৰ ৰায়ে বিশিষ্ট অতিথিৰূপে যোগদান কৰা লক্ষ্মীনাথ বেজবৰুৱা জন্ম শতবাৰ্ষিকী (১৯৬৯) উৎসৱৰ আদৰণী সমিতিৰ সভাপতি আছিল লক্ষ্মীপ্ৰসাদ আৰু তেখেতৰ আপাহতেই ডিব্ৰুগড় বিশ্বদিল্যায়ত বেজবৰুৱা কৰ্ণাৰ প্ৰতিষ্ঠা কৰা হৈছিল য'ত বেজবৰুৱাৰ মাজুজীয়াৰী ৰত্নাৱলী বৰুৱাই দিয়া বেজবৰুৱাৰ ব্যৱহৃত সামগ্ৰী সমূহ আৰু অন্যান্য অৱদানৰাজি প্ৰতিষ্ঠা কৰা হয়।

মুঠতে ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ যি সমূহ অনুষ্ঠান অনুষ্ঠিত হৈছিল সেই সমূহৰ গুৰি ধৰোঁতা আছিল লক্ষ্মীপ্ৰসাদ।

**১২। ৰটাৰী ক্লাবৰ সদস্য ৰূপে ঃ** লক্ষ্মীপ্ৰসাদৰ শ্ৰদ্ধা আৰু মৰমৰ এটি অনুষ্ঠান হ'ল ৰটাৰী ক্লাব। এই ক্লাবত তেখেতে সকলো বৈঠক আৰু সভা সমিতিত নিয়মিতভাৱে উপস্থিত থাকি ভাল পাইছিল। কাঠমাণ্ডুত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক ৰটাৰী ক্লাবৰ সন্মিখনত লক্ষ্মীপ্ৰসাদে যোগদান কৰিছিলগৈ।

**১৩। ভাৰত-ছোভিয়েট সাংস্কৃতিক সন্থা আৰু লক্ষ্মীপ্ৰসাদ ঃ** এই সংস্থাৰ ডিব্ৰুগড় শাখাৰ প্ৰতিষ্ঠাৰে পৰা লক্ষ্মীপ্ৰসাদৰ সম্পৰ্ক আছিল। তেখেতে এই শাখাৰ সভাপতি আৰু সদস্য ৰূপে থাকি সংস্থাটোৰ প্ৰতি সেৱা আগবঢ়াই গৈছে। ছোভিয়েট ৰুচিয়াৰ ৰাজধানী মস্কো মহানগৰীত অনুষ্ঠিত বিশ্ব-শান্তি পৰিষদৰ সভাত লক্ষ্মীপ্ৰসাদে যোগদান কৰিছিলগৈ।

**১৪। অন্যান্য সামাজিক সংগঠন আৰু লক্ষ্মীপ্ৰসাদ ঃ** ওপৰত উল্লেখ কৰা সমূহৰ লগতে অন্য বহুতোবোৰ সামাজিক সংগঠনৰ লগতো লক্ষ্মীপ্ৰসাদ সংযুক্ত হৈ আছিল। এই বিলাকৰ ভিতৰত কেইটিমান হ'ল — ভাৰতসেৱক সমাজ, ডিব্ৰুগড় ক্ৰীড়াসংস্থা, ডিব্ৰুগড় তদাৰক সমিতি আদি। ১৯৮৮ চনত ব্ৰহ্মপুত্ৰৰ প্ৰবল বানপানীৰ ভয়ঙ্কৰ ৰূপ দেখি ত্ৰস্তমান ডিব্ৰুগড়বাসীয়ে গঠন কৰা ডিব্ৰুগড় সুৰক্ষা সমিতিৰ লক্ষ্মীপ্ৰসাদ আছিল সভাপতি।

**পিতৃ-মাতৃ আৰু পত্নী বিয়োগ ঃ** লক্ষ্মীপ্ৰসাদৰ মাতৃ স্বৰ্ণলতা দত্তৰ ১৯৭২ চনৰ ৩১ মাৰ্চ তাৰিখে নিজা বাসভৱনত মৃত্যু ঘটে। পিতৃদেৱ মহেন্দ্ৰ প্ৰসাদ দত্তই সুদীৰ্ঘ ৯৩ বছৰ পৰমায়ুস ভোগ কৰি ১৯৭৫ চনৰ ৪ ফেব্ৰুৱাৰী তাৰিখে ধৰাধাম ত্যাগ কৰে।

মাতৃদেৱী আৰু পিতাদেৱক (পাপাকক) হেৰুৱাৰ পিছতেই ১৯৮৬ চনৰ ৭ নৱেম্বৰ তাৰিখে লক্ষ্মীপ্ৰসাদে তেখেতৰ সাদৰী পত্নী উৰ্মিলা দত্তকো হেৰুৱালে। সেই সময়ৰে পৰা লক্ষ্মীপ্ৰসাদৰ মনৰ উৎসাহ কমি আহিবলৈ ধৰিলে। মৰমী পত্নীক হেৰুৱাই তেখেত নিঠৰুৱা হৈ পৰিছিল আৰু তেখেতক উদাস দেখা গৈছিল। লক্ষ্মীপ্ৰসাদৰ শৰীৰৰ অৱস্থাও বেয়া হ'বলৈ ধৰে। শৰীৰত অস্ত্ৰোপচাৰো কৰিবলগীয়া হয়।

**ডি-লিট ডিগ্ৰী লাভ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শ্ৰীকমলেশ্বৰ বৰাই বিশ্ববিদ্যালয়ৰ দায়িত্ব গ্ৰহণ কৰিয়েই বিশ্ববিদ্যালয়ৰ পঞ্চম সমাৰৰ্তন





সমাৰোহৰ আয়োজন কৰে। এই সমাৰৰ্তনতে অসমৰ শিক্ষাজগত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ আগবঢ়োৱা উল্লেখযোগ্য সেৱাৰ বাবে লক্ষ্মীপ্ৰসাদক ডি-লিট ডিগ্ৰীৰে সন্মানীত কৰে ১৯৮৮ চনৰ ৭ ডিচেম্বৰ তাৰিখে।

**ৰাজহুৱা সম্বৰ্ধনা ঃ**

এই সন্মানীত ডি-লিট ডিগ্ৰী লাভ কৰাৰ পিছত ১৯৮৮ চনৰ ৩১ ডিচেম্বৰ তাৰিখে ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত আহুত ৰাজহুৱা সভাত ড° লক্ষ্মীপ্ৰসাদ দত্তক বিপুলভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।

**মানৱী দেহা ত্যাগ আৰু অন্ত্যোষ্টিক্ৰিয়া ঃ**

১৯৮৯ চনৰ ২ জানুৱাৰী তাৰিখে জৰ্জ ইন্সটিটিউচনৰ হীৰক জয়ন্তী উদ্‌যাপন সম্পৰ্কীয় এখন সভাত যোগদান কৰাৰ পিছদিনাই লক্ষ্মীপ্ৰসাদ ভীষণভাৱে অসুস্থ হৈ পৰে। অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয় যদিও ৪ জানুৱাৰীৰ ৰাতি শৰীৰৰ অৱস্থা বেয়াৰ ফালে ঢাল খায় আৰু ৫ জানুৱাৰীৰ নিচেই ৰাতিপুৱাতে তেখেতৰ দেহাৱসান ঘটে। মৃত্যুৰ খবৰ পোৱাৰে পৰা অসংখ্য জনগণে লক্ষ্মীপ্ৰসাদলৈ শেষ শ্ৰদ্ধা জনাবলৈ আৰম্ভ কৰে। ৬ তাৰিখে দিনৰ ১১ বজাৰ পৰা দিনৰ ৩ বজালৈকে হোৱা শোভাযাত্ৰাত অভূতপূৰ্ব শ্ৰদ্ধা আৰু সন্মান লাভ কৰে। ডিব্ৰুগড়বাসীয়ে লক্ষ্মীপ্ৰসাদক হেঁপাহ পলুৱাই সন্মান যাচিলে। সন্ধ্যা চৌকিডিঙ্গি শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। আধুনিক ডিব্ৰুগড়ৰ উজ্বল ৰত্নটিৰ পাৰ্থিৱ অৱশেষ অনন্তত বিলীন হৈ গ'ল। ডিব্ৰুগড় কাঁহ পৰি জীণ গ'ল। ডিব্ৰুগড়বাসীয়ে এটি দীঘল হুমুনিয়াহ পেলালে। ডিব্ৰুগড়ে লক্ষ্মীপ্ৰসাদৰ স্মৃতি ৰক্ষাৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি সকলোৰেই আশা ৰাখিছে। ❑❑

# হীৰক জয়ন্তী বৰ্ষ (২০০৫)-ত কানৈ কলেজ

ড° ভাৰতী দত্ত

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ কলেজ - চমুকৈ ডি. এইচ. এছ. কে. কলেজ আৰু তাতোকৈ চমুকৈ কানৈ কলেজ। প্ৰাক স্বাধীনতা কালত স্থাপন হোৱা অসমৰ আঙুলিৰ মূৰত লিখিবপৰা মহাবিদ্যালয় কেইখনৰ অন্যতম কলেজখন ষাঠি বছৰীয়া হ'ল। উজনি অসমৰ উচ্চ শিক্ষা প্ৰসাৰৰ অন্যতম বাটকটীয়া আৰু লুইতৰ পাৰৰ বাণিজ্যপ্ৰধান চহৰ ডিব্ৰুগড়ৰ কলেজীয়া শিক্ষা সম্প্ৰসাৰণৰ থলী কানৈ কলেজৰ ২০০৫-০৬ বৰ্ষটো হীৰক জয়ন্তী বৰ্ষ। ১৯৪৫ চনৰ ১৫ জুন তাৰিখে ডিব্ৰুগড়ৰ কেইগৰাকীমান শিক্ষানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত প্ৰতিষ্ঠা লাভ কৰা কলেজখনে শৈক্ষিক দিশৰ লগতে সাহিত্য, সংস্কৃতি, ক্ৰীড়া আদিৰ ক্ষেত্ৰতো উল্লেখনীয় অৱদান আগবঢ়াইছে। যিসকলে অশেষ ত্যাগ স্বীকাৰ কৰি তাহানি দিনতে কলেজ প্ৰতিষ্ঠাৰ দৰে অসম্ভৱ যেন লগা কাম এটি সম্ভৱ কৰি তুলিছিল সেইসকল চিৰনমস্য ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। কানৈ কলেজৰ জন্ম লগ্নৰে পৰা আজি পৰ্যন্ত কলেজখনৰ উত্তৰোত্তৰ উন্নতি কল্পে অৱদান আগবঢ়োৱা সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি হীৰক জয়ন্তী বৰ্ষত বিভিন্ন দিশ সামৰি কলেজৰ এক প্ৰতিচ্ছবি দাঙি ধৰিবলৈ বিচাৰিছোঁ।

**কলেজ প্ৰতিষ্ঠা আৰু কিছু কথা ঃ অতীতলৈ এভুমুকি ঃ** সদিচ্ছা আৰু আত্মবিশ্বাসক মূলধন হিচাপে লৈ ডিব্ৰুগড়ত এখন কলেজ প্ৰতিষ্ঠাৰ কামত আগবাঢ়িবলৈ লোৱা প্ৰথমগৰাকী ব্যক্তি আছিল স্বৰ্গীয় অশ্বিনীচৰণ চৌধুৰী।





ডিব্ৰুগড়ত ইণ্টাৰমিডিয়েট পৰ্যায়ৰ এখন কলেজ খুলিবলৈ তেখেতে প্ৰস্তুতি চলোৱাৰ কথাষাৰ ১৯৪৫ চনৰ ১৯ মে তাৰিখৰ Times of Assam কাকতৰ সম্পাদকীয়ত প্ৰকাশ পাইছিল আৰু ইয়াৰ লগে লগে ডিব্ৰুগড়বাসী ৰাইজৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়া হৈছিল। উৎসাহ প্ৰদান কৰোঁতা মানুহৰ অভাৱ নহ'লেও কামটো অসম্ভৱ যেন বুলি ভবা কোনো কোনোৱে নিৰুৎসাহজনক কথা কৈছিল। কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত স্বৰ্গীয় চৌধুৰীদেৱক সহায়-সহযোগিতা আগবঢ়োৱা তথা অনুপ্ৰেৰণা যোগোৱা ব্যক্তিসকল আছিল স্বৰ্গীয় বেণুধৰ ৰাজখোৱা, স্বৰ্গীয় গোবিন্দ চন্দ্ৰ শৰ্মা, স্বৰ্গীয় ডাঃ ফনীন্দ্ৰ নাথ ঘোষ, স্বৰ্গীয় নন্দেশ্বৰ চক্ৰৱৰ্তী, স্বৰ্গীয় সদানন্দ দুৱৰা, স্বৰ্গীয় ড° ৰোহিণীকান্ত বৰুৱা, স্বৰ্গীয় জীৱনৰাম ফুকন ইত্যাদি। ১৯৪৫ চনৰ ১৫ জুন তাৰিখে স্থানীয় জৰ্জ ইন্সষ্টিটিউট (বৰ্তমানৰ বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত এক অনাড়ম্বৰ অনুষ্ঠানত কলেজৰ সম্পাদক হিচাপে থকা স্বৰ্গীয় চৌধুৰীয়ে সোঁহাত স্বৰূপে কাম কৰিছিল। কলেজ প্ৰতিষ্ঠাৰ পিছত প্ৰথমে নাম ভৰ্তি কৰা ছাত্ৰীগৰাকীৰ নাম আছিল সৰলা চৌধুৰী। ১৯৪৫ চনৰ ১৫ জুলাইৰপৰা জৰ্জ ইন্সষ্টিটিউটত পুৱাবেলা পাঠদান আৰম্ভ হয়। অধ্যক্ষ হিচাপে ড° যোগীৰাজ বসুৰ নিযুক্তি হয় আৰু লক্ষ্মীপ্ৰসাদ দত্ত, নিৰ্মল কুমাৰ বসু, উমা প্ৰসন্ন দে, সুশীল চন্দ্ৰ দত্ত, বীৰেন্দ্ৰনাথ ভট্টাচাৰ্য প্ৰমূখ্যে কেইগৰাকীমান প্ৰতিভাৱান ব্যক্তিক অধ্যাপক হিচাপে লোৱা হয়। প্ৰথম বছৰ অবৈতনিকভাৱে তেখেতসকলে কাৰ্যনিৰ্বাহ কৰিছিল। কলেজৰ প্ৰথম গৰাকী মহিলা অধ্যক্ষ হ'ল শ্ৰীযুতা লক্ষীদা দত্ত। পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল স্বৰ্গীয় সদানন্দ দুৱৰা। ১৯৪৬ চনৰ মে' মাহৰ ডিব্ৰুগড় কলেজে কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰে। কাৰণ ১৯৪৮ চনতহে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হয়। ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিছত কানৈ কলেজ এই বিশ্ববিদ্যালয়ৰ অধীনলৈ আহে। আৰম্ভণিতে কলেজৰ পুথিভঁৰালৰ বাবদ ৰায়চাহাব হনুমানবক্স কানৈয়ে ১০,০০০ টকাৰ এক অনুদান আগবঢ়াইছিল। ১৯৪৫ চনতে ডিব্ৰুগড় পৌৰসভাই দিয়া গাভৰু পথাৰৰ মাটিখিনিৰ লগতে কলেজ কৰ্তৃপক্ষই ক্ৰয় কৰা আৰু অলপ মাটিও সংযোগ কৰি কলেজৰ ভৱন নিৰ্মাণ কৰা হয় আৰু এইক্ষেত্ৰত একলাখ টকাৰ মোটা অংকৰ আৰ্থিক অনুদান আগবঢ়ায় ৰায়চাহাব

হনুমানবক্স আৰু তেখেতৰ ভাতৃ সূৰজমল কানৈয়ে। ১৯৫০ চনৰ ২৫ জুলাই তাৰিখৰপৰা 'ডিব্ৰুগড় কলেজ'ৰ নতুন নাম হয় ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ কলেজ। ১৯৫৯ চনৰ ২৯ ডিচেম্বৰ তাৰিখে কানৈ কলেজৰ প্ৰাসাদোপম ভৱনটো উদ্বোধন কৰে তদানীন্তন ভাৰতবৰ্ষৰ উপৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে। ডিব্ৰুগড়ৰ এগৰাকী শিল্পী ৰবীন ভট্টাচাৰ্যই অংকণ কৰা পদুম ফুলৰ পাহিৰ আৰ্হিৰ অৰ্থবহ প্ৰতীকটো ১৯৫২ চনত গ্ৰহণ কৰা হয়।

কলেজ প্ৰতিষ্ঠাৰ তিনি বছৰৰ পিছতে সেই সময়ৰ অসমৰ ৰাজ্যপাল শ্ৰীপ্ৰকাশে কানৈ কলেজ পৰিদৰ্শন কৰিবলৈ আহি কৰা মন্তব্যৰ উদ্ধৃতি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। প্ৰাৰম্ভিক অৱস্থাত অবৈতনিক শিক্ষকতাৰ কথাষাৰ জানিব পাৰি তেখেতে কৈছিল "মই জানিব পৰি সুখী হৈছোঁ যে এইখন কলেজৰ প্ৰতিষ্ঠা হৈছে ত্যাগৰ ভিত্তিত, ইটা বা লোহা-লংকৰৰ ভিত্তিত নহয়। যি বস্তু ত্যাগৰ ওপৰত প্ৰতিষ্ঠিত সি যুগমীয়া।" এনেদৰেই কলেজৰ উচ্চমানৰ বিজ্ঞানাগাৰ, পুথিভঁৰাল আৰু কলেজৰ নিয়মানুবৰ্তিতা দেখিও বিভিন্ন সময়ত কলেজলৈ অহা বিদ্বৎলোকসকলে উচ্চ প্ৰশংসা কৰি থৈ গৈছে। কানৈ কলেজৰ পৰিয়ালৰ বাবে এইবোৰেই গৌৰৱৰ বিষয়।

**বিদ্যায়তনিক দিশৰ অগ্ৰগতি, সফলতা, অৱদান ইত্যাদি ঃ** ১৯৪৫ চনত কলা শাখাৰ ইণ্টাৰমিডিয়েট কলেজ হিচাপে প্ৰতিষ্ঠা কৰা কানৈ কলেজৰ বিদ্যায়তনিক দিশত অগ্ৰগতি দ্ৰুততৰ হৈছিল আৰু এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা দুগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তি আছিল অধ্যক্ষ ড° যোগীৰাজ বসু আৰু উপাধ্যক্ষ হিচাপে ১৯৪৭ চনৰ ২৭ ছেপ্টেম্বৰত নিযুক্তি লাভ কৰা ড° লক্ষী প্ৰসাদ দত্ত। অনতিপলমে কলেজখনত বাণিজ্য শাখাৰ পাঠদান আৰম্ভ কৰাৰ পিছত ১৯৪৮ চনত প্ৰথমেই সংস্কৃত আৰু তাৰ পিছতে স্নাতক পৰ্যায়ত বিভিন্ন বিষয়ত অনাৰ্ছ (তেতিয়া মেজৰ শব্দটো ব্যৱহাৰ হোৱা নাছিল) খোলাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। ১৯৫০-৫১ শিক্ষাবৰ্ষৰ পৰা কানৈ কলেজত ইণ্টাৰমিডিয়েট পৰ্যায়ত বিজ্ঞান শাখাৰ পাঠদান আৰম্ভ কৰা হয় আৰু ১৯৬০-৬১ শিক্ষা বৰ্ষৰপৰা পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু গণিতত স্নাতক শ্ৰেণীৰ পাঠদান প্ৰক্ৰিয়া আৰম্ভ হয়। পৰৱৰ্তী পৰ্যায়ত প্ৰাণীবিজ্ঞান, উদ্ভিদ বিজ্ঞান, নৃতত্ত্ব আদি বিষয়ত স্নাতক শ্ৰেণী খোলা হয়। ১৯৬২ চনৰ আগলৈকে কানৈ কলেজত আই. এ..





শ্ৰেণীত বাণিজ্য ভূগোলৰ পাঠদানহে কৰা হৈছিল। ১৯৭২ চনত ভূগোল বিজ্ঞান বিভাগত বিষয়টিত অনাৰ্ছ খোলা হয়। সম্প্ৰতি কানৈ কলেজত কলা আৰু বিজ্ঞান শাখাত মুঠ সোতৰটা বিভাগত পাঠদান কৰা হয়। হিন্দী, বাংলা আৰু পৰিসংখ্যা বিজ্ঞান বিভাগৰ বাহিৰে সকলোবোৰ বিভাগীয় বিষয়তে মেজৰ পাঠ্যক্ৰমো অন্তৰ্ভুক্ত কৰা হ'ল। ২০০৫-২০০৬ শিক্ষাবৰ্ষত কলেজৰ দুটা Carreer oriented certificate course ও আৰম্ভ কৰা হয় আৰু সেই দুটা হ'ল ইংৰাজী বিভাগত Spoken English আৰু সংস্কৃত বিভাগত Yoga কোৰ্ছ। আনহাতে কলেজৰ কম্পিউটাৰ কেন্দ্ৰটো B.C.A পৰ্যায়লৈ উন্নীত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। Translation proficiency, enterpreneurship আৰু Cinematography বিষয়ত Certificate course ৰ বাবে প্ৰস্তুতি চলোৱা হয়। গুৰুত্বপূৰ্ণ এই হীৰকজয়ন্তী বৰ্ষতে বিজ্ঞানৰ স্নাতক শ্ৰেণীতো ভূগোল বিষয়টি অন্তৰ্ভুক্ত কৰা হয় আৰু ইয়াৰ লগে লগে বিভাগটোৰ দীৰ্ঘদিনীয়া এটি প্ৰচেষ্টাই সফলতা লাভ কৰিলে। কানৈ কলেজৰ স্বৰ্ণমণ্ডিত বিদ্যায়তনিক ইতিহাসৰ আন এটা উল্লেখনীয় কথা হ'ল ১৯৬০ চনতে অৰ্থনীতি, বুৰঞ্জী আৰু সংস্কৃতত স্নাতকোত্তৰ শ্ৰেণী খোলাটো। ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পিছত অৱশ্যে এই শ্ৰেণীসমূহ বন্ধ হৈ যায়।

ঐতিহ্যমণ্ডিত কলেজখনিত শিক্ষাদান কৰোঁতা গুণী, জ্ঞানী, বিশাল পাণ্ডিত্যৰ অধিকাৰী তাহানিৰ শিক্ষাগুৰুসকলৰ প্ৰচেষ্টা তথা বিদ্যানুৰাগী ছাত্ৰ-ছাত্ৰীসকলৰ পৰিশ্ৰমে প্ৰতিষ্ঠাৰ পিছৰেপৰা কলেজখনলৈ পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত গৌৰৱ কঢ়িয়াই আনিছিল আৰু ক'বলৈ গ'লে কলেজখনে প্ৰতিষ্ঠাকালৰ সেই গৌৰৱ অক্ষুণ্ন ৰাখিবলৈ আজি পৰ্যন্ত প্ৰচেষ্টা অব্যাহত ৰাখিছে। পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত কলেজখনৰ গৌৰৱময় দিশৰ সম্পূৰ্ণ তথ্য দিয়াটো সীমিত পৰিসৰৰ প্ৰবন্ধটিত সম্ভৱ নহ'লেও এই ক্ষেত্ৰত দুশাৰীমান কথাৰে দুটিমান তথ্য উল্লেখ কৰিব বিছাৰিছোঁ। ১৯৫০ চনৰ আই.কম. পৰীক্ষাৰ ফলাফলত বিশ্ববিদ্যালয়ৰ প্ৰথম দহোটা স্থানৰ ভিতৰত কানৈ কলেজৰ পৰীক্ষাৰ্থীয়ে চাৰিটা স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী বছৰবোৰতো প্ৰথমে প্ৰাক্‌বিশ্ববিদ্যালয় আৰু পিছলৈ উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত কানৈ

কলেজৰ প্ৰাৰ্থীয়ে ধাৰাবাহিকভাৱে নহ'লেও সময়ে সময়ে স্থান লাভ কৰি আহিছে। স্নাতক পৰ্যায়ত প্ৰথম শ্ৰেণী লাভ কৰা তথা ডিষ্টিংচন লাভৰ ধাৰাবাহিকতা আজি পৰ্যন্ত অক্ষুণ্ণ হৈ থকাটো কলেজখনৰ বাবে গৌৰৱৰ বিষয়। কলেজৰ বিদ্যায়তনিক সাফল্যৰ আন এটা উল্লেখযোগ্য উদাহৰণ হ'ল এই কলেজৰ ছাত্ৰ-ছাত্ৰীৰ কেইবাবৰো বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতকৰ সন্মান লাভ। সংস্কৃত, গণিত, ভূগোল, অৰ্থনীতি আদি বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে কলেজখনলৈ এই সন্মান কঢ়িয়াই আনিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০০৫ চনত ঘোষণা কৰা স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বিজ্ঞান শাখাৰ নৃতত্ত্ব, উদ্ভিদ বিজ্ঞান, ৰসায়ন, গণিত, পদাৰ্থ বিজ্ঞান আৰু প্ৰাণীবিজ্ঞান বিভাগৰপৰা মুঠ ১৫ জনে প্ৰথম শ্ৰেণী লাভ কৰে আৰু ৮৩.৭৫ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। আনহাতে কলা শাখাত সাফল্যৰ শতকৰা হাৰ হ'ল ৭১.৭ আৰু প্ৰথম শ্ৰেণী পোৱা মুঠ তিনিগৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত দুগৰাকী অৰ্থনীতি বিভাগৰ আৰু এগৰাকী ভূগোল বিজ্ঞান বিভাগৰ।

কানৈ কলেজৰ পুৰণিচাম অধ্যাপক-অধ্যপিকাৰ প্ৰায় গৰিষ্ঠসংখ্যকে ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিছে। ২০০৫ চনত উপাধ্যক্ষ তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ভবেন বৰুৱাদেৱ প্ৰমুখ্যে কলেজত শিক্ষাদান কৰি থকা ৭৫ গৰাকী অধ্যাপক-অধ্যাপিকাৰ ভিতৰত ২৫ গৰাকী ডক্টৰেট উপাধি প্ৰাপ্ত। ইয়াৰ ভিতৰত ২০০৫ চনত এই উপাধি লাভ কৰে গণিত বিভাগৰ ধীৰেন্দ্ৰ কুমাৰ বাচনেটে, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্ত পি. এইচ.ডি. চুপাৰভাইজৰ ড° ভাৰতী দত্তৰ তত্ত্বাৱধানত এই বছৰ আৰু এজনে গৱেষণাৰ বাবে বিশ্ববিদ্যালয়ত নাম পঞ্জীয়ন কৰাৰ অনুমতি পালে। আনহাতে পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ড° জ্যোতিপ্ৰকাশ ফুকনে এই বছৰ আগষ্ট মাহত পুনেত অনুষ্ঠিত হোৱা 29th International cosmic Ray conference ত গৱেষণা গ্ৰন্থ পাঠ কৰিছিল। ৰাজ্যিক / ৰাষ্ট্ৰীয় পৰ্যায়ৰ ছেমিনাৰ, কৰ্মশালা আদিত অংশগ্ৰহণ কৰা, সমল ব্যক্তি হিচাপেও কোনো কোনোৱে যোগদান কৰা, Minor Research Project আদি সম্পূৰ্ণ কৰা, বিদেশত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ছেমিনাৰত যোগদান কৰা আদি বিদ্যায়তনিক কামত অধ্যাপক-অধ্যাপিকাসকলে নিজকে ওতঃপ্ৰোতভাৱে জড়িত কৰি ৰাখিছে। নিজ নিজ বিষয়ত বুৎপত্তি লাভৰ বাবে





অধ্যয়নৰত এইসকল অধ্যাপক অধ্যাপিকাই ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যায়তনিক তথা অন্যান্য আনুষঙ্গিক দিশত আগবাঢ়ি যোৱাত সদায়ে সহায় কৰি আহিছে।

কানৈ কলেজৰ অধ্যয়ন চক্ৰৰ পৰম্পৰা ড° যোগীৰাজ বসু অধ্যক্ষ হৈ থকা কালৰে পৰা চলি আহিছে। অসমীয়া বিভাগৰ বেজবৰুৱা চ'ৰা, The Political Science Syudy Circle, The Assam Academy of Mathematics আদি অধ্যয়ন চক্ৰৰ উপৰিও বিভাগসমূহে সঘনে ছেমিনাৰ, বক্তৃতানুষ্ঠান আদি অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ সহায় কৰিছে। Career councelling centre ৰ জড়িয়তে ছাত্ৰ-ছাত্ৰীক কেৰিয়াৰ সম্পৰ্কীয় তথ্য, বা-বাতৰি আদি জনোৱাৰ ব্যৱস্থা কৰা হয়। বিভিন্ন দিশত কলেজৰ গতিশীলতাত বৰঙণি আগবঢ়োৱাৰ ক্ষেত্ৰত কলেজখনৰ কৰ্মচাৰীসকলৰ অৱদান নিশ্চয় স্বীকাৰ কৰিব লাগিব।

কলেজৰ অন্যতম গুৰুত্বপূৰ্ণ অংগ হ'ল পুথিভঁৰালটো। প্ৰায় ৩৫,০০০ৰো অধিক সংখ্যক গ্ৰন্থ, বিভিন্ন বিষয়ৰ উচ্চমানৰ Journal, আলোচনা, দৈনিক / সাপ্তাহিক বাতৰিকাকত আদিৰে সমৃদ্ধ পুথিভঁৰালৰ নতুন ভৱনটি নিৰ্মাণকাৰ্য ড°শিৱকান্ত দত্তৰ অধ্যক্ষতাৰ কালত সম্পূৰ্ণ হয়। কেন্দ্ৰীয় পুথিভঁৰালৰ উপৰিও বিভিন্ন বিভাগীয় পুথিভঁৰালসমূহত বুজন সংখ্যক গ্ৰন্থৰ সংগ্ৰহ আছে। অধ্যাপক-অধ্যাপিকাসকলে নিজ প্ৰচেষ্টাৰেও বিভাগীয় পুথিভঁৰাল টনকিয়াল কৰিছে। কানৈ কলেজৰ প্ৰাক্তন অধ্যক্ষ, ভূগোল বিজ্ঞান বিভাগৰ প্ৰাক্তন প্ৰতিষ্ঠাপক মূৰব্বী শ্ৰীযুত কল্যাণ কুমাৰ বৰুৱাদেৱে তেখেতৰ ব্যক্তিগত গ্ৰন্থ সম্পদৰপৰা এক বুজন সংখ্যক গ্ৰন্থ তথা মূল্যবান জাৰ্নেল বিভাগীয় পুথিভঁৰাললৈ আগবঢ়োৱাৰ কথাষাৰ প্ৰসংগক্ৰমে উল্লেখ কৰিলোঁ। কেন্দ্ৰীয় পুথিভঁৰালটি আধুনিকীকৰণ কৰাৰ ক্ষেত্ৰত বৰ্তমান কৰ্তৃপক্ষই কিছু কাৰ্য ব্যৱস্থা হাতত লোৱা পৰিলক্ষিত হৈছে। কানৈ কলেজ শিক্ষক গোটৰ প্ৰচেষ্টাত গ্ৰন্থাগাৰত অধ্যাপক-অধ্যাপিকাসকলৰ স্বৰচিত ৰচনাৱলী সংৰক্ষণৰ ব্যৱস্থা এই বৰ্ষৰপৰা কৰা হৈছে।

**ক্ৰীড়া, সাহিত্য-সংস্কৃতি দিশৰ আভাস ঃ** প্ৰতিষ্ঠাৰ দিনৰেপৰা কানৈ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য-সংস্কৃতিৰ দিশত বিশিষ্ট অৱদান আগবঢ়োৱা অনেক স্বনামধন্য ব্যক্তিৰ সান্নিধ্য লাভ কৰি সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত অগ্ৰসৰ হোৱাৰ অনুপ্ৰেৰণা লাভ কৰিছে আৰু কলেজৰ তৰফৰপৰাও তেওঁলোকৰ

প্ৰতিভা বিকাশৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। জ্যোতিপ্ৰসাদ আগৰৱালা, নলিনীবালা দেৱী, ড° মহেন্দ্ৰ বৰা, যতীন্দ্ৰনাথ দুৱৰা, বেণুধৰ ৰাজখোৱা, তফজ্জুল আলি প্ৰভৃতি ব্যক্তিসকলৰ সান্নিধ্য তাহানিতে ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰিছিল। তদুপৰি ১৯৪৭ চনতে ইৰা দত্তৰ সম্পাদনাত প্ৰথম প্ৰকাশ পোৱা কলেজৰ আলোচনীখনেও ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভা বিকাশৰ এক মঞ্চ ৰূপে অৰিহণা আগবঢ়াইছিল। পূৰ্বৰ ডিব্ৰুগড় কলেজ আলোচনীৰ ঠাইত বৰ্তমান আলোচনীখন 'কানৈয়ান' নামেৰে জনা যায়। পুৰণি 'কানৈয়ানৰ' পাতৰপৰা গল্প বাছনি কৰি উলিয়াই এইবছৰ এখনি গল্প সংকলন অসমীয়া বিভাগৰ অধ্যাপক মৃদুল শৰ্মাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱাৰ কামটোৱে অন্তিম পৰ্যায় পাইছে। (ইতিমধ্যে পুথিখন প্ৰকাশ হৈ ওলাল।)

কলেজৰ বিভিন্ন বিভাগসমূহে নিজাববীয়াকৈ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাৰ ব্যৱস্থাইও কিছু বছৰৰপৰা গতিশীলতা লাভ কৰাটো পৰিলক্ষিত হৈছে। অসমীয়া বিভাগৰ 'দোকমোকালি', ভূগোল বিজ্ঞান বিভাগৰ 'oasis', গণিত-পৰিসংখ্যা বিভাগৰ 'সংখ্যা, ইংৰাজী, অৰ্থনীতি, পদাৰ্থ বিদ্যা, উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান আদি বিভাগসমূহৰ প্ৰাচীৰ পত্ৰিকাই ছাত্ৰ-ছাত্ৰীৰ লেখা-মেলাৰ লগতে শিল্পীসুলভ প্ৰতিভা বিকাশৰ বৰঙণি যোগাইছে।

আন্তঃমহাবিদ্যালয় সাহিত্য-সংস্কৃতি, ক্ৰীড়া প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি কানৈ কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে কলেজলৈ সুনাম কঢ়িয়াই আনিছে। Women cell, Pilgrimage, sofec সিন্ধুৰা সাংস্কৃতিক গোষ্ঠী আদি স্থাপনৰ দ্বাৰা কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দিশত আগবাঢ়ি যোৱাৰ সুবিধা প্ৰদান কৰা হৈছে। জনকল্যাণকামী কামত সততে জড়িত হৈ থকা কলেজৰ শিক্ষক গোটে এই বছৰ ছুনামি আক্ৰান্ত লোকৰ সাহায্যাৰ্থে প্ৰধান মন্ত্ৰীৰ সাহায্য কোষলৈ ১২,০০০ টকাৰ অৰ্থ সাহাৰ্য্য আগবঢ়ায়।

ৰায়চাহাব হনুমানবক্স কানৈয়ে তেখেতৰ প্ৰয়াত পুত্ৰ লালচন্দ কানৈৰ সোঁৱৰণত নিৰ্মাণ কৰাই দিয়া সুদৃশ্য প্ৰেক্ষাগৃহটি ১৯৭৫ চনৰ ৫ জুলাই তাৰিখে উদ্বোধন কৰা হয়। ১৯৯৫-৯৬ বৰ্ষৰ কানৈ কলেজৰ সোণালী-জয়ন্তী উদ্‌যাপন সমিতিয়ে প্ৰেক্ষাগৃহটি আধুনিকীকৰণ কৰি ইয়াৰ শব্দ প্ৰক্ষেপণৰ ক্ষেত্ৰত থকা আসোঁৱাস দূৰ কৰে। তদানীন্তন অধ্যক্ষ শ্ৰীযুত ডিম্বেশ্বৰ চলিহা আৰু উদ্‌যাপন





সমিতিৰ সম্পাদক শ্ৰীমুনীন্দ্ৰ শৰ্মা প্ৰমুখ্যে বিষয়ববীয়াসকলে প্ৰেক্ষাগৃহটিৰ উপৰিও নতুন ভৱন নিৰ্মাণ তথা আন্তঃগাঁথনিৰ উন্নয়ণকল্পে প্ৰশংসনীয় কাৰ্য সম্পাদন কৰিলে।

**২০০৫-০৬ বৰ্ষৰ কাৰ্যৰ সাফল্য সংক্ষেপে ঃ** ২০০৫-০৬ বৰ্ষৰ বিদ্যায়তনিক দিশত আগবঢ়া কেইটিমান কাৰ্যৰ/ সাফল্য ইতিপূৰ্বে উল্লেখ কৰা হৈছে। উল্লেখনীয় আন কেইটামান কাৰ্যৰ সফল্য হ'ল (১) অসম কলেজ শিক্ষক সংস্থা, কানৈ কলেজ গোটৰ দ্বাৰা আয়োজিত দ্বাদশ ড° যোগীৰাজ বসু স্মাৰক বক্তৃতাটি ২৯ আগষ্ট ২০০৫ ত প্ৰতিথযশা সাহিত্যিক সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আমাৰ অসম কাকতৰ তদানীন্তন সম্পাদক ড° নগেন শইকীয়াদেৱে প্ৰদান কৰে। বিষয় আছিল ঃ সংস্কৃতিৰ ৰূপান্তৰ। (২) SOFEC (Society For Environmental Conservation) ৰ বৰ্ষপূৰ্তি উপলক্ষ্যে কলেজৰ ভূগোল বিজ্ঞান বিভাগৰ সৈতে যুটীয়াভাৱে অনুষ্ঠিত কৰা হয় এক বক্তৃতানুষ্ঠানৰ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূতত্ত্ব বিভাগৰ অৱসৰ প্ৰাপ্ত প্ৰাধ্যাপক সুশীল গোস্বামীদেৱে - 'Disaster Management' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। (৩) ৫ ছেপ্তেম্বৰ শিক্ষক দিৱসৰ দিনা ভূগোল বিভাগত প্ৰখ্যাত ভুগোলবিজ্ঞানী, উৎকল বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ডি.কে.সিঙে 'Ground Reality and Geography' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। (৪) political Science Study Circle এ "Conflicts in North-East India : Searching its causes and solution" শীৰ্ষক এখন জিলাভিত্তিক ছেমিনাৰ আন্তঃকলেজ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰে। ৩০ ছেপ্টেম্বৰ আৰু ১ অক্টোবৰত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা ছেমিনাৰখনিত জিলাখনিৰ বিভিন্ন কলেজৰপৰা অহা কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা পত্ৰ পাঠ কৰে। ৫) ৰাজনীতি বিজ্ঞান বিভাগৰপৰা PSSC News letter ৰ এই বছৰ সংখ্যাটি প্ৰকাশ হৈ ওলায়। ৬) সদৌ অসম ভিত্তিত আয়োজিত হোৱা নাট প্ৰতিযোগিতাত অধ্যাপক মৃদুল শৰ্মা পৰিচালিত 'ঘৰ' নাটখনে তৃতীয় শ্ৰেষ্ঠ নাটৰ সন্মান লাভ কৰে আৰু ছাত্ৰ ডিম্বেশ্বৰ চেতিয়াই শ্ৰেষ্ঠ অভিনেতাৰ সন্মান পায়। ৭) ২৮ অক্টোবৰত কলেজৰ অসমীয়া বিভাগৰ বেজবৰুৱা চ'ৰা আৰু সাহিত্য অকাদেমিৰ উদ্যোগত অনুষ্ঠিত হোৱা 'কথা সন্ধি' শীৰ্ষক সাহিত্য

অনুষ্ঠানটিত বিশিষ্ট গল্পকাৰ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লক্ষীনন্দন বৰাদেৱে স্বৰচিত গল্প পাঠ কৰিছিল আৰু তেখেতৰ ৰচনাসমূহৰ সম্পৰ্কত দৰ্শকৰ সৈতে মত বিনিময় কৰিছিল। সাহিত্য অকাদেমিৰ তৰফৰপৰা অকাদেমিৰ উত্তৰ-পূব ভাৰতৰ সমন্বয়ৰক্ষী বিশিষ্টা লেখক, ড° কৰবী ডেকা হাজৰিকা উপস্থিত আছিল। (৮) ২০০৫-০৬ হীৰক জয়ন্তী বৰ্ষত কানৈ কলেজত অনুষ্ঠিতব্য ৰাষ্ট্ৰীয় পৰ্যায়ৰ ছেমিনাৰ দুখনৰ বাবে ইতিমধ্যে বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা অনুদান লাভ কৰে। ২০০৬ চনৰ জানুৱাৰী মাহত অনুষ্ঠিত হ'বলগীয়া ছেমিনাৰখনৰ মূল বিষয় হ'ল ঃ Need of value education in the perspective of present social turmoil। এই ছেমিনাৰখনিৰ আহ্বায়ক হ'ল ড° জয়কৃষ্ণ মহন্ত। ২০০৬ চনৰে ফেব্ৰুৱাৰী মাহত অনুষ্ঠিতব্য ছেমিনাৰখনিৰ আহ্বায়ক অধ্যাপিকা চুলতানা হাজৰিকা। প্ৰাণী বিজ্ঞান বিভাগৰ সৌজন্যত অনুষ্ঠিত এই ছেমিনাৰৰ মূল বিষয় হ'ল ঃ Ornamental Fish in North-Eastern Region of India : Its Culture and Maintenance, (৯) কলেজৰ ছাত্ৰ একতাসভাৰ উপসভাপতি শ্ৰীনিৰ্মল গগৈয়ে জনায় যে ২০০৫-০৬ বৰ্ষতে স্কুলীয়া পৰ্যায়ত ছবি আঁকা প্ৰতিযোগিতা আৰু সদৌ অসম ভিত্তিত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰা হৈছে। (১০) ধৰিত্ৰী, The Earth শীৰ্ষক দ্বিভাষিক ভূগোল বিষয়ক আলোচনী এখনি প্ৰকাশৰ পথত। (১১) কলেজৰ খেলপথাৰ আৰু প্ৰেক্ষাগৃহৰ উন্নীতকৰণৰ বাবে আঁচনি প্ৰস্তুত কৰা হৈছে।

**পৰিশেষত ঃ** ষাঠি বছৰীয়া সুদীৰ্ঘ পথ-পৰিক্ৰমাত কানৈ কলেজে বিভিন্ন দিশত অগ্ৰগতি লাভ কৰিবলৈ, সাফল্যৰ শিখৰত আৰোহণ কৰিবলৈ নানা সংগ্ৰাম কৰিবলগীয়া হৈছে। কেতিয়াবা সফলতাই লগ দিছে আৰু কোনো সময়ত হয়তো বিফলতাক আকোঁৱালি ল'বলগীয়া হৈছে। তথাপিও কলেজখনে সময়ৰ সতে আগবাঢ়ি যোৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। শিক্ষাৰ সম্প্ৰসাৰণৰ অৰ্থে এই কলেজৰ পৰাই উদ্যোগ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত গঢ় উঠিছিল - মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, কানৈ বাণিজ্য মহাবিদ্যালয়, কানৈ আইন মহাবিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়। ২০০৩ চনৰ ২৯-৩০ ছেপ্টেম্বৰত NAAC ৰ পৰিদৰ্শনকাৰী দলে কলেজখন পৰিদৰ্শন কৰাৰ পিছত





কানৈ কলেজে B++ grade পোৱাটো কলেজখনৰ লগতে ডিব্ৰুগড়বাসী তথা অসমৰ বাবেই গৌৰৱৰ কথা। ঐতিহ্যমণ্ডিত কানৈ কলেজে ঐতিহ্য অক্ষুণ্ণ ৰাখি বৃহৎ অৰ্থত সমাজৰ সেৱাত আত্মোৎসৰ্গ কৰক। কলেজখনিৰ হীৰকজয়ন্তী বৰ্ষত তাকেই কামনা কৰিলোঁ।

**সংযোজন ঃ** ২০০৫ চনৰ হীৰক জয়ন্তী বৰ্ষ অতিক্ৰম হোৱা পাঁচবছৰ প্ৰায় সম্পূৰ্ণ হোৱাৰ প্ৰাকক্ষণত হীৰকজয়ন্তী সামৰণী অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। এই পাঁচোটা বছৰত কলেজখনিত বিদ্যায়তনিক আৰু অন্যান্য দিশত বহুখিনি কাম সম্পন্ন হ'ল। ২০০৫ চনতে লিখা প্ৰবন্ধটিত সেয়েহে কিছু কথা সংযোজন কৰিবলৈ বিচাৰিলোঁ।

প্ৰবন্ধৰ কলেবৰ অধিক বৃদ্ধি নকৰি থূলমূল আভাস এটিহে দিয়াৰ প্ৰয়াস কৰা হ'ল।

২০০৬ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত প্ৰবন্ধটিত অনুষ্ঠিতব্য বুলি উল্লেখ কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুয়োখন ছেমিনাৰ সফলতাৰে সম্পন্ন হ'ল। আনহাতে ধৰিত্ৰী (The Earth) শিৰোনামৰ ভূগোল বিজ্ঞান বিভাগৰপৰা প্ৰকাশৰ পথত থকা বুলি উল্লেখ কৰা আলোচনীখন প্ৰকাশ হৈ ওলোৱাৰ উপৰি ড° ভাৰতী দত্তৰ সম্পাদনাত বৰ্তমানলৈকে চাৰিটা সংখ্যা প্ৰকাশ হ'ল। ২০০৬ চনৰ ছেপ্তেম্বৰ মাহত অসমীয়া বিভাগৰ বেজবৰুৱা চ'ৰাৰ সৌজন্যত মৃদুল শৰ্মাৰ সম্পাদনাত 'চিন্তা-বৈভৱ' নামৰ এখনি প্ৰবন্ধ সংকলন প্ৰকাশিত হয়। হীৰকজয়ন্তী শৈক্ষিক উপসমিতি (আহ্বায়িকা ড° ভাৰতী দত্ত)ৰ সৌজন্যত দুটি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছিল। ইয়াৰে প্ৰথম বক্তৃতাটি প্ৰদান কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ তেতিয়াৰ উপাচাৰ্য বিশিষ্ট লেখক ড° অমৰজ্যোতি চৌধুৰীদেৱে। 'Nanotechnology' বিষয়ত সাৰগৰ্ভ বক্তৃতাটি তেখেতে প্ৰদান কৰিছিল ২০০৭ চনৰ ২২ ছেপ্তেম্বৰত। দ্বিতীয় বক্তৃতানুষ্ঠানটি অনুষ্ঠিত হৈছিল ২০০৭ চনৰে ১৯ ডিচেম্বৰত আৰু এই বক্তৃতাটি প্ৰদান কৰিছিল গুৱাহাটীৰ কাহিলীপাৰাস্থিত ফৰেনছিক চাইন্স লেব'ৰেটৰীৰ প্ৰাক্তন সঞ্চালক, NERIM ৰ অধীনৰ আইন মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ড° অনিল কুমাৰ সিংহদেৱে। তেখেতৰ বক্তৃতাৰ বিষয় আছিল — Forensic Science in Criminal Justice Delivery System'। এই বক্তৃতানুষ্ঠানটিৰ উদ্বোধক আছিল বিশিষ্ট

পদাৰ্থ বিজ্ঞানী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক এমিৰিটাছ প্ৰফেচাৰ ড° গৌৰাংগধৰ বৰুৱাদেৱে। হীৰকজয়ন্তী উপলক্ষ্যে ভলীবল প্ৰতিযোগিতা (আন্তঃ কলেজ) আৰু নাটকৰ কৰ্মশালাও অনুষ্ঠিত কৰা হৈছিল। উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক শ্ৰীবিনোদ চন্দ্ৰ বৰাই আগভাগ লৈ অনুষ্ঠিত কৰা ভলীবল প্ৰতিযোগিতাখনি সফলতাৰে সম্পন্ন হয়। এমহীয়া নাটকৰ কৰ্মশালাখনিত তেখেত জড়িত হৈ আছিল যদিও কৰ্মস্থলৰ পৰিৱৰ্তনৰ বাবে সেই কৰ্মৰ দায়িত্ব কান্ধ পাতি লৈছিল শ্ৰীমৃদুল শৰ্মাই আৰু এই কৰ্মশালাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ লৈ উপকৃত হৈছিল।

২০০৮ চনৰ তিনি আৰু চাৰি জানুৱাৰী তাৰিখে ভূগোল বিজ্ঞান বিভাগৰ সৌজন্যত এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হৈ যায়। বিভাগীয় মূৰব্বী শ্ৰীনৰেন্দ্ৰ মাহেলা সমন্বয়ৰক্ষী হিচাপে থকা উক্ত আলোচনা চক্ৰৰ মূল বিষয় আছিল ঃ Flood Hazards in Geo-Environmental and Economic Perspective. মহাবিদ্যালয়ৰ মহিলা কোষৰ সৌজন্যত পাঁচদিনীয়া দুখন কৰ্মশালা ইতিমধ্যে অনুষ্ঠিত হৈ গৈছে। কানৈ কলেজৰ মহিলা কোষৰ হৈ সমন্বয়ৰক্ষী ড° মধুমিতা পুৰকায়স্থই প্ৰকাশ কৰা আৰু ড° ভাৰতী দত্তই সংকলন কৰা Her Stories নাৰী কণ্ঠ শিৰোনামৰ কিতাপখনি ২০০৯ চনৰ ১৫ ডিচেম্বৰত 'Capacity Building of Women Managers in Higher Education' সম্পৰ্কীয় কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত উন্মোচন কৰা হয়। 'কানৈয়ান' আলোচনীৰ ......... পঞ্চাছৰপৰা যাঠিৰ দশকৰ সময়ছোৱাত প্ৰকাশিত লেখিকাৰ ৰচনা ইয়াত সন্নিবিষ্ট কৰা হৈছে। এটা খণ্ড হিচপে এই কিতাপখনি প্ৰকাশ কৰা হৈছে। ইয়াৰ পৰৱৰ্তী সংকলন প্ৰকাশৰো পৰিকল্পনা কৰা হৈছে।

২০০৯ চনৰ ১২ জুন তাৰিখে আন এটি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছিল। 'বিজ্ঞানে মোক কি দিলে' এই শীৰ্ষক বক্তৃতা প্ৰদান কৰিছিল যোৰহাটস্থিত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালকৰ প্ৰাক্তন উপদেষ্টা, জনপ্ৰিয় বিজ্ঞান লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীদেৱে।

কলেজখনিত এইকেইবছৰত আন্তঃগাঁঠনিৰ উল্লেখনীয় উন্নয়ন সাধন হয়। ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° জয়কৃষ্ণ মহন্তদেৱৰ এইক্ষেত্ৰত প্ৰচেষ্টা শলাগল'বলগীয়া।





কেইবাটাও বিভাগৰ পুনৰ্নিৰ্মাণ, আধুনিক সা-সঁজুলি প্ৰদান, তথ্য-প্ৰযুক্তিৰ দিশত উন্নয়ন সাধন, শ্ৰীমন্ত শংকৰদেৱ নামকৰণেৰে আধুনিক সা-সুবিধাৰে প্ৰেক্ষাগৃহ নিৰ্মাণ, গালৰ্ছ হোষ্টেলৰ আধুনিকীকৰণ/পুনৰ্নিৰ্মাণ, শিক্ষকৰ কমন ৰূমৰ আন্তঃগাঁঠনিৰ উন্নয়ন আদি উল্লেখযোগ্য কৰ্ম সম্পাদিত হয় এই কেইবছৰতে। তদুপৰি নতুন বিষয় আৰু পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিও উল্লেখনীয় পদক্ষেপ। পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰতো বিশেষকৈ স্নাতক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰ ফলাফল দেখুৱাবলৈ সক্ষম হৈছে।

প্ৰবন্ধৰ কলেবৰ অধিক বৃদ্ধি কৰাৰপৰা বিৰত থাকি ২০০৫ চনৰ পাছৰ এক থুলমূল আভাসহে ডাঙি ধৰিলোঁ। ❑❑

২০০৫ চনতে লিখা এই প্ৰবন্ধটিত কিছু সংযোজন কৰি পুনৰ প্ৰকাশ কৰা হ'ল।

*— সম্পাদিকা*

# মোৰ দৃষ্টি আৰু অনুভৱেৰে কানৈ কলেজ

ড° আতিকুদ্দিন আহমেদ

আমি তেতিয়া স্কুলীয়া ছাত্ৰ। কানৈ কলেজৰ ৰূপালী জয়ন্তী সমাৰোহৰ অন্তৰ্গত অনুষ্ঠিত হোৱা বিজ্ঞান তথা ক'লা প্ৰদৰ্শনী চাবলৈ আহিছিলোঁ। সেয়া ১৯৭১ চনৰ কথা। প্ৰদৰ্শনীখন বৃহৎ আকাৰত আয়োজন কৰা হৈছিল। প্ৰাণীবিজ্ঞান, উদ্ভিদ বিজ্ঞান, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, ভূগোল, নৃতত্ব আদি বিভাগৰ বিভিন্ন আৰ্হি আৰু পৰীক্ষা-নিৰীক্ষা আদিবোৰ চোৱাৰ কথা আজিও মোৰ ভালদৰে মনত আছে। সেইবোৰ অনুসন্ধানমূলক আৰু চিন্তা উদ্ৰেককাৰী আছিল। সেইদৰে বিভিন্ন চিত্ৰ কলা, বস্ত্ৰ, প্ৰাচীন মুদ্ৰা আৰু নানান সাজ-সজুলি, সাঁচি পাতৰ পুথি আদিয়ে আমাৰ মন খুব আকৰ্ষিত কৰিছিল।

পিচত ১৯৭৩ চনত এইখন কলেজৰ প্ৰাক স্নাতক পঢ়িবলৈ আহোঁ। মাজতে মাত্ৰ ১৯৭৭ চনটো বাদ দি তেতিয়াৰে পৰা মই কানৈ কলেজৰ ছাত্ৰ আৰু পিছত শিক্ষক ৰূপে কাৰ্য নিৰ্বাহ কৰি আছোঁ। পঢ়ি থকা কালত ইংৰাজী বিষয়ত প্ৰভুনাথ সিং চাৰ, অৰ্থবিজ্ঞানত মেহদী হাচান চাৰ, অসমীয়াৰ পৰীক্ষিত হাজৰীকা চাৰ, ভীম কোঁৱৰ চাৰ, প্ৰফুল্ল ভট্টাচাৰ্য চাৰ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ কামিনী বৰুৱা চাৰৰ ক্লাছবোৰ খুব ভাল পাইছিলোঁ। তেতিয়া সঁচা অৰ্থত এটা শিক্ষাৰ পৰিৱেশ আৰু নিয়ম-শৃংখলা কলেজখনত আছিল। লগে লগে খেলা-ধূলা, সংগীত-নাটক, এন. চি. চি. আদি সকলো বিষয়তে কলেজখনে সুনাম কঢ়িয়াবলৈ সক্ষম হৈছিল। তেতিয়া কলেজৰ শ্ৰেণীসমূহ স্বাভাৱিকভাৱেই আবেলি ৪ বজালৈকে বহিছিল।

আমি স্নাতক শ্ৰেণীত পঢ়ি থাকোতে কলেজত নতুনকৈ প্ৰতিষ্ঠা কৰা লালচান্দ কানৈ সোঁৱৰণী প্ৰেক্ষাগৃহটো মুকলি কৰা হয়। সেই দিনটোৰ স্মৃতি





পাহৰিব নোৱাৰি। ফৰকাল বতৰত তেতিয়াৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী স্বৰ্গীয় শৰৎ চন্দ্ৰ সিংহদেৱে কলেজৰ প্ৰধান গেটেৰে প্ৰৱেশ কৰাৰ দৃশ্য সঁচাকৈ অতুলনীয় আছিল। জাতীয় শিক্ষাৰ্থী বাহিনীৰ অভিবাদন আৰু ছাত্ৰ-ছাত্ৰীসকলৰ আদৰণিয়ে মুখ্য অতিথি জনকো অভিভূত কৰি তুলিছিল। সেই দিনটো আছিল ১৯৭৫ চনৰ ৫ জুলাই। প্ৰেক্ষাগৃহটো মুকলি কৰিছিল তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী নুৰুল হাচান দেৱে। মুকলি সভাখনিত সভাপতিত্ব কৰিছিল কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শৰৎ কুমাৰ দত্তই। সন্ধিয়ালৈ এক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল নতুন প্ৰেক্ষাগৃহটিতে। সেই সন্ধিয়াৰ মূল আকৰ্ষণ আছিল ড° ভূপেন হাজৰিকা। সন্ধিয়াৰ অনুষ্ঠান চাবলৈ যেন সমগ্ৰ ডিব্ৰুগড় নগৰখনেই কানৈ কলেজত সমৱেত হৈছিল।

আমি পঢ়ি থকা কালতে ১৯৭৫ চনত কলেজত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ইউনিৰ্ফমৰ প্ৰৱৰ্তন কৰা হয়। তেতিয়া ইউনিৰ্ফম নিপিন্ধিলে শ্ৰেণীলৈ কোনেও আহিব নোৱাৰিছিল। কলেজ বিল্ডিংটোৰ সমুখত তেতিয়া মটৰ গাড়ী মাত্ৰ দুই/তিনিখনহে থাকে। স্কুটাৰ/মটৰ বাইকৰ সংখ্যাও নগণ্য আছিল। এতিয়া কিন্তু গাড়ী-মটৰ থ'বলৈ ঠাইৰ অভাৱ দেখা যায়। ১৯৮০ চন মানলৈকে কলেজৰ সন্মুখৰ পতাকা উত্তোলন কৰা প'ষ্টটোৰ ওচৰতে বৰটোপ এটা স্থাপন কৰা আছিল। পিছলৈ বৰটোপটো দুবাৰমান চুৰি হৈছিল। কিন্তু উদ্ধাৰ কৰা হয়। কিন্তু পুনৰবাৰ চুৰি হোৱাৰ ভয়ত বৰটোপটো সদৰ থানাত জমা দিয়া হয়। কিন্তু আমি ভাবো যে বৰটোপটো কলেজলৈ ঘূৰাই আনি এক সুৰক্ষিত ঠাইত স্থাপন কৰাৰ কথা ভাবি চাব লাগে।

কানৈ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসু চাৰক কলেজতে এবাৰ লগ পোৱাৰ সৌভাগ্য হৈছিল। কলেজৰ বাৰ্ষিক সাংস্কৃতিক সপ্তাহৰ সামৰণী অনুষ্ঠানত তেখেতে বিশিষ্ট অতিথি হিচাপে যোগদান কৰিছিল। ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি কোৱা তেখেতৰ তত্ত্বগধুৰ কথাবোৰ আজিও মোৰ মনত আছে। তেখেতৰ পাণ্ডিত্য তথা ব্যক্তিগত সৰলতাখিনিয়ে আমাক অভিভূত কৰিছিল। লক্ষী দত্ত চাৰক অৱশ্যে লগ নেপালোঁ যদিও তেখেতৰ বিয়োগত আমি শিক্ষকবৃন্দই সমবেদনা জনাবলৈ তেখেতৰ মোহনাঘাটৰ

ঘৰলৈ গৈছিলোঁ। উল্লেখযোগ্য যে ড° যোগীৰাজ বসু আৰু লক্ষ্য দত্ত চাৰ ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ বাটকটীয়া আছিল।

১৯৭৮ চনৰ এক নৱেম্বৰ তাৰিখে মই অৰ্থনীতি বিভাগৰ শিক্ষক ৰূপে কলেজত যোগদান কৰিলোঁ। মোৰ সৈতে একেদিনাই উদ্ভিদ বিজ্ঞান বিভাগত সূৱৰ্ণ ভূঞা আৰু নৃতত্ত্ব বিভাগত, তুলতুল বৰুৱা বাইদেৱে যোগ দিছিল। আমাতকৈ কেইদিনমানৰ আগেয়ে প্ৰাণীবিজ্ঞান বিভাগত টুৰেণ দত্ত আৰু ৰাজনীতি বিজ্ঞান বিভাগত শান্তনু সেনগুপ্ত সোমাইছিল। কলেজত তেতিয়া প্ৰায়খিনি অধ্যাপকেই জ্যেষ্ঠ, বয়সীয়াল লোক। মুনীন শৰ্মা, মনোৰঞ্জন শৰ্মা, বিজয় ভাৰ্মা, ভৱেন বৰুৱা, জয়কৃষ্ণ মহন্ত, শিৱ দত্ত আদি চাৰসকল তেতিয়া নতুন। তেতিয়া শিক্ষকৰ জিৰণী কোঠাটো আছিল ওপৰ মহলাৰ ১৯ নং ৰূমটোত। কলেজৰ অধ্যক্ষা আছিল শ্ৰীযুক্তা লক্ষীদা দত্ত বাইদেউ। জ্যেষ্ঠ শিক্ষাগুৰুসকলে আমাৰ নৱাগত কেইজনক সকলো কামতে সদায়েই উৎসাহিত কৰিছিল। বিশেষকৈ কল্যাণ বৰুৱা চাৰ আৰু হাচান চাৰকে ধৰি অৰুণ দত্ত (জ্যেষ্ঠ), অৰুণ দত্ত (কনিষ্ঠ), ধীৰেন বৰুৱা, মাহতাব আহমেদ, প্ৰফুল্ল ভট্টাচাৰ্য, প্ৰদ্যুৎ দত্ত, পদ্ম চেতিয়া, ডিম্বেশ্বৰ চলিহা, যাদৱ বৰুৱা, পি. এন সিং, সুনীল বৰঠাকুৰ, ভীম কোঁৱৰ, হৰেন্য গগৈ, মনোৰঞ্জন শৰ্মা, পি, বি, কে শাস্ত্ৰী, পঙ্কজ কোঁৱৰ, নফিল হুচেইন, বিমান চলিহা, কামিনী বৰুৱা, শৰৎ বৰবৰা, ৰঞ্জিত ৰয়, বিজয় ভাৰ্মা, ভৱেন বৰুৱা, শিৱ দত্ত আদি চাৰসকলৰ সৈতে জিৰণী কোঠাত কটোৱা সময়বোৰৰ কথা প্ৰায়ে মনত পৰে।

কলেজত যোগদান কৰিয়েই প্ৰাণীবিজ্ঞান বিভাগৰ ২২ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দল এটা লৈ পূজাৰ বন্ধত শিক্ষামূলক ভ্ৰমণৰ বাবে গৈছিলোঁ। সময় আছিল ১৯৭৯ চনৰ অক্টোবৰ মাহ। উল্লেখযোগ্য যে এইটো বছৰতে অসম আন্দোলনৰ সূচনা হৈছিল। বিদেশী নাগৰিক বহিষ্কৰণৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই আৰম্ভ কৰা আন্দোলনত বহু লোকে প্ৰাণ দিবলগীয়া হয়। সুদীৰ্ঘ ছবছৰ ধৰি বন্ধ, হৰতাল, ধৰ্ণা আগি কাৰ্যসূচীয়ে জনজীৱন ব্যতিব্যস্ত কৰি তোলে। স্কুল কলেজৰ শ্ৰেণীবোৰ ব্যাহত হয়। অসমৰ অৰ্থনীতিলৈকো এক স্থবিৰতা আহে। এই আন্দোলনৰ সমৰ্থনত আমাৰ কলেজৰ শিক্ষক গোটেও





১৯৮০ চনৰ জানুৱাৰী মাহত এদিন ন্যায়িক কৰ্টৰ দাঁতিত থকা ফুলবাগানত অৱস্থান ধৰ্মঘট কৰি দিনটোৰ বাবে কাৰাবৰণ কৰিছিল। যি কি নহওক ১৯৮৫ চনত অসম চুক্তি সম্পাদনৰ মাজেৰে আন্দোলনটোৰ পৰিসমাপ্তি হয়।

কলেজত যোগদান কৰিয়েই শিক্ষা জগতখনৰ লগত মিলি পৰিছিলোঁ। বিভাগীয় মুৰব্বী তথা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু স্বৰ্গীয় হাচান চাৰে সন্মান বিষয়ৰ প্ৰায় প্ৰতিখন কাকতৰে একোটা অংশ মোক পঢ়াবলৈ দিছিল। স্নাতক দ্বিতীয় বাৰ্ষিকত অতি মেধাৱী এচাম ছাত্ৰ-ছাত্ৰী লগ পাইছিলোঁ বাবে মোৰ খুব ভাল লাগিছিল। মই নিশাৰ শ্ৰেণীতো পাঠদান কৰিছিলোঁ।

১৯৮৫ চন মানলৈকে কলেজখনৰ পৰিৱেশটো অতি মধুময় আৰু পাঠদান আৰু গ্ৰহণৰ অনুকূল আছিল। ছাত্ৰ একতা সভাৰ কাৰ্যসূচীবোৰ বছৰ জুৰি চলিছিল। সমূহ শিক্ষকেই তাত যোগদান কৰাটো এটা সাধাৰণ নিয়ম আছিল। সেই সময়ৰ শিক্ষকতাৰ মাধুৰ্যই অনন্য আছিল।

১৯৮৫ চনতে অসম কলেজ শিক্ষক সন্থাৰ কানৈ কলেজ গোটে দুদিনীয়াকৈ অনুষ্ঠিত কৰা প্ৰথম ড° যোগীৰাজ বসু সোঁৱৰণী বক্তৃতামালা মোৰ বাবে এক অবিস্মৰণীয় স্মৃতি। এই অনুষ্ঠানৰ প্ৰথম দিনাৰ বক্তা আছিল স্বনামধন্য সাহিত্যিক তথা শিক্ষাবিদ যজ্ঞেশ্বৰ শৰ্মাদেৱ। দ্বিতীয় দিনা বক্তৃতা প্ৰদান কৰিছিল সুগায়ক, সাহিত্যিক আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° বীৰেন্দ্ৰ নাথ দত্তদেৱে। মোৰ মতে, কানৈ কলেজত আজিলৈকে অনুষ্ঠিত হোৱা বক্তৃতাসমূহৰ ভিতৰত এই বক্তৃতানুষ্ঠান দুটি অন্যতম আছিল। সন্ধিয়া ২ নং ৰূমত বীৰেন দত্ত চাৰে গোৱা 'বহু দিন বকুলৰ —...........' আৰু 'চম্পাৱতী তোমাৰ ঘাটত —.... গীত দুটিয়ে আমাক মন্ত্ৰমুগ্ধ কৰি তুলিছিল। ড° যোগীৰাজ বসু সোঁৱৰণী বক্তৃতামালা আজিও অব্যাহত আছে। বিভিন্ন সময়ত বিভিন্ন বিষয়ৰ বিদগ্ধ পণ্ডিত সকলে এই অনুষ্ঠানত ভাগ ল'বলৈ আহি আমাক যথেষ্ট পৰিমাণে উপকৃত কৰিছে। আমাৰ কলেজৰ বিভিন্ন অনুষ্ঠানত ভাগ ল'বলৈ অহা, মই লগ পোৱা অন্যান্য ব্যক্তিসকল হৈছে — ড° যোগীৰাজ বসু, ড° ভুৱন মোহন দাস, ড° মহেন্দ্ৰ বৰা, ড° মুকুন্দ মাধৱ শৰ্মা, ড° লীলা গগৈ, ড° নগেন শইকীয়া, ছৈয়দ আব্দুল মালিক, ড°

লক্ষ্মীনন্দন বৰা, নৱকান্ত বৰুৱা, তফজ্জুল আলী, মেদিনী চৌধুৰী, হোমেন বৰগোহাঞি, ড° হীৰেন গোঁহাই, ড° মহম্মদ তাহেৰ, ড° জয়ন্ত মাধৱ, ভুবন বৰুৱা, বানগোবিন্দ পৰমপন্থী, ড° নিৰ্মল কুমাৰ বসু, ড° প্ৰিয়াংশু প্ৰৱল উপাধ্যায়, ইমৰান শ্বাহ ইত্যাদি।

অতীতত এই কলেজখনত ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰতো সুনাম আছিল। ক্ৰীড়াত অন্যান্য সকলৰ লগতে অতুল পেগু আৰু অৱনীন্দ্ৰ চৌধুৰীয়ে বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছিল। সঙ্গীত আৰু নাটকতো তেনেদৰে বহু শিল্পী এই কলেজৰ পৰা ওলাই গৈছে। ইয়াৰ ভিতৰত বিজু ফুকন, হেমন্ত দত্ত, দেউতি বৰুৱা, ব্ৰজেন বৰা, ঝৰ্ণা শইকীয়া, ছৈয়দ ছাদুল্লা, ভৱেশ গোস্বামী, ৰাজেন গোহাঁই, জ্যোতিষ ভট্টাচাৰ্য, ডলী ঘোষ, মুনীন দত্ত, শান্তনু সেনগুপ্ত আদিৰ নাম ল'ব পাৰি। ১৯৭৪-৭৫ চনত ক্ৰীড়া আৰু সংস্কৃতি দুয়োটা বিভাগতে আমাৰ কলেজ শ্ৰেষ্ঠ দল বিবেচিত হৈছিল।

ইতিমধ্যে আমাৰ কলেজত কেইবাখনো সন্মিলন আৰু উচ্চ মানদণ্ডৰ বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ গৈছে। ইয়াৰে ভিতৰত উত্তৰ-পূব ভাৰত ভৌগোলিক সন্মিলন, সদৌ অসম অধ্যক্ষ সন্মিলন আৰু ১৯৮৭ চনত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আয়োজন কৰা আৰু ইচ্‌কণে (ISKCON) পতা তৰ্ক প্ৰতিযোগিতা প্ৰধান। এই অনুষ্ঠানবোৰত ছাত্ৰ-ছাত্ৰী সকলৰ অংশ গ্ৰহণ অভিলেখ পৰিমাণৰ আছিল। এইখিনিতে অন্য এখন ব্যতিক্ৰমধৰ্মী অনুষ্ঠানৰ কথা উল্লেখ নকৰিলে লিখাখিনি আধৰুৱা হ'ব। সেয়ে আছিল এই কলেজৰে অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক তফজ্জুল আলী চাৰৰ ড° যোগীৰাজ বসু সোঁৱৰণী বক্তৃতামালাৰ অনুষ্ঠান। চাৰে অসমীয়া সঙ্গীতৰ ধাৰা শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰিছিল। লগে লগে তেখেতৰ একালৰ সঙ্গীতৰ ছাত্ৰ-ছাত্ৰীসকলে সঙ্গীতৰ মূৰ্চ্ছনাৰে শ্ৰোতাসকলক আপ্লুত কৰিছিল। অনুষ্ঠানটো ইমানেই মধুময় হৈছিল যে তাক ভাষাৰে বৰ্ণাব নোৱাৰি।

কানৈ কলেজলৈ বিভিন্ন সময়ত বিভিন্ন গণ্য-মান্য ব্যক্তি আহিছে। মই লগপোৱা অন্য দুজন ব্যক্তি হৈছে ড° ৱাই. কে. অলগ — তেতিয়াৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। এখেতে সদৌ অসম ছাত্ৰসন্থাৰ





আহ্বানত কলেজলৈ আহি এক বক্তৃতানুষ্ঠানত ভাগ লৈছিল। আৰু আনজন ব্যক্তি হৈছে বিশিষ্ট সাংবাদিক, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা মেগছেছে বঁটা বিজয়ী অৰুণ শ্বোৰী। এখেতে People's Organization for Civil Liberties ৰ আহ্বান ক্ৰমে আমাৰ কলেজলৈ আহি Civil Liberty ৰ ওপৰত বক্তৃতা প্ৰদান কৰিছিল। দুয়োটা অনুষ্ঠানতে ডিব্ৰুগড়ৰ বহুতো নাগৰিকে অংশ গ্ৰহণ কৰিছিল।

আমাৰ কলেজৰ পুথিভঁড়ালটো অনেক দুষ্প্ৰাপ্য কিতাপ-পত্ৰৰে অতি চহকী আছিল। এই কথা আনকি ড° কৃষ্ণকান্ত সন্দিকৈদেৱেও কৈ গৈছে। কলেজত সোমায়েই আমি নতুন চামৰ কেইজনে নিয়মীয়াকৈ লাইব্ৰেৰীত পঢ়া-শুনা কৰিছিলোঁ। এই ক্ষেত্ৰত আমাৰ জ্যেষ্ঠ শিক্ষাগুৰুসকল আমাৰ বাবে অনুপ্ৰেৰণাৰ উৎস আছিল। বিশেষকৈ হাচান চাৰৰ অধ্যয়নৰ প্ৰতি আগ্ৰহ আৰু কৌতুহল দেখি তবধ মানিছিলোঁ। তেখেতে সকলো বিষয়ৰে কিতাপ পঢ়িছিল। ইতিমধ্যে আমি ১৯৮২ চনত দি থোৱা অসম প্ৰশাসনীয় পৰীক্ষাৰ ফলাফল ওলাইছিল। ১৯৮৪ চনত মোৰ নিযুক্তি পত্ৰ আহিছিল গোৱালপাৰাত চাকৰিত যোগদানৰ বাবে। কিন্তু ঘৰুৱা কাৰণবশত মই চৰকাৰী প্ৰশাসনীয় সেৱাৰ চাকৰিত যোগদান নকৰিলোঁ। প্ৰাণী বিজ্ঞান বিভাগৰ টুৰেণ দত্তই যোগদান কৰিলেগৈ সমবায় বিভাগত। বৰ্তমান তেওঁ যুটীয়া পঞ্জীয়কৰ পদত আছে। প্ৰভাত কোঁৱৰে (ভূগোল বিভাগৰ) প্ৰশাসনীয় সেৱাৰ চাকৰিত নলবাৰীত। এতিয়া তেওঁ শোণিতপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত পদত আছে। শান্তনু সেনগুপ্তই অসম চৰকাৰৰ শ্ৰম আৰু নিয়োগ বিভাগত কৰিমগঞ্জত যোগদান কৰিছিল। কিন্তু ছমাহমান থকাৰ পিচতে পুনৰ কলেজলৈ উভটি আহিল। আৰু যোৱা ২০০৭ চনৰ ২৩ এপ্ৰিল তাৰিখে তেওঁৰ অকাল মৃত্যুৰ আগলৈকে এই কলেজতে সেৱা আগবঢ়াই গ'ল। মই কিন্তু শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাপে গণ্য কৰি লোৱাৰ বাবে অন্য কেইবাটিও সুযোগ পোৱা সত্ত্বেও কানৈ মোহ এৰি যাব নোৱাৰিলোঁ। ইতিমধ্যে মই কৰি থকা গৱেষণাৰ কাম শেষ হ'ল। ১৯৮৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিলোঁ।

কানৈ কলেজৰ ইতিহাস সোঁৱৰিলে যিবোৰ কথা মনলৈ আহে তাৰ

ভিতৰত ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাও এটি অন্যতম ঘটনা। লক্ষী প্ৰসাদ দত্তৰ প্ৰচেষ্টা আৰু পৰিকল্পনা আৰু কানৈ পৰিয়ালৰ বদান্যতা নোহোৱা হ'লে এই বিশ্ববিদ্যালয়ৰখন জন্ম কেতিয়াও ডিব্ৰুগড়ত নহ'লহেঁতেন। উল্লেখযোগ্য যে ১৯৬০ চনতে অৰ্থনীতি, বুৰঞ্জী আৰু সংস্কৃত বিভাগ কেইটা কানৈ কলেজতে আৰম্ভ কৰি দুৰদৰ্শী দত্তদেৱে ডিব্ৰুগড়ত এখন বিশ্ববিদ্যালয় স্থাপনৰ দুৱাৰ মুকলি কৰে। বৰ্তমান এইখন বিশ্ববিদ্যালয়ে কেইবাটাও দশক পাৰ কৰি বিকাশৰ এটা পৰ্যায় পাইছেহি। কিন্তু বিশ্ববিদ্যালয়খনে এবাৰলৈকো অতীতৰ ইতিহাস সোঁৱৰিবলৈ সময় পোৱা নাই যেন লাগে। অন্যথা প্ৰতিষ্ঠাৰ সেই ক্ষণবোৰ যুগমীয়া কৰিবলৈ কানৈ কলেজৰ উল্লেখিত কোনোবা এটা অন্ততঃ বিভাগক স্নাতকোত্তৰ শ্ৰেণী খুলিবলৈ নিজাকৈ অনুমতি দিলেহেঁতেন। তদুপৰি এই বিশ্ববিদ্যালয়ৰ চৌহদত লক্ষী প্ৰসাদ দত্তদেৱৰ এটা আৱক্ষ মূৰ্তি নাইবা তেখেতৰ নামেৰে এটি ভৱন ডিব্ৰুগড়বাসীয়ে নিশ্চয়কৈ পালেহেঁতেন।

১৯৮৫ চন মানৰ পিছৰ পৰা ছাত্ৰ সমাজত কিছুমান নেতিবাচক দৃষ্টিভঙ্গী গঢ় লৈ উঠা পৰিলক্ষিত হয়। বন্ধৰ কাৰ্যসূচীও বিভিন্ন কাৰণত সঘনাই ৰূপায়িত হ'বলৈ ধৰে। গোষ্ঠী চিন্তা আৰু আঞ্চলিক ধ্যান-ধাৰণাবোৰে পূৰ্বৰ 'এক-জাতি, এক প্ৰাণ একতা'ৰ প্ৰতি এক ভাবুকি স্বৰূপ হৈ ধৰা দিয়া দেখা যায়। লগে লগে সমাজখন তলৰ পৰা ওপৰলৈকে দুৰ্নীতিয়ে গ্ৰাস কৰিবলৈ ধৰে। আমাৰ সভ্যতা, সংস্কৃতি আৰু মূল্যবোধৰ স্খলন বাৰুকৈয়ে ঘটিবলৈ লয়। তদুপৰি আধুনিক তথ্য প্ৰযুক্তিৰ বিস্ফোৰণে আনি দিয়া পৰিৱৰ্তনবোৰ আমি প্ৰত্যক্ষ কৰিয়েই আছোঁ। এই ধাৰা অৱশ্যে কোনদিশে যায় সময়েহে ক'ব।

কবিয়ে কৈছে সময়ৰ অগ্ৰগতি পক্ষীৰাজ ঘোঁৰা। এই সময়ৰ গতিয়েই আমাৰ মাজৰ পৰা ভালেকেইজন শিক্ষাগুৰু তথা সহকৰ্মীক আঁতৰাই লৈ যায়। ইয়াৰে ভিতৰত মেহদী হাচান (অৰ্থনীতি), ৰতন লাল জৈন (হিন্দী), সন্তুষ চক্ৰৱৰ্তী (বাংলা), আবু নেইম বৰা (পদাৰ্থ বিজ্ঞান), প্ৰভুনাথ সিং (ইংৰাজী), ধ্ৰুৱ দেৱ শুক্লা (ৰাজনীতি বিজ্ঞান), প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য (অসমীয়া), মহম্মদ চেলিম (বুৰঞ্জী), ৰঞ্জিত ৰয় (প্ৰাণী বিজ্ঞান) নৰেন্দ্ৰ চন্দ্ৰ





চৌধুৰী (পদাৰ্থ বিজ্ঞান) প্ৰাণ বিলাস পাল চৌধুৰী (ৰসায়ন), দেবেন্দ্ৰ কুমাৰ শইকীয়া (দৰ্শন), প্ৰফুল্ল চন্দ্ৰ চক্ৰৱৰ্তী (ভূগোল), নৰেন্দ্ৰ কুমাৰ ভাৰ্মা (ভূগোল), বৈজয়ন্ত দত্ত (বুৰঞ্জী), শান্তনু সেনগুপ্ত (ৰাজনীতি বিজ্ঞান) ইত্যাদি। কানৈ কলেজখনে বৰ্তমানৰ শৈক্ষিক স্তৰত উপনীত হোৱাত এখেতসকলৰ বহুমূলীয়া অৱদান আছে। তদুপৰি অধ্যক্ষা লক্ষীদা দত্ত, প্ৰতিষ্ঠাপক সম্পাদক অশ্বিনী চৰণ চৌধুৰী, মুখ্য সহায়ক বেণুধৰ দাস আৰু গাননিক পূৰ্ণকান্ত হাজৰীকাক আমি হেৰুৱাব লগীয়া হয়। এখেতলোকৰ অমূল্য অৱদানো সকলোৱে স্বীকাৰ কৰিব। আজি হীৰক জয়ন্তীৰ শুভক্ষণত আমি এইসকল লোকক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

নিজৰ জীৱন আৰু জীৱিকাৰ উন্নতি কামনা কৰি আমাৰ মাজৰে এচাম শিক্ষক অন্য পদলৈ গুচি যায়। ড° পৰীক্ষিত হাজৰিকা চাৰ গুৱাহাটী বিশ্ববিদ্যালয়লৈ, বিশ্বজিত বৰুৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ, বৈজয়ন্ত দত্ত ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ, মনোৰঞ্জন শৰ্মা তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পদলৈ, দীপাঞ্জনা দত্ত ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ, প্ৰভাত কোঁৱৰ অসম প্ৰশাসনীয় সেৱালৈ, টুৰেণ দত্ত অসম আনুসঙ্গিক সেৱালৈ, ধনীৰাম বড়ো কটন কলেজলৈ, উত্তম বাথাৰি বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগলৈ, প্ৰশান্ত দাস আৰ্যবিদ্যাপীঠ কলেজলৈ, বিনোদ বৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক পদলৈ পল্লৱী বুজৰবৰুৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ, দিলীপ ভূঞা মনোহাৰী দেৱী ছোৱালী কলেজৰ অধ্যক্ষ পদলৈ ইত্যাদি। এওঁলোকৰো আটায়েই এইখন কলেজৰ শৈক্ষিক দিশটোৰ উন্নতিৰ বাবে বহুমূলীয়া অৱদান দি থৈ গৈছে। টিংখং কলেজলৈ যোৱা জ্যোতিমালা গোহাঁই আৰু জে. বি. কলেজলৈ এই কলেজ এৰি যোৱা জ্যোতিৰেখা হাজৰিকাৰ নাম এইখিনিতে উল্লেখ কৰিলোঁ। এওঁলোকৰো কানৈ কলেজলৈ অৱদান কোনো গুণে কম নহয়।

আগেয়ে কলেজখনত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে বুনিয়াদি সা-সুবিধাৰ বহুতো অভাৱ আছিল। জিৰণী কোঠাৰ অভাৱ, খোৱাপানীৰ অভাৱ, টয়লেটৰ অভাৱ, গ্ৰন্থাগাৰত পঢ়া-শুনাৰ অসুবিধা, যান-বাহন থ'বৰ বাবে পাৰ্কিং শ্বেদৰ অভাৱ যোগাযোগৰ অভাৱ ইত্যাদি। আজিৰ তাৰিখত

কিন্তু এই অভাৱবোৰৰ অধিকাংশই পূৰণ কৰিব পৰা হৈছে। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগেও বিভিন্ন আঁচনিৰ জৰিয়তে উদাৰভাৱে আৰ্থিক মঞ্জুৰী দিছে। সম্প্ৰতি কানে কলেজখন বুনিয়াদ সৃষ্টিৰ দিশত নতুনকৈ উজ্জ্বলি উঠিছে। পুৰণি হৈ পৰা বিজ্ঞানাগাৰবোৰ আধুনিক কৰি তোলা হৈছে নতুন আৰু শেহতীয়া বৈজ্ঞানিক আহিলা-পাতিৰ সংযোজনেৰে। কলেজত বৈদ্যুতিক শক্তিৰ নিয়মীয়া যোগানৰ বাবে উচ্চ ক্ষমতাসম্পন্ন জেনেৰেটৰ সংস্থাপন কৰা হৈছে। প্ৰায়বোৰ বিভাগকে কম্পিউটাৰ যোগান ধৰা হৈছে। লগতে কলেজ চৌহদত অত্যাধুনিক wi-fi ব্যৱস্থাৰে ইণ্টাৰনেট সংযোগ কৰা হৈছে। এতিয়া আটাইবোৰ বিভাগেই ইণ্টাৰনেটৰ সুবিধা লাভ কৰিছে। জ্ঞান বিস্ফোৰণৰ এই সন্ধিক্ষণত কানে কলেজেও আধুনিক প্ৰযুক্তিৰ সহায়ত সময়ৰ সৈতে খোজ মিলাই আগবাঢ়ি যাব বুলি আশা কৰিব পাৰি। এতিয়াৰ নতুন চাম শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত অধ্যয়ন আৰু গৱেষণাৰ বাবে আগ্ৰহ বাঢ়ি অহাটো সঁচাকৈয়ে আশাপ্ৰদ কথা হৈছে।

যোৱা ২০০৩ চনত কলেজখনত NAAC ৰ দ্বাৰা পৰিদৰ্শন আৰু মূল্যায়ন কাৰ্য সম্পাদন কৰা হয়। NAAC ৰ বাছনিত আমাৰ কলেজখনে $B^{++}$ Grade পাবলৈ সমৰ্থ হয়। কিন্তু পৰৱৰ্তী সময়খিনিত ইয়াৰ অনুমোদনাৱলীৰ Follow up কাৰ্য যিদৰে হ'ব লাগিছিল, হৈ নুঠিল। ফলস্বৰূপে কলেজৰ বিদ্যায়তনিক দিশটো যেন থমকি ৰৈ গ'ল এনে অনুভৱ হয়। অৱশ্যে কেইবা বছৰৰ বিৰতিৰ পিচত শেহতীয়াকৈ এখন Internet Quality Assurance Cell গঠন কৰি পুনৰ সকলোবোৰ কাৰ্য গতিশীল কৰি তুলিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে।

১৯৯১ চনৰ কলেজখনৰ এটি উল্লেখযোগ্য ঘটনা হ'ল এখন সঞ্চয় সমিতি গঠন। প্ৰথমে ২০ জন মান শিক্ষকে লগলাগি ১০০ টকাৰ মাহেকীয়া সদস্য বৰঙণিৰে এই সমিতি গঠন কৰা হয়। বৰ্তমান চৰকাৰীভাৱে পঞ্জীভুক্ত এই সমিতিখনৰ আৰ্থিক অৱস্থা অতি স্বচ্ছল। বৰ্তমান সমিতিৰ সদস্য সংখ্যা শতাধিক। এই সমিতিয়ে ইয়াৰ সদস্যসকলৰ জৰুৰী বিত্তীয় প্ৰয়োজনৰ লগতে অন্যান্য বিত্তীয় চাহিদা পূৰণ কৰি আছে।





১৯৯১ চনৰে ১১ ফেব্ৰুৱাৰী তাৰিখে তেতিয়াৰ অধ্যক্ষ ডিম্বেশ্বৰ চলিহা চাৰৰ পৃষ্ঠপোষকতাত Information and Documentation Centre নামেৰে এটি তথ্য ক্ষেত্ৰ মুকলি কৰা হয়। সেইদিনাৰ উদ্বোধনী সভাৰ মুখ্য অতিথি আছিল বিশিষ্ট অৰ্থনীতিবিদ প্ৰয়াত ভুবন বৰুৱা চাৰ। কেন্দ্ৰটিৰ সম্পাদকৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা হৈছিল। পত্ৰ যোগাযোগেৰে আমি দেশ-বিদেশৰ তথ্য সংগ্ৰহ কৰিছিলোঁ। কিন্তু কিছুদিনৰ পিচত কিছুমান অনিবাৰ্য কাৰণবশত কেন্দ্ৰটি চলাই নিয়াত অসুবিধা হ'ল। বুনিয়াদি সুবিধাৰ অভাৱ আৰু পুঁজিৰ নাটনি এই দুটাই প্ৰধান সমস্যা হৈ থিয় দিলে। তদুপৰি সেই সময়ত আজিৰ দৰে যোগাযোগৰ সুবিধাও নাছিল। কিন্তু সুখৰ কথা এই যে এতিয়া ২০১০ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ মঞ্জুৰীৰে তথ্য কেন্দ্ৰটি পুনৰুজ্জীৱিত কৰি তোলা হৈছে। কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ সংযোগেৰে সম্প্ৰতি কেন্দ্ৰটিত Career সম্পৰ্কীয় তথ্য আৰু জ্ঞানৰ বাবে এটি Library স্থাপন কৰা হৈছে। কলেজৰ হীৰক জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি কেন্দ্ৰটি উদ্বোধন কৰা হ'ব।

বিগত বছৰ কেইটাত কলেজত অন্য কেতবোৰ সংযোজন হ'ল — পৰিসংখ্যা বিভাগ, কম্পিউটাৰ বিজ্ঞান, শিক্ষা আৰু সমাজশাস্ত্ৰ বিজ্ঞানৰ পাঠ্যক্ৰম মুকলি।

— BCA পাঠ্যক্ৰম আৰম্ভ।

— চাকৰিৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ ছাত্ৰ-ছাত্ৰীৰ প্ৰশিক্ষণৰ ব্যৱস্থা।

— অত্যাধুনিক কম্পিউটাৰ কেন্দ্ৰ মুকলি।

— উন্নত Audio/Video প্ৰযুক্তি সংলগ্ন এটি সভাগৃহ মুকলি।

— ডঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুকলি বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ স্থাপন। ইত্যাদি।

১৯৯৫ চনত কলেজখনে প্ৰতিষ্ঠাৰ পঞ্চাশ বছৰত ভৰি দিলে। সেই বছৰতে আড়ম্বৰপূৰ্ণভাৱে কলেজৰ সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপন কৰা হয়। এই উপলক্ষ্যে ছাত্ৰ-ছাত্ৰীসকলৰ বৰ্ণিল শোভাযাত্ৰা, ঠাইতে ছবি অঁকা

প্ৰতিযোগিতা, স্মৃতি গ্ৰন্থ প্ৰকাশ, বিজ্ঞান আৰু কলা শাখাৰ প্ৰদৰ্শনী, খেল-ধেমালি প্ৰতিযোগিতা, অৰ্দ্ধ মাৰাথান দৌৰ, প্ৰাক্তন কানৈয়ান সকলৰ সন্মিলন, মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা, বন্তি প্ৰজ্বলন আৰু মুকলি সভা অনুষ্ঠিত হয়। সোণালী জয়ন্তীৰ স্মৃতি যুগমীয়া কৰিবলৈ ঘৰ-দুৱাৰো নতুনকৈ সজা হয়।

২০০৫ চনত ঐতিহ্যময় কানৈ কলেজে হীৰক জয়ন্তী বৰ্ষত অৱতীৰ্ণ হয়। বিভিন্ন অনুষ্ঠান আয়োজন কৰি হীৰক জয়ন্তী উদ্‌যাপন কৰিবলৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। দুই এটা কাৰ্যসূচীও হাতত লোৱা হৈছিল। যেনে, বক্তৃতা আনুষ্ঠানৰ আয়োজন আৰু আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা ইত্যাদি। কিন্তু অনিবাৰ্য কাৰণত সময়মতে অন্যান্য কাৰ্যসূচীবোৰ হাতত ল'ব পৰা নগ'ল। এতিয়া কিছু সাল-সলনিৰে উদ্‌যাপন সমিতিখন পুনৰুজ্জীৱিত কৰি অন্যান্য কেতবোৰ কাৰ্যসূচীৰে হীৰক জয়ন্তী সমাৰোহৰ সামৰণি মাৰিব খোজা হৈছে। সামৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি এটি শোভাযাত্ৰা উলিওৱা, কলেজ চৌহদত গছ পুলি ৰোপণ, প্ৰাক্তন শিক্ষকক সম্বৰ্দ্ধনা, স্মৃতি গ্ৰন্থ প্ৰকাশ, মুকলি সভা আৰু এটি সাংস্কৃতিক অনুষ্ঠানৰ দিহা কৰা হৈছে।

কানৈ কলেজত পাৰ কৰা প্ৰতিটো মুহূৰ্তই মোৰ বাবে অমূল্য আৰু পাহৰিব নোৱাৰা। কলেজখনত সুদীৰ্ঘ তিনিটা দশকৰো অধিক কাল পাৰ কৰিলোঁ। বহু হেজাৰ ছাত্ৰ-ছাত্ৰী মোৰ শ্ৰেণী কোঠাৰ পৰা ওলাই গ'ল আৰু আজি প্ৰায়বোৰেই বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত। মই মোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বহুতো সম্ভাৱনা দেখিছিলোঁ। ইয়াৰ মাজৰে মাধুৰীমা বৰুৱা এতিয়া মৰিগাঁও জিলাৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, লক্ষীনন্দন গগৈ শদিয়া মহকুমাৰ মহকুমাধিপতি, পুণ্যধৰ গগৈ গড়গাঁও কলেজৰ অধ্যক্ষ, মিণ্টু গগৈ, সঞ্জীৱ বুঢ়াগোহাঁই, চন্দ্ৰমা গোস্বামী, দেবাশীষ বসু আদিয়ে কলেজত শিক্ষকতা কৰে। চন্দন গোস্বামী তেজপুৰ বিশ্ববিদ্যালয়ৰ Faculty member। ৰূপম শইকীয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক। লগতে বহুবোৰ অধিবক্তা, বহুতো প্ৰশাসনিক বিষয়া, ন্যায়িক বিষয়া আৰু বহুতেই বেংক আৰু জীৱন বীমা নিগম আৰু অন্যান্য কাৰ্যালয়ত কৰ্মৰত। কেইবাজনো বিদেশত থাকে।





বহুতেই ব্যৱসায়-বাণিজ্য কৰিও প্ৰতিষ্ঠা লাভ কৰিছে। সকলোৰে নামবোৰ কিন্তু মনত নাই।

ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যস্ত হৈ থাকিলে সময়বোৰ কেনেকৈ পাৰ হৈ যায় ধৰিবই নোৱাৰি। মই কলেজত শিক্ষকতা কৰি থকা কালত ইয়াত পঢ়ি থকা ৰীতা চৌধুৰী, চন্দনা গোস্বামী, পাৰ্থ গাংগুলী, ৰুবাব ফাটেমা, শিখামণি শৰ্মা, মিতালী চলিহা, অঞ্জুমণি ফুকন, দীপঙ্কজ গগৈ, দিনালিছা বৰা, অলকানন্দা বৰুৱা, ত্ৰিবেণী শইকীয়া, সঞ্চিতা বৰুৱা, বেদান্ত বিকাশ বৰুৱা আদিসকল এতিয়া মোৰ সহকৰ্মী। ইয়াৰে একাধিকজনক মই শ্ৰেণীত পঢ়ুৱাইছোঁ। মোৰ বাবে এয়া অতি আনন্দৰ কথা।

যি কি নহওক হীৰক জয়ন্তী পালনৰ মাজেৰে আমাৰ সংকল্প হ'ব লাগে সময়ৰ লগত খোজ মিলাই শিক্ষাৰ পৰিসৰ আৰু মানদণ্ড আৰু আগুৱাই নিয়াৰ। এতিয়াও কলেজখনে এইক্ষেত্ৰত বহুখিনি কৰিবলগীয়া আছে। কলেজ লাইব্ৰেৰী আৰু প্ৰশাসনীয় কাম-কাজবোৰ Computerise কৰিব লাগিব। নতুন পাঠ্যক্ৰম মুকলি কৰিব লাগিব। কলেজত Grievance Redressal কোষ স্থাপন কৰিব লাগিব। শিক্ষকসকলে গৱেষণামূলক কামত অধিক মনোনিৱেশ কৰিব লাগিব। সমূহীয়া সেৱামূলক কাৰ্য হাতত ল'ব লাগিব। অধিক আলোচনা চক্ৰ, কৰ্মশালা অনুষ্ঠিত কৰিব লাগিব ইত্যাদি। এই ক্ষেত্ৰত আমাৰ দৃষ্টিভঙ্গী আশাবাদী।

# চাৰ্বাক দৰ্শনৰ চমু পৰিচয়

ড° প্ৰিয়াংশু প্ৰৱল উপাধ্যায়

চাৰ্বাক দৰ্শন ভাৰতীয় দৰ্শনবিলাকৰ অন্যতম এক দৰ্শন হিচাবে পৰিগণিত। ভাৰতীয় দৰ্শনবিলাক আস্তিক আৰু নাস্তিক এই দুই ভাগে বিভক্ত। সাধাৰণতে আমাৰ ধাৰণা যিবিলাকে ঈশ্বৰৰ অস্তিত্বত বিশ্বাস কৰে তেওঁলোক আস্তিক আৰু যিবিলাকে ঈশ্বৰৰ অস্তিত্বক বিশ্বাস নকৰে তেওঁলোক হৈছে নাস্তিক। সাধাৰণ ধাৰণা এনে ধৰণৰ হ'লেও আচলতে কিন্তু 'নাস্তিকো বেদনিন্দকঃ', অৰ্থাৎ যিবিলাকে বেদৰ প্ৰামাণ্য (authority) স্বীকাৰ নকৰে তেওঁলোকেই হৈছে নাস্তিক। এই কাৰণেই বৌদ্ধ বা জৈন দৰ্শনে পৰলোকৰ অস্তিত্বক বিশ্বাস কৰিলেও বেদৰ প্ৰামাণ্য স্বীকাৰ নকৰা হেতুকে বৌদ্ধ আৰু জৈন দৰ্শনক নাস্তিক দৰ্শন বুলিহে ধৰা হয়। চাৰ্বাক দৰ্শনে আকৌ বেদৰ প্ৰামাণ্য নেমানে, ঈশ্বৰক বিশ্বাস নকৰে বা পৰলোকৰ অস্তিত্বও স্বীকাৰ নকৰে।

চাৰ্বাক নামৰ কোনো এজনৰ দ্বাৰা এই দৰ্শনৰ প্ৰৱৰ্তন হোৱা হেতুকে এই দৰ্শন চাৰ্বাক দৰ্শন নামেৰে অভিহিত বুলি কিছুমানে ভাৱে। কিছুমানে আকৌ ভাবে যে, চাৰ্বাক দৰ্শনৰ কথাবিলাক জড়বুদ্ধি সাধাৰণ মানুহৰ কাৰণে বৰ মনোমোহা বুলিহে এই দৰ্শনৰ নাম হৈছে চাৰ্বাক দৰ্শন; চাৰু অৰ্থাৎ সুন্দৰ, মনোমোহা; বাক্ - কথা — এইদৰে চাৰ্বাক শব্দটোক বিশ্লেষণ কৰি এই দৰ্শনৰ তেনে নামকৰণৰ তাৎপৰ্যাৰ্থ পোৱা যায়। অৱশ্যে দেৱগুৰু বৃহস্পতিকহে এই দৰ্শনৰ প্ৰতিষ্ঠাতা বুলি কোৱা হৈছে। মাধৱাচাৰ্যই (চতুৰ্দশ শতিকা) তেওঁৰ 'সৰ্বদৰ্শন সংগ্ৰহ' গ্ৰন্থত চাৰ্বাক দৰ্শনৰ বিৱৰণ দিবৰ সময়ত — 'বৃহস্পতিমতানুসৰিণা নাস্তিকশিৰোমণিনা চাৰ্বাকেন' — ইত্যাদিৰূপে কোৱাত তেওঁৰ মতে চাৰ্বাকে বৃহস্পতিৰ মত অনুসৰিহে এই দৰ্শন ৰচনা কৰিছে,





চাৰ্বাক নিজে এই দৰ্শনৰ প্ৰৱৰ্তক নহয়, বৃহস্পতিহে এই দৰ্শনৰ মূল প্ৰৱৰ্তক — এই কথাকে বুজায়। উদ্ধৃতিক্ৰমে বৃহস্পতি সূত্ৰৰ কথাও কোনো কোনো ঠাইত পোৱা যায়। গতিকে অন্যান্য ভাৰতীয় দৰ্শনৰ নিচিনা মূল চাৰ্বাক দৰ্শনো বৃহস্পতিৰ দ্বাৰা সূত্ৰৰ আকাৰে বিৰচিত আৰু বৃহস্পতি সূত্ৰ নামেৰে অভিহিত আছিল বুলি অনুমান হয়।

কথিত আছে যে, দেৱগুৰু বৃহস্পতিয়ে দেৱতাসকলৰ শ্ৰী আৰু বিজয় লাভ কৰাবলৈ নীতিপথত থকা অসুৰবিলাকক নীতিপথৰপৰা ভ্ৰষ্ট কৰিবলৈ অসুৰবিলাকৰ মাজত এই দৰ্শনৰ মোহজাল বিস্তাৰ কৰে। অসুৰবিলাকেও তেতিয়া জড়বাদৰ প্ৰভাৱত সুখ-সম্ভোগেৰে প্ৰমত্ত হৈ পৰে আৰু শেষত গৈ ধ্বংস প্ৰাপ্ত হয়। বিষ্ণু পুৰাণত (৩-৭-১৮ অধ্যায়) দেখা যায় যে, যুদ্ধত দেৱতাসকল দৈত্যসকলৰ দ্বাৰা পৰাজিত হৈ বিষ্ণুৰ শৰণাপন্ন হয় আৰু স্তৱ-স্তুতিৰে তেওঁক সন্তুষ্ট কৰি কয় যে, দৈত্যসকলে সদায় ধৰ্মপথত থকা হেতুকে পৰাক্ৰমশালী দৈত্যসকলক এওঁলোকে হৰুৱাব নোৱাৰে! এতেকে দৈত্যবিলাকক পৰাজিত কৰিবলৈ কিবা এটা উপায় কৰি দিব লাগিব (৩।১৭।৩৯-৪০)। ভগৱান বিষ্ণুৱে তেতিয়া দৈত্যসকলক পৰাজিত কৰিবৰ উপায়স্বৰূপে 'মায়া-মোহ'ক দেৱতাসকলৰ লগত দিলে। মায়ামোহে দৈত্যসকলৰ মাজত গৈ চিত্তাকৰ্ষক মনোমোহা কথাবিলাক যুক্তিৰ সৈতে সকলোকে বুজাই দিলে। দৈত্যবিলাকেও তেতিয়া সেই কথাবোৰ শুনি তাকেই যথাৰ্থ বুলি গ্ৰহণ কৰিলে আৰু তাৰ ফলত নিজৰ ধৰ্মপথ পৰিত্যাগ কৰি জড়বাদী হৈ পৰাত শেষত গৈ দেৱতাসকলৰ লগত যুদ্ধত পৰাজিত হয়। 'মায়ামোহ'ৰ দ্বাৰা প্ৰচাৰিত এই জড়বাদ আৰু চাৰ্বাক দৰ্শনৰ মতৰ মাজত কোনো প্ৰভেদ নাই।

মহাভাৰতত আকৌ দুৰ্যোধনৰ পক্ষ অৱলম্বন কৰি থকা চাৰ্বাক নামৰ এজন ৰাক্ষসৰ কথা আমি পাওঁ। চাৰ্বাক দৰ্শনত কোৱা কথাবিলাকে স্বভাৱতেই সাধাৰণ মানুহৰ মনত আনন্দ দিয়ে আৰু এই মতবাদ সাধাৰণতেই লোকসকলৰ মাজত বহুলভাৱে প্ৰচলিত থকা গতিকে 'লোকায়ত' (লোকে — জনসমাজত, আয়ত — বিস্তৃত, বহুল প্ৰচলিত) দৰ্শন বুলিও কোৱা হয়।

কৌটিল্যই তেওঁৰ অৰ্থশাস্ত্ৰত (১।২১০) এই লোকায়তদৰ্শনক

আন্বীক্ষিকী বা যুক্তিবিদ্যা বুলি কৈছে আৰু যুক্তিৰ ভেঁটিত প্ৰতিষ্ঠিত হোৱা বাবে এই দৰ্শনক তেওঁ সাংখ্য আৰু যোগদৰ্শনৰ সমপৰ্যায়ভুক্ত কৰা দেখা যায়।

চাৰ্বাক দৰ্শনৰ মূল গ্ৰন্থ এতিয়ালৈকে আমি পোৱা নাই। অন্যান্য ভাৰতীয় দৰ্শনবিলাকত আৰু বৌদ্ধ সাহিত্য, পালি ত্ৰিপিটক আদিত আলোচনা প্ৰসংগত চাৰ্বাক দৰ্শনৰ বিৱৰণ দিয়া হৈছে। অৱশ্যে যোৱা ১৯৪০ খৃষ্টাব্দত Oriental Institute of Baroda-ৰ পৰা জয়ৰাশি ভট্টৰ দ্বাৰা (অষ্টম শতাব্দী) বিৰচিত 'তত্ত্বোপপ্লৱসিংহঃ' নামৰ গ্ৰন্থ এখন প্ৰকাশিত হয়। জয়ৰাশিয়ে তেওঁৰ গ্ৰন্থত বৃহস্পতিক তেওঁৰ গুৰু বুলি কৈছে। কিন্তু তেওঁ নিজক ক'তো চাৰ্বাক বুলি নক'লেও চাৰ্বাক দৰ্শনৰ মতবিলাক ইয়াত বিবৃত হোৱাত উক্ত গ্ৰন্থখন চাৰ্বাক সম্প্ৰদায়ৰ অন্যতম এখন মৌলিক গ্ৰন্থ হিচাপে ধৰি লোৱা হয়।

সি যি নহওক ভাৰতীয় দৰ্শনত জড়বাদ (materialistic view)হে সাধাৰণভাৱে চাৰ্বাক দৰ্শন বুলি অভিহিত হয়। চাৰ্বাক দৰ্শনৰ মূল কথা হৈছে যে, আমাৰ এই স্থূল ইন্দ্ৰিয়সমূহৰ দ্বাৰা যি বস্তু প্ৰত্যক্ষ গোচৰ হয় তাৰ বাহিৰে আন একোৱে নাই। এওঁবিলাকে কয় — প্ৰত্যক্ষ প্ৰমাণ (perception)ৰ বাহিৰে অনুমান (inference), শব্দ (testimony) বা আন কোনো প্ৰমাণ নিৰ্ভুল হ'ব নোৱাৰে। প্ৰত্যক্ষ জ্ঞানৰ বাহিৰে আন যিকোনো ধৰণৰ জ্ঞান হওক, তাত ভুল হোৱাৰ সম্ভাৱনা আছেই। গতিকে তেওঁবিলাকে মানি লৈছে যে, প্ৰত্যক্ষ জ্ঞানৰ বাহিৰে আন কোনো জ্ঞান যথাৰ্থ (valid) নহয়।

অদৃষ্ট, ঈশ্বৰ, আত্মা, স্বৰ্গ আদিৰ স্থূল ইন্দ্ৰিয়ৰ দ্বাৰা প্ৰত্যক্ষযোগ্য হোৱাৰ সম্ভাৱনা নথকা হেতুকে সেইবিলাকৰ অস্তিত্বই নাই আৰু এই কাৰণে পূণ্য, পাপ, স্বৰ্গ ইত্যাদিৰ বিৱৰণ থকা বেদাদিশাস্ত্ৰবিলাক চাৰ্বাক দৰ্শনৰ মতে গ্ৰহণযোগ্য নহয়। এওঁলোকে ভাবে — কিছুমান ধূৰ্ত মানুহে সাধাৰণ মানুহক প্ৰবঞ্চিত কৰি নিজৰ নিজৰ জীৱিকা অৰ্জন আৰু নিজক সমাজত প্ৰতিষ্ঠিত কৰিবৰ কাৰণে বেদ, সংহিতা আদি শাস্ত্ৰবিলাক ৰচনা কৰিছে। সৰু এটি গল্পৰ মাজেদি এওঁবিলাকে কয় যে আনৰপৰা কিবা শুনি আৰু তাক যথাৰ্থ বুলি ধাৰণা কৰি লৈ মানুহে যে কেনে ভুল কৰে তাক নিজৰ পত্নীক আঙুলিয়াই দেখুৱাবৰ কাৰণে এজন মানুহে এদিন ৰাতি ঘৰৰপৰা কোনেও নজনা অৱস্থাত





ওলাই অলপ দূৰলৈ গৈ বাঘৰ হাতোৰাৰ দৰে হাতৰ আঙুলিবিলাক কোঁচাই লৈ ধূলিৰ ওপৰত নখৰ ছাপ কিছুমান দি থলে আৰু পুৱা হোৱাৰ লগে লগে আনক আঙুলিৰ ছাপবিলাক দেখুৱাই গাঁৱত কুকুৰনেচীয়া বাঘ আহি সোমাইছে বুলি ক'লে, তেওঁৰ কথাত গোটেই গাঁৱত ভীষণ ভয়ৰ সঞ্চাৰ হ'ল, তাত হুলস্থূল লাগিল আৰু সকলোৱে নিজৰ নিজৰ গৰু, ভেড়া, ছাগলী আদি বাঘৰপৰা ৰক্ষাৰ কাৰণে ব্যস্ত হৈ পৰিল। মানুহজনে তেতিয়া ঘৰলৈ আহি ঘৈণীয়েকক সেই ঠাইলৈ লৈ গৈ ক'লে, 'ভদ্ৰে, বৃকপদং পশ্য' — অৰ্থাৎ হে ভদ্ৰে, মাননীয়ে, গাঁৱত কুকুৰনেচীয়া বাঘ আহি সোমাইছে, তাৰ চিন চোৱা। ঘৈণীয়েকে তাক চাই আনসকলৰ দৰে সেই বিলাকক বাঘৰ নখৰ চিন বুলি বিশ্বাস কৰাত মানুহজনে তেওঁক বাঘৰ হাতোৰাৰ চিন সম্বন্ধে আচল কথাখিনি ক'লে।

চাৰ্বাক দৰ্শনে এইদৰে বেদ বা অন্য শাস্ত্ৰৰ প্ৰামাণ্য প্ৰত্যাখ্যান কৰি কয় যে, এই বিশ্বৰ সৃষ্টিকৰ্তাৰূপে ঈশ্বৰৰ অস্তিত্ব মানিবলৈ যোৱা একেবাৰে নিৰৰ্থক। তেওঁলোকৰ মতে ক্ষিতি, অপ, তেজ আৰু মৰুৎ এই চাৰিবিধ পৰমাণু সদায় বিদ্যমান। স্বভাৱতেই (by nature) এই পৰমাণু বিলাকৰ সংমিশ্ৰণ আৰু বিশ্লেষণ হয় আৰু তাৰ ফলত গোটেই বিশ্বপ্ৰপঞ্চৰ উৎপত্তি, স্থিতি আৰু ধ্বংস হয়।

চাৰ্বাক দৰ্শনৰ পৰমাণুৰ ধাৰণাও কিন্তু বৰ স্থূল। আমি আগেয়ে কৈ আহিছোঁ যে, তেওঁলোকে প্ৰত্যক্ষ জ্ঞানৰ বাহিৰে আন কোনো জ্ঞানৰ সত্যতা মানি নলয়। গতিকে তেওঁলোকৰ মতে পৃথিৱী, পানী আদি পৰমাণুবিলাকো প্ৰত্যক্ষযোগ্য। বেলি ওলাবৰ সময়ত দুৱাৰ খিৰিকী বা আন কোনো ছিদ্ৰৰ মাজেদি সূৰ্যৰ ৰশ্মি ঘৰত আহি সোমালে তাত ওপঙি থকা কণ কণ যিবিলাক বস্তু সূৰ্য ৰশ্মিৰ লগত দেখা যায় সেইবিলাক হৈছে চাৰ্বাক দৰ্শনৰ মতে পৰমাণু। তেনেকৈ চকুৰে দেখা সূক্ষ্মতম জলকণাবিলাক হৈছে জলীয় পৰমাণু। এইদৰে আন পৰমাণুবিলাকো প্ৰত্যক্ষযোগ্য। আকাশ প্ৰত্যক্ষ নহয় কাৰণে আকাশ পৰমাণু বা আকাশৰ অস্তিত্ব এওঁলোকে নেমানে। পৃথিৱী, পানী, জুই আৰু বতাহ এই ভূতবিলাকৰ স্বভাৱতেই পৰস্পৰৰ সংমিশ্ৰণ হয় আৰু এই সংমিশ্ৰণৰ ফলত কি চেতন, কি অচেতন সকলো বস্তুৰ উৎপত্তি হয়। ঠিক এইদৰে পৃথিৱী আদি ভূতসকলৰ এই বিশেষ ধৰণে সংমিশ্ৰণৰ ফলত শৰীৰৰ উৎপত্তি হোৱাৰ

লগতেই তাত প্ৰাণ বা চৈতন্যৰো উৎপত্তি হয়। গতিকে এই দেহত চৈতন্য বা প্ৰাণসত্তা সৃষ্টিৰ কাৰণে ঈশ্বৰক মানিবৰ একোৱে দৰকাৰ নাই। পৃথিৱী, পানী, জুই আদি বেলেগ বেলেগকৈ থকা অৱস্থাত প্ৰাণসত্তা নেথাকিলেও সেইবিলাক বিশেষ ধৰণে সংমিশ্ৰিত হ'লে স্বভাৱতেই তাত প্ৰাণ বা চৈতন্যৰ উদ্ভৱ হয়। যেনে পাণ, তামোল, চুণ আদি বেলেগভাৱে থকা অৱস্থাত সেইবিলাকৰ কোনো এটা বস্তুৱে ৰঙা নহলেও সেইবিলাক একেলগে লৈ চোবালে বা ঘঁহিলে তাত ৰঙা ৰঙৰ উৎপত্তি হয়। এইদৰে এই ভূতবিলাকৰ সংমিশ্ৰণৰ ফলতহে মনৰো উদ্ভৱ হয়। 'মই' বোলা বস্তুৱে হৈছে এওঁলোকৰ মতে চৈতন্য। আৰু শৰীৰৰ সৈতে এই চৈতন্যৰ অবিচ্ছেদ্য সম্বন্ধ অৰ্থাৎ শৰীৰক এৰি বেলেগকৈ কোনো চেতন পদাৰ্থ থাকিবই নোৱাৰে। এই কথাষাৰ আমি নিজেই সদায় উপলব্ধি কৰি থাকোঁ।

কাৰণ আমি সদায় মই শকত, মই পাতল, মই ক'লা, মই বগা, মই সুস্থ, মই বৰ পৰিশ্ৰান্ত ইত্যাদি কথাৰে শৰীৰৰ ধৰ্ম বা অৱস্থা 'মই' বোলা চৈতন্যৰ লগত অভেদ কৰিহে ব্যৱহাৰ কৰি থাকোঁ। 'চৈতন্যবিশিষ্টঃ কায়ঃ পুৰুষঃ' (বৃহস্পতিসূত্ৰ) অৰ্থাৎ চৈতন্যৰ লগত অবিচ্ছিন্নভাৱে থকা শৰীৰেই হৈছে মানুহ বা প্ৰাণী। পৃথিৱী, জুই, পানী আদিৰ সেই সংমিশ্ৰণ আকৌ সময়ৰ গতিৰ লগত লাহে লাহে পৰস্পৰৰপৰা যেতিয়া বিচ্ছিন্ন হ'ব ধৰে তেতিয়া মৃত্যু হয় অৰ্থাৎ শৰীৰত চৈতন্য বা প্ৰাণসত্তাৰ অভাৱ ঘটে। এইদৰে তেওঁলোকে ক'ব খোজে যে, এই দেহাৰ বাহিৰে চেতন আত্মা বা ঈশ্বৰ বুলি একোৱে নাই।

এইখিনিতে আমি প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰোঁ যে, চাৰ্বাক সম্প্ৰদায় প্ৰধানতঃ 'ধূৰ্ত আৰু সুশিক্ষিত' এই দুই ভাগে বিভক্ত আছিল। 'ধূৰ্ত' চাৰ্বাক সম্প্ৰদায়ে প্ৰত্যক্ষ জ্ঞানৰ বাহিৰে অনুমান বা আন কোনো জ্ঞানক প্ৰমাণ (valid knowledge) বুলি একেবাৰেই ধৰা নাই। এই সম্প্ৰদায় হৈছে দেহাত্মাবাদী অৰ্থাৎ দেহেই এই সকলৰ মতে আত্মা বা চেতন। সুশিক্ষিত সম্প্ৰদায়ে কিন্তু অনুমান প্ৰমাণক একেবাৰে উপেক্ষা কৰা নাই। এওঁলোকে প্ৰত্যক্ষদৃষ্ট কাৰ্যজগতৰ কাৰ্যকাৰণ সম্বন্ধ নিৰূপণৰ বাবে প্ৰয়োজন অনুসৰি অনুমান প্ৰমাণৰ আৱশ্যকতা স্বীকাৰ কৰে। কিন্তু যিবোৰ বিষয় ইন্দ্ৰিয়গ্ৰাহ্য নহয়, তেনে ধৰণৰ ঈশ্বৰ, অদৃষ্ট, স্বৰ্গ প্ৰভৃতি প্ৰতিপাদন কৰাৰ কাৰণে যি অনুমান কৰা হয় সি





একেবাৰেই অযথাৰ্থ (invalid)। এই সুশিক্ষিত সম্প্ৰদায়ৰ কোনোৱে দেহৰ অতিৰিক্ত ইন্দ্ৰিয়ক আত্মা, কোনোৱে ইন্দ্ৰিয় অতিৰিক্ত মনক আত্মা, কোনোৱে বা মনতকৈও সূক্ষ্ম প্ৰাণক আত্মা বা চেতন বুলি মানি লৈছে। এওঁলোকেও কিন্তু দেহৰ সম্বন্ধৰ বাহিৰে প্ৰাণৰ পৃথক সত্তা স্বীকাৰ নকৰে। অৰ্থাৎ দেহৰ বিনাশৰ লগতেই প্ৰাণৰূপ যি আত্মা তাৰো বিনাশ হৈ যায় বুলি এওঁলোকে কয়।

চাৰ্বাক দৰ্শনৰ মতে এই পৃথিৱীত আধিপত্য কৰি থকা প্ৰত্যক্ষদৃষ্ট ৰজাজনেই হৈছে পৰমেশ্বৰ। সকলো দুখৰ সম্পূৰ্ণভাৱে বিনাশ হোৱাৰ পাচত বেলেগকৈ মোক্ষ বা মুক্তি সম্ভৱ নহয়। আনন্দ উপভোগ কৰি থকা এই শৰীৰৰ মৃত্যু হ'লে কেতিয়াও তাৰ জন্ম আকৌ নহয়, আৰু জন্মৰ সম্ভাৱনা নথকাত শৰীৰৰ মৃত্যুৱে হৈছে মোক্ষ লাভ। এই পৃথিৱীত সুখ আৰু দুখ এই দুয়োটাই একেলগে সদায় আছে। গতিকে দেহৰ মৃত্যু নোহোৱালৈকে দুখৰপৰা সম্পূৰ্ণ পৰিত্ৰাণ বা মোক্ষলাভ এওঁলোকৰ মতে অসম্ভৱ; — 'মৰণমেবাপৱৰ্গঃ' (বৃহস্পতিসূত্ৰ)। এই সংসাৰত দুখ আছে বুলি পৰম শান্তি লাভ কৰিবৰ কাৰণে সংসাৰক পৰিত্যাগ কৰা তেওঁলোকৰ মতে মুৰ্খামি। কোন এনে বুদ্ধিমান মানুহ আছে, যিজনে খাব নোৱৰা বাকলি থকা বুলি ধানবোৰ পেলাই দিয়ে! ধানৰ বাকলি (তুঁহ) পেলাই দি তাৰ ভিতৰত থকা চাউলখিনি লৈ আনন্দে খাইহে জীয়াই থাকিব লাগে। মাছ খালে মাছৰ কাঁইট, বাকলি আদি ডিঙিত লাগি ভীষণ কষ্ট হ'ব বুলি ভয়ত মাছ নেখাব নেকি? কাঁইট, বাকলি আদি পেলাই দিহে মাছ খাব লগা হয়। তেনেকৈ এই সংসাৰত দুখ পাবলগীয়া বস্তু থাকিলেই বা কি হ'ল? সেইবিলাক যথাসম্ভৱ বাদ দি জীয়াই থকা দিন কেইটা আনন্দ উপভোগ কৰি থাকিব লাগে। তেওঁলোকে কয় —

'যাৱজ্জীৱং সুখং জীবেৎ ঋণং কৃত্বা ঘৃতং পিবেৎ।
ভস্মীভূতস্য দেহস্য পুনৰাগমন্ কুতঃ।'

তেওঁলোকৰ মতে নিজৰ কৰ্মৰ অদৃষ্টৰ দ্বাৰা পাবলগীয়া স্বৰ্গ বা নৰক বুলি একোৱে নাই। সংসাৰৰ আনন্দই হৈছে স্বৰ্গসুখ আৰু পৃথিৱীত কাঁইট বা আন কিহবাৰপৰা পোৱা দুখবিলাক হৈছে নৰক। ইহলোকৰ বাহিৰে পৰলোক

বুলি একোৱে নাই। শ্ৰাদ্ধ আদিৰ দ্বাৰা মৃতব্যক্তিৰ তৃপ্তিসাধনৰ প্ৰচেষ্টা বৃথা। জীৱন হেৰুৱাৰ পিছত যদি মৃতসকলৰ উদ্দেশ্যে দিয়া বস্তুৱে সঁচাকৈয়ে তেওঁলোকৰ তৃপ্তি সাধন কৰিব পাৰে, তেনেহ'লে সেইদৰে নুমাই যোৱাৰ পিছত চাকি এটিত ঘি বা তেল আকৌ ভৰাই দিলেইতো সি পৰিতৃপ্ত হৈ জ্বলি থাকিব লাগে। তদুপৰি মৃতসকলৰ উদ্দেশ্যে দিয়া বস্তুবিলাক পৰলোকৰপৰা গ্ৰহণ কৰি তৃপ্তি লাভ কৰাৰ ক্ষমতা তেওঁলোকৰ যদি আছে, তেন্তে জীৱিত অৱস্থাতো তেওঁলোকৰ তেনে ক্ষমতা নিশ্চয় থাকিব লাগিব আৰু তেনেহ'লে খোৱা বস্তু নোপোৱা কোনো দূৰ ঠাইলৈ যোৱাৰ সময়ত মানুহে কষ্ট কৰি খোৱা বস্তুৰ বোজা লগত লৈ যাব লগা হয় কিয়? দূৰলৈ যোৱা জনৰ উদ্দেশ্যে খোৱা বস্তু ঘৰত দি থলেই দেখোন সেই মানুহজনৰ ভোক পলাব লাগে। কিন্তু কেতিয়াবা ই সম্ভৱ হয় জানো!

চাৰ্বাক দৰ্শনে এইদৰে এই পৃথিৱীত দৃষ্টগোচৰ হোৱা বস্তুকেই একমাত্ৰ যথাৰ্থ বুলি মানি লৈছে আৰু দৃষ্টিগোচৰ হোৱা বস্তুৰ বাহিৰে যিকোনো বস্তুৰ অনুমান বা ধাৰণা সকলোৱেই মিছা বুলি প্ৰতিপন্ন কৰিছে আৰু এই মতবাদৰ প্ৰতিষ্ঠাৰ কাৰণেই চাৰ্বাক দৰ্শনে প্ৰত্যক্ষ জ্ঞানৰ বাহিৰে আন কোনো জ্ঞানক প্ৰমাণ বা যথাৰ্থ জ্ঞান বুলি নেমানে। চাৰ্বাক দৰ্শনে অনুমানৰ প্ৰামাণ্য (valid- ity) প্ৰত্যাখ্যান কৰোঁতে যি যুক্তিবিলাক প্ৰদৰ্শন কৰিছে সি সঁচাকৈয়ে অনুধাৱন কৰিবলগীয়া। অনুমান যে কেতিয়াও প্ৰমাণ বা যথাৰ্থ জ্ঞান হ'ব নোৱাৰে এই কথাকেই বহু যুক্তিৰে চাৰ্বাক মতাৱলম্বীসকলে দেখুৱাই প্ৰত্যক্ষই যে একমাত্ৰ প্ৰমাণ তাক দৃঢ়যুক্তিৰে প্ৰতিপন্ন কৰিছে আৰু তাকেই ভিত্তি কৰি চাৰ্বাক দৰ্শন প্ৰতিষ্ঠিত। ❑❑





# RADHANATH PHUKAN :
## THE PHILOSOPHER

**Dr. Moheswar Hazarika**

Assam is a land which bred many a versatile genius beginning at least with the soveriegn king of world-wide fame, Kumara Bhaskara Varman. Scholars like Shriharsha, Kumarila, and poets and preachers like Sankardeva, Madhavadeva etc. are products of this land, which was well known for its Tantrism, Vaisnavism and Saivism alike. Another figure of noted ability has been the philosopher, the late Radhanath Phukan, the first post–graduate degree holder of this remote part of India.

Radhanath Phukan, the renowned scholar and philosopher, was born at Jorhat on 15th of June, 1875, in the family of Tamuli Phukan at Jorhat. His father was Late Kripa Nath Tamuli Phukan, whose lineage is drawn as Mukunda Bharati>Harideu Kataki>Ramdeu Kataki>Bhagirath Kakotiya Baruah>Sibanath Tamuli Phukan>Srinath Tamuli Phukan>Kirtinath Tamuli Phukan>Kripanath Tamuli Phukan>Radhanath Phukan. His mother was Rukmini Devi.

He got admitted into vernacular school for his primary education at Sivsagar in the year 1881 wherefrom he passed Bengali school with a scholarship. During his time of primary education he also learnt Sanskrit at a Tol maintained by Dinanath Bezbaroah, father of Sahityarathi Lakshminath Bezbaroah. He passed his Entrance Examination in 1891 from

Sibsagar Government High school under the University of Calcutta, which covered a large jurisdiction including Assam, Bengal, Manipur and some portions of Burma. As there was no college in both the valleys of Assam at that time, he then got admitted into the Presidency College, Calcutta, and passed F.A. examination in 1893, and graduated in the year 1895. During his study in the degree course Sanskrit was one of his subjects of study. From the same college he passed the M.A. Examination in physics in the year 1897 and was placed in Second Class Eighth position. While Pundit Anundoram Borooah had been the first B.A. of Assam Mr.Radhanath Phukan had been the first M.A. of this province of ours. In 1898, he took the B.L degree from Ripon College (now Surendranath Benarjee College). Thus it is seen that from the very beginning of his student life he had been a combination of Science and Arts, nay, even more of classical and modern spheres of study.

Coming back from Calcutta he began practising law at Jorhat Bar and married Chandraprobha Devi, daughter of Narayan Bezbaruah of Baligaon, Jorhat. Nine children were born to them viz. Nalininath, Mohininath, Dharaninath, Lakshminath, Surendranath, Aideu, Kamala, Probha and Podma.

Even though the Government offered some other services Mr. Phukan refused all those posts and began his service life as a munshif at Gauhati Court in 1903. Then from 1910 he served the Government as Deputy Superintendent of Census till 1920. Because of his excellency in service he was conferred with the honour of Raibahadur in 1914. In 1920 he became the sub judge of Assam valley, became Session Judge in 1923 and got promoted to the grade of Deputy Collector in 1928. He served as the Director of Industries and Co-operative Societies for some time and retired as judge in the month of





December,1931.

It has already been mentioned that his personality was a combination of classical and modern trend of life. This fact may be illustrated with a study of his literary works which he started after his retirement from Government service. Although he wrote some articles of general interest , poems and songs his monumental works in Assamese are (1) Saṃkhy Darsána, June 1949, (2) Vedānta Darśána, May 1951, (3) Śrimādbhagavad Gītā, 1952, (4) Katha Upaniṣad, 1954, (5) Bijnānar Sīpāre (6) Janmāntar Rahasya and (7) The Presidential Address of the Reception Committee, 23rd Anual session of the Asom Sahitya Sabha held at Jorhat, 1954 and the Presodential Address of the convocation of the Assam Sanskrit Board, 1956. Besides, he worte some articles in Asamese with great emphasis on Indian religion and philosophy. Dr. M.M. Sharma in an article in the souvenir on the occassion of his birth centinary, 1975, remarked that whatever valuable books this brilliant student of science has written have as their subject the transcendental world of philosophy which is on the other bank of science. He has made a wonderful harmony between science and philosophy. Mr. Phukan himself declares that the method of study in Vedanta and Samkhya are different their approach to the same reality as much as are concerned. Whereas the Vedanta is a system of philosophy which sees the world from outside and hence a difficult method that could be adopted by some efficient few; the Samkhya, sees the world from inside, from worldly point of view and gradually takes the student to such a stage wherefrom he might take his view on his own. This method of the Samkhya according to Mr. Phukan, is comparable with that of modern science. He declares, " the method of analysis is the same in the Samkhya as in the modern science. In science also gross matter is taken up first

for analysis which is carried ultimately to such a subtle stage that one may doubt whether the world is at all real. The Relativity and Quantum theories lend support to the conclusions of the Samkhya philosophy and to one who is conversant with these theories, a proper understanding of the Samkhya philosophy would be quite easy." We can see his mastery over the modern trend of Science and technology when as a student of science he explains with some examples from our Puranic literature and our day to day life. In one place he says, "Einstien proved that the shape and size of the external universe are relative; he also proved that our concept of time is relative depending, as it does, upon the velocity of the observer in space. This can be easily understood by anyone who is conversant with advanced mathematics......... Thus, if anyone finds it possible to move in empty space with the same velocity of light, he may retain his youth forever like the ancient sages, Sanaka and Sanada." He further says, "It is quite likely that some of the readers will say that these(the story of Revate) are merely tales and not truth. But it seems that the sages who thought out such stories had a clear idea about the truth regarding space and time. They knew quite well that the measure of time was not the same everywhere. But this truth we do not realize easily because we have many erroneous ideas about space and time."

One more point should be kept in mind that Samkhya has been taken by almost all as an atheistic system saying that it does not agree with the existence of any God as the creator, preserver and destroyer of the world but takes Prakrti i.e. Nature as its final cause, and lays support to the multiplicity of Purusa i.e. individual soul, but Mr. Phukan, although he was a student of science of that period whence the scientists kept thier science and religion in watertight compartments and could not prove the existence of God from a scientific point of view, believed





in its existence and has shown that the Simkhya system is also a theistic one, not an atheistic at all, but almost identical with the non–dualistic Vedanta system. "For such reasons, Gaudapada identified Avyakta of the Samkhya with the Brahman of the Vedas. It would thus follow that the conclusions of both these systems are fundamentally the same."

His second work Vedānta Darśana is a commentary of the Vedantasutra or Brahmasutra of Vadarayana along with lucid translation of the aphorisms. The commentary is on his peculiar line of scientific explaination with a view to making the modern mind capable of understanding the age-old theory of the unity of the Supreme Soul. He has shown that as regards (1) whether The Brahma is qualified or unqualified, (2) whether Jiva is a part of the Absolute Self itself, (3) wheather the world is true or false, (4) what is the nature of Emancipation, Acarya Samkara and other teachers stand apart. All others are almost of the same opinion. He has also shown that in all these respects the opinions of our Mahapurusa Sankaradeva and Acarya Sankara are the same; as if both the Sankara's have one and the same Sankarite philosophy. Instead of treating the subject on the line of commentators of the old, and delinking and disintegrating the thinkers Phukan has tried his best to bring out the missing link and rejoin the fragments of the Brahmavidya taking the suggestion of Sir Aurovindo in his mind.

The next book published has been Śrimadbhāgavad Gītā which he explains on the same line as the aforementioned books. It is another point to remember that in his endeavour the philosopher goes higher and higher up in the method as in climbing a ladder and in the Gita the method is far above that in the Vedanta. As regards the freedom of will he says, "If God be regarded as omnipotent and omniscient then the individual soul can not have any freedom---this truth is known

to Vedanta and science as well. But the conclusion of the two systems are different in this regard: Vedanta says that God is omnipotent and omniscient, and hence the individual soul has got no freedom; whereas science says that the individual soul has got freedom and hence God can have no omnipotence, He is not the sole Authority............ whatever has not been said by Vedanta and Samkhya has been said by the Gita" Thus he has shown the pecularity of the Gita in his introduction as well as in the body of the book. In all his books he has successfullly shown that Indian philosophy is in no way inferior to modern idealistic science. Dr. M.M. Sharma has truely remarked that Mr. Phukan is the first to write about philosophy in Assamese; he is also the first, as far as we know, to write about the theory of Relativity and Quantum theory etc. of modern science in Assamese. Moreover the stories in the Upanishads and the Puranas that we disbelieve and throw away as meaningless have been explained by him on the light of his scientific method as in the case of Revati's story. Dr. Kalicharan Das has also remarked that even though Mr. Phukan admitstis indebtedness to Sir Aurovindo and Santdas Babaji, his depth of philosophical knowledge, deep study, and his clear concept of theories of modern science are praiseworthy.

Apart from the field of erudite scholarship Mr. Phukan was an efficient businessman and in this capacity he became the owner of Bahani Tea estate at Jorhat which he maintained with great profit. But it should also be remembered that even though he was against donation to worthless people or organisation he beneficiently offered huge amount in cash and kind to worthy organisations as is proved by his donation of the whole stock of cement in his Tea estate to Baligaon Jaganath Borooah Arya Vidyalaya as has been told by Mr.Dimbeshwar Sharma.





Mr. Phukan ashamed of his study in his childhood in Bengali medium instead of his mother tongue fought his best along with his co-workers of the A.B.U.S. Sabha in Kolkata for due honour to the mother tongue; he did what he could in his capacity as a high official under the British Government and what he offered to Goddess Sarada in the form of literary works after his retirement from service will serve as the touch-stone of scientific-philosophical endeavour.

In respect of his daily life Mr. Phukan was an adherent to vedic religion and deeply believed in the ideals of Indian philosophy in general and Vedanta philosophy in particular laying stress on the teachings of the Gita. He performed his daily rites regularly till his death and even a day before his death he said to some of his relatives with a smile, "Death means a promotion alone, Why should you fear? If the Gita be true, then a man who remains conscious till the last moment, and dies after brooding over his God certainly will he go upward." This worthy son a of Assam and a true interpreter of Indian philosophy in the light of modern times breathed his last on the 23rd of June 1964, at 4:25 in the evening. May his soul live in peace in the other world. ❑❑

# কৃষ্ণস্তোত্ৰম্ আৰু মাধৱদেৱ

ড° কেশৱানন্দ দেৱগোস্বামী

অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত বিল্বমঙ্গলৰ সমাদৰ সণ্চালনি কৰাৰ গুৰিতে মাধৱদেৱ বুলি ক'ব পৰা যায়। চৰিত পুথিত কেতিয়াবা ইয়াৰ উল্লেখ কৰোঁতে 'বেল মঙ্গলিৰ ছোলোখ' বোলা হৈছে। শব্দ দুটিৰ ৰূপ, কথিত মতেই দিয়া বুলি ধৰিব পৰা যায়। অসমৰ আগৰ চাম ভকত-বৈষ্ণৱে 'বেল মঙ্গলি' বা 'বেল মঙ্গল' বুলিয়েই কয়। লীলাশুক বা কৃষ্ণ কৰ্ণামৃতৰ নাম সেইসকলৰ মাজত বৰকৈ প্ৰচলিত থকাৰ প্ৰমাণ পোৱা হোৱা নাই। 'বেল মঙ্গলি' বোলোঁতে ইয়াৰ অসমীয়া পাঠ আৰু অন্যান্য পাঠৰ কথা মনলৈ আহে। এটা কথা অনুমান কৰা অযুক্তিকৰ বোধহয় নহ'ব যে মাধৱদেৱৰ জীৱৎ কাল অথবা তাৰ আগতেই এই স্তোত্ৰখিনি প্ৰাচীন অসমত প্ৰচলিত হৈছিল। সম্ভৱতঃ ৰাজেন্দ্ৰ অধ্যাপকৰ অধীনত বণ্ডুকাত শিক্ষা লাভ কৰোঁতে সেই কালতেই মাধৱদেৱে এই শ্লোকখিনিৰ স্বাদ পায় আৰু কৈৱল্যাৱলম্বী জীৱনত সিয়েই মনত দকৈ ৰেখাপাত কৰে। অসমত পোৱা পুৰণি পুথিৰ ভিতৰত গুৱাহাটীত আৰু গৌহাটী বিশ্ববিদ্যালয়ত সংৰক্ষিত দুখনিৰ তাৰিখ যথাক্ৰমে চৌত্ৰিশ বছৰৰ অগাপিছা — শকাব্দ ১৭২৫ আৰু ১৭৫৯। ইয়াৰ উপৰি অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত আৰু বৰপেটাৰ পৰা সংগৃহীত দুখনি পুথিৰ কথা জনা যায়। ড° মহেশ্বৰ নেওগদেৱে ইংৰাজীত কৰা ইয়াৰ অধ্যয়ন প্ৰসঙ্গত প্ৰখ্যাত পণ্ডিত ড° সুশীলকুমাৰ দে'ৰ কৰ্ম আৰু দক্ষিণ ভাৰতীয়-পশ্চিম ভাৰতীয় পাঠৰ কথা উল্লেখ কৰিছে। তাৰ লগতে সংযোজিত হৈছে — মাধৱদেৱৰ পিম্পৰা গুচোৱা ঝুমুৰখিনিৰ দেৱ-নাগৰী লিপ্যন্তৰ আৰু ইংৰাজী অনুবাদ। সেই বিষয়ে ইয়াত অৱতাৰণা অথবা আলোচনা কৰাটো আৱশ্যকবোধ কৰা





নাই; কাৰণ সম্পূৰ্ণ পাঠ সমীক্ষাৰ পদ্ধতি অৱলম্বন কৰি কৰা, সেইটি হ'ল - অশেষ শ্ৰমৰ এটি পাণ্ডিত্যপূৰ্ণ কাম।

বিল্বমঙ্গল ওৰফে লীলাশুকৰ কৃষ্ণস্তোত্ৰৰ আন নাম বালগোপাল স্তুতি বা কৃষ্ণ কৰ্ণামৃত। একেখন পুথিৰে বা একেজন লোকৰে কেইবাটাও নাম থকা কথাটো ভালদৰে বিচাৰ কৰি চাবলগীয়া। ৰচয়িতা গৰাকী সম্পৰ্কে কেইবাঠাইতো বেলেগ বেলেগ কথা বা কাহিনী পোৱা যায়। ইয়াৰ জনপ্ৰিয়তাৰ কাৰণে উত্তৰে-দক্ষিণে, পূবে-পশ্চিমে পাঠৰ শাখা-প্ৰশাখা ব্যাপ্ত হয় আৰু বিস্তৰ ৰূপে পাঠ-পাঠান্তৰো ঘটে। ৱিল্বমঙ্গল কোষ কাব্য, বিল্বমঙ্গল গোস্বামী কৃত শ্ৰীকৃষ্ণস্তোত্ৰম, বিল্মমঙ্গল নাম-কোষ কাব্য, কৃষ্ণ কৰ্ণামৃত, লীলাশুকৰ কৃষ্ণ কৰ্ণামৃত আৰু শ্ৰীৱালগোপালস্তুতি আদি নামেই ব্যৱহাৰ হোৱা দেখা যায়। ৰূপ গোস্বামীৰ পদাৱলী, ভক্তি ৰসামৃত আৰু উজ্জ্বল নীলমণিত বিল্বমঙ্গলৰপৰা শ্লোক চয়ন কৰা বুলি কোৱা হৈছে। বিল্বমঙ্গলৰ নামত শাৰ্ঙ্গধৰ পদ্ধতি আৰু সুমঙ্গল স্তোত্ৰ নামৰ দুখন পুথিও আছে। কৃষ্ণ কৰ্ণামৃতৰ মূল শ্লোক কিমান, সেইকথা সহজে নিৰ্ণয় কৰা কঠিন। এই বিষয়ে এটি সুবিস্তৃত গৱেষণা কৰ্ম কৰি উলিয়াইছে — ১৯৭৫ চনতে যুক্তৰাষ্ট্ৰৰ এগৰাকী অধ্যাপিকা ড° ফ্ৰাংকেছ উইলচনে। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পাঠবোৰৰ ভিতৰত দক্ষিণ ভাৰতীয় পাঠতেই সৰ্বাধিক শ্লোক পোৱা যায় বুলি জনা গৈছে। ইয়াত তিনিশ শ্লোক পৰ্যন্ত আছে। আনহাতে কোনো কোনো ঠাইত ১৩৪ ৰ পৰা ২৬৫ পৰ্যন্ত শ্লোক আছে। অসমৰ পুথিত ১৩৪/১৩৫ টি শ্লোকহে পোৱা যায়। শ্লোকৰ সংখ্যাধিক্যই পৰৱৰ্তী কালত ঘটা সংযোজনৰ ইঙ্গিত দিয়ে। অসমৰ পাঠৰ লগত উত্তৰ ভাৰতীয় পাঠৰ (দেৱনাগৰী, শাৰদা, বঙলা আৰু নেৱাৰী লিপিৰ) মিল অধিক বুলি দেখুওৱা হৈছে। অৱশ্যে বঙ্গীয় পাঠৰ কোনো কোনো ঠাইত অথবা অন্য গ্ৰন্থতো বেলেগ উৎস আৰু বিল্বমঙ্গলৰ পৰা গৃহীত বুলি কোৱা হৈছে। এনে কথাই পাঠকসকলক কেতিয়াবা অসুবিধাত পেলায়। উদাহৰণস্বৰূপে ভোজন বেহাৰ নাটত থকা 'বিভ্ৰদ্বেণুং জঠৰ পটয়ো ....' শ্লোকটি দশমস্কন্ধ ভাগৱতৰ ত্ৰয়োদশ অধ্যায়ৰ একাদশ সংখ্যক শ্লোক। বিল্বমঙ্গলৰ নামৰ 'শ্ৰীৱালগোপালস্তুতি'ত সেইটি আছে; অৱশ্যে অসমৰ পুথিত সেই শ্লোক নাই। অসমৰ পাঠৰ লগত পাৰ্থক্য থকা এটি শ্লোক - 'বালায় নীল বপুসে'

ইত্যাদি। ইয়াত 'শাৰ্দুলদিব্যনখ ভূষণ ভূষিতায়' বুলি আছে যদিও, দধিমথন বা অৰ্জুন ভঞ্জন নাটৰ বেলেগ বেলেগ পাঠত ইয়াক সুকীয়া ৰূপত পোৱা যায়। মূল কৃষ্ণ কৰ্ণামৃতৰ 'শাৰ্দুল ... ' ইত্যাদি শ্লোকটো একত্ৰিশ সংখ্যক শ্লোক। কোনো কোনো নাটৰ প্ৰতিলিপিত ইয়াক এনে ৰূপতহে পোৱা হৈছে - 'ভাস্বত্তৰক্ষুনখভূষণ ভূষিতায় ....। শাৰ্দুল শব্দৰ অৰ্থ বাঘ; তৰক্ষু মানেও বাঘ। গতিকে 'বাঘনখৰ অলঙ্কাৰ পৰিহিত' — এই অৰ্থৰ বিসঙ্গতি কোনোটো পাঠতে ঘটা নাই। অৰ্জুনভঞ্জন নাটত 'অপিচ' বুলি দিয়া 'যোলোক ভাৰোদ্ধাৰণায় ...' মূল পুথিৰ তৃতীয় শ্লোক। ইয়াকে চোৰধৰা ঝুমুৰাৰো প্ৰথমতে নান্দীৰূপে দিয়া হৈছে। কৃষ্ণস্তোত্ৰৰ ২৭ আৰু ২৩ সংখ্যক শ্লোক - 'ঘোষস্যমোহশমনায়' আৰু 'নক্ষত্ৰমিত্ৰ নৱনীত' এই দুটি অৰ্জুন ভঞ্জনত আছে। শেষৰটোৰ লগতে আকৌ 'পৰমিমমুপদেশ ...' ৪৩ সংখ্যক শ্লোকটিও আছে আৰু তাৰ ভাঙনি সূত্ৰধাৰৰ কথাৰে ব্যাখ্যা কৰা হৈছে। তদুপৰি মাধৱদেৱে ইয়াৰ আধাৰতে শ্যামগেড়া ৰাগৰ 'শুনলো পণ্ডিত' গীতটিও ৰচিছে। মূলৰ লগত ৰিজাই চালে মাধৱদেৱৰ অতুল কাব্য ক্ষমতা দেখি বিমোহিত নহৈ নোৱাৰি আৰু গাওতাইহে উপলব্ধি কৰে - ইয়াৰ চিত্তাকৰ্ষক সুৰ আয়ত্ব কৰা কিমান কঠিন। 'নক্ষত্ৰামিত্ৰ ....' শ্লোকৰ শেষৰ ফাঁকি দোহাৰি ব্যৱহাৰ কৰাৰ দৰেই, ভূমি লেটোৱাৰ 'নীতং নৱ নৱনীতং ...' শ্লোকৰো শেষৰ ফাঁকি দোহৰা হৈছে। কৃষ্ণস্তোত্ৰৰ ই ২৬ সংখ্যক শ্লোক। চোৰধৰাৰ দ্বিতীয় শ্লোক - 'কণ্ডুক্ৰীড়া ৱিগলিতং ঘন স্বেদ' আঠাইশ সংখ্যক কৃষ্ণস্তোত্ৰৰ শ্লোক। ইয়াকো গীতেৰে সুন্দৰকৈ ভাঙি উলিওৱা হৈছে। পিপৰা গুচোৱাত ২০ আৰু ১৩০ সংখ্যক শ্লোক দুটি - যথাক্ৰমে 'কস্তংৱাল বলানুজাহং' আৰু 'ৱদনে নৱনীত ....' দিয়া হৈছে। ইয়াতে অলপ কথা আছে। গোপীয়ে চোৰ ধৰি কৃষ্ণক তুমি কোন বুলি সোধাত, ধৰা পৰি সেহা-বেঙা লগাই কৃষ্ণই বৰ ইঙ্গিতযুক্তভাৱে উত্তৰ দিছে। গোপীয়ে সুধিছে —

গীত

।। মোৰঘৰে কোন তুমি বোলেৰে গোৱালী।
বলাইৰ কনিষ্ঠ হামু বোলে বনমালী।।

'মই বলৰামৰ ভায়েক।' ইয়াত নন্দ বা যশোদাৰ কথা নাই। চিনাকী দিছে - বলভদ্ৰৰ ভায়েক বুলিহে। কিয়? বলভদ্ৰৰ শৌৰ্য-বীৰ্যৰ কথা জনাজাত; সেয়ে মানুহে তেওঁলৈ ভয়ো কৰিব পাৰে। গতিকে অপকৰ্ম কৰি ধৰা পৰা





কোনো লোকে আজি-কালি কোনোবা মন্ত্ৰী-বিধায়কৰ সম্বন্ধীয়া বুলি চিনাকী দি সাৰি যাবলৈ কৰা প্ৰচেষ্টাৰ দৰেই লৱণু চুৰ কৰি ধৰা পৰা কৃষ্ণয়ো বলভদ্ৰৰহে ভায়েক বুলি সাৰি যাবলৈ বিচাৰিছে। সুগভীৰ ইঙ্গিতধৰ্মী শব্দ প্ৰয়োগৰ কি অদ্ভুত চাতুৰ্য - ভাবিলে বিস্ময়াভিভূত হোৱা যায়। মধৱদেৱৰ তীক্ষ্ণ দৃষ্টিয়েও তাক চেৰ নেপেলোৱাকৈ অনুবাদ কৰিছে যথাৰ্থ ৰূপেই - 'বলাইৰ কনিষ্ঠ হামু বোলে বনমালী'। নিজৰ প্ৰতিভাৰ স্বাক্ষৰ ৰাখি সৃষ্টি কৰিছে - অনুপ্ৰাসৰ 'বলাই, বোলে, বনমালী।' কোনে কয় ই অনুবাদ বুলি?

শ্লোকৰ সংখ্যা উল্লেখ কৰোঁতে এটা কথা মনত ৰখা উচিত যে ড° মহেশ্বৰ নেওগ সম্পাদিত কৃষ্ণস্তোত্ৰত ৬৫ সংখ্যক শ্লোক দুটা (৬৫, ৬৫ (ক)) কৰি দেখুওৱা হৈছে। গতিকে আমি উদ্ধৃত কৰা শ্লোকৰ ক্ৰমিক সংখ্যা ৬৫ৰ পিছৰ হ'লে তাৰ লগত এটি সংখ্যা যোগ কৰি ল'লেহে আচল সংখ্যাটো পোৱা যাব। সেই অনুসৰি মুঠ শ্লোকৰ সংখ্যা ১৩৪ৰ ঠাইত ১৩৫ হ'ব। কিন্তু 'মুগ্ধং নিপীত দুগ্ধং ...' — ভূমি লেটোৱাত থকা এই শ্লোকটি ড° নেওগ সম্পাদিত পাঠত নাই আৰু সেই শ্লোকৰ মূল ক'ৰ তাকো জানিব পৰা হোৱা নাই। ভোজন বেহাৰত ভাগৱতৰ শ্লোক এটিহে ব্যৱহাৰ কৰাৰ কথা আগতে উল্লেখ কৰি অহা হৈছে। মাধৱদেৱৰ ভালেকেইটি গীতত কৃষ্ণস্তোত্ৰৰ শ্লোকাংশৰ প্ৰতিধ্বনি বিদ্যমান। তাৰ ভিতৰত দুটিমান উল্লেখযোগ্য। মাধৱদেৱে অহিৰ ৰাগত লিখা বৰগীত —

ধ্ৰুং ।। গোৱিন্দ চিন্তহু বাল গোপালং।
ৰতন তলপসহ শয়নে ৰহতু হৰি।
পঙ্কজ নয়ন বিশালং।।

এই 'গোৱিন্দ চিন্তহু বাল গোপালং' গীতৰ
'মুনিবৰ কৈছন ছোড়ি আমিয়াৰস
পদ পঙ্কজ ৰস পীতং

অংশৰ লগত কৃষ্ণস্তোত্ৰৰ পঞ্চম শ্লোক 'বিহায় পীয়ূষ ৰসং মুনীশ্বৰীঃ সমাঙ্ঘ্ৰিৰাজীৱ ৰসং পিৱন্তি কিম্। ইতি স্বপাদাম্বুজ পান কৌতুকী স গোপৱালঃ শ্ৰিয়মাতনোতু' তুলনীয়। তেনেদৰে পঁচিশ সংখ্যক শ্লোক —

'একীভূতং ভাগধেয়ং ৱজুনা
ব্যক্তিভূতং গুপ্তৱিতং শ্ৰুতিনাম্।।

একীভুত প্ৰেম গোপাঙ্গনানাং
স্বামীভুতং ব্ৰহ্মণঃ সংতনোতু।।'

ইয়াৰ লগত মাধৱদেৱৰ বৰগীত 'কানাই কিনা ৰূপসিয়া' শীৰ্ষক বৰাৰী ৰাগৰ এই পদ তুলনীয় —

'কানাইৰ ৰূপেৰ উপমাক কেবা খেম।
এক পুঞ্জ হুয়া আছে গোপিনীৰ প্ৰেম।''

ভাব হৈছে — আমাৰোনো কি খেমতা আছে — মাধৱদেৱৰ গীত-মাত গোটেইখিনিকে এনেদৰে তুলনামূলক বিচাৰ কৰি চাবলৈ? এটা কথা কিন্তু ঠিক যে চিৰকৌমাৰ্যব্ৰতী ভক্ত কবিগৰাকীক শিশু কৃষ্ণৰ বাল্যলীলাৰ এই মোহনীয় সংস্কৃত গাঁথাই এনেদৰে আকৰ্ষণ কৰিছিল যে 'তাতে মগ্ন হৈয়া' তেৰাৰ চিত্ত দ্ৰৱীভুত হৈ পৰিছিল আৰু হয়তো অজ্ঞাতেই তাৰ প্ৰতিধ্বনি গীতসমূহৰ মাজেদি ব্যক্ত হৈছিল। পৰৱৰ্তী কালৰ কবি-গীতিকাৰ সকল আকৌ উদ্বুদ্ধ হৈছিল মাধৱদেৱৰ সংবেদনশীল ভাৱৰ গীত মাতৰ দ্বাৰা - যাৰ ৰচনাৰ ধ্বনি-প্ৰতিধ্বনি প্ৰায়গৰাকীৰ ক্ষেত্ৰতে সঘনে দৃষ্টিগোচৰ হয়। বৃন্দাবন দাস ওৰফে চক্ৰপাণী বৈৰাগী (এওঁক কোনোৱে আচল পৰিচয় নাপাই অন্য ক'ৰবাত পেলাব খুজিছে) বাপুৰে লিখা 'কানু বোলে যাইবো কোন দিশ' শীৰ্ষক গীতত মাধৱদেৱৰ ভোজন বেহাৰ নাটৰ 'অন্নভোজনে' গীতটিৰ এশাৰী হুবহু তুলি দিয়া হৈছে - গীতটি হৈছেঃ 'নপাইলো ভায়াৰ উদ্দিশ'। আমিও যেন

ধ্ৰুং ।। অন্ন ভোজনে আজু বৰি পৰমাদ ভেলে;
মোৰ ভায়া সব কাঁহা গেল।
নপাইলো ভায়াৰ উদ্দিশ;
আজু ভায়া গৈল কোন দিশ।।

ইয়াত কৃষ্ণই কৈছে - উৱাদিহ হেৰুৱাই পেলাইছোঁ! ভালদৰে বিচাৰ কৰি নিজস্বভাৱে তাক সজাই তোলোঁতেও বিল্বমঙ্গলৰ প্ৰকাশভঙ্গীৰ আঁচোৰ যেনেকৈ মাধৱদেৱৰ ৰচনাত ঠায়ে ঠায়ে আছে, সেইদৰে পৰৱৰ্তী কালৰ কবি-গীতিকাৰসকলকো মাধৱদেৱে প্ৰভুতভাৱে প্ৰভাৱান্বিত কৰাৰ সাক্ষী ওপৰৰ উদাহৰণৰ দৰেই যত্ৰ তত্ৰ বিদ্যমান। ❑❑





# চিত্ৰসূত্ৰ ঃ ভাৰতীয় চিত্ৰকলাৰ ব্যাকৰণ

ড° নগেন শইকীয়া

ভাৰতবৰ্ষত ইতিহাসে ঢুকি পোৱা কালৰ আগৰেপৰা সংগীতৰ দৰেই ভাস্কৰ্য আৰু চিত্ৰশিল্পৰ পদ্ধতিগত আৰু শাস্ত্ৰসম্মত চৰ্চা যে হৈ আহিছিল তাৰ সাক্ষ্য প্ৰাচীন সাহিত্য, ভাস্কৰ্য, স্থাপত্য আদিত সিঁচৰতি হৈ আছে। বৈদিক যুগত অন্যান্য বিদ্যাৰ শিক্ষাৰ লগতে কলাবিদ্যাৰ শিক্ষাৰ উল্লেখ পোৱা গৈছে। কলাবিদ্যাক 'দেৱজনবিদ্যা' বুলি কোৱা হৈছিল। মহাকাব্য মহাভাৰত আৰু ৰামায়ণৰ উপৰিও পতঞ্জলিৰ মহাভাষ্য, বৌদ্ধজাতক, জৈন ধৰ্মগ্ৰন্থ, কালিদাসৰ ৰচনা, ভৱভূতিৰ উত্তৰ ৰামচৰিত, হৰ্ষদেৱৰ নাগানন্দ নাটক, শূদ্ৰকৰ মৃচ্ছকটিক, আচাৰ্য দণ্ডীৰ দশকুমাৰ চৰিত আদিৰ বিভিন্ন স্থানত প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৰা, অংকিত চিত্ৰাৱলীৰ উল্লিখন বা চিত্ৰৰ উপমাৰে কোনো বিষয় স্পষ্ট কৰি তোলাৰ প্ৰয়াস এই প্ৰসংগত বিশেষভাৱে উল্লেখযোগ্য।

ভাৰতবৰ্ষৰ মধ্যভাৰত, বিন্ধ্য পৰ্বত, উত্তৰ প্ৰদেশ আদিৰ পৰ্বতৰ গুহাত অংকিত বিভিন্ন জীৱ-জন্তুৰ ছবি প্ৰাগৈতিহাসিক কালৰ বুলি অনুমিত হৈছে। উৰিষ্যাৰ ৰামগড় পৰ্বতৰ গুহাত অংকিত চিত্ৰক ঐতিহাসিক যুগৰ প্ৰথম নিদৰ্শনস্বৰূপে স্বীকাৰ কৰা হৈছে। ভাৰতীয় গুহাচিত্ৰৰ সৰ্বোৎকৃষ্ট নিদৰ্শন হ'ল অজন্তাৰ গুহাচিত্ৰ। অজন্তাৰ গুহাচিত্ৰৰ বয়স খ্ৰীষ্টপূৰ্ব ২ শতিকাৰপৰা আৰম্ভ কৰি কুশান যুগ, গুপ্তযুগ, পাল যুগ আৰু মোগল যুগলৈকে ভাৰতীয় চিত্ৰকলাৰ বৰ্ণাঢ্য আৰু বিবৰ্তিত ইতিহাস পৰিব্যাপ্ত হৈ আছে। এই ইতিহাসেই ভাৰতীয় চিত্ৰকলাৰ নিজস্ব বিশিষ্ট-অংকন ৰীতি ধৰি ৰাখিছে। উল্লেখযোগ্য যে অন্যান্য ভাৰতীয় শিল্পৰ দৰে ভাৰতীয় চিত্ৰকলাৰো প্ৰধান আধাৰ হ'ল বিশিষ্ট জীৱনবোধ নিয়ন্ত্ৰিত ভাবনা। চিত্ৰশিল্প যিহেতু চাক্ষুষ শিল্প, সেইবাবে ভাবনাক তাৰ মাজত

ৰূপ দিওঁতে বিষয়-সংস্থাপনৰ বিশিষ্টতাই নিঃসন্দেহে গুৰুত্ব লাভ কৰে। কিন্তু এনে গুৰুত্ব প্ৰকাশ কৰিবলৈ গৈ কোনো বিষয়ৰ শৰীৰ-বৃত্ত বা আবয়ৱিক ন্যায্যতা ক'তো নষ্ট হ'বলৈ দিয়া নাই। অৰ্থাৎ প্ৰত্যেকটো বিষয় গাণিতিক জোখ-মাখৰ ভিত্তিত আঁকি উলিওৱা হৈছে। সেইবাবে ভাৰতীয় চিত্ৰশিল্প চিত্ৰ-শিল্পীসকলৰ স্বেচ্ছাকৃত স্বতন্ত্ৰ অংকন-শৈলীৰ পদ্ধতিৰ অনুগামী নহয় যদিও বিষয়, ভাবনা, অংকন-শৈলীৰ স্বাধীনতা চিত্ৰকৰসকলে সদায় ভোগ কৰি আহিছে।

ভাৰতীয় অন্যান্য শিল্প ৰচনাৰ প্ৰাথমিক ভেঁটি যিদৰে সংশ্লিষ্ট পুৰাণ আৰু শাস্ত্ৰসমূহত পোৱা যায় তেনেকৈ চিত্ৰশিল্পৰ সূত্ৰসমূহো বিষ্ণু ধৰ্মোত্তৰ পুৰাণৰ চিত্ৰসূত্ৰ খণ্ডত পোৱা যায়। বিষ্ণু ধৰ্মোত্তৰ পুৰাণৰ চিত্ৰসূত্ৰৰ ৰচনাৰ সময় অজন্তাৰ গুহাচিত্ৰসমূহৰ প্ৰায় ওচৰা-উচৰি। বিষ্ণু ধৰ্মোত্তৰ পুৰাণৰ ৩৫ অধ্যায়ৰপৰা ৪৩ অধ্যায়লৈকে নটা অধ্যায়ত চিত্ৰসূত্ৰ অন্তৰ্ভুক্ত। প্ৰত্যেকটো অধ্যায়ত একো একোটি বিষয় উত্থাপন কৰা হৈছে। ১ম (৩৫) অধ্যায়ত মানুহৰ শৰীৰৰ অংগ সংস্থাপনৰ জোখ-মাখ, ২য় অধ্যায়ত শ্ৰেণী অনুসৰি মানুহৰ অংগৰ ৰূপ-নিৰ্দেশ, ৩ য় অধ্যায়ত অংগ-সংস্থাপনৰ সাধাৰণ আনুপাতিক জোখ-মাখ, ৪ৰ্থ অধ্যায়ত চৰিত্ৰসমূহৰ বিশিষ্টতা-নিৰ্দেশক জোখ আৰু ৰূপ, ৫ম অধ্যায়ত চৰিত্ৰসমূহৰ আকৃতি, চলন আদিৰ বিশিষ্টতা, ৬ষ্ঠ অধ্যায়ত ৰং প্ৰস্তুত কৰণৰ বিৱৰণ, ৭ম অধ্যায়ত ৰং প্ৰয়োগৰ বিধি, ৮ম অধ্যায়ত মানুহ, জীৱ-জন্তু, দেৱতা, অসুৰ, প্ৰকৃতি, ঋতুসমূহ, নগৰ, সাগৰ, পৰ্বত, দুৰ্গ, হাট-বজাৰ, জুৱাৰী, যুঁজাৰু ইত্যাদি বিভিন্ন বিষয়ৰ অৱস্থা, সময়, স্থান অনুসৰি ব্যৱহাৰ কৰিবলগীয়া জোখ-মাখ আৰু ৰঙৰ বিৱৰণ, আৰু ৯ম অধ্যায়ত ৰস-প্ৰয়োগৰ বিধিসহ আনুষংগিক বিষয় সন্নিবিষ্ট হৈছে।

চিত্ৰসূত্ৰ নামেৰে চিহ্নিত বিষ্ণু ধৰ্মোত্তৰ পুৰাণৰ এই নটা অধ্যায়ে চিত্ৰবিদ্যাৰ প্ৰায় সকলোবোৰ দিশ সামৰিছে। প্ৰতিটো অধ্যায়ৰ বিষয় মাৰ্কণ্ডেয় আৰু বজ্ৰৰ কথোপকথনৰ মাজেদি দাঙি ধৰা হৈছে। ফলত বিষয়-উপস্থাপনৰ নাটকীয়তাই স্বাভাৱিক আকৰ্ষণো সৃষ্টি কৰিছে। এই অধ্যায়সমূহৰ অন্তৰ্ভুক্ত বিশ্লেষণৰ লগত পৰিচিত হ'লেহে ভাৰতীয় চিত্ৰশিল্পৰ ৰচনা আৰু প্ৰয়োগ-বিধি সম্পৰ্কে এটা স্পষ্ট ধাৰণা কৰি ল'ব পাৰি।

ভাৰতবৰ্ষত সকলো শিল্পকৰ্মৰ উৎপত্তিৰ লগত কোনো দেৱতা বা দৈৱিক





কৰ্মৰ সংযোগ দেখুওৱা হৈ আহিছে। চিত্ৰশিল্পৰ লগতো তেনে আখ্যান জড়িত হৈ আছে। নাৰায়ণে তেওঁৰ উৰুত আমৰ ৰসেৰে অঁকা এগৰাকী অসামান্যা সুন্দৰী নাৰীৰ ছবিৰ পৰাই উৰ্বশীৰ জন্ম হ'ল বুলি কোৱা হয়। এই চিত্ৰকৰ্মৰ আধাৰতে চিত্ৰসূত্ৰ ৰচিত হোৱা বুলি কোৱা হৈছে। এই কথাও কোৱা হৈছে যে স্বৰ্গৰ অপ্সৰাসকল, এই নাৰীৰ সৌন্দৰ্য দেখি লাজত অধোবদনে ঘূৰি গ'ল। নাৰায়ণে সকলো ফালৰপৰাই নিখুঁত আৰু সুন্দৰ এই ছবি আঁকি উলিওৱাৰ পিছত অপ্ৰমাদী কাৰিকৰ বিশ্বকৰ্মাক চিত্ৰশিল্পৰ জ্ঞান দান কৰে। নৃত্যত অনুসৰণ কৰাৰ দৰেই ছবিকে ধৰি সকলো শিল্পত স্বৰ্গ-মৰ্ত্য-পাতাল এই তিনিও লোকক সামৰা হয়। মন কৰিবলগীয়া কথা যে ভাৰতবৰ্ষত নৃত্যক শ্ৰেষ্ঠ কলাস্বৰূপে স্বীকাৰ কৰা হৈছিল আৰু চিত্ৰসূত্ৰয়ো সেই কথা উল্লেখ কৰিছে। দৰাচলতে চিত্ৰ, নৃত্য, ভাস্কৰ্য - এই তিনিওটা শিল্পই অতি ওচৰ-সম্পৰ্কিত। তিনিওটাই ৰৈখিক কলা। আনহাতে তিনিওটাৰ ভিতৰত পৰিৱেশ্য কলা হিচাপে নৃত্যৰ মাজত দৰ্শকে নৃত্যই প্ৰকাশ কৰা সকলো ভাব, অনুভূতি আৰু আনন্দ, চলমান জীৱন্ত ৰূপত প্ৰত্যক্ষ আৰু উপভোগ কৰিবলৈ সুবিধা পায়।

চিত্ৰসূত্ৰত চিত্ৰাংকনক নিখুঁত আৰু বাস্তৱসম্মত কৰি তুলিবৰ কাৰণে অন্তৰ্ভুক্ত কৰা জোখ-মাখৰ নিৰ্দেশ মন কৰিবলগীয়া। চিত্ৰসূত্ৰই মানুহৰ শৰীৰৰ দৈৰ্ঘ্যৰ ওপৰত ভিত্তি কৰি মানুহক পাঁচোটা ভাগত ভগাইছে ঃ শংখ, ভদ্ৰ, মালৱ্য, ৰুচক আৰু শশক। প্ৰত্যেক মানুহৰ শৰীৰৰ জোখ-মাখ লোৱাৰ মাধ্যম হ'ল নিজৰ নিজৰ আঙুলিৰ জোখ। উদাহৰণস্বৰূপে শংখ শ্ৰেণীৰ উচ্চতা হ'ল নিজৰ আঙুলিৰে ১০৮ আঙুল, তেনেকৈ ভদ্ৰৰ ক্ষেত্ৰত ১০৬ আঙুল, মালৱ্যৰ ক্ষেত্ৰত ১০৪ আঙুল, ৰুচকৰ ক্ষেত্ৰত ১০০ আঙুল আৰু শশকৰ ক্ষেত্ৰত ৯০ আঙুলৰ উচ্চতাৰ মান গ্ৰহণ কৰা হৈছে। তদুপৰি আৰু এটা মান ব্যৱহাৰ কৰি দৈৰ্ঘ্য আৰু প্ৰস্থ নিৰূপণ কৰা হয়। এই আঙুল আৰু তালৰ মান এনেভাৱে নিৰ্ধাৰিত যে শৰীৰৰ জোখ-মাখত কোনো বিভ্ৰান্তি ঘটাৰ সম্ভাৱনা নাই। উদাহৰণ স্বৰূপে ভৰিৰ তলুৱাৰপৰা সৰু গাঁঠিলৈকে উচ্চতাৰ জোখ হ'ল ৪ ভাগৰ ১ তাল, অৰ্থাৎ ৩ আঙুল; সৰু গাঁঠিৰপৰা আঁঠুলৈকে ২ তাল অৰ্থাৎ ২৪ আঙুল। উৰুৰ জোখো সদৃশ। মানুহৰ যৌনাংগৰপৰা নাভিলৈকে ১ তাল, নাভিৰপৰা বুকুলৈ ১ তাল, বুকুৰপৰা ডিঙিলৈকে ১তাল। ডিঙিৰ জোখ হ'ল ১ তালৰ ৩

ভাগৰ ১ ভাগ, অৰ্থাৎ ৪ আঙুল আৰু মুখমণ্ডলৰ জোখ হ'ল ১ তাল। কপালৰ ওপৰৰপৰা মূৰৰ জোখ হ'ল ১ তালৰ ৬ ভাগৰ ১ ভাগ, অৰ্থাৎ ২ আঙুল। মানুহৰ হাতৰ তলুৱাৰ দৈৰ্ঘ্য হ'ল ১ তাল আৰু বাহুৰ দৈৰ্ঘ্য হ'ল ১৭ আঙুল।

কেৱল যে দৈৰ্ঘ্যৰ জোখকে চিত্ৰসূত্ৰই নিৰ্দেশ কৰিছে এনে নহয়, প্ৰতিটো অংগৰ দৈৰ্ঘ্য আৰু প্ৰস্থ দুয়োটাৰে জোখ নিৰ্দেশ কৰিছে। চিত্ৰসূত্ৰৰ ৩৬ সংখ্যক অধ্যায়ত শৰীৰৰ বিভিন্ন অংগৰ জোখ নিৰ্দেশ কৰি কৈছে যে মানুহৰ মূৰৰ বেধ হ'ল ৩২ আঙুল, কপালৰ দৈৰ্ঘ্য আৰু প্ৰস্থ হ'ল ক্ৰমে ৪ আৰু ৮ আঙুল, মানুহৰ মূৰৰ কুম হ'ল ৪ আঙুল, গাল ৫ আঙুল, থুঁতৰি ২ আঙুল, কাণ ২ আঙুল বহল আৰু ৪ আঙুল দীঘল, কাণৰ বিন্ধা হ'ল ১ আঙুল, নাক চাৰি আঙুল দীঘল, ২ আঙুল ওখ আৰু ৩ আঙুল বহল। নাকৰ বিন্ধা ১ আঙুল বহল আৰু ২ আঙুল দ। নাক আৰু ওঁঠৰ ওপৰৰ অংশৰ মাজৰ জোখ হ'ল ১ আঙুল, তলৰ ওঁঠ ১ আঙুল, ওপৰৰ ওঁঠো ১ আঙুল, মুখ ৪ আঙুল বহল। মানুহৰ ৩২ টা দাঁতৰ ভিতৰত ২৪ টাৰ উচ্চতা হ'ল আধা আঙুল আৰু আঠোটা কুকুৰ-দাঁতৰ উচ্চতা হ'ল ১ আঙুল আৰু ১ আঙুলৰ ১২ ভাগৰ ১ ভাগ। চকু ১ আঙুল বহল আৰু ৩ আঙুল দীঘল। ভ্ৰূ বা চেলাউৰি হ'ল আধা আঙুল ডাঠ আৰু ৩ আঙুল দীঘল, দুয়ো চেলাউৰিৰ মাজৰ খালী ঠাইৰ দৈৰ্ঘ্য হ'ল ১ আঙুল। চকুৰ গুৰিৰ পৰা কাণৰ বিন্ধাৰ দৈৰ্ঘ্য হ'ল ৪ আঙুল। ডিঙিৰ উচ্চতা হ'ল ১০ আঙুল আৰু বেধ ২১ আঙুল। দুয়ো স্তনৰ মূৰৰ দূৰত্ব হ'ল ১৬ আঙুল, ডিঙিৰ হাড়ৰপৰা স্তনবৃন্তলৈ হ'ল ৬ আঙুল, কিলাকুটিৰ বেধ হ'ল ১৬ আঙুল, তলুৱাৰ ক্ষেত্ৰ ৭ আঙুল, মধ্যম আঙুলিৰ দৈৰ্ঘ্য ৫ আঙুল, তৰ্জনী আঙুলিৰ দৈৰ্ঘ্য ৪ আঙুল, অনামিকা আঙুলিৰ দৈৰ্ঘ্য ৪ আঙুল আৰু কনিষ্ঠ আঙুলিৰ দৈৰ্ঘ্য ই দুটাতকৈ কম। নখৰ দৈৰ্ঘ্য আধা আঙুল, বুঢ়া আঙুলিৰ দুটা পাবেৰে সৈতে ৩ আঙুল আৰু তলপেটৰ বেধ হ'ল ৪২ আঙুল আৰু পুৰুষাংগৰ দৈৰ্ঘ্য হ'ল ৬ আঙুল। আঁঠুৰ প্ৰস্থ হ'ল ৮ আঙুল আৰু বেধ হ'ল ১২ আঙুল, ভৰিৰ সৰু গাঁঠিৰ ওপৰৰ প্ৰস্থ হ'ল ৫ আঙুল আৰু বেধ হ'ল ১৪ আঙুল, ভৰিৰ পতাৰ দৈৰ্ঘ্য ১ তাল আৰু বুঢ়া আঙুলিকে ধৰি প্ৰস্থ হ'ল ৬ আঙুল, বুঢ়া আঙুলিৰ দৈৰ্ঘ্য ৩ আঙুল আৰু দ্বিতীয় আঙুলিটো সমান দৈৰ্ঘ্যৰ। ভৰিৰ পতাৰ উচ্চতা ১ আঙুল, কিন্তু গোৰোহাৰ উচ্চচা ৩ আঙুল আৰু আঙুলিত ভৰ দি





থিয় হৈ দিলে ৮ আঙুল।

শংখ শ্ৰেণীৰ মানুহৰ শৰীৰৰ ভিত্তিত নিৰ্ধাৰিত এই জোখ আনুপাতিকভাৱে অন্যান্য শ্ৰেণীৰ ক্ষেত্ৰতো প্ৰযোজ্য। বিভিন্ন শ্ৰেণীৰ মানুহৰ পৰিচয় ফুটাই তুলিবৰ কাৰণে আঙুলিয়াই দিয়া বিশেষত্বসমূহ হ'ল এনেধৰণৰ ঃ শংখ — মৌ ৰঙৰ চকু, জোনৰ দৰে উজ্জ্বল বৰণ, হাতীৰ শুঁৰৰ দৰে বাহু, ৰাজহাঁহৰ দৰে গমন, সুন্দৰ কঁকাল আৰু মনোৰম মুখমণ্ডল;

ভদ্ৰ — ঘন ডাঢ়ি, গজগমন, উদাৰ মনোভাবাপন্ন, সুৱলিত গম্ভীৰ বাহু, আৰু পদুমৰ দৰে বৰণ;

মালব্য — গাৰ ৰং সেউজীয়া মাহ গুটিৰ দৰে, খামুচীয়া কঁকাল, দেখাত তৎপৰ, হাত আঁঠুলৈকে পৰি থকা, কান্ধ বহল, নাক আৰু থুঁতৰি ডাঙৰ, চকু শৰত কালৰ দৰে সুন্দৰ, ডিঙি শংখৰ আকৃতিৰ, বলশালী, উদাৰ মনৰ, সত্যবাদী আৰু উচ্চ অভিৰুচি সম্পন্ন।

শশক — বৰণ গাঢ় ৰঙা নাইবা পাতল ধোঁৱা বৰণীয়া নাইবা মিশ্ৰিত বৰণৰ, গাল পৰিপূৰ্ণ, চকুৰ ৰঙ মৌ-ৰঙা আৰু চতুৰ।

পুৰুষৰ দৰেই ৩৭ সংখ্যক অধ্যায়ত নাৰীৰ বিৱৰণো দিছে। নাৰীৰ জোখৰ কথা কওঁতে সমশ্ৰেণীৰ পুৰুষৰ কান্ধৰ সমান উচ্চতা আৰু সমশ্ৰেণীৰ পুৰুষৰ কঁকালৰ জোখতকৈ দুআঙুল কম কঁকালৰ জোখৰ কথা নিৰ্দেশ কৰা হৈছে। তদুপৰি পুৰুষতকৈ তপিনাৰ উচ্চতা ৪ আঙুল অধিক নিৰ্দেশ কৰিছে। পাঁচ শ্ৰেণীৰ পুৰুষক যিদৰে দেৱৰূপত কল্পনা কৰা হৈছে, তেনেভাৱে নাৰীৰ ক্ষেত্ৰতো আকৃতি আৰু প্ৰকৃতি নিৰ্দেশিত হৈছে। কোৱা হৈছে বুকুৰ জোখৰ অনুপাতে স্তনদ্বয় সৌন্দৰ্য-ধাৰক স্বৰূপে আঁকিব লাগিব।

চক্ৰৱৰ্তী ৰজাৰ ক্ষেত্ৰত আঙুলি ঘনকৈ, চকু পাক খাই থকাকৈ মনোৰমভাৱে আঁকিব লাগে। ৰাজকুমাৰৰ ক্ষেত্ৰত হাতৰ তলুৱাত চুলিৰ দৰে পাতল, তেজৰ দৰে ৰঙা প্ৰধান ৰেখাসহ সূক্ষ্ম, সৰু ৰেখা থাকিব লাগে; চুলি হ'ব লাগে পাক খোৱা, ঢৌ খেলোৱা, মিহি আৰু কোমল। লগতে হ'ব লাগে ভালদৰে প্ৰতিপালিত উজ্জ্বল, তেল সানি আঁচোৰাৰ দৰে আৰু কলীয়া ডাৱৰৰ দৰে। চুলিৰ বিন্যাস অনুসৰি কুন্তল, দক্ষিণাৱৰ্ত (সোঁফালে ঘোৰ খাই থকা), তৰংগ (ঢৌ খেলোৱা), সিংহ কেশৰ, ৰৰ্ধৰ (দীঘল) আৰু জুটাটসৰ (কেঁকোৰা)।

এনে পুৰুষৰ চকু ধনু আকৃতিৰ, মাছৰ পেটৰ দৰে, ক'লা আৰু নীলা বা ৰঙা পদুমৰ দৰে উজ্জ্বল হ'ব লাগে। পঞ্চম বিধ আকৃতিৰ চকু হ'ল শংখাকৃতিৰ চকু। ধনুষাকৃতিৰ চকুৰ জোখ তিনি যৱ, মৎসোদৰাকৃতি চকুৰ জোখ চাৰি যৱ, নীল পদ্মাকৃতি চকুৰ জোখ ছয় যৱ আৰু ৰক্ত পদ্মাকৃতি চকুৰ জোখ ন যৱ। যোগাসনত বহি চকু জপাই থওঁতে হোৱা আকৃতি এনে জোখৰ দ্বাৰা নিৰ্ণয় কৰা হয়।

মৎস্যোদৰাকৃতি চকু ব্যৱহাৰ কৰা হয় নাৰীৰ ক্ষেত্ৰত অথবা প্ৰেম-জৰ্জৰসকলৰ ক্ষেত্ৰত। নীলোৎপলাকৃতি চকু ব্যৱহাৰ কৰা হয় স্থিৰ আৰু আৱেগবৰ্জিতসকলৰ ক্ষেত্ৰত। তেনেদৰে ৰক্তপদ্মাকৃতি চকু ব্যৱহাৰ কৰা হয় ভীতা বা ক্ৰন্দনৰতা নাৰীৰ ক্ষেত্ৰত। শংখাকৃতি চকু ক্ৰোধ, যন্ত্ৰণা আৰু উদ্বিগ্নতা প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা হয়।

চিত্ৰসূত্ৰই ইয়াতোকৈ সূক্ষ্মতৰ প্ৰয়োগবিধিও নিৰ্দেশ কৰিছে। চৰিত্ৰৰ বয়স, অৱস্থা, মৰ্যাদা আৰু লিংগ অনুসৰি ৰঙ আৰু ৰেখাৰ সূক্ষ্মতৰ প্ৰয়োগৰ ওপৰত চিত্ৰসূত্ৰই বিশেষ গুৰুত্ব দিছে। ৩৮ সংখ্যক অধ্যায়ত ৰজা বজ্ৰক মাৰ্কণ্ডেয়ই কৈছে, নীলোৎপলাকৃতি চকুৰ কোণৰ অংশ ৰঙা, মণি ক'লা, চকুৰ নোম দীঘলীয়া, ভাব কোমল, ধুনীয়া আৰু মনোৰম হ'ব লাগে। একে আকৃতিৰ বহল পদুমৰ দৰে ৰঙা ৰঙৰ কোণেৰে মনোৰম সুন্দৰ চকু, সমৃদ্ধি আৰু সন্তোষৰ নিৰ্দেশক। এনে ক্ষেত্ৰত মুখখন হ'ব লাগে সামঞ্জস্যপূৰ্ণভাৱে কিছু পৰিমাণে বৰ্গ ক্ষেত্ৰাকৃতি, বেঁকা নাইবা ত্ৰিকোণাকৃতি নোহোৱাকৈ মনোৰম আৰু পৱিত্ৰ ভাবৰ প্ৰকাশক স্বৰ্গীয় বা যোগ্য ভাবনাযুক্ত চৰিত্ৰৰ ক্ষেত্ৰত চকুৰ নোম আৰু ভ্ৰূৰ বাহিৰে শৰীৰৰ আন কোনো ঠাইত চুলি বা নোম ব্যৱহাৰ কৰিব নালাগিব। তদুপৰি তেওঁলোকৰ বয়স ষোল্ল বছৰীয়া যুৱকৰ দৰে হ'ব। তেওঁলোকৰ চকু-মুখত হাঁহি বিৰিঙি থাকিব আৰু মূৰত মুকুট, কাণত কুণ্ডল, ডিঙি, বাহু আৰু মণিবন্ধত হাৰ থাকিব। তেওঁবিলাকে পৱিত্ৰ ফুলৰ মালা, ডাঙৰ কটিবন্ধ আৰু ভৰিতো অলংকাৰ পিন্ধিব। তেওঁলোকৰ শৰীৰত উত্তৰীয় থাকিব, খোপাত ফুলৰ মালা থাকিব, আঁঠুৰ তললৈকে পৰাকৈ পৰিধেয় বস্ত্ৰ থাকিব। তেওঁবিলাকৰ মূৰৰ পিছফালে পৱিত্ৰ পোহৰৰ আনুপাতিক জোখৰ বৃত্ত থাকিব আৰু দৃষ্টি হ'ব বিকাৰমুক্ত। ওপৰলৈ কৰা দৃষ্টিয়ে মৃত্যুৰ আশংকা দূৰ কৰা,





তললৈ কৰা দৃষ্টিয়ে দুখ, কাষলৈ কৰা দৃষ্টিয়ে সম্পদ আৰু ভীত দৃষ্টিয়ে মৃত্যুৰ সংকেত দিয়ে।

কোনো শ্ৰেষ্ঠ মানুহৰ ছবি জোখতকৈ সৰু বা ডাঙৰকৈ, বীভৎস ৰঙেৰে, মুখ মেলি থকাকৈ বা হাউলি থকাকৈ আঁকিব নালাগে। আকৃতিৰ বিভিন্ন প্ৰকাৰৰ বিকৃতিয়ে কোনভাৱে ক্ষুধা, পিপাসা, দুখ, যন্ত্ৰণা, ভয় ধ্বংস, মৃত্যু আদি নিৰ্দেশ কৰে সেই বিষয়ে চিত্ৰসূত্ৰই বিশেষ গুৰুত্ব দিছে। উদাহৰণস্বৰূপে মেল খাই থকা মুখে পৰিয়ালৰ ধ্বংস, পশ্চিমলৈ কৰা দৃষ্টিয়ে সন্তানৰ অমংগল, অনুপাতহীন আকাৰে ধ্বংস আদি নিৰ্দেশ কৰে। সেইবাবে চিত্ৰ যাতে সুদৃশ্য, সুপৰিকল্পিত, সুবিন্যস্ত হয় তাৰ ওপৰত গুৰুত্ব দিবলৈ বাৰে বাৰে কোৱা হৈছে। উল্লেখযোগ্য যে চিত্ৰসূত্ৰ প্ৰধানতঃ ৰজা বজ্ৰৰ উপযোগিতাৰ কথা চকুৰ আগত ৰাখি মাৰ্কণ্ডেয়ই ব্যক্ত কৰিছে। ইয়াৰ দ্বাৰা এটা কথা প্ৰতীয়মান হয় যে ৰজা বা সমপৰ্যায়ৰ যিসকল ব্যক্তিয়ে নিজৰ আনন্দৰ বাবে আৰু কক্ষ বা প্ৰাসাদ অলংকৰণৰ বাবে ছবি আঁকাইছিল বা আঁকোৱাৰ সম্ভাৱনা আছিল তেনে লোকৰ মনত যাতে কোনো ছবিয়ে মৃত্যু, অমংগল, ধ্বংস আদি ভাব ফুটাই নোতোলে তাৰ প্ৰতি দৃষ্টি ৰাখি আঁকিবলগীয়া আৰু নলগীয়া ছবিৰ সূত্ৰ প্ৰণয়ন কৰা হৈছিল। মন কৰিবলগীয়া কথা এয়ে যে আঁকিবলগীয়া ছবিৰ জোখ-মাখৰ কথা কওঁতে নলগীয়া ছবিৰ জোখ-মাখৰ বিৱৰণো স্পষ্ট কৰি দিয়া আছে।

চিত্ৰসূত্ৰৰ ৩৯ সংখ্যক অধ্যায়ত আকৃতি, অংগ সঞ্চালন, ৰং আৰু ভাবৰ আধাৰত ৯টা ধৰণৰ মাংগলিক অৱস্থিতি দাঙি ধৰা হৈছে। সেইকেইটা হ'ল সকলো প্ৰকাৰে সামঞ্জস্যপূৰ্ণ আনুপাতিক জোখ-মাখৰ ভিত্তিত অংকিত, সমুখলৈ চাই থকা সম্পূৰ্ণ সুসজ্জিত আৰু অলংকৃত ছবি; এই অৱস্থানৰ নাম ঋজ্বাগত। পৰিপূৰ্ণ মুখেৰে, বুকু, পেট, কঁকাল, বাহু উৰু, নাক, ওঁঠ আদি সামান্য সৰুকৈ অঁকা চিত্ৰক কোৱা হয় অনৃজু; যি চিত্ৰত কপাল, ভ্ৰূ আৰু নাকেৰে সৈতে মুখ ওপৰলৈ কৰি চকু সামান্য জাপ খুৱাই শৰীৰৰ আধা সম্পূৰ্ণ দৃশ্যমান কৰি যৎসামান্য কাষৰীয়াকৈ অঁকা হয় তেনে চিত্ৰক বোলা হয় সাচিকৃত; তেনেভাৱে মুখৰ এটা অংশ স্পষ্ট কৰি তোলা, সম্পূৰ্ণ এটা দিশ স্পষ্ট কৰি তোলা, প্ৰতিকৃতিৰ মূৰটোৰ ওপৰত অধিক গুৰুত্ব দি অঁকা, পৃষ্ঠদেহ, স্পষ্টকৈ অঁকা মূৰ আংশিকভাৱে দেখুৱাই শৰীৰৰ বাহুৰপৰা উৰুলৈকে স্পষ্ট কৰি অঁকা,

কঁকালৰপৰা তলৰ অংশ অধিক স্পষ্টকৈ অঁকা ছবিসমূহক ক্ৰমে অৰ্ধবিলোচন, পাৰ্শ্বগত, পুৰাবৃত্ত, পৃষ্ঠগত, পৰাবৃত্ত আৰু সমানত — এই নামেৰে নামকৰণ কৰা হৈছে। সকলো জীৱ-জন্তু, মানুহ, প্ৰকৃতি এই নটা অৱস্থানৰ বাহিৰে আঁকিব পৰা অৱস্থান নাই। কেৱল এই ৯টা অৱস্থানৰ উপৰিও বিভিন্ন উপ-অৱস্থান নিৰ্দেশিত হৈছে শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগৰ স্থিতি, সঞ্চালন আৰু ভাবৰ অৱস্থান দেখুৱাবৰ বাবেহে। যেনে ১৩ টা স্থান নিৰ্দেশেৰে ক্ষয়-বৃদ্ধিৰ অন্তৰ্ভুক্ত হৈছে অভিমুখ, অনৃজুগত মধ্যাধাৰ্ধ, অৰ্ধাৰ্ধ, সাচিকৃত মুখ, গণ্ডপৰাবৃত্ত, পৃষ্ঠগত, পাৰ্শ্বগত, উল্লেপা, চলিত, উত্তান, নট আৰু ৱলিত। তেনেকৈ পদযুগলৰ ক্ষেত্ৰত একেলগে থাকিলে সম, আঁতৰি থাকিলে অৰ্ধসম, স্থিৰ হৈ থাকিলে সুস্থিত, সঞ্চালিত অৱস্থাত থাকিলে চলিত — এই নামেৰে নামাংকন কৰা হৈছে। চিত্ৰসূত্ৰত শৰীৰৰ কোনো এটা অংশ বা অংগকে সামঞ্জস্যহীনভাৱে আৰু অসম্পূৰ্ণভাৱে যাতে অঁকা নহয় তাৰ ওপৰত দিয়া গুৰুত্বই ভাৰতীয় চিত্ৰকৰসকলে চিত্ৰাংকনত ভাব, বিষয়, ৰূপ আৰু ৰসৰ কেনে সুষম প্ৰয়োগ কৰিছিল তাৰ সাক্ষ্য দাঙি ধৰে।

চিত্ৰসূত্ৰৰ ৪০ সংখ্যক অধ্যায়ত ছবিৰ বাবে প্ৰয়োজনীয় ৰং - বৰণ কেনেকৈ আৰু কি কি সমলেৰে প্ৰস্তুত কৰিব লাগে আৰু কেনেভাৱে তাৰ প্ৰয়োগ কৰিব লাগে তাৰ বিধি অন্তৰ্ভুক্ত কৰা হৈছে। ছবিত তেলৰ ব্যৱহাৰবিধিও মন কৰিবলগীয়া। মিহি, দানাযুক্ত আৰু খহটা - এই তিনি প্ৰকাৰৰ ইটাগুৰিৰ লগত বোকা মিহলাই তাৰ লগত সুগন্ধি গম এঠা, মৌ, মৌ বাহৰ মম, গুৰ, কুন্দৰ নামৰ এবিধ বন, তেলত বুৰাই থোৱা লুধ্ৰবন (?) — এই সকলোবোৰ সমানুপাতত সানি চূণৰ গুৰি, বেলৰ মণ্ড আৰু বালি যোগ দি মাটিৰ পাত্ৰত এমাহৰ বাবে বুৰাই থ'ব লাগে। এমাহৰ পিছত এই ৰং ব্যৱহাৰ উপযোগী হৈ উঠে। প্ৰাচীৰত অঁকা ছবিৰ বাবে এনে ৰং ব্যৱহাৰ কম হয়।

চিত্ৰসূত্ৰত এই কথাও দাঙি ধৰিছে কেনেকৈ বগা, হালধীয়া, ৰঙা, ক'লা আৰু নীলা - এই প্ৰধান ৰং কেইটাৰ বিভিন্ন প্ৰকাৰৰ মিশ্ৰণেৰে শতাধিক বৰণ সৃষ্টি কৰিব পাৰি। উদাহৰণস্বৰূপে নীলা আৰু হালধীয়া মিহলাই সেউজীয়া আৰু এই সেউজীয়াত অন্যান্য ৰঙৰ আনুপাতিক মিশ্ৰণেৰে বেলেগ বেলেগ বৰণলৈ ৰূপান্তৰ কৰিব পাৰি। সোণ, ৰূপ, তাম, লোহা, মাইকা, লা সেন্দূৰ,





চূণ আদি বিভিন্ন সামগ্ৰীৰ মিশ্ৰণেৰে ৰঙৰ গোন্ধ আৰু বৰণৰ বিশিষ্টতা তৈয়াৰ কৰিব পাৰি। পাৰা, বকুলৰ আঠা, গুলি লোৱা সেন্দূৰ মিহলাই ৰং ডাঠ আৰু শক্তিশালী কৰি তোলাৰ পদ্ধতিৰ কথাও কোৱা হৈছে। চিত্ৰসূত্ৰত মাৰ্কণ্ডেয়ই কৈছে — 'হাতীৰ ছালৰ মণ্ড, দুবৰি বনৰ ৰস আৰু গছৰ ছালৰ আঠা ৰঙত মিহলাই, উচচমানৰ চুলিৰে কৰা তুলিকাৰে অঁকা ছবি পানীৰে ধুই নষ্ট কৰিব নোৱাৰি।

ছবিৰ অংকনৰ ৰীতিৰ ভিত্তিত চিত্ৰসূত্ৰই চাৰিটা প্ৰকাৰ নিৰ্দেশ কৰিছে ঃ সত্য, বৈণিক, নাগৰ আৰু মিশ্ৰ। 'সত্য' ৰীতি হ'ল নিৰ্ভৰযোগ্য ৰীতি। এই ৰীতিয়ে বিষয়ক পৰিপূৰ্ণ ৰূপত দাঙি ধৰাৰ ওপৰত গুৰুত্ব দিছে। প্ৰয়োজন অনুসৰি অন্যান্য বিষয়ৰ লগত সংগতি ৰাখি এই ৰীতিত অংগসমূহ দীৰ্ঘায়িত কৰা হয়। 'বৈণিক'ত কোনো ধৰণৰ অংগৰ সম্প্ৰসাৰণ বা কোনো বিষয়ৰ ৰূপৰ বিকৃতি নঘটাই সম্পূৰ্ণ সমতাপূৰ্ণ জোখৰ ওপৰত গুৰুত্ব দিয়া হয়। 'নাগৰ' ৰীতিত বেছি বিচ্যুতি বা বিকাৰ নঘটোৱাকৈ অংগ-প্ৰত্যংগসমূহ সুৱলিত, দৃঢ় আৰু বলিষ্ঠ ৰূপত দঙি ধৰা হয়। তদুপৰি অলংকাৰ আৰু পুষ্পমাল্য আদিৰে কৰা অধিক অলংকৰণো পৰিহাৰ কৰা হয়। 'মিশ্ৰ' ৰীতি হ'ল চিত্ৰকৰে প্ৰয়োজন বুজি উল্লিখিত ৰীতিসমূহৰ মিশ্ৰণেৰে প্ৰয়োগ কৰা অংকণ ৰীতি।

পোহৰ আৰু ছাঁ প্ৰয়োগেৰে অংকিত বিষয়ৰ ৰূপ পৰিস্ফুট কৰি তুলিবৰ কাৰণে তিনিটা ৰীতি প্ৰয়োগৰ বিধি চিত্ৰসূত্ৰই নিৰ্দেশ কৰিছে। সেইকেইটা হ'ল ঃ পত্ৰকৰ্ত্তন, বিন্দুকৰ্ত্তন আৰু ৰৈখিকৰ্ত্তন। পত্ৰকৰ্ত্তন হ'ল গছপাতত অঁকা ডাঙৰ-সৰু সিৰাবিলাকে কটাকটি কৰি গঢ়ি তোলা আকাৰৰ ভিত্তিত চিত্ৰত ছাঁ-পোহৰ দেখুৱাবলৈ প্ৰয়োগ কৰা ৰীতি। বিন্দুকৰ্ত্তনত বিন্দুৰ ব্যৱহাৰেৰে আৰু ৰৈখিকৰ্ত্তনত ৰেখাৰ ব্যৱহাৰেৰে প্ৰয়োগ কৰা ৰীতি নিৰ্দেশ কৰা হৈছে। ৰেখা আৰু ছাঁ-পোহৰ, অলংকাৰপূৰ্ণ নক্সা, ৰং - এই আটাইবিলাকৰ সূক্ষ্ম আৰু সঠিক ব্যৱহাৰৰ ওপৰত চিত্ৰসূত্ৰই দিয়া গুৰুত্ব মন কৰিবলগীয়া।

৪২ সংখ্যক অধ্যায়ত ৰজা বা ৰাজপুৰুষ; দেৱতা, গন্ধৰ্ব, ঋষি, দৈত্য, দানৱ, মন্ত্ৰী, জ্যোতিষী, ৰাজগুৰু, ব্ৰাহ্মণ — এইসকলোকে 'ভদ্ৰ' পুৰুষৰ জোখত আঁকিবৰ কাৰণে নিৰ্দেশ কৰা হৈছে। কিন্তু তেওঁবিলাকৰ চুলি, গাৰ ৰং, পোছাক আৰু পোছাকৰ ৰং, শিৰস্ত্ৰাণ, কেশবিন্যাস, ভ্ৰূ, চকু ইত্যাদি বিলাক

মৰ্যাদা অনুসৰি হ'ব। কিন্নৰ, নাগ আৰু ৰাক্ষসসকল, 'মালব্য' আকৃতিৰ জোখত অংকিত হ'ব। যক্ষ আৰু গুৰুত্বপূৰ্ণ ব্যক্তি 'ৰুচক' আকৃতিৰ জোখত অংকিত হ'ব। পিশাচ, বাওনা আদিবিলাক নিৰূপিত চাৰিটা জোখৰ বাহিৰত হ'ব। বৈষ্ণৱ 'গণ'সকলৰ এটা মানসম্পন্ন আকৃতি নিৰ্দিষ্ট কৰা হৈছে। কিন্তু তেওঁবিলাকৰো বাসুদেৱ, সংকৰ্ষণ, প্ৰদ্যুম্ন আৰু অনিৰুদ্ধ এই চাৰিটা প্ৰকাৰ নিৰূপণ কৰি দেখুওৱা হৈছে। পাৰিষদসকল 'ৰুচক' জোখত আৰু গৃহিণী তিৰোতাক 'মালব্য' আকাৰত অঁকাৰ নিৰ্দেশ দিয়া হৈছে। তেনেকৈ বৈশ্যক 'ৰুচক' জোখত আৰু শূদ্ৰক 'শশক' জোখত আঁকিব লাগে বুলি কোৱা হৈছে। ইয়াৰ উপৰিও হাতী, ঘোঁৰা, মাউত, অশ্বাৰোহী মানুহ, ৰজাৰ ঘোষক, মালযুঁজাৰু, ব্যৱসায়ী, গায়ক, বাদক, নৰ্তক, বিশিষ্ট নাগৰিক, সাধাৰণ মানুহ, দাস, গৰু, সিংহ, চৰাইকে ধৰি বিভিন্ন পশু-পক্ষী আদিৰ ক্ষেত্ৰত আকৃতি, ৰং, বৰণ, পোছাক, অলংকাৰ, কেশবিন্যাস, অংগ-সঞ্চালন আদি সকলোবিলাক বিষয়ৰ প্ৰকাৰ আৰু জোখ মানি চলিবলৈ কোৱা হৈছে।

ভাৰতীয় চিত্ৰত নদীক নাৰী ৰূপত নিজৰ বাহনত অধিষ্ঠান কৰাই হাতত জলপূৰ্ণ কলহেৰে আঁঠু সামান্য বেঁকাকৈ আঁকিবৰ কাৰণে কোৱা হৈছে। পাহাৰক পুৰুষৰ আকৃতিত আৰু সাগৰকো হাতত ৰত্নপূৰ্ণ পাত্ৰৰে মূৰৰ পিছফালে ঢৌৰ আৱৰ্তনেৰে পুৰুষৰ ৰূপত আঁকিবলৈ দিয়া হৈছে। পৃথিৱী, পাহাৰ, বিভিন্ন গছ-লতাৰে আৰু পশু-পক্ষীৰে পৰিপূৰ্ণ অৰণ্য, প্ৰাসাদ, মন্দিৰ, ব্যৱসায়িক কেন্দ্ৰ, ওখ ৰাজপথেৰে নগৰসমূহ, অ'ত-ত'ত থকা জুপুৰি আৰু শস্যৰ পথাৰেৰে গাঁওসমূহ, যথাযোগ্য ৰূপত দুৰ্গসমূহ আঁকিবৰ কাৰণে নীতি নিৰ্ধাৰণ কৰা হৈছে। জুৱাৰীৰ ক্ষেত্ৰত শৰীৰৰ ওপৰৰ অংশ কাপোৰ খহি থকা, বিজেতাৰ চকুত উজ্জ্বলতা আৰু বিজিতৰ তলমূৰকৈ থকা চকু-মুখৰ ছবি দাঙি ধৰিব লাগে। যুদ্ধক্ষেত্ৰ, শ্মশানক্ষেত্ৰ, দিন, ৰাতি, নক্ষত্ৰসমূহ, ৰৰযুণ আদি কেনেভাৰে চিত্ৰিত হ'ব লাগিব চিত্ৰসূত্ৰই তাৰো প্ৰয়োগবিধি দাঙি ধৰিছে। ঋতুসমূহৰ ক্ষেত্ৰত, আকাশত জ্বলন্ত সূৰ্যৰ আৰু তপত ঘৰ্মাক্ত মানুহৰ ছবিৰে গ্ৰীষ্মকাল; বতৰত ফুলি থকা ফুল, উৰি ফুৰা মৌ, মাতি থকা কুলি, আনন্দ মনেৰে বৈ থকা মানুহৰ ছবিৰে বসন্তকাল; ক'লীয়া ডাৱৰ, ৰামধেনু আৰু বিজুলীৰ চমকনিৰে বৰ্ষা ঋতু; ফলেৰে পৰিপূৰ্ণ গছ, পকা শস্যৰে পৰিপূৰ্ণ পথাৰ, পদুম আৰু ৰাজহাঁহ





থকা জলাশয়ৰ ছবিৰে শৰৎকাল; নিয়ৰ আৰু কুঁৱলীয়ে ঢাকি ধৰা উদং আৰু শুকান পৃথিৱীৰ ছবিৰে হেমন্তকাল আৰু আনন্দেৰে বিচৰণ কৰা গৰু-গাই আৰু হাতীৰ জাক, শীতত কঁপি থকা মানুহ আৰু চাৰিওফালে পৰি থকা বৰফৰ ছবিৰে শীতকাল ফুটাই তুলিবৰ কাৰণে চিত্ৰসূত্ৰই বিৱৰণ দাঙি ধৰিছে। তদুপৰি এই কথাও কৈছে যে চিত্ৰকৰজনে তেওঁৰ চাৰিওফালৰ প্ৰাকৃতিক ৰূপ আৰু ভাব অধ্যয়ন কৰি পত্ৰ-পুষ্পৰে গছ-গছনি আৰু মানুহ আৰু পশু-পক্ষীৰ মনৰ ভাব প্ৰকাশ কৰিব পৰাকৈ ছবি আঁকিব লাগে। এই কথাও কৈছে যে স্থান, কাল, ৰূপ আৰু বয়সৰ লগত সংগতি ৰাখি অঁকা ছবিয়েই ভাল। এখন ভাল ছবিয়ে চিত্ৰকৰৰ উত্তম নান্দনিক দৃষ্টি দাঙি ধৰে। আনন্দদায়ক আকৃতি , ৰঙৰ ব্যৱহাৰৰ পাৰদৰ্শিতা, অৱস্থা অনুসৰি হ'ব পৰা আৱেগৰ সংযত প্ৰকাশ ঘটিলে অন্তৰে বিচৰা আনন্দ চকুৰে ছবিৰ মাজত লাভ কৰে।

চিত্ৰসূত্ৰৰ ৪৩ সংখ্যক অধ্যায়ত নৱৰসৰ প্ৰকাশ কেনেভাৱে ৰং আৰু ৰেখাৰে ফুটাই তুলিব লাগে তাৰ প্ৰয়োগবিধি অন্তৰ্ভুক্ত কৰা হৈছে। শৃংগাৰ ৰসৰ বাবে পুৰুষ বা নাৰীৰ শৰীৰৰ উজ্জ্বলতা আৰু আকৃতিৰ সৌন্দৰ্য ফুটাই তুলিবলৈ প্ৰয়োজনীয় আৰু আকৰ্ষণীয় ৰঙৰ মধুৰতা, অভিৰুচিসম্পন্ন পোছাক আৰু অলংকাৰৰ চিত্ৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। হাস্য ৰস সৃষ্টিৰ ক্ষেত্ৰত আকৃতিৰ বিকাৰ ঘটাই বাওনা, কুঁজা আদি লোকৰ চিত্ৰণৰ কথা কোৱা হৈছে। অভাৱ, নিষ্ঠুৰ, বিচ্ছেদ, আত্মসমৰ্পণ, প্ৰিয়জনক বিক্ৰী কৰি দিয়া ঘটনা আদিয়ে সৃষ্টি কৰা অসহনীয় দুখ ফুটাই তোলাৰ যোগেদি কৰুণ ৰস সৃষ্টিৰ পথ দেখুওৱা হৈছে। কৰ্কশ, অস্বাভাৱিক ক্ৰুদ্ধ, অশ্ৰাব্য শব্দৰ প্ৰয়োগ আৰু চোকা অস্ত্ৰৰ আঘাতৰ ছবিৰে ৰৌদ্ৰ ৰস ফুটাই তুলিব পাৰি বুলি বিবৃত হৈছে। বীৰ ৰসৰ ক্ষেত্ৰত থুপ খাই থকা ভ্ৰূ আৰু মুখত মিচিকিয়া হাঁহিৰে আত্মাভিমানী সম্ভ্ৰান্ত চেহেৰা ফুটাই তোলাৰ উদাহৰণ দাঙি ধৰা হৈছে। ভয়ানক ৰসৰ চিত্ৰৰ উদাহৰণ স্বৰূপে ভীতি সঞ্চাৰক দুষ্ট, অবাধ্য, পাগল, ক্ষতিকাৰক আৰু হত্যাৰ মনোভাৱৰ ছবিৰ কথা কোৱা হৈছে। বীভৎস ৰসৰ সৃষ্টিৰ ক্ষেত্ৰতো শ্মশানৰ ছবি, নিষিদ্ধ হত্যা ইত্যাদি ঘটনাৰ উদাহৰণ দাঙি ধৰা হৈছে। ঠিক তেনেভাৱে নঘটিবলগীয়া ঘটনা ঘটাৰ ক্ষেত্ৰত অদ্ভুত ৰস, শান্ত আৰু সৌম্য ভাৱ প্ৰকাশ কৰিবৰ কাৰণে শান্ত ৰস প্ৰকাশৰ ছবিৰ কথা উল্লেখ কৰা হৈছে।

কোন ৰসৰ ছবি কেনেধৰণৰ ঠাইত আঁকিব সেই বিষয়েও চিত্ৰসূত্ৰই নীতি নিৰ্ধাৰণ কৰি থৈছে। কোৱা হৈছে যে থকা কক্ষ বা প্ৰাসাদত বা ঘৰত শৃংগাৰ, হাস্য আৰু শান্ত ৰসৰ ছবিহে অংকন কৰিব লাগে। থকা ঘৰত বাকী ৰসৰ ছবি অংকন কৰিব নালাগে। সকলো ভাব আৰু ৰসৰ ছবি মন্দিৰ আৰু প্ৰাসাদৰ প্ৰাচীৰত অংকন কৰিব পাৰি; কিন্তু ৰাজপ্ৰাসাদৰ থকা অংশত শৃংগাৰ, হাস্য আৰু শান্ত ৰসৰ বাহিৰে অন্যান্য ৰসৰ ছবি অংকন কৰা নিসিদ্ধ। ৰাজহুৱা ঘৰ, ৰাজদৰবাৰ, মন্দিৰ আদিৰ বহিৰে অমংগলসূচক কোনো ভাবৰ ছবি, শ্মশানৰ ছবি, উত্তেজনামূলক ছবি, মৃত্যুৰ ছবি, যন্ত্ৰণাৰ ছবি আদি আন কোনো ঠাইত অংকন কৰিব নোৱাৰিব। থকা ঘৰত মংগলসূচক ছবি, যুদ্ধৰ ছবি যেনে হাতীয়ে দাঁতত তুলি লৈ থকা কোনো সম্পত্তিৰ ঘট, বলধে শিঙেৰে দাঙি লোৱা কোনো সম্পদ, বিদ্যাধৰ, সাধু, ঋষি, গৰুড়, হনুমান আদিৰ ছবি অংকন কৰাত বাধা নাই। চিত্ৰসূত্ৰই চিত্ৰকৰক নিজৰ ঘৰ অলংকৃত কৰিবৰ কাৰণে নিজে ছবি অঁকাটো নিষিদ্ধ কৰিছে। দুৰ্বল অংকন, এঁকা-বেঁকা ৰেখা, ৰঙৰ সামঞ্জস্যহীন মিশ্ৰণ ছবিৰ প্ৰধান দোষ। ভাল ছবিৰ আৱশ্যকীয় গুণৰ কথা চিত্ৰসূত্ৰই নিৰ্দেশ কৰিছে। সেইকেইটা হ'ল ঃ যথাৰ্থ অৱস্থান, অনুপাত, পটভূমি, বিষয়ৰ প্ৰতিসাম্য, মূল বিষয়ৰ সাদৃশ্য আৰু ছবিত ক্ষুদ্ৰ ৰূপত মূল বিষয় ফুটাই তোলাৰ দক্ষতা।

এই উপপুৰাণখনে নিৰ্দেশ কৰিছে অমাংগলিক, বিকৃত, শূন্যতা, কলংকযুক্ত আৰু উত্তেজিত মানুহ, বেমাৰী বা ভীতিগ্ৰস্ত লোক, অবিন্যস্ত চুলিৰে উন্মাদ হৈ থকা লোকৰ ছবি আঁকিব নালাগে। অৰ্থাৎ থকাঘৰত এনে ছবি থকাটো অনুচিত। এই কথাও কোৱা হৈছে — জ্ঞান থকা, সজ প্ৰকৃতিৰ অৰ্হতাসম্পন্ন চিত্ৰকৰে ঘৰত ছবি আঁকিলে গৃহস্থৰ সকলো প্ৰকাৰৰ অপায়-অমংগল দূৰ হয়, বৈষয়িক উন্নতি হয় আৰু গৃহদেৱতা সন্তুষ্ট হয়। য'ত এখন ভাল ছবি অঁকা হয় সেই ছবিয়ে সেই ঠাইৰ শূন্যতাকে দূৰ নকৰে, পুৰুষাৰ্থ, ধৰ্ম, অৰ্থ, কাম - এই চাৰিওটিৰে মাংগলিক ফল দান কৰে।

চিত্ৰকৰৰ প্ৰতিভা সম্পৰ্কে চিত্ৰসূত্ৰই কৈছে — যি চিত্ৰকৰে কোনো অলংকাৰ নিদিয়াকৈ কাণ এখন স্বাভাৱিক ৰূপত আঁকিব পাৰে, যি শৰৰ আঘাতত আহত হৈ যন্ত্ৰণাকাতৰ অৱস্থাত থকা মানুহৰ ছবি ফুটাই তুলি পাৰে, যি চিত্ৰকৰে





বয়সৰ ৰেখাৰে সৈতে এজন বয়সীয়া মানুহৰ প্ৰতিচ্ছবি ফুটাই তুলিব পাৰে, যি চিত্ৰকৰে বতাহৰ গতি ঢৌ আৰু কঁপনি, জুই আৰু ধোঁৱাৰ শিখা আৰু কঁপনি আঁকিব পাৰে, যি চিত্ৰকৰে বতাহে কোবাই থকা পতাকা আৰু পোছাকৰ ছবি ফুটাই তুলিব পাৰে, যিজনে শুই থকা জীৱন্ত গাহৰি এটা আৰু মৃত গাহৰি এটাৰ পৃথকতা ফুটাই তুলিব পাৰে, যি ছাঁ-পোহৰৰ প্ৰয়োগেৰে কোনো বিষয়ৰ উচ্চতা আৰু গভীৰতা ফুটাই তুলিব পাৰে, তেনে চিত্ৰকৰেই যথাৰ্থতে প্ৰতিভাবান চিত্ৰকৰ।

কোনো চিত্ৰত সৰহ সংখ্যক মানুহৰ ছবি আঁকিবলৈ হ'লে এটাৰ সন্মুখত আন এটা ছবি নাআঁকি সমগ্ৰ ছবিখনত সংখ্যা আৰু ৰূপ দুয়োটাই যাতে যথাযথভাৱে ওলায় তালৈ চকু দিবলৈ কোৱা হৈছে। তদুপৰি ছবিৰ দৰে সোণ, ৰূপ, তাম আদি ধাতুত কটা মূৰ্তিৰ ক্ষেত্ৰতো শিল্পীজনে তেওঁৰ চাৰিওফালে দেখা মানুহকে আৰ্হি হিচাপে ল'বলৈ কৈছে। শিল, কাঠ বা ধাতুত কটা মূৰ্তিৰ ক্ষেত্ৰতো চিত্ৰত প্ৰয়োগ কৰা বিধিকে অনুসৰণ কৰিব লাগে। অৰ্থাৎ ভাৱ প্ৰকাশৰ ক্ষেত্ৰত আৰু আকৃতিৰ যথযোগ্যতাৰ ক্ষেত্ৰত পালন কৰিবলগীয়া নিয়মৰ মাজত পৃথকতা নাই। মাটি আৰু ধাতুৰে কৰা মূৰ্তিৰ ক্ষেত্ৰতো এনে পদ্ধতিয়েই প্ৰযোজ্য। অৱশ্যে এনে মূৰ্তিৰ ক্ষেত্ৰত দুই ধৰণৰ মূৰ্তি কৰা হয় ঃ ধাতু, শিল, কাঠ আৰু মাটিৰে কৰা পৰিপূৰ্ণ মূৰ্তি; আৰু কাঠ, ধাতু, জন্তুৰ ছাল আদিৰে কৰা ভিতৰটো ফোপোলা মূৰ্তি। জন্তুৰ ছালেৰে কৰা মূৰ্তিৰ ক্ষেত্ৰত ওপৰত বোকাৰ প্ৰলেপ সানি চিত্ৰিত কৰিব লাগে।

মাৰ্কণ্ডেয়ই বিষ্ণু ধৰ্মোত্তৰ পুৰাণৰ ৩৫ সংখ্যক অধ্যায়ৰপৰা ৪৩ সংখ্যক অধ্যায়লৈকে মুঠ ৯ টা অধ্যায়ৰ ২৮৬ টা শ্লোকত সন্নিবিষ্ট কথাৰে ভাৰতীয় চিত্ৰাংকন পদ্ধতিৰ বিৱৰণ দাঙি ধৰিছে। শেহৰ চাৰিটা শ্লোকত (২৮৭-২৯০) কৈছে, 'হে ৰাজন, চিত্ৰাংকন সম্পৰ্কে আপোনাৰ এইখিনি কথা অতি চমুকৈ জনালোঁ; কাৰণ আনকি কেইবাশ বছৰতো ইয়াক বিস্তাৰিতভাৱে কৈ শেষ কৰা সম্ভৱ নহয়। যি কথা ইয়াত ব্যাখ্যা কৰা হোৱা নাই সেই কথা নৃত্যৰ শাখাৰপৰা গ্ৰহণ কৰি যোগ দিব লাগিব।" তেওঁ আকৌ ক'লে, 'সকলো কলাৰ ভিতৰত চিত্ৰই শ্ৰেষ্ঠ। ই ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ ফল দান কৰে। যি ঘৰত ভাল চিত্ৰ প্ৰতিষ্ঠাপিত হয় সেই ঘৰলৈ সৰ্বশ্ৰেষ্ঠ মংগলৰ আগমন ঘটে। যিদৰে

সুমেৰু হ'ল পৰ্বত শ্ৰেষ্ঠ, গৰুড় হ'ল পক্ষী-শ্ৰেষ্ঠ, ৰজা হ'ল নৰ-শ্ৰেষ্ঠ সেইদৰে সকলো সুকুমাৰ কলাৰ ভিতৰত শ্ৰেষ্ঠ চিত্ৰ হ'ল আটাইতকৈ অধিক প্ৰশংসনীয়।"

চিত্ৰসূত্ৰই যিদৰে শিল্পৰ সকলো কাৰিকৰী দিশ বিস্তৃত আৰু সূক্ষ্মভাৱে বিচাৰ কৰিছে তাৰ দ্বাৰাই চিত্ৰবিদ্যাৰ চৰ্চা আৰু অনুশীলন প্ৰাচীন ভাৰতবৰ্ষত কিমান গুৰুত্ব সহকাৰে কৰা হৈছিল সেই কথা প্ৰমাণিত হয়। তদুপৰি আটাইতকৈ মন কৰিবলগীয়া কথা হ'ল যে ভাৰতবৰ্ষত চিত্ৰকে ধৰি সকলো সুকুমাৰ কলাৰ লগত আধ্যাত্মিক ভাৱনা অবিচ্ছেদ্যভাৱে সংযুক্ত হৈ আছে। অৰ্থাৎ বৈষয়িক আৰু আধ্যাত্মিক মংগল সাধনত সুকুমাৰ কলাৰ ভূমিকা নিৰূপণ কৰি থোৱা হৈছে। চিত্ৰসূত্ৰই ইয়াৰ প্ৰমাণ ধৰি ৰাখিছে।

খ্ৰীষ্টপূৰ্ব সপ্তম শতিকাৰপৰা খ্ৰীষ্টাব্দ দুই-তিনি শতিকাৰ ভিতৰত ৰচিত হোৱা বুলি অনুমিত বাৎস্যায়নৰ কামসূত্ৰতো চৌষষ্ঠি কলাৰ পৰিচয় সন্নিবিষ্ট হৈছে। প্ৰথম অধিকৰণৰ তৃতীয় অধ্যায়ত আলেখ্য বা চিত্ৰ সম্পৰ্কীয় তথ্যৰ ব্যাখ্যা কৰি ভাষ্যকাৰ পণ্ডিত যশোধৰে চিত্ৰৰ ছটা অংগ নিৰ্দেশ কৰিছে। সেই ছটা অংগ হ'ল ঃ ৰূপভেদ, প্ৰমাণ, ভাব, লাৱণ্যযোজন, সাদৃশ্য আৰু বৰ্ণিকাভংগ (ৰূপাভেদাঃ প্ৰমাণানি ভাবলাৱণ্যযোজনম্)। সাদৃশ্যং বৰ্ণিকাভংগং ইতি চিত্ৰং ষড়ংগকম্।।)

মন কৰিবলগীয়া যে ভাৰতীয় চিত্ৰশিল্পৰ এই ষড়ংগৰ লগত চীন দেশৰ চিত্ৰশিল্পৰ ষড়ংগৰো মিল আছে। অবনীন্দ্ৰনাথ ঠাকুৰে 'ভাৰত শিল্পেৰ ষড়ংগ' নামৰ পুথিখনিত দেখুৱাইছে যে পঞ্চম শতিকাৰ শেহৰ দুটা দশকৰ ভিতৰত চীনৰ চিত্ৰশিল্পৰ পণ্ডিত Hsieh Ho-এ ব্যাখ্যা কৰা ষড়ংগৰ লগত ভাৰতীয় চিত্ৰৰ ষড়ংগৰ মিল আছে। ভাৰতবৰ্ষৰ পৰাই যে চিত্ৰশিল্পৰ শাস্ত্ৰ ভাৰতৰ বাহিৰলৈ গৈছিল তাৰ সংকেত এনেবোৰ তথ্যই দিয়ে। সি যি কি নহওক ভাৰতবৰ্ষত তাৰ বহুকালৰ আগৰে পৰাই যে চৌষষ্ঠি কলাৰ সূত্ৰ ৰচিত আৰু অনুসৃত হৈছিল সেই বিষয়ে সন্দেহ নাই। এনে বিষয়ৰ শাস্ত্ৰসমূহৰ ভিতৰত বিষ্ণু ধৰ্মোত্তৰ পুৰাণৰ চিত্ৰসূত্ৰখণ্ডৰ গুৰুত্ব অনস্বীকাৰ্য। ❑❑





# সময় গৰল আৰু অমৃত

ড° প্ৰহ্লাদ কুমাৰ বৰুৱা

মাছ পানীত থকাৰ দৰে আমি মানুহবোৰো অন্তহীন সময় প্ৰবাহতে জীয়াই থাকোঁ। অথচ আমি সময়ৰ কথা নাভাবোঁ আৰু সময়ৰ মূল্য আৰু গুৰুত্বৰ কথাও নাভাবোঁ। পানী নহ'লেই মাছ থাকিব নোৱাৰে। পানী দূষিত হ'লেও মাছ মৰে। সময় যেতিয়া দূষিত হয়; তেতিয়া মাছ মৰাৰ দৰে মানুহ মৰেনে নমৰে? আমি বিচাৰ কৰোঁনে? আচলতে সময় দূষিত হ'লে মানুহ মৰে। মৰা মানুহে চিন্তা কৰিব নোৱাৰে। দূষিত সময়ে আমাকো মাৰে; সেয়ে আমি চিন্তা কৰিব নোৱাৰোঁ।

সময় এক পৰম ৰহস্য। এই সময়ৰ আদি বা আৰম্ভ কেতিয়া হৈছিল আৰু সেই সময় শেষ হ'ব কেতিয়া — এই প্ৰশ্নৰ উত্তৰ অগোচৰ। কিন্তু আমাৰ জীৱনৰ সীমা আছে। এমূৰে জন্ম আৰু আনটো মূৰত মৃত্যু। জন্ম আৰু মৃত্যুৱেই জীৱন বৃত্তৰ সুমেৰু কুমেৰু। জীৱনৰ দৰে জগতৰো সীমা আছে। Einstein, Roger Penrose, Stephen Hawking আদি বিজ্ঞানীসকলে একমুখে স্বীকাৰ কৰিছে — "The Universe must have a beginning and, possible, an end,"

বিশ্বব্ৰহ্মাণ্ডৰ যিদৰে আৰম্ভণি আৰু শেষ আছে; মানুহৰ জীৱনৰো আৰম্ভণি আৰু শেষ আছে। কিন্তু সময়বোধ আৰু জীৱনৰ মূল্যবোধ উপলব্ধি কৰিব নোৱৰা বাবেই আমি এইবোৰ কথা বুজি নাপাওঁ।

অনাদি আৰু অনন্ত সময়ৰ তুলনাত আমাৰ জীৱন ক্ষুদ্ৰাতি-ক্ষুদ্ৰ এটা বিন্দুৰ সমানো নহয়। আমি ভাবোঁ যে, ষাঠি বছৰ, সত্তৰ বছৰ, আশী বছৰ জীয়াই থকা মানে বহু দীঘলীয়া সময় জীয়াই আছোঁ। অনন্ত সময়ৰ তুলনাত

ষাঠি, সত্তৰ, আশী বছৰ দীঘলীয়া সময় বুলি ভাবিব পাৰিনে?

সি যি নহওক — অনন্ত সময়ৰ তুলনাত আমাৰ জীৱনকাল তেনেই চুটি বুলি বুজি পালোঁ। কিন্তু জীৱন আৰু সময় সম্পৰ্কে এইষাৰেই শেষ কথা নহয়। গুৰুত্বপূৰ্ণ আৰু কথা আছে। সেইবোৰ কথাৰো গম গতি লোৱা উচিত।

জীৱনৰ বাবে সময় পৰম ৰহস্যময়। যি সময়ৰ বুকুতে মানুহৰ জন্ম হয়; সেই একে সময়ৰ বুকুতে জীৱনে মৃত্যুক গ্ৰহণ কৰিব লগা হয়। জন্মৰ বাবেই যিদৰে এটা জীৱনে মৃত্যুক গ্ৰহণ কৰিব লগা হয়, জন্মৰ বাবেই যিদৰে এটা জীৱন পোৱা যায়; মৃত্যুৰ বাবেই সেইদৰে এটা জীৱন হেৰুৱাব লগা হয়। মৃত্যু এক অবাঞ্ছিত ঘটনাও; কিন্তু এই মৃত্যু নথকা হ'লেই হয়তো জীৱনে আমুৱালেহেঁতেন। মৃত্যু আছে বাবেই আৰু মৃত্যু নিশ্চিত বুলি জানো বাবেই জীৱনৰ প্ৰতি ইমান মোহ। জীৱনৰ প্ৰতি গভীৰ মোহ থকাৰ বাবেই আমি ৰোগৰ পৰা মুক্ত হৈ থাকিব খোজোঁ, মৃত্যুৰ পৰা হাত সাৰিবলৈকে আমি সাপ বাঘ আদি হিংস্ৰ জন্তুৰ আক্ৰমণৰ পৰা নিজকে বচাই ৰাখিবলৈ যত্ন কৰোঁ, গাড়ী মটৰৰ খুন্দাত মৃত্যু হোৱাৰ ভয়ত আমি সততে সাৱধানে চলা ফুৰা কৰোঁ। মুঠতে যি মৃত্যু নিশ্চিত বুলি আমি জানোঁ; সেই মৃত্যুৰ পৰা হাত সাৰিবলৈকে আমি নিৰন্তৰ যত্ন কৰোঁ। মৃত্যুৰ পৰা হাত সাৰিবলৈকে আমি নিৰন্তৰ যত্ন কৰোঁ সঁচা অৰ্থাৎ জীৱনটোক পাৰোঁ মানে দীঘল কৰিব খোঁজো। কিন্তু কিহৰ বাবে আমাৰ জীৱন দীঘল হ'ব লাগে — এইষাৰ কথা আমি ভাবোঁনে? যদি ভাবোঁ অথবা প্ৰশ্ন কৰোঁ, তেনেহ'লে তাৰ উত্তৰটো আমাৰ বাবে পূৰ্বপ্ৰস্তুত (Readymade) হৈ আছে যে, জীয়াই থাকিব লাগে জীৱনক সুন্দৰ আৰু মহৎ কৰি তুলিবলৈ। কিন্তু পৃথিৱীৰ সকলো মানুহৰ জীৱন সুন্দৰ আৰু মহৎ হৈ উঠিছেনে? কিছুমানৰ জীৱন সুন্দৰ আৰু মহৎ; কিন্তু কিছুমানৰ মানে সৰহভাগৰ জীৱন সুন্দৰ আৰু মহৎ হোৱাৰ পৰিৱৰ্তে অসুন্দৰ আৰু ক্ষুদ্ৰ অথবা নীচ নহয় জানো? একেই সময় — যাৰ বুকুতে কাৰোবাৰ জীৱন সুন্দৰ আৰু মহৎ হৈ উঠে আৰু বহুতৰে জীৱন অসুন্দৰ, কদাকাৰ, ঘৃণীত, ক্ষুদ্ৰ অথবা নীচ হৈ উঠে কিয়? এই প্ৰশ্নটো এটা মৌলিক প্ৰশ্ন আৰু এই প্ৰশ্নটো আমাৰ আটাইৰে মনত খেলোৱা উচিত।

আচলতে জীৱনক সুন্দৰ আৰু মহৎ কৰা আৰু তাৰ বিপৰীতে জীৱনক অসুন্দৰ আৰু ক্ষুদ্ৰ কৰি তোলাৰ উপাদান সময়ৰ বুকুতে লুকাই থাকে। সুগন্ধি





ফুলৰ সুবাস যেতিয়া বতাহত ভাহি আহি নাকত লাগে; তেতিয়া আমাৰ ভাল লাগে। কিন্তু গেলা পঁচা বস্তুৰ দুৰ্গন্ধ যেতিয়া বতাহত ভাহি আহি নাকত লাগে; তেতিয়া বেয়া লগাই নহয়; স্বাস্থ্যৰ অসুখো হ'ব পাৰে। সময়ো ঠিক বতাহৰ নিচিনা। সময় মূলতঃ এক নিৰ্বিকাৰ গতি প্ৰ ৱাহ। সময়ৰ এই গতি প্ৰৱাহত দুটা বস্তু ভাহি আহে। এটা গৰল অৰ্থাৎ বিহ আৰু আনটো অমৃত। গৰলে মৃত্যু ঘটায় আৰু অমৃতে অমৰত্ব প্ৰদান কৰে। আমি যিবোৰে নিজৰ কুচিন্তা, কুপ্ৰবৃত্তি আৰু কুকৰ্মৰে নিজৰ জীৱনৰ সময়ছোৱা দূষিত কৰোঁ, তেতিয়াই আমাৰ জীৱন অসুন্দৰ আৰু ক্ষুদ্ৰ হয়। এনে জীৱন প্ৰাণেৰে জীয়াই থাকিলেও আচলতে মৃত সদৃশ। মৰা শ মাটিত পৰি থাকি গেলি পচি গ'লে দুৰ্গন্ধ ওলায় আৰু পৰিৱেশ দূষিত কৰি আনৰো ক্ষতি সাধন কৰে। কুচিন্তা, কুকৰ্মৰে যিসকলে নিজৰ জীৱন কদাকাৰ কৰি তোলে; সেই সকলেও নিজৰ চৌপাশৰ সামাজিক স্বাস্থ্যৰ ক্ষতি সাধন কৰে। সৎচিন্তা, সৎকৰ্ম আৰু সৎসংগৰ পৰা নিজকে আতঁৰাই ৰখা মানুহ মাত্ৰেই জীৱনমৃত সদৃশ।

সময়ৰ ৰহস্য এইটোও এটা যে, সময়ৰ বুকুতে গৰল আৰু অমৃত দুয়োটা থাকে। আমি গৰল অৰ্থাৎ বিহ খাই মৰিম; নে অমৃত খাই অমৰত্ব লাভ কৰিম — সেইটো নিৰ্ভৰ কৰিব সময়ৰ বুকুৰ পৰা গৰল বুটলি লৈছোঁ নে অমৃত বুটলি লৈছোঁ; সেইষাৰ কথাৰ ওপৰত। এজন শিক্ষাৰ্থীয়ে শিক্ষা জীৱনত মনপুতি একাগ্ৰচিত্তে অধ্যয়ন কৰাৰ পৰিৱৰ্তে যদি অধ্যয়ন বিমুখ হয়, সৎচিন্তা, সৎকৰ্মৰ পৰা নিজকে আঁতৰাই আনি কুচিন্তাৰ ভঁৰাল স্বৰূপ অসৎ চিন্তা ভাৱনা আৰু অসৎ কৰ্মতহে লিপ্ত হৈ আমোদ পায়; তেনেহ'লে জানিব লাগিব যে, তেনে শিক্ষাৰ্থীয়ে সময়ৰ বুকুৰ পৰা মুঠিয়ে মুঠিয়ে গৰল বুটলি লৈ জীৱনক অসুন্দৰ আৰু ক্ষুদ্ৰ কৰিবলৈহে লৈছে। একেখিনি সময়তে এজন শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণৰ দৰে সৎকৰ্মৰ পৰা আঁতৰি অসৎসঙ্গত অসাধুকাৰ্যত লিপ্ত হৈ থাকে; তেতিয়া তেওঁৰ জীৱন বিষময় হৈ উঠাৰ উপক্ৰম হয়। কিন্তু সেই একেখিনি সময়তে একোজন সুন্দৰসন্ধানী শিক্ষাৰ্থীয়ে যেতিয়া জ্ঞান অন্বেষণৰ দুৰ্বাৰ তাড়নাত গ্ৰন্থৰ সঙ্গত অথবা বিদ্বানজনৰ সংগ লাভ কৰাত গুৰুত্ব দিয়ে; তেতিয়াৰ জানিব লাগিব যে সেইজন শিক্ষাৰ্থীয়ে একেখিনি সময়ৰ বুকুৰ পৰা অমৃত বুটলি লৈ জীৱনক সুন্দৰ আৰু মহৎ কৰাৰ সাধনা কৰিছে।

সময়, অতি নিৰপেক্ষ এক প্ৰবাহ। সময়ৰ চলমানসোঁতত যি যিহকে

পেলাই দিয়ে; নৈৰ সোঁতৰ দৰে উটুৱাই নিয়ে। পাৰ্থক্য মাথোন ইমানেই যে নদীৰ সোঁতত উটি যোৱা বস্তু উটি গুচি যায়; কিন্তু সময়ৰ সোঁতত উটি যোৱা আমাৰ কৰ্মই আমাৰ জীৱনৰ ৰং আৰু ৰূপটো গঢ়ি তোলে। আমি যদি বেয়া কাম কৰোঁ; তেনেহ'লে সেই কু-কৰ্ম কৰা সময়খিনিয়ে আমাক দিব গৰল আৰু যদি ভাল কাম কৰোঁ — তেনেহ'লে ভাল কাম কৰা সময়খিনিয়ে আমাক দিব অমৃত।

জীৱনৰ প্ৰতিটো মুহূৰ্ত্তই যাতে জীৱনলৈ গৰল কঢ়িয়াই আনিব নোৱাৰে; তাৰ প্ৰতি আমি নিৰন্তৰ সচেতন হ'ব লাগিব। আচলতে জীৱনৰ প্ৰতি মুহূৰ্ত্তত সৎ সঙ্গত থাকিব পাৰিলেই জীৱন অমৃতময় হয়, মধুময় হয় আৰু সুন্দৰ আৰু মহৎ হৈ উঠে। Pringle petison এ তেওঁৰ The idea of immortality নামৰ পুথিখনত কৈছে যে, জীৱনক যিসকলে সদ্ব্যৱহাৰ কৰিব নাজানে বা নোৱাৰে; সেইসকল জীয়াই থকাৰ কোনো অৰ্থ নাই। চিন্তাবিদ গৰাকীৰ কথাষাৰ আমি গমি চোৱা উচিত। বাস্তৱ দৃষ্টিভঙ্গীৰে আমাৰ সমাজৰ চাৰি চুকলৈ চকু ফুৰালে আমি আমাৰ নিজৰে সৰহভাগৰে জীয়াই থকাৰ অৰ্থ বিচাৰি পোৱা টান। এইক্ষেত্ৰত আমাৰ সমাজৰ অন্যবোৰ বাদেই — প্ৰধানকৈ শিক্ষাৰ্থী সমাজখনৰ সৰহভাগৰে দুখজনক অৱস্থা এটাই আমাক পীড়া নিদিয়াকৈ নাথাকে। জীৱন অমৃতময় ৰূপে গঢ়ি তোলাৰ আচল সময় হৈছে শিক্ষা জীৱনৰ সময়ছোৱা। জীৱন বিষময় হ'বনে — অমৃতময় হ'ব — এইটো নিৰ্ভৰ কৰে শিক্ষা জীৱনৰ সময়ছোৱাতে। আমাৰ সমাজৰ বুজন সংখ্যক শিক্ষাৰ্থীয়ে অধ্যয়ন বিমুখিতা, অসৎ চিন্তা-ভাৱনা আৰু অসৎ কাৰ্যৰে সময় অতিবাহিত কৰি জীৱনক বিষময় কৰি তোলা দেখা যায়।

সময়ৰ বুকুৰ পৰা মৰণপথ বিচাৰি লোৱাৰ পৰিৱৰ্তে জীৱন প্ৰেৰণাৰ উহবোৰ বাচি ল'ব জানিব লাগে। আমি বহুতে বহু সময়ত ভুল কৰো। বাঘ, কুকুৰ আদি মাংসহাৰী জন্তুবোৰে ক্ষুধা নিবৃত্তিৰ বাবে কেতিয়াবা মৰা জন্তুৰ শুকান হাড় একোডালকে বুটলি আনি দাঁতেৰে কামুৰি থাকে। শুকান হাড়ৰ পৰা একো ৰস নোলায়। অথচ কামুৰি থাকে। হাড়ডাল কামুৰি থাকোতে নিজৰ দাঁতৰ গুৰিৰ পৰা তেজ ওলায় আৰু সেই তেজ হাড়ডালৰ পৰাই ওলাইছে বুলি ভাবি হাড় চোবাই চোবাই নিজৰ তেজকে খাই থাকে। জীৱনৰ প্ৰতিছোৱা সময়তে আমি কেনেধৰণৰ চিন্তা-চৰ্চা কৰিছোঁ, আমি কেনে ধৰণৰ





কাম কৰিছোঁ, সেইটো বিচাৰ বিশ্লেষণ কৰি চোৱা উচিত। যি চিন্তাই, যি কৰ্মই, আমাক জীৱন প্ৰেৰণা নিদিয়ে, জীৱনক সুন্দৰ আৰু মহৎ কৰি তোলাৰ বাটত বাধা দিয়ে; তেনেহ'লে চিন্তা ভাৱনা আৰু কামৰ পৰা আমি সততে আঁতৰি থকা উচিত। অশুভ চিন্তা আৰু অশুভ কাৰ্য মানেই আত্মক্ষয়ংকাৰী। অশুভ চিন্তা-ভাৱনা আৰু অশুভ কাৰ্যত লিপ্ত থকা মানে মাংসহাৰী জন্তুৱে শুকান হাড় চোবাই নিজৰ তেজ খোৱাৰ দৰে হয়।

নিজৰ চিন্তাধাৰা আৰু কৰ্ম অশুভ হ'লে জীৱন যিদৰে বিষময় হয়; সৎচিন্তা সৎকৰ্মই জীৱনক মধুময় কৰি তোলে। সময় চিৰ প্ৰৱাহমান বাবে সময় পাৰ হৈ যোৱা মানেই জীৱন চুটি হৈ অহা। গতিকে একোটা জীৱনে যিখিনি সময় পায়; তাৰ প্ৰতিটো ক্ষণ, প্ৰতিটো মুহূৰ্ত, প্ৰতিটো পল অনুপলৰ পৰাই জীৱনৰ অমৃত বুটলিবলৈ যত্ন কৰিলেহে জীৱনক সুন্দৰ, মহৎ আৰু অমৃতময় কৰি গঢ়ি তুলিব পাৰি। জীৱনক কেনেকৈ সুন্দৰ আৰু মহৎ কৰিব পাৰি — এই বিষয়ত ভৰ্তৃহৰিৰ এষাৰ কথা মনত ৰখা ভাল। সাধুসঙ্গৰ মাহাত্ম্য প্ৰদৰ্শন কৰি ভৰ্তৃহৰিয়ে কৈছে যে — এটোপাল পানী তপত কেৰাহীত পৰিলে চাট্‌কৈ শুকাই নাইকিয়া হয়, পদুমপাতৰ ওপৰত থলে নাবাঢ়েও নুটুটেও; কিন্তু একেটোপাল পানীয়ে স্বাতী নক্ষত্ৰত সাগৰৰ শামুকৰ পেটত সোমালে সিয়ে মুকুতালৈ ৰূপান্তৰ হয়। আমাৰ বাস্তৱ জীৱনতো এইষাৰ কথা ৰজিতা খাই পৰে। কাৰণ আমি যদি যিকোনো প্ৰকাৰ বেয়া কামেৰে সময়বোৰ দূষিত কৰো; তেতিয়া সময় তপত কেৰাহীৰ দৰে হ'ব আৰু তেনে সময়ে আমাৰ জীৱন পুৰি ভস্মিভূত কৰিব। সেইদৰে নিষ্কৰ্মা জীৱন কটাই সময় কটালে আমাৰ জীৱনৰ উন্নতি সম্ভৱ নহয়। কিন্তু নিৰন্তৰ ভাল সঙ্গত ভাল চিন্তা চৰ্চা আৰু ভাল কামেৰে সময় কটালে শামুকৰ পেটৰ পানী মুকুতা হোৱাৰ দৰে আমাৰ জীৱনো উজ্জ্বল হৈ উঠে। মুঠতে একেই সময় — কিন্তু অসৎ চিন্তা আৰু অসৎ কৰ্মৰে সময় কটালে সময়ে জীৱনক দিয়ে গৰল আৰু সেইদৰে সৎচিন্তা, সৎসঙ্গ, সৎকৰ্মৰে সময় কটালে সময় হৈ পৰে ঐশ্বৰ্যমণ্ডিত আৰু এনে সময়ে জীৱনক দিয়ে প্ৰাণচঞ্চলতা, সময়ে জীৱনক দিয়ে গতিছন্দ, ঐশ্বৰ্য, সৌন্দৰ্য, মাধুৰ্য আৰু অমৰত্ব। ❑❑

# ক্ৰোধাৎ ভৱতি ...

ড° জয়কৃষ্ণ মহন্ত

ইতিহাসে ঢুকি পোৱা দিনৰ পৰা আজিলৈকে পৃথিৱীৰ সকলো ভাষাৰ সাহিত্যত, শাস্ত্ৰত, গীতত, উপদেশত এটা কথা বাৰম্বাৰ মানুহক সকীয়াই দিয়া হৈছে যে ক্ৰোধ বা খঙেই মানুহৰ পতনৰ অন্যতম কাৰণ। অতীতৰ ৰজা-মহাৰজাৰ পৰা আৰম্ভ কৰি ঋষি, ধৰ্মগুৰু, পণ্ডিত, ৰাজনীতিক, মহা প্ৰতিভাধৰ, সমাজ সংস্কাৰক, বহু দুৰ্ধৰ্ষ মহাসমৰৰ নায়কসকলৰ পতনৰ কাৰণবোৰ বিশ্লেষণ কৰিলে দেখা যাব যে সৰহভাগ ক্ষেত্ৰতে তেওঁলোক অসংযত ক্ৰোধৰ ফলতেই ধ্বংস মুখত পৰিছিল। ক্ৰোধৰ বশৱৰ্তী হৈ নাভাবি-নিচিন্তি কৰা কামৰ ফলত এনে বহুতো ব্যক্তিয়ে তেওঁলোকৰ জীৱনত উপচি পৰা মান, সম্পদ আৰু প্ৰতিষ্ঠা হেলাতে হেৰুৱাব লগা হৈছিল। সাধাৰণ মানুহৰ জীৱনতো খঙৰ প্ৰভাৱ অপৰিসীম। ক্ৰোধ নামৰ দানৱটোৱে মানুহৰ জীৱনৰ পৰা শান্তিৰ শেষ বিন্দু পৰ্যন্ত শুহি লৈ মহাজীৱনৰ কৰুণাধাৰা সিক্ত কৰ্ষণভূমিক পলকতে উষ্ণ মৰুভূমিলৈ পৰিৱৰ্তন কৰি পেলাব পাৰে।

H. G. Bhon নামৰ পণ্ডিতৰ মন্তব্য এটাৰ মাজেৰে ক্ৰোধৰ স্বৰূপটো বৰ সুন্দৰকৈ ফুটি উঠিছে। তেওঁ কৈছে "Anger begins with folly and ends with repentence" প্ৰকৃততে মূঢ়তা বা অজ্ঞতাৰ বাবেহে মানুহে ক্ৰোধৰ বশৱৰ্তী হৈ নকৰিবলগীয়া কাম বা নক'বলগীয়া কথা কয়। কিন্তু সেই ক্ৰোধৰ যেতিয়া উপশম ঘটে তেতিয়া খঙত কৰা কামৰ কথা ভাবি বিবেক দংশনত ক্ষত-বিক্ষত হৈ মানুহ অনুতাপত দেই-পুৰি মৰে। এতেকে ইয়াৰ অপকাৰ দুতৰপীয়া। অৰ্থাৎ খং উঠাৰ সময়ত অকৰ্ম কৰি বা অবাচ্য কথা কৈ তাৰ বাবে কষ্ট পোৱাৰ উপৰি খং উপশম হোৱাৰ পিছতো ই অনুতাপৰ





ৰূপত মনোকষ্ট দি মানুহক সন্তাপিত কৰিব পাৰে। সেইবাবেই হয়তো আমাৰ শাস্ত্ৰসমূহত এক বাক্যে সকলোৱে খং বা ক্ৰোধক সমস্ত ৰিপু বা শত্ৰুৰ ভিতৰত সবাতোকৈ বলৱান বুলি গণ্য কৰিছে আৰু ইয়াক সঠিক সময়ত সংযমিত কৰিবৰ বাবে বাৰে বাৰে সোঁৱৰাই দিছে।

এই ক্ৰোধ বা খঙৰ উৎপত্তি কিয় হয় আৰু ক'ৰ পৰা হয় আৰু মানৱ মনত তাৰ ক্ৰিয়াৰ প্ৰভাৱ কেনেকুৱা সেই কথাৰ অতি ন্যায়সংগত আৰু বৈজ্ঞানিক ব্যাখ্যা শ্ৰীমদ্‌ভাগৱতগীতাৰ দ্বিতীয় অধ্যায়ৰ ৬২ আৰু ৬৩ সংখ্যক শ্লোক দুটাত অতি সুন্দৰভাৱে পোৱা যায়। গীতাৰ এই শ্লোক দুটাৰ প্ৰথমটো শ্লোকত কোৱা হৈছে —

'ধ্যায়তো বিষয়ান্ পুংসঃ সঙ্গস্তেষুপজায়তে।
সঙ্গাৎ সংজায়তে কামঃ কামাৎ ক্ৰোধোঽভিজায়তে।।'

বিষয়-বাসনাৰ পিছে পিছে ঢাপলি মেলি দৌৰি ফুৰোঁতে, মানুহে ভালপোৱা বস্তুবোৰ, দেহাই ভাল পোৱা বিষয়বোৰ বিচাৰি ফুৰোঁতে সেই ভাল লগা বিষয়বোৰৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হৈ পৰে। সেই চুই ভাল লগা, খাই ভাল লগা, কৰি ভাল লগাখিনিৰ লগত তেওঁ প্ৰগাঢ় একাত্মতা গঢ়ি তোলে আৰু সেইবোৰ পাবৰ বাবে তেওঁৰ মন ইমান ব্যাকুল হৈ পৰে যে শয়নে-সপোনে তেওঁ সেই চিন্তাৰ পৰা অব্যাহতি লাভ কৰিব নোৱৰা হৈ পৰে। তাৰ পিছৰ পৰ্যায়ত সেই পৰম ইপ্সিত বিষয়বোৰৰ লগত হৃদয়ৰ অভিন্ন একাত্মতাই তাক পোৱাৰ প্ৰৱল আগ্ৰহ ৰূপী ইচ্ছা বা কামনাৰ জন্ম দিয়ে। কিন্তু এই পৃথিৱীত সকলো মানুহৰে ক্ষমতা সমান নহয়। অথবা আন কথাত প্ৰত্যেক ব্যক্তিৰে একোটা নিৰ্দিষ্ট সীমাবদ্ধতা থাকে। সেই সীমাবদ্ধতাই মানুহৰ মনত ওপজা ইচ্ছা বা বাসনাৰ প্ৰত্যেকটো আব্দাৰ পূৰাবলৈ যাওঁতে অনতিক্ৰম্য বাধাৰ সৃষ্টি কৰে। এই যে বাসনা পূৰণত আহি পৰা বাধাৰ কথা কোৱা হ'ল সেই বাধা অতিক্ৰম কৰিব নোৱাৰিলেই মানুহৰ মনত ক্ৰোধৰ উদয় হয়। তেওঁৰ খং উঠে। এনে ক্ৰোধৰ ফলত কেতিয়াবা মানুহৰ মনত হতাশা, হীনমন্যতা, গ্লানি আৰু ধিক্কাৰে বাহ লয়। আৰু কেতিয়াবা সি প্ৰচণ্ড আগ্নেয়গিৰিৰ দৰে অতৰ্কিতে বিস্ফোৰিত হৈ অনল বৰ্ষণ কৰি মানুহক হঠকাৰী পশুলৈ ৰূপান্তৰিত কৰে। মানুহৰ জীৱনত ধ্বংস,

হাহাকাৰ আৰু বিপৰ্যয় নমাই আনিব পৰা ক্ষমতা থকা এই মহাবলৱান ৰিপু ক্ৰোধৰ প্ৰভাৱত মানুহ কেনেদৰে বিনাশপ্ৰাপ্ত হ'ব পাৰে তাৰ অতি প্ৰাঞ্জল ব্যাখ্যা দাঙি ধৰা শ্ৰীমদ্‌ভাগৱতগীতাৰ আগতে উল্লেখ কৰা দ্বিতীয়টি শ্লোকত কি লিখিছে চাওক —

'ক্ৰোধাৎ ভৱতি সন্মোহ সন্মোহাৎস্মৃতি, বিভ্ৰমঃ।
স্মৃতিভ্ৰংশাদ্ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণস্যতি।।'

ক্ৰোধ বা খঙৰ প্ৰাবল্যই মানুহৰ মনৰ পৰা বিচাৰ-বিবেচনা কৰি সিদ্ধান্ত ল'ব পৰা ক্ষমতা নাইকিয়া কৰে। অৰ্থাৎ সন্মোহ বা কিংকৰ্তব্যবিমূঢ়তাৰ সৃষ্টি কৰে। সেই চিন্তাৰহিত কাৰ্যকলাপে মানুহৰ স্মৃতি ধ্বংস কৰে। যি কোনো সৎ কাৰ্য বা সাধুতাৰ নিদৰ্শন, সৎ চিন্তা বা মূল্যবোধৰ আদৰ্শ মানুহৰ স্মৃতিত সঞ্চিত হৈ থাকে আৰু বীজে সাৰুৱা মাটি পালে সহজে অংকুৰিত হোৱাৰ দৰে উপযুক্ত পৰিৱেশ আৰু যথোপযুক্ত সংবেদনাৰ ক্ৰিয়াশীলতাত ই জাগৃত হৈ উঠে। কিন্তু ক্ৰোধে সেই ক্ৰিয়াশীল সংবেদনক তৎক্ষণাৎ ধ্বংস কৰি মানুহৰ স্মৃতিক এখিলা উকা কাগজলৈ ৰূপান্তৰিত কৰে। এনেদৰে ই স্মৃতি বিভ্ৰম বা স্মৃতি বিপৰ্যয়ৰ সৃষ্টি কৰিব পাৰে। এই স্মৃতি বিপৰ্যয়ৰ ফলত মানুহৰ বুদ্ধি নাশ হয়। ইয়াত বুদ্ধি মানে জ্ঞান বা বিবেকক বুজাইছে। যিকোনো বিষয়ৰ জ্ঞান, অভিজ্ঞতা, আদৰ্শ আৰু উপযোগিতা মানুহৰ স্মৃতিত সংৰক্ষিত হৈ থাকে। এতেকে স্মৃতি নাশ হ'লে বুদ্ধি বা জ্ঞান নাশ হয় আৰু সেই বুদ্ধি বা জ্ঞান বিনাশ হ'লে মানুহৰ জীৱনটোৰ আৰু কোনো প্ৰয়োজন নাথাকে। ইয়াত 'প্ৰণস্যতি' শব্দটোৱে কায়িক বিনাশ বা মৃত্যুক বুজোৱা নাই। বৌদ্ধিক বিনাশকহে বুজাইছে।

জ্ঞানৰূপী চকু নাথাকিলে যেনেদৰে মানুহক অন্ধ বুলি আলংকাৰিক প্ৰয়োগেৰে বুজাব পাৰি ঠিক সেইদৰে ইয়াতো 'নাশ হোৱা' মানে জীৱনটো সম্পূৰ্ণভাৱে বিফল হোৱা কথাযাৰহে বুজোৱা হৈছে। এতেকে কোৱা হ'ল খঙে মানৰ জীৱনলৈ আহিব পৰা সহজ ধ্বংসৰ কেউটা পথৰ দুৱাৰ মুকলি কৰি দিয়ে। মহাপুৰুষ মাধৱদেৱে তেওঁৰ নামঘোষাত এইখিনি কথা বৰ সুন্দৰভাৱে অথচ অতিশয় সংক্ষেপে এনেদৰে বৰ্ণনা কৰিছে —

'যতেক অনৰ্থ
আছে সংসাৰত





তাত তিনিবিধ সাৰ।
কাম ক্ৰোধ লোভ আপুন নাশন
জানি কৰা পৰিহাৰ।।'

মানুহৰ জীৱনত সুখ লাভৰ প্ৰধান অন্তৰায় হ'ল খং। এই খং বা ক্ৰোধে সুন্দৰভাৱে জীৱনটো যাপন কৰাত বিশেষ বাধাৰ সৃষ্টি কৰে। খঙাল মানুহ ওচৰ-চুবুৰীয়াৰ অপ্ৰিয়ভাজন হয়। পৰিয়ালৰ মাজত আন সদস্যসকল সন্ত্ৰস্ত হৈ থাকিবলগীয়া হয়। পুত্ৰ-কন্যাৰ বাবে খঙাল পিতৃ-স্নেহ, অনুপ্ৰেৰণাৰ উৎস হোৱাৰ পৰিৱৰ্তে ভয়ৰ কাৰণ হৈ পৰে। সেয়ে হয়তো আমাৰ সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত এটা প্ৰবচনত কোৱা হৈছে — 'খং নামে চাণ্ডাল', অৰ্থাৎ খঙে মানুহৰ আত্মাক অৱনমিত কৰে। আজিৰ পৰা ৪০ বছৰমান আগৰ সৰু ঘটনা এটা মনলৈ আহিছে। তেতিয়া আমি প্ৰাথমিক স্কুলত। সম্ভৱ তৃতীয়-চতুৰ্থ শ্ৰেণীত। আমাৰ ঘৰৰ কাষতে অঞ্চলটোৰ একমাত্ৰ হাইস্কুলখনৰ সংস্কৃত শিক্ষকজন থাকে। ভট্ট উপাধিৰ এই ছাৰজন আমাৰ পৰিয়ালৰ এজন ঘনিষ্ঠ ব্যক্তি আছিল। সেইদিনা তেওঁ কিবা কথাত এজন মানুহৰ লগত বৰকৈ তৰ্কাতৰ্কি লাগিল। কাজিয়াখন শাম কাটিল যদিও ভট্ট ছাৰে অলপ পৰ জুপুকা মাৰি বহি থাকি হঠাতে আমাৰ সকলোৰে চকুৰ আগতে গাৰ কাপোৰ নোখোলাকৈ হুৰ্হুৰ্কৈ গাত পানী ঢালি দিলে। কথাটো আমি নুবুজিলোঁ যদিও সন্ধ্যা সাহ কৰি তেনেদৰে গাত পানী ঢলা কথাযাৰ সুধিলোঁ। ভট্ট ছাৰে ক'লে — 'খং উঠিলে মানুহ অশুচি হয়, সেইবাবে গা ধুব লাগে।'

মন্তব্যটো নিচেই সৰু যদিও বৰ তাৎপৰ্যপূৰ্ণ। খঙে মানুহৰ বৌদ্ধিক, আধ্যাত্মিক, নৈতিক আৰু সামাজিক জীৱন বিপৰ্যস্ত কৰাৰ কথা সৰ্বজনবিদিত। আনহাতে, ই স্বাস্থ্য বিজ্ঞানৰ দিশৰ পৰাও মানুহৰ পৰম শত্ৰু বুলি চিহ্নিত হৈছে। চিকিৎসকসকলে হৃদৰোগী বা উচ্চ ৰক্ত চাপত ভোগা ৰোগীসকলক কোনো কথাতে উত্তেজিত নোহোৱা পৰিৱেশৰ মাজত থাকিলেহে সোনকালে ৰোগৰ উপশম হ'ব পাৰে বুলি বিধান দিয়ে। অৰ্থাৎ ক্ৰোধ আৰু তাৰ অনুষংগ উত্তেজনাই মানুহৰ দেহ-মনত আয়ুৰ্বেদবিহিত 'বিকাৰ'ৰ সৃষ্টি কৰি ভাবুকি স্বৰূপ হোৱাটো তেনেই স্বাভাৱিক। এতেকে ক্ৰোধজনিত উত্তেজনা হ্ৰাস কৰি মন শান্ত কৰিবলৈ 'খং উঠিলে গা ধুব লাগে' বোলা কথাযাৰৰ বিজ্ঞানভিত্তিক

হাহাকাৰ আৰু বিপৰ্যয় নমাই আনিব পৰা ক্ষমতা থকা এই মহাবলৱান ৰিপু ক্ৰোধৰ প্ৰভাৱত মানুহ কেনেদৰে বিনাশপ্ৰাপ্ত হ'ব পাৰে তাৰ অতি প্ৰাঞ্জল ব্যাখ্যা দাঙি ধৰা শ্ৰীমদ্‌ভাগৱতগীতাৰ আগতে উল্লেখ কৰা দ্বিতীয়টি শ্লোকত কি লিখিছে চাওক —

'ক্ৰোধাৎ ভৱতি সন্মোহ সন্মোহাৎস্মৃতি, বিভ্ৰমঃ।
স্মৃতিভ্ৰংশাদ্‌ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণস্যতি।।'

ক্ৰোধ বা খঙৰ প্ৰাবল্যই মানুহৰ মনৰ পৰা বিচাৰ-বিবেচনা কৰি সিদ্ধান্ত ল'ব পৰা ক্ষমতা নাইকিয়া কৰে। অৰ্থাৎ সন্মোহ বা কিংকৰ্তব্যবিমূঢ়তাৰ সৃষ্টি কৰে। সেই চিন্তাৰহিত কাৰ্যকলাপে মানুহৰ স্মৃতি ধ্বংস কৰে। যি কোনো সৎ কাৰ্য বা সাধুতাৰ নিদৰ্শন, সৎ চিন্তা বা মূল্যবোধৰ আদৰ্শ মানুহৰ স্মৃতিত সঞ্চিত হৈ থাকে আৰু বীজে সাৰুৱা মাটি পালে সহজে অংকুৰিত হোৱাৰ দৰে উপযুক্ত পৰিৱেশ আৰু যথোপযুক্ত সংবেদনাৰ ক্ৰিয়াশীলতাত ই জাগৃত হৈ উঠে। কিন্তু ক্ৰোধে সেই ক্ৰিয়াশীল সংবেদনক তৎক্ষণাৎ ধ্বংস কৰি মানুহৰ স্মৃতিক এখিলা উকা কাগজলৈ ৰূপান্তৰিত কৰে। এনেদৰে ই স্মৃতি বিভ্ৰম বা স্মৃতি বিপৰ্যয়ৰ সৃষ্টি কৰিব পাৰে। এই স্মৃতি বিপৰ্যয়ৰ ফলত মানুহৰ বুদ্ধি নাশ হয়। ইয়াত বুদ্ধি মানে জ্ঞান বা বিবেকক বুজাইছে। যিকোনো বিষয়ৰ জ্ঞান, অভিজ্ঞতা, আদৰ্শ আৰু উপযোগিতা মানুহৰ স্মৃতিত সংৰক্ষিত হৈ থাকে। এতেকে স্মৃতি নাশ হ'লে বুদ্ধি বা জ্ঞান নাশ হয় আৰু সেই বুদ্ধি বা জ্ঞান বিনাশ হ'লে মানুহৰ জীৱনটোৰ আৰু কোনো প্ৰয়োজন নাথাকে। ইয়াত 'প্ৰণস্যতি' শব্দটোৱে কায়িক বিনাশ বা মৃত্যুক বুজোৱা নাই। বৌদ্ধিক বিনাশকহে বুজাইছে।

জ্ঞানৰূপী চকু নাথাকিলে যেনেদৰে মানুহক অন্ধ বুলি আলংকাৰিক প্ৰয়োগেৰে বুজাব পাৰি ঠিক সেইদৰে ইয়াতো 'নাশ হোৱা' মানে জীৱনটো সম্পূৰ্ণভাৱে বিফল হোৱা কথাষাৰহে বুজোৱা হৈছে। এতেকে কোৱা হ'ল খঙে মানৰ জীৱনলৈ আহিব পৰা সহজ ধ্বংসৰ কেউটা পথৰ দুৱাৰ মুকলি কৰি দিয়ে। মহাপুৰুষ মাধৱদেৱে তেওঁৰ নামঘোষাত এইখিনি কথা বৰ সুন্দৰভাৱে অথচ অতিশয় সংক্ষেপে এনেদৰে বৰ্ণনা কৰিছে —

'যতেক অনৰ্থ আছে সংসাৰত





তাত তিনিবিধ সাৰ।
কাম ক্ৰোধ লোভ আপুন নাশন
জানি কৰা পৰিহাৰ।।'

মানুহৰ জীৱনত সুখ লাভৰ প্ৰধান অন্তৰায় হ'ল খং। এই খং বা ক্ৰোধে সুন্দৰভাৱে জীৱনটো যাপন কৰাত বিশেষ বাধাৰ সৃষ্টি কৰে। খঙাল মানুহ ওচৰ-চুবুৰীয়াৰ অপ্ৰিয়ভাজন হয়। পৰিয়ালৰ মাজত আন সদস্যসকল সন্ত্ৰস্ত হৈ থাকিবলগীয়া হয়। পুত্ৰ-কন্যাৰ বাবে খঙাল পিতৃ-স্নেহ, অনুপ্ৰেৰণাৰ উৎস হোৱাৰ পৰিৱৰ্তে ভয়ৰ কাৰণ হৈ পৰে। সেয়ে হয়তো আমাৰ সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত এটা প্ৰবচনত কোৱা হৈছে — 'খং নামে চাণ্ডাল', অৰ্থাৎ খঙে মানুহৰ আত্মাক অৱনমিত কৰে। আজিৰ পৰা ৪০ বছৰমান আগৰ সৰু ঘটনা এটা মনলৈ আহিছে। তেতিয়া আমি প্ৰাথমিক স্কুলত। সম্ভৱ তৃতীয়-চতুৰ্থ শ্ৰেণীত। আমাৰ ঘৰৰ কাষতে অঞ্চলটোৰ একমাত্ৰ হাইস্কুলখনৰ সংস্কৃত শিক্ষকজন থাকে। ভট্ট উপাধিৰ এই ছাৰজন আমাৰ পৰিয়ালৰ এজন ঘনিষ্ঠ ব্যক্তি আছিল। সেইদিনা তেওঁ কিবা কথাত এজন মানুহৰ লগত বৰকৈ তৰ্কাতৰ্কি লাগিল। কাজিয়াখন শাম কাটিল যদিও ভট্ট ছাৰে অলপ পৰ জুপুকা মাৰি বহি থাকি হঠাতে আমাৰ সকলোৰে চকুৰ আগতে গাৰ কাপোৰ নোখোলাকৈ হুৰ্‌হুৰ্‌কৈ গাত পানী ঢালি দিলে। কথাটো আমি নুবুজিলোঁ যদিও সন্ধ্যা সাহ কৰি তেনেদৰে গাত পানী ঢলা কথাষাৰ সুধিলোঁ। ভট্ট ছাৰে ক'লে — 'খং উঠিলে মানুহ অশুচি হয়, সেইবাবে গা ধুব লাগে।'

মন্তব্যটো নিচেই সৰু যদিও বৰ তাৎপৰ্যপূৰ্ণ। খঙে মানুহৰ বৌদ্ধিক, আধ্যাত্মিক, নৈতিক আৰু সামাজিক জীৱন বিপৰ্যস্ত কৰাৰ কথা সৰ্বজনবিদিত। আনহাতে, ই স্বাস্থ্য বিজ্ঞানৰ দিশৰ পৰাও মানুহৰ পৰম শত্ৰু বুলি চিহ্নিত হৈছে। চিকিৎসকসকলে হৃদৰোগী বা উচ্চ ৰক্ত চাপত ভোগা ৰোগীসকলক কোনো কথাতে উত্তেজিত নোহোৱা পৰিৱেশৰ মাজত থাকিলেহে সোনকালে ৰোগৰ উপশম হ'ব পাৰে বুলি বিধান দিয়ে। অৰ্থাৎ ক্ৰোধ আৰু তাৰ অনুষংগ উত্তেজনাই মানুহৰ দেহ-মনত আয়ুৰ্বেদবিহিত 'বিকাৰ'ৰ সৃষ্টি কৰি ভাবুকি স্বৰূপ হোৱাটো তেনেই স্বাভাৱিক। এতেকে ক্ৰোধজনিত উত্তেজনা হ্ৰাস কৰি মন শান্ত কৰিবলৈ 'খং উঠিলে গা ধুব লাগে' বোলা কথাষাৰৰ বিজ্ঞানভিত্তিক

গুৰুত্ব আৰু প্ৰাসংগিকতা অপৰিসীম।

প্ৰখ্যাত সাহিত্যিক ৱাশ্বিংটন আৰভিঙে তেওঁৰ মনোৰম গল্প 'ৰিপ ভান উইংকল'ত বৰ্ণনা কৰিছে — কেনেদৰে ৰিপৰ পত্নী খঙৰ ভমকত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যুমুখত পৰিছিল। এনেদৰে বহুতো উদাহৰণ দিব পাৰি।

ক্ৰোধৰ পৰা ওপজা উত্তেজনা নাশ কৰিবৰ বাবে মানুহে শোক, দুখ, ভয়, আনন্দ আদি অন্তৰপ্ৰমাথী প্ৰবৃত্তিবোৰ নিয়ন্ত্ৰিত কৰিবলৈ নিৰন্তৰ অভ্যাস কৰিব লাগিব। সকলো সমস্যাৰ মাজত শান্ত-সমাহিতভাৱে চিন্তা কৰিব পৰাজনে জীৱনৰ হা-হুতাশ, অভাৱ-অভিযোগ, উত্থান-পতনৰ মাজেৰেও দূৰলৈ চাব জনাজনে ক্ৰোধৰ দ্বাৰা প্ৰভাৱিত নহয়। শ্ৰীমদ্ভাগৱতগীতাত ক্ৰোধ উপশম কৰাৰ উপায় দিছে এনেদৰে —

'দুঃখেষু অনুদ্বিগ্ন মনা সুখেষু বিগত স্পৃহঃ।।'

(দুখতো ভাগি নপৰি সুখতো আত্মহাৰা নহৈ যিজনে মহাসত্যৰ সন্ধান কৰিব পাৰিছে তেওঁৰ জ্ঞান আৰু বুদ্ধি স্থিৰ বুলি কয়।)

ঠিক একে ধৰণৰ কথাৰে ক্ৰোধ উপশম কৰাৰ বিধানৰ বিষয়ে বাইবেলৰ Old testament-ত কৈছে —

"A soft answer turneth wrath; but grivious words stir up anger." (xvi)

জাৰ্মান ভাষাৰ প্ৰবচন এটাত কোৱা হৈছে — "The best answer to anger is silence."

আশ্চৰ্যকৰ কথাটো হ'ল — জাৰ্মান ভাষাৰ এই প্ৰবচনটোৰ লগত গীতাৰ অভাৱনীয় সামঞ্জস্য। গীতাত কোৱা 'তুল্য নিন্দাস্তুতিমৌনী' (১২/১৯) অৰ্থাৎ যিজনে নিন্দাতো ক্ৰোধিত নহয় আৰু স্তুতিটো আত্মহাৰা নহয় তেওঁহে ক্ৰোধ জয় কৰোতা প্ৰকৃত জ্ঞানী। তেওঁ ঈৰ্ষা-অসূয়াৰে ভৰপূৰ কদৰ্য জীৱনটো জয় কৰি নিৰাভিমান, নিৰুদ্বেগ আৰু নিৰুপদ্ৰৱ জীৱন যাপন কৰিবলৈ সমৰ্থ হয়। আহক, আজিৰ পৰা খঙক নিৰ্বাসন দি আমাৰ সমাজখন সুন্দৰ কৰি তুলিবলৈ প্ৰতিজ্ঞাবদ্ধ হওঁহঁক। ❑❑





# বিজ্ঞান শিক্ষাৰ সমস্যা

ড° কুলেন্দু পাঠক

বহুতেই আমাক সোধে — 'আজিকালি অসমৰ কলেজবোৰত বিজ্ঞান শাখাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি গৈছে কিয়? কমি যোৱা কথাটো পৰিসংখ্যাই সমৰ্থন কৰে। দুই চাৰিখন কলেজৰ কথা বাদ দিলে বেছিভাগ কলেজৰ বিজ্ঞান শাখাৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীতহে ছাত্ৰ-ছাত্ৰী আছে; অথচ এনে কলেজতো প্ৰতিটো বিভাগতে চাৰিৰপৰা ছজনকৈ UGC হাৰত দৰমহা পোৱা শিক্ষক-শিক্ষয়িত্ৰী আছে। তেওঁলোকৰ মাজত উচ্চতৰ ডিগ্ৰীধাৰী লোকো আছে, তেওঁলোকে চাকৰিৰ তাগিদাত 'ৰিফ্ৰেছাৰ' পাঠ্যক্ৰমতো ভাগ লৈছে; কিন্তু 'ৰিফ্ৰেছ' হৈ আহি পঢ়ুৱাবলৈ স্নাতক শ্ৰেণীত ছাত্ৰ-ছাত্ৰী নাই। এনে এটি অস্বাস্থ্যকৰ অৱস্থাৰ কথা চৰকাৰ (আজিকালি বহুতো কলেজৰ শিক্ষকৰ চাকৰি চৰকাৰীকৰণ হৈছে), বিশ্ববিদ্যালয়, শিক্ষামন্ত্ৰী, মুখ্যমন্ত্ৰী আদিয়ে নজনা নহয়; কিন্তু 'এনেদৰে যিমান দিনলৈ চলে চলি থাকক', — এনে এটা ভয়ংকৰ মনোভাবেৰে বেছিদিন চলি থাকিব নোৱাৰে — (যদ্ভবিষ্য বিনশ্যতি)। আটাইতকৈ মাৰাত্মক কথা এয়ে যে এই স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানবোৰৰ পৰিচালনা সমিতি, শিক্ষকসকল আৰু শিক্ষক সভাবোৰেও এই দিশত বিশেষ চিন্তা কৰা দেখা নাযায়।

বিজ্ঞান চৰ্চা আৰু বিশেষকৈ বিশুদ্ধ বিজ্ঞানৰ প্ৰতি আগ্ৰহৰ অভাৱ আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আৰু ইউৰোপৰ দেশবোৰত সত্তৰৰ দশকৰপৰাই পৰিলক্ষিত হৈছিল। চীন দেশ এইক্ষেত্ৰত ব্যতিক্ৰম; প্ৰাচীন কালৰেপৰা প্ৰয়োগৰ উৎকৰ্ষতাৰ প্ৰতি চীনা সভ্যতাৰ আকৰ্ষণ মন কৰিবলগীয়া। পৰাধীন যুগতে উচ্চ শিক্ষাৰ জৰিয়তে ইউৰোপীয় সংস্কৃতিৰ শ্ৰেষ্ঠত্বত বিশ্বাসী ভাৰতৰ উচ্চ

শিক্ষিত মধ্যবিত্ত তথা উচ্চবিত্তৰ মাজত বহুতেই পাশ্চাত্যৰপৰাই বৌদ্ধিক অনুপ্ৰেৰণা গ্ৰহণ কৰে। সেইবাবে পাশ্চাত্যজগতত (বিশেষকৈ উত্তৰ আধুনিক দৰ্শনৰ প্ৰভাৱত) উচ্চতৰ বিজ্ঞান চৰ্চাৰ প্ৰতি ঘটা বৌদ্ধিক অনীহাৰ ভাগ ভাৰতৰো কিছুমান বিদ্বৎলোকে পাইছে। এই কথা সঁচা যে সোতৰ শতিকাৰ শেষভাগৰপৰা প্ৰাধান্য লাভ কৰা বিজ্ঞান চৰ্চা আৰু পৰৱৰ্তী কালৰ বিজ্ঞানভিত্তিক প্ৰযুক্তিৰ প্ৰয়োগে পাশ্চাত্যৰ দেশবোৰত আৰু কিছু পৰিমাণে ভাৰত আদি দেশতো জীৱনধাৰণৰ মান আৰু ঐহিক সুবিধাবোৰ অভাৱনীয়ভাৱে বঢ়াইছে। লগতে প্ৰায় তিনিশ বছৰজোৰা কালছোৱাত বিজ্ঞানভিত্তিক প্ৰযুক্তিৰ প্ৰয়োগৰ ফলত মানৱজাতি আৰু পৰিৱেশতন্ত্ৰই বিষম বিপদ আৰু সমস্যাৰ (যেনে পৃথিৱীৰ উষ্ণতা বৃদ্ধি, জৈৱবৈচিত্ৰ্য ধ্বংস, প্ৰদূষণ ইত্যাদি) সন্মুখীন হ'বলগীয়া হৈছে।

উনৈছ শতিকাৰ শেষৰফালে বহুতো বিদ্বৎ লোক আৰু দাৰ্শনিকে বিশ্বাস কৰিছিল যে বিজ্ঞানে সত্যক জনাত মানৱজাতিক সঠিক পথৰ সন্ধান দিব। নিউটনীয় বিজ্ঞানৰ ৰোমাঞ্চকৰ সাফল্যৰ পাছত ভগৱান 'এক ঘড়ীৰ নিৰ্মাতা' বুলিও বহুতে ভাবিছিল। বিশ্বখন ঘড়ীৰ নিচিনা; নিয়মবোৰ বান্ধি লৈ ঘড়ী চলাই দিলে ঘড়ী চলি থকাৰ দৰে ভগৱানে বিশ্বখন আৰু বিশ্বজনীন নিয়মবোৰ সৃষ্টি কৰি চলাই দিয়াৰ পাছত, ভগৱানৰ প্ৰয়োজন নাই বুলিও বহুতে বিশ্বাস কৰিছিল। এই বিষয়ে নিম্নোক্ত পৰ্যবেক্ষণ মন কৰিবলগীয়া ঃ

"As any overt appeal to metaphysics became unfashionable, the science of mechanics was increasingly regarded as an 'autonomous science' ...." .... at the begining of 19th century, Pierre Simon Laplace .... advanced the view that the science of machanics constituted a complete view of nature. Since this science, by observing its epistemology, had revealed itself to be the fundamental science, the hypothesis of God was .... entirely unnecessary.

The seventeeth century view of physics as philosophy of nature ... was displaced by the view of physics as an autonomus science, that (physics) was the science of nature."

The Non-local Universe





Nadeau. R.C.
Kafatos. M, OUP.

বাইবেলৰ অ'ল্ড টেষ্টামেণ্ট, কোৰাণ বা ভাগৱতত আমি সহজেই দেখা পাওঁ যে ভগৱানৰ ইচ্ছা সাৰ্বভৌম আৰু তেওঁৰ ইচ্ছা অনুসৰি গ্ৰহ-নক্ষত্ৰৰপৰা আৰম্ভ কৰি প্ৰতিজন ব্যক্তিৰ ভৱিষ্যৎ আৰু কাৰ্যক্ৰম নিয়ন্ত্ৰিত হয়। এনে এখন পূৰ্ব নিৰ্দ্ধাৰিত বিশ্বত মানুহৰ মুক্ত ইচ্ছাৰ কিবা মূল্য বা স্থান আছেনে, — এই বিতৰ্কত নোসোমোৱাকৈও ক'ব পৰা যায় যে পশ্চিমীয়া বিজ্ঞানে আনি দিয়া মেকানিকছ বা পদাৰ্থবিজ্ঞানৰ নিয়ম মানি এটা বৃহৎ স্বয়ংচালিত তন্ত্ৰ হিচাপে বিশ্বখন চলি আছে, — এই কথা বহুতো আধুনিক দাৰ্শনিক আৰু বিজ্ঞানীয়ে মানি নলয়। (এই বিষয়ে আলোচনা কৰিবলগীয়া বহুতো কথা আছে যদিও এই প্ৰবন্ধত এনে আলোচনা আগবঢ়োৱা নহ'ব।)

কোৱাণ্টাম অনিশ্চয়তা, ধ্ৰুপদী পদাৰ্থবিজ্ঞানৰ পৰাৱৰ্তনীয় নিয়মৰ সাৰ্বজনীনতা সম্পৰ্কে বিতৰ্ক, ধ্ৰুপদী বিজ্ঞানৰ যন্ত্ৰসদৃশ বিশ্বধাৰণাৰ প্ৰতি বিৰাগ, আৰু উত্তৰ আধুনিক দাৰ্শনিকসকলৰ (নিৎছে, এডমাণ্ড শ্ব হাছেৰল, পিটাৰ বাৰ্গাৰ, ছাঁটৰ, জেক লাকান, জেক ডেৰিডা, মাইকেল ফুঁকো ইত্যাদি) বিশ্লেষণ আৰু আক্ৰমণে জ্ঞান চৰ্চাৰ বিশেষ আৰু সফল ধাৰা হিচাপে বিজ্ঞান আৰু বৈজ্ঞানিক পদ্ধতিৰ প্ৰতি পাশ্চাত্যৰ শিক্ষাজগত আৰু শিক্ষিত সমাজত যথেষ্ট বিৰাগৰ সৃষ্টি কৰা দেখা যায়। উত্তৰ-আধুনিক পণ্ডিত আৰু নিৰ্গঠনবাদীসকলৰ সকলো বিশ্লেষণেই শুদ্ধ বুলি ধৰি ল'ব নোৱাৰি যদিও বিংশ শতাব্দীৰ শেষৰ দশককেইটাত বিশেষকৈ আমেৰিকান উচ্চ শিক্ষিতৰ চিন্তা আৰু কালক্ৰমত তেওঁলোকৰ বিশ্লেষণৰ যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হয়।

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু পশ্চিমৰ দেশবোৰত বিজ্ঞান শিক্ষাৰ গুৰুত্ব অতীততকৈ কমিছে; কিন্তু সেইবাবেই ভাৰতৰ দৰে দেশতো কমিব লাগেনে? আমি ছাত্ৰ হৈ থকা কালত আৰু কেইবা বছৰ পাছলৈকে শিক্ষান্ত পৰীক্ষা ভালদৰে 'পাছ' কৰা ছাত্ৰই বিজ্ঞানৰ পাঠ্যক্ৰম পঢ়িছিল। স্নাতক মহলাতো বিজ্ঞান পাঠ্যক্ৰম পঢ়া মেধাবী ছাত্ৰ-ছাত্ৰী ভালেমান আছিল। কিন্তু এতিয়া উচ্চতৰ মাধ্যমিক পৰ্যায়ত বিজ্ঞান অধ্যয়নৰ একমাত্ৰ নহ'লেও মুখ্য উদ্দেশ্য হৈছে ডাক্তৰী, ইঞ্জিনিয়াৰিং আদি টেকনিকেল বিষয়ৰ স্নাতক পাঠ্যক্ৰম অধ্যয়ন।

সেইবোৰলৈ যাব নোৱাৰিলেহে বিজ্ঞানৰ পাঠ্যক্ৰম পঢ়াৰ কথা ছাত্ৰ-ছাত্ৰীয়ে ভাবে। বহুতেই স্নাতক মহলাৰ প্ৰথম বৰ্ষটো পুনঃ প্ৰযত্নৰ বাবে ব্যৱহাৰ কৰে বাবে প্ৰথম বাৰ্ষিকত বিষয়বস্তুৰ অধ্যয়ন পালমৰা বিধৰ হয়। পৰৱৰ্তী কালতো তেওঁলোকে পৰীক্ষাত নম্বৰ পাই ভাল 'শ্ৰেণী' পাবলৈহে যত্নপৰ হয়। মেজৰ (পুৰণি কালৰ অনাৰ্ছ) থাকিলে লগতে পঢ়িব লগা অন্য বিষয়কেইটা পাল মৰা ধৰণে অধ্যয়ন কৰা হয়। মুঠতে স্নাতক হৈ ওলোৱা বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰ মনত বিজ্ঞান চৰ্চাৰ আৰু বিজ্ঞানসদৃশ অনুসন্ধানৰ প্ৰতি তীব্ৰ আগ্ৰহ গঢ় লৈ নুঠে। এওঁলোকৰ কিছুসংখ্যকে স্কুলত শিক্ষক হিচাপে যোগদান কৰে যদিও তেওঁলোকৰ পাঠদান আৰু শিক্ষণ প্ৰক্ৰিয়া অনুপ্ৰেৰণাদায়ক নহয়। মধ্যবিত্ত অভিভাৱকসকলেও একধৰণৰ 'কেৰিয়াৰ' সৰ্বস্ব মনোভাৱেৰে আগবাঢ়িবলৈহে ল'ৰা-ছোৱালীক অনুপ্ৰাণিত কৰে। ফলত একোগৰাকী সম্ভাৱনাপূৰ্ণ কিশোৰ টিউশ্যন →শ্ৰেণীকোঠা →টিউশ্যনৰ আৱৰ্তত সোমাই পৰে। অনুসন্ধান, চিন্তা চৰ্চা আদিৰ বাবে সন্তানে সময় নোপোৱা কথাটোৰ কথা চিন্তা কৰিবলৈ যেন ডাঙৰসকলৰ আহৰি নাই! তুলনামূলকভাৱে উন্নত দেশৰ ল'ৰা-ছোৱালী এনে হেঁচাৰপৰা বহুতো পৰিমাণে মুক্ত।

বিজ্ঞান আৰু গণিতৰ পাঠ্যক্ৰম কিদৰে প্ৰিয় আৰু ফলপ্ৰসূ কৰিবপৰা যায়, সেই বিষয়ে যথেষ্ট চিন্তা-চৰ্চা চলিছে। বিজ্ঞানৰ বিখ্যাত পৰীক্ষণ আৰু নীতিসমূহৰ প্ৰদৰ্শন কৰাটো অতি প্ৰয়োজনীয়। প্ৰযুক্তিৰ অগ্ৰগতিৰ ফলত অতীতৰ কষ্টসাধ্য প্ৰদৰ্শনবোৰ এতিয়া সহজে কৰিবপৰা যায়। কিন্তু আমি জনাত বেছিভাগ বিজ্ঞান শিক্ষকৰে (কলেজৰ শিক্ষককে ধৰি) প্ৰদৰ্শনৰ প্ৰতি ৰাপ নাই। আমাৰ বিভিন্ন সংস্থা, দাবী বাঢ়ি গৈছে, ফলত শিক্ষকসকলে পোৱা পাঠদানৰ সময় কমি গৈছে। তৎসত্ত্বেও ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বঢ়াবলৈ শ্ৰেণীকোঠাত পাঠদানৰ লগতে পৰীক্ষা আদিও কৰি দেখুৱাব পাৰি। কিন্তু এনেকুৱা কাম বৰ কমকৈ কৰা হয়। পূৰ্বৰ নৱম শ্ৰেণীত 'আকাশ অধ্যয়ন' শীৰ্ষক অধ্যায় এটা আছিল। এই অধ্যায়ৰ মুখ্য উদ্দেশ্যই আছিল আকাশত জোতিষ্ক আৰু তাৰকাপুঞ্জৰ লগত ছাত্ৰ-ছাত্ৰীৰ পৰিচয় ঘটাই, আকাশ অধ্যয়নৰ প্ৰতি আগ্ৰহ জন্মোৱা। এনে নক্ষত্ৰ; গ্ৰহ, তাৰকাপুঞ্জনো কি কি হ'ব পাৰে? কেইটামান নাম হ'ল — শুক্ৰ (গ্ৰহ), ধ্ৰুৱ (নক্ষত্ৰ), বৃহস্পতি (গ্ৰহ), মঙ্গল





(গ্ৰহ), সপ্তৰ্ষি মণ্ডল, লঘু সপ্তৰ্ষি মণ্ডল, কেছিওপিয়া, কালপুৰুষ, লুব্ধক (নক্ষত্ৰ), সিংহৰাশি, বৃষৰাশি, কন্যা ৰাশি ইত্যাদি। এইবোৰৰ ভিতৰতো সদায় আৰু সহজে পৰিষ্কাৰ আকাশত দেখা পোৱা নক্ষত্ৰটো হ'ল ধ্ৰুৱ তৰা। ধ্ৰুৱৰ কাহিনী হয়তো বেছিভাগ শিক্ষিতেই জানে, কিন্তু ধ্ৰুৱতৰা চিনাক্ত কৰিব পৰা মানুহৰ সংখ্যা কম। স্কুলত প্ৰতি বছৰে চিনাক্তকৰণ শিকোৱা হ'লে এই সংখ্যাটো বাঢ়িলহেঁতেন। এই বিষয়ে মই কটনত থকা কালত কেইবছৰমান প্ৰতি বছৰে মৌখিক সমীক্ষা চলাইছিলোঁ। উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ অতি 'মেধাৱী' ছাত্ৰসকলৰ শতকৰা দহজনেও আকাশত ধ্ৰুৱতৰা দেখা নাছিল, কিন্তু প্ৰত্যেকেই ধ্ৰুৱতৰা আকাশত ক'ত অৱস্থিত আৰু কিদৰে চিনি উলিয়াব পাৰি সেই কথাটো জানিছিল (কাৰণ এই প্ৰশ্নটো এক নম্বৰ পাব পৰা অতি সঘনে সোধা প্ৰশ্ন)। অৰ্থাৎ চিপাহী বিদ্ৰোহৰ চনটোৰ দৰেই ধ্ৰুৱৰ অৱস্থানো এটা মুখস্থ কৰিবলগীয়া তথ্যত পৰিণত হৈছিল। শিক্ষকসকল (ব্যতিক্ৰমী কেইজনমানক বাদ দি) আৰু কৰ্তৃপক্ষ পৰীক্ষা-নিৰীক্ষাৰ মাধ্যমেৰে শিক্ষাদানত আগ্ৰহী নহয়। বিজ্ঞান শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত আকৰ্ষণ নবঢ়াৰ এটা কাৰণ হ'ল — সহজে কৰি দেখুৱাব পৰা প্ৰদৰ্শনবোৰ কৰি নেদেখুওৱাটো।

আমাৰ প্ৰচলিত পাঠ্যক্ৰম, পাঠদান ব্যৱস্থা আৰু মূল্যায়নৰ বাবেও বিজ্ঞানৰ প্ৰতি ছাত্ৰৰ আকৰ্ষণ কমিছে। এসময়ত অসমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ব'টানি, জুলজি আৰু কেমিষ্ট্ৰি অৰ্থাৎ উদ্ভিদবিজ্ঞান, প্ৰাণীবিজ্ঞান আৰু ৰাসায়নবিজ্ঞানৰ পাঠ্যক্ৰমৰ জনপ্ৰিয়তা আছিল। ডিব্ৰুগড়ত উপাচাৰ্য হৈ থকা কালত এগৰাকী ছাত্ৰীক সুধিছিলোঁ — 'স্নাতক মহলাত কি বিষয় পঢ়িছিলা'। তেওঁ টপৰাই উত্তৰ দিছিল 'বায়'কেমিষ্ট্ৰি'। মই অলপ আচৰিত হৈছিলোঁ — দুটা কাৰণত। প্ৰথম কথা হ'ল, ডিব্ৰুগড় বা গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতক মহলাৰ পাঠ্যক্ৰমত এই বিষয়টো নাই। দ্বিতীয়তে, বায়'কেমেষ্ট্ৰি পঢ়ি এওঁ লাইফছায়েন্স (বটানি) পঢ়িবলৈ আহিল কিয়? পিছে সুধি গম পালোঁ তেওঁ কলেজত ব'টানি, জুল'জি আৰু কেমিষ্ট্ৰি পঢ়িছিল বাবে চমুকৈ বায়'কেমিষ্ট্ৰি বুলি কয়; আনবোৰেও তেনেদৰেই কয়। বায়'কেমিষ্ট্ৰি বুলি যে এটি প্ৰতিষ্ঠিত, সন্মানীয় আৰু প্ৰয়োজনীয় বিষয় আছে (বহুতো আমেৰিকান বিশ্ববিদ্যালয়ত কেমিষ্ট্ৰিতকৈ বায়'কেমিষ্ট্ৰিক বেছি দৰকাৰী বিষয় হিচাপে গণ্য কৰা হয়।) সেই কথা বহুতে

ভালদৰে গমকে নাপায়।

দক্ষিণ ভাৰতৰ কেইবাখনো প্ৰথমশাৰীৰ স্বীকৃতিপ্ৰাপ্ত (বাংগালোৰ বি বি) কলেজত স্নাতক মহলাতে বায়'কেমিষ্ট্ৰি, মাইক্ৰ'বায়'লজি, জেনেটিকছ, প্ৰায়োগিক মাইক্ৰ'বায়'লজি, বায়'টেকন'লজি আদি বিষয় পঢ়ুওৱা হয়। সেইবোৰ পাঠ্যক্ৰম পঢ়িবলৈ অসমৰপৰাও যথেষ্ট ছাত্ৰ-ছাত্ৰী যায়। শিক্ষকসকল আৰু কলেজ কৰ্তৃপক্ষ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আৰু ভৱিষ্যতৰ প্ৰতি অধিক দায়বদ্ধ; বহুতো কলেজত স্নাতক পৰ্যায়তে ছেমিষ্টাৰ পদ্ধতিৰ মূল্যায়ন ব্যৱস্থা আছে। প্ৰায়ভাগ কলেজত শিক্ষকসকল চাৰে ন বজাৰপৰা চাৰে চাৰি বজালৈকে উপস্থিত থাকে। নক'লেও হ'ব — এনে কলেজত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ শিক্ষাদান কৰা নহয়; অৱশ্যে সামৰ্থ থকা কলেজত স্নাতকোত্তৰ শ্ৰেণী আছে। গতিকে দেশৰ ভিতৰতে সাধাৰণ (প্ৰযুক্তি বিদ্যাৰ কথা বাদ দিছোঁ) বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত এটা বৃহৎ পাৰ্থক্য গঢ়ি উঠিছে। গতিকে অসমৰ বহুত কলেজতে বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰম পঢ়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি গৈছে। অতি আচৰিত কথা, বহুতো কলেজতে শিক্ষা বিভাগ এটাও থাকে; কিন্তু তেনে বিভাগবোৰে এই জ্বলন্ত সমস্যাটোৰ তথ্যভিত্তিক গৱেষণা নকৰে। চৰকাৰ (যিহেতু দৰমহা দিবলৈ চৰকাৰে ৰাইজৰ ধন খৰচ কৰে) আৰু বিশ্ববিদ্যালয়ৰ শৈক্ষিক বিভাগেও এই সমস্যাটো আওকাণ কৰি থাকে।

স্নাতক মহলাত যদি কিছুমান সামৰ্থবান ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান গুৰুত্বসহকাৰে অধ্যয়ন নকৰে, তেন্তে স্কুলৰ বাবে ভাল বিজ্ঞান শিক্ষক পোৱা যাব কেনেকৈ? বিশ্ববিদ্যালয়তো গৱেষণা কৰিব কোনে? এই বিষয়ে সামাজিক সচেতনতাও যথেষ্ট কম যেন লাগে।

আমাৰ বহুতো শিক্ষক আৰু শিক্ষাবিদৰ মাজত বিজ্ঞানৰ প্ৰয়োগ সম্পৰ্কেও আচহুৱা ধাৰণা আছে। গেলিলিঅ', নিউটন, ফাইনমেন আদি বিজ্ঞানী তত্ত্বীয় ধাৰণাৰ বিকাশৰ বাবে বিখ্যাত যদিও পৰীক্ষা আৰু প্ৰয়োগৰ ক্ষেত্ৰতো তেওঁলোকৰ বুৎপত্তি মন কৰিবলগীয়া। আনকি বহুতে ভবাৰ বিপৰীতে আইনষ্টাইনেও পৰীক্ষা কৰিছিল আৰু তেওঁৰ আৰু সহযোগীৰ নামৰ প্ৰযুক্তিমূলক পেটেণ্টো আছে। এনে পেটেণ্টৰ সহায় লৈ অলপতে কোনোবাই এটা নতুন ধৰণৰ ৰিফ্ৰিজাৰেটৰ সাজি উলিয়াইছে। আমাৰ ইয়াত কিন্তু বহুতেই





বিশ্ববিদ্যালয়ত ছমাহ কেইটামান তত্ত্ব পঢ়িয়েই 'তত্ত্বীয় পদাৰ্থবিদ' হয় আৰু কলেজত ব্যৱহাৰিক শ্ৰেণীলৈ যাব নোখোজে। আকৌ ইলেকট্ৰনিকছ পৰীক্ষাগাৰলৈ ইলেকট্ৰনিকছ 'স্পেছিয়েল পেপাৰ' নপঢ়াসকলে যাবলৈ বেয়া পায়। পদাৰ্থবিজ্ঞানৰ সমস্যাৰ বিষয়ে জানোঁ বাবে লিখিলোঁ যদিও আন বিষয়তো বোধকৰোঁ এনে ধৰণৰ 'কৰ্ম বিভাজন' আছে। ফলত বহুতো সময়তে পাঠদান ভালদৰে আগ নাবাঢ়ে। বাস্তৱতে এগৰাকী স্নাতকোত্তৰ ডিগ্ৰীধাৰীৰ স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰমৰ যিকোনো শাখাত শিক্ষাদানৰ সামৰ্থ আৰু ইচ্ছা নথকাটো আচৰিত কথা। অধ্যয়ন কৰি পঢ়ুউৱাৰ ইচ্ছা নথকা ব্যক্তি শিক্ষক বা অধ্যাপক হোৱা উচিতনে। এজন শিক্ষকৰ ত্ৰিছ-পঁয়ত্ৰিছ বছৰীয়া অধ্যাপনাকালত বিষয়ৰ অগ্ৰগতি নহ'ব বুলি মূৰ্খইহে আশা কৰিব!

আমি ভাবোঁ যে শিক্ষকসকলে নতুনকৈ চিন্তা কৰিলে আৰু জীৱনজোৰা শিকাৰু হ'লে বিজ্ঞান শিক্ষাৰ পৰিৱৰ্তন আনিব পৰা যায়। কিছুমান বিষয় — যেনে 'ইনটিগ্ৰেটেড ফামিং' আদিত বহুতো আধুনিক বৈজ্ঞানিক তথা প্ৰযুক্তিমূলক জ্ঞানৰ প্ৰয়োগ হৈছে; এনেবোৰ বিষয় পাঠ্যক্ৰম হিচাবে পঢ়ুৱালে কৃষিপ্ৰধান ৰাজ্যখনৰ উপকাৰ হ'ব আৰু ছাত্ৰয়ো বিষয়ৰ প্ৰয়োগ আৰু উপকাৰিতা সহজে উপলব্ধি কৰিব পাৰিব। এনে পাঠ্যক্ৰমৰ বাবে ব'টানি আৰু জুলজিৰ শিক্ষকসকলক প্ৰশিক্ষণ দিলে শিক্ষকৰ অভাবো নাইকিয়া কৰিব পৰা যাব। Sustainable Agriculture, Environmental Resource Management আদি বিষয় অসমৰ বাবে বিশেষ প্ৰয়োজনীয়। Water Resource Managemant আমাৰ বাবে আন এটা গুৰুত্বপূৰ্ণ বিষয়। এনেবোৰ বিষয় শিকাওঁতে জীৱবিজ্ঞান, ৰসায়ন, পদাৰ্থবিজ্ঞান, ভূবিজ্ঞান আদিৰ মূল কথাবোৰো শিকাব পৰা যায়। আধুনিক কালত জ্ঞানৰ যথাযোগ্য প্ৰয়োগৰ বাবে এনেধৰণৰ সংহতিপূৰ্ণ (integrated) শিক্ষণ আৰু শিকনৰ বিশেষ প্ৰয়োজন। পাশ্চাত্যৰ বহুতো বিশ্ববিদ্যালয় আৰু কলেজে এনেধৰণৰ শিক্ষাদান-প্ৰক্ৰিয়াত গুৰুত্ব দিছে। ইংলেণ্ডৰ এখন কলেজৰ শিক্ষাদানৰ প্ৰধান বিষয় হ'ল — 'Biodynamic Agriculture'। আমাৰ ইয়াত থকা বিভাজিত বিষয়বোৰো কলেজখনত আছে; কিন্তু প্ৰধান লক্ষ্য পূৰণৰ বাবে এই বিষয়বোৰেও সহযোগ কৰে। আমাৰ কলেজবোৰে হয়তো বহুত মহৎ উদ্দেশ্যৰ কথাই ক'ব; কিন্তু বাস্তৱক্ষেত্ৰত

নিয়োগ-অযোগ্য আৰু গাঁৱৰ পৰিৱেশত খাপ খাব নোৱৰা বা নিবিচৰা স্নাতক (গাঁও অঞ্চলৰ কলেজ হ'লে) উৎপাদনেই কলেজবোৰৰ প্ৰধান কাৰ্য্যসূচী হৈ থকা নাই জানো?

ইংৰাজী Knowledge শব্দটো আৰু আমাৰ জ্ঞান শব্দটো সমাৰ্থক নহয়; আমি জ্ঞান শব্দটো যিদৰে বুজোঁ (জ্ঞান, বিজ্ঞান, তদংগ, ৰহস্যৰ অংশ হিচাপে) তাৰ ওচৰ চপা শব্দটো বোধকৰোঁ হ'ব episteme। 'episteme' আৰু 'techne'ৰ বিভাজন এৰিষ্টটলৰ সময়ৰপৰাই প্ৰাচীন আৰু মধ্যযুগীয় পণ্ডিতসকলে মানি লৈছিল। আৰু এই বিভাজন ঊনৈছ শতিকাৰ ইউৰোপীয় শিক্ষাতো পৰিলক্ষিত হয়। কিন্তু একবিংশ শতিকাক ইতিমধ্যে 'নলেজ যুগ' বুলি কোৱা হৈছে। নলেজ শব্দটোত জ্ঞানৰ লগতে কাৰ্যকৰী দক্ষতাও সোমাই আছে। আমাৰ উচ্চ শিক্ষা নলেজ যুগৰ বাবে কাৰ্যকৰী হ'ব লাগিলে শিক্ষা ব্যৱস্থাত জ্ঞানৰ লগতে দক্ষতা আহৰণৰ ব্যৱস্থাও থাকিব লাগিব। কথাষাৰ অকল বিজ্ঞানৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়, কলা তথা মানৱ বিদ্যাৰ ক্ষেত্ৰতো প্ৰযোজ্য। অকল বিশুদ্ধ জ্ঞান চৰ্চাই আধুনিক শিক্ষাৰ উদ্দেশ্য হোৱা উচিত নহয়। জ্ঞান চৰ্চা গুৰুত্বপূৰ্ণ; কিন্তু প্ৰয়োগৰ ক্ষমতাও (= দক্ষতা) সমানে গুৰুত্বপূৰ্ণ। হম'ছেপিয়েনছ প্ৰজাতিৰ জীৱবোৰ অকল বৃহৎ মগজুৰ অধিকাৰী নহয়; আমাৰ দুখন সুনিপুণ হাতো আছে, নিজে উদ্ভাৱন কৰা প্ৰযুক্তি আছে। গতিকে জ্ঞান আৰু দক্ষতা অৰ্জন এগৰাকী ব্যক্তিৰ বাবে টান কাম নহয়। কিন্তু এই কামৰ বাবে মানসিকতাৰ আৰু শিক্ষণ-প্ৰক্ৰিয়াৰ দ্ৰুত পৰিৱৰ্তনৰ প্ৰয়োজন। অন্ততঃ আমাৰ বিজ্ঞান শিক্ষকসকলে দেৱযানীৰ অভিশাপৰ ('শিখাইবে, পাৰিবে না কৰিতে প্ৰয়োগ' — কচ-দেৱযানী সংবাদ — ৰবীন্দ্ৰনাথ) পৰা মুক্ত হ'লে আমাৰ বিজ্ঞান শিক্ষাৰ পুনৰুত্থান সম্ভৱপৰ হ'ব। ❑❑





# শিশুৰ বিজ্ঞান শিক্ষাঃ গোটাচেৰেক বিক্ষিপ্ত চিন্তা

ড° ক্ষীৰধৰ বৰুৱা

**এটা শিশু বিজ্ঞান শিবিৰৰ স্মৃতি**

শিশু বিজ্ঞান শিক্ষা বুলিলেই প্ৰায় ২৮ বছৰৰ আগতে বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত হোৱা এটা ছাত্ৰ বিজ্ঞান শিবিৰলৈ মনত পৰে। শ্ৰেণীকোঠাৰ বাহিৰত শিশু তথা ছাত্ৰ-ছাত্ৰীক আনন্দময় পদ্ধতিৰে বিজ্ঞান শিকোৱাৰ অসমত সেয়েই আছিল প্ৰথম প্ৰচেষ্টা। অসম বিজ্ঞান সমিতিৰ বিশ্বনাথ চাৰিআলি শাখাৰ উদ্যোগত স্থানীয় ৯খন উচ্চ মাধ্যমিক বিদ্যালয়ৰ মুঠ ৪০ জন বছা বছা ছাত্ৰ-ছাত্ৰীক লৈ ১৯৮১ চনৰ গৰমৰ বন্ধত সেই বিজ্ঞান অনুধাৱন কাৰ্যসূচী অনুষ্ঠিত হৈছিল।

সেই বছৰ বিশ্বনাথ মহাবিদ্যালয়ত পৰীক্ষা ল'বলৈ অহা কটন কলেজৰ পদাৰ্থবিজ্ঞানৰ প্ৰবক্তা তথা অসম বিজ্ঞান সমিতিৰ তেতিয়াৰ সাধাৰণ সম্পাদক ড° কুলেন্দু পাঠক ডাঙৰীয়াই শাখাৰ কৰ্মকৰ্তাসকলক তেনে এটা শিবিৰ পতাৰ বিষয়ে পৰামৰ্শ আগবঢ়াইছিল। সেইমতেই প্ৰস্তুতি আগ বাঢ়িছিল আৰু ১০ দিনীয়া শিবিৰটো সফলতাৰে অনুষ্ঠিত হৈছিল। নিতৌ পুৱা ৮-৩০ বজাৰপৰা বিয়লি ৫-৩০ বজালৈকে অনুষ্ঠিত হোৱা শিবিৰৰ পাঠদান কাৰ্যসূচীত পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, জীৱবিজ্ঞান আৰু লগতে গণিতৰ কিছুমান বছা বছা জটিল বিষয় সামৰা হৈছিল।

অস্থায়ীভাৱে স্থাপন কৰি লোৱা পৰীক্ষাগাৰত শিশুসকলক নিজে পৰীক্ষা-নিৰীক্ষা কৰিবলৈ দিয়া হৈছিল। শিক্ষকে প্ৰদৰ্শনৰ জৰিয়তে বিভিন্ন বিষয়ৰ

পাঠদান কৰিছিল। সৰহভাগ প্ৰদৰ্শন কৰা হৈছিল কমদামী আৰু বিনাদামী সঁজুলিৰে। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আগবঢ়োৱা ইলেকট্ৰ'নিকছৰ পাঠদান; চাবোন শিল্প, ফল সংৰক্ষণ, চিত্ৰনলা তেল উৎপাদন; পৰিৱেশ অধ্যয়ন আদি কাৰ্যসূচী আছিল অতি আকৰ্ষণীয়।

শিবিৰৰ নিয়মীয়া পাঠদানৰ উপৰিও প্ৰতিদিনে সভাকক্ষত অনুষ্ঠিত হৈছিল বিজ্ঞানৰ জনপ্ৰিয় বক্তৃতা। এই বক্তৃতানুষ্ঠানত শিশুসকলৰ উপৰিও অন্যান্য ছাত্ৰ-ছাত্ৰী আৰু ইচ্ছুক ব্যক্তিয়ে অংশগ্ৰহণ কৰিব পাৰিছিল। জনপ্ৰিয় বক্তৃতাৰ বিষয়সমূহ আছিল পৰমাণুশক্তি, মহাকাশবিজ্ঞান, পৰীক্ষানলত মানৱ শিশুৰ জন্ম, মাছৰ কৃত্ৰিম প্ৰজনন, অসমৰ কৃষি ব্যৱস্থা, বনজ সম্পদ, গ্ৰহান্তৰত জীৱৰ অস্তিত্ব, কৃত্ৰিম সূতা, ৰবৰ আৰু প্লাষ্টিক, ৰকেট আৰু কৃত্ৰিম উপগ্ৰহ, পৰিৱেশ প্ৰদূষণ ইত্যাদি। শিবিৰৰ অন্তিম দিনা বিজ্ঞান কুইজ প্ৰতিযোগিতা, সমূহীয়া বৃক্ষৰোপণ আৰু মূল্যায়ন অনুষ্ঠিত হৈছিল।

শিশুৰ বিজ্ঞান শিক্ষাৰ উত্তৰণৰ বাবে আয়োজিত এই বিৰল কাৰ্যসূচীৰ বিষয়ে আমি সেই সময়ৰ বাতৰিকাকত আৰু বিজ্ঞান জেউতিত লিখিছিলোঁ। আৰু অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা) আৰু অসম বিজ্ঞান সমিতিক এনে কাৰ্যসূচী চলাই থাকিবলৈ অনুৰোধ জনাইছিলোঁ। ছেবাৰপৰা কোনো সঁহাৰি পোৱা নগ'ল। অসম বিজ্ঞান সমিতিৰ দুটামান শাখাই এনে অনুষ্ঠানৰ আয়োজন কৰিছিল আৰু তাতেই প্ৰক্ৰিয়াটো শেষ হৈছিল।

বৰ্তমান যোৰহাটৰ 'বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উত্তৰ-পূব প্ৰতিষ্ঠান'ত (পূৰ্বৰ আঞ্চলিক গৱেষণাগাৰ) ড° দীনেশ চন্দ্ৰ গোস্বামীৰ তত্ত্বাৱধানত প্ৰতি বছৰে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিভাবান শিশুৰ বাবে 'বিজ্ঞান অনুধাৱন কাৰ্যসূচী'ৰ আয়োজন কৰা হয়। অসম বিজ্ঞান সমিতিৰ তেজপুৰত থকা 'বিজ্ঞান কেন্দ্ৰ'ত ড° অখিল কুমাৰ ডেকাই স্থানীয় শিশুসকলৰ বাবে বিজ্ঞান শিক্ষাৰ প্ৰশিক্ষণ কাৰ্যসূচী চলাই আছে। এই লেখকে 'আকাশ' নামৰ শিশু বিজ্ঞান সংগঠনৰ জৰিয়তে বছৰি গৰমৰ বন্ধত প্ৰায় এশজন শিশুৰ বিজ্ঞান শাখাৰ অনুধাৱন কাৰ্যসূচীৰ আয়োজন কৰি আছে।

**প্ৰত্যেক শিশুৱেই আজন্ম বিজ্ঞানী —**

নিউটনে সৰুতে বাগিচাত বহি থাকোঁতে আপেল এটা গছৰপৰা সৰি





পৰা দেখি মাধ্যাকৰ্ষণ সূত্ৰ আৱিষ্কাৰ কৰাৰ প্ৰেৰণা পোৱা, শিশু আইনষ্টাইনক এডাল চুম্বকৰ ধৰ্মই আকৃষ্ট কৰা, জেমছ ৱাটে কেটলিৰ ঢাকনিখন ভাপে উঠোৱা-নমোৱা কৰা দেখি ভাপকল নিৰ্মাণৰ সম্ভাৱনাৰ বিষয়ে মনত চিন্তাৰ উদ্ৰেক হোৱা আদি ঘটনা বিশ্বৰ মহান বিজ্ঞানীসকলৰ জীৱনত ঘটা দেখা যায়। প্ৰকৃততে প্ৰত্যেক শিশুৰেই জন্মৰেপৰা বিজ্ঞানীসুলভ অনুসন্ধিৎসা থাকে। সেইকাৰণেই শিশুৱে প্ৰাকৃতিক ঘটনাবোৰৰ ৰহস্য জানিব খুজি মাক-বাপেকক নানান প্ৰশ্ন কৰে। কিন্তু বয়স বঢ়াৰ লগে লগে নানান পাৰিপাৰ্শ্বিক কাৰণত শিশুসকলৰ তেনে ধৰণৰ প্ৰশ্ন সোধাৰ অভ্যাসটো কমি যায়। শিশুৰ এই অনুসন্ধিৎসা আৰু জিজ্ঞাসা প্ৰতিপালন কৰিব পাৰিলেহে সিহঁতৰ বিজ্ঞান শিক্ষাই যথাৰ্থতা আৰু পূৰ্ণতা লাভ কৰিব পাৰে। ঘৰুৱা জীৱনৰ নানান ঘটনা, প্ৰাকৃতিক পৰিঘটনা, চৰাই-চিৰিকটি, নানান জীৱ-জন্তু, গছলতা, পানী, আকাশৰ জোন-বেলি-তৰা আদিয়ে যেতিয়া শিশুক আকৃষ্ট কৰে, পৰিৱেশৰ নানা যান্ত্ৰিক ঘটনাই সিহঁতৰ মনত প্ৰভাৱ পেলায়, তেতিয়াৰপৰাই উপযুক্ত বিজ্ঞান শিক্ষাৰ ব্যৱস্থা কৰিব পাৰিলে শিশুৰ বিজ্ঞান-মনস্কতা গঢ় হৈ উঠিব, বিকশিত হ'ব।

**বিজ্ঞান পঢ়িলেই নহ'ব, 'কৰিবও' লাগিব —**

বৰ্তমানৰ যুগসাপেক্ষে শিক্ষা ব্যৱস্থাত পৃথিৱীৰ সকলো দেশতে বিজ্ঞানক সাধাৰণ শিক্ষাৰ বিশেষ অংগ হিচাপে গণ্য কৰা হৈছে। আমাৰ দেশত ১৯৭০ৰ দশকৰ আৰম্ভণিৰপৰাই বিজ্ঞান শিক্ষাক মাধ্যমিক স্তৰলৈকে বাধ্যতামূলক কৰা হৈছে। সেই অনুযায়ী বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নৱতম অগ্ৰগতিৰ লগত সংগতি ৰাখি বিজ্ঞানৰ পাঠ্যক্ৰম সময়ে সময়ে পৰিশোধিত আৰু উন্নত কৰা হৈছে। বিজ্ঞান শিক্ষাৰ মূলমন্ত্ৰ হ'ল 'হাতে-কামে শিকা' (Science is doing)। কেৱল বক্তৃতা আৰু ব'ৰ্ড-চকমাটিৰ প্ৰয়োগেৰে শ্ৰেণীকোঠাত প্ৰদান কৰা বিজ্ঞান শিক্ষা মনোগ্ৰাহী অৰ্থপূৰ্ণ আৰু ফলপ্ৰসু নহয়। বিজ্ঞানৰ শিক্ষাদান হ'ব লাগিব কাৰ্যভিত্তিক আৰু আনন্দদায়ক। বিজ্ঞানৰ কোমলমতীয়া শিকাৰুহঁতে নিজ হাতে কৰা পৰীক্ষা-নিৰীক্ষাৰ জৰিয়তে শিকা অভিজ্ঞতাৰপৰা যি আনন্দ লাভ কৰে, সেয়া এজন বিজ্ঞানীয়ে আৱিষ্কাৰ-উদ্ভাৱন কৰি লাভ কৰা আনন্দৰ সমতুল্য। কাৰ্যভিত্তিক বিজ্ঞান শিক্ষাৰ জৰিয়তে শিশুৱে পৰোক্ষভাৱে বা প্ৰত্যক্ষভাৱে বৈজ্ঞানিক পদ্ধতিৰ প্ৰশিক্ষণো লাভ কৰে। এই বৈজ্ঞানিক

পদ্ধতিয়েই হ'ল বিজ্ঞান-মনস্কতাৰো ভেটি।

বিভিন্ন সা-সঁজুলিৰে পৰীক্ষা-নিৰীক্ষা কৰি শিকিব পাৰিলেহে শিশুৱে বিজ্ঞানৰ তথ্য, তত্ত্ব আদি হৃদয়ংগম কৰিব পাৰে। বৰ্ণনামূলক নিৰস পাঠদানে কেৱল পৰীক্ষাত নম্বৰ সংগ্ৰহতহে সহায় কৰিব পাৰে, প্ৰকৃতাৰ্থত বৈজ্ঞানিক জ্ঞান অৰ্জন আৰু বিজ্ঞান-মনস্কতাৰ সৃষ্টি আৰু বিকাশত অৰিহণা যোগাব নোৱাৰে। এই ক্ষেত্ৰত চীনা ভাষাত পৰিচলিত ফকৰা এটা সুন্দৰকৈ খাপ খায় ঃ "I read –I forget, I see–1 remember, I do–I understand."

শ্ৰেণীকোঠাৰ বাহিৰত শিশুক বৈজ্ঞানিক পদ্ধতিৰ প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত সম্প্ৰতি ভাৰতবৰ্ষত প্ৰতি বছৰে আয়োজন কৰা 'শিশু বিজ্ঞান কংগ্ৰেছ'ৰ কাৰ্যসূচীয়ে বিশিষ্ট ভূমিকা পালন কৰিছে। এই কাৰ্যসূচীত শিশু বিজ্ঞানীসকলে মূল বিষয় এটাৰ লগত সংগতি ৰাখি কিছুমান প্ৰকল্প প্ৰস্তুত কৰে। এই প্ৰকল্পবোৰ ক্ষুদ্ৰ পৰ্যায়ৰ গৱেষণাকৰ্মৰ লেখীয়া। ইয়াৰ জৰিয়তে মৌলিক বিজ্ঞান চৰ্চাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক আগ্ৰহী কৰি তুলিবলৈ প্ৰচেষ্টা চলোৱা হয়।

**কাৰ্যভিত্তিক বিজ্ঞান শিক্ষা ঃ তেতিয়াৰ আৰু এতিয়াৰ —**

আমি হাইস্কুলত পঢ়াৰ দিনত বিজ্ঞান বিষয়টো অষ্টম শ্ৰেণীলৈকেহে বাধ্যতামূলক আছিল। ১৯৫৯-৬০ চনত জামুগুৰি হাইস্কুলত ৭ম-৮ম শ্ৰেণীত পঢ়োঁতে বিজ্ঞানৰ শিক্ষক চেনাৰাম হাজৰিকা ছাৰে বৰ যত্নেৰে বিজ্ঞান পঢ়াইছিল। উদাহৰণস্বৰূপে, তেখেতে থাৰ্মফ্লাস্কৰ বিষয়ে পাঠদান কৰোঁতে ঘৰৰপৰা নিয়া ফ্লাস্ক এটা খুলি-মেলি অংশবোৰ দেখুৱাই তাৰ কাম-কাজ বৰ্ণনা কৰিছিল। তদুপৰি তেখেতে প্ৰতি শনিবাৰে ছুটীৰ পাছত বিজ্ঞানৰ এটা প্ৰদৰ্শনমূলক শ্ৰেণী লৈ তাত কেইবাটাও শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ আগত কিছুমান পৰীক্ষা কৰি দেখুৱাইছিল। সেইবোৰৰ ভিতৰত হাইড্ৰ'জেন, অক্সিজেন আদি গেছৰ প্ৰস্তুতি আৰু ধৰ্মৰ অধ্যয়ন আদি পৰীক্ষাবোৰ আছিল অতি আমোদজনক আৰু কৌতুহলপূৰ্ণ।

আমাৰ হাজৰিকা ছাৰৰ দৰে সেই সময়ৰ বিজ্ঞান শিক্ষকসকলে সকলো স্কুলতে শিক্ষাদান কৰিছিল নে নাই নাজানোঁ। কিন্তু এটা কথাত নিশ্চিত হৈছিলোঁ যে সেই সময়ত হাইস্কুলবোৰত বিজ্ঞান শিক্ষণৰ সা-সঁজুলি কিছু পৰিমাণে হ'লেও আছিল, আৰু শিক্ষকে ইচ্ছা কৰিলে নিজে সঁজুলি সংগ্ৰহ কৰিও বিজ্ঞানৰ





পাঠদান আমোদজনক কৰি তুলিব পাৰে।

প্ৰকৃততে উত্তৰ-স্বাধীনতা কালৰ ভাৰতৰ প্ৰতিটো শিক্ষা আয়োগৰ প্ৰতিবেদনতে বিজ্ঞান শিক্ষা কাৰ্যভিত্তিক কৰাৰ ওপৰত গুৰুত্ব দি প্ৰতিখন বিদ্যালয়তে বিজ্ঞানৰ বাবে এটা আচুতীয়া কোঠা ৰখাৰ ব্যৱস্থা কৰিবলৈ কোৱা হৈছে। (কিন্তু বৰ্তমানো দেশৰ ২০ শতাংশ বিদ্যালয়ত উপযুক্ত শ্ৰেণীকোঠাই নাই।) ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগৰ প্ৰতিবেদনত কোৱা হৈছিল ঃ If science is poorly taught and badly learnt, it is little more than burdening the mind with dead information, and it could degenerate even into new superstition."

১৯৭০-৮০ৰ দশকত আমি কৰা এটা জৰীপত দেখা গৈছিল যে মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষকসকলে স্কুলত বিজ্ঞান শিক্ষাৰ সঁজুলিৰ অভাৱ বুলি আপত্তি দৰ্শায়। পাছলৈ চৰকাৰে প্ৰাথমিক আৰু মজলীয়া স্তৰৰ বিজ্ঞান শিক্ষাৰ কাৰণে কিছুমান সঁজুলি-বাকচৰ যোগান ধৰিছিল যদিও সেইবোৰৰ সদ্ব্যৱহাৰ হোৱা নাছিল। এই পৰিস্থিতি এতিয়াও একে হৈয়ে আছে। বৰ্তমান প্ৰায়বোৰ উচ্চ মাধ্যমিক বিদ্যালয়তে বিজ্ঞান শিক্ষণৰ বাবে চৰকাৰে প্ৰয়োজনীয় সা-সঁজুলি, ৰাসায়নিক দ্ৰব্য, প্ৰজেক্টৰ আদিৰ যোগান ধৰিছে। নতুন পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি কাৰ্যভিত্তিক পদ্ধতিৰে পাঠদান কৰিবলৈ শিক্ষক-প্ৰশিক্ষণৰো আয়োজন কৰা হৈছে। কিন্তু কাৰ্যক্ষেত্ৰত দুই-এখন বিদ্যালয়ৰ বাহিৰে সৰহভাগ বিদ্যালয়তে কাৰ্যভিত্তিক পদ্ধতিৰে বিজ্ঞানৰ পাঠদান কৰা দেখা নাযায়। ভালেমান বিদ্যালয়ত বিজ্ঞানৰ সা-সজুঁলি, ৰাসায়নিক দ্ৰব্য, কম্পিউটাৰ আদি অব্যৱহৃত হৈ বিনষ্ট হোৱা আমি নিজ চকুৰে দেখিছোঁ।

এনে পৰিস্থিতিত, অসমৰ কিছু সংখ্যক অনাচৰকাৰী বিদ্যালয়ে নিজাববীয়াকৈ ছাত্ৰ-ছাত্ৰীক আমোদজনক আৰু কাৰ্যভিত্তিক পদ্ধতিৰে বিজ্ঞানৰ শিক্ষাদানৰ ব্যৱস্থা কৰি থকাটো অতি প্ৰশংসনীয়। এই ক্ষেত্ৰত গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়ে গ্ৰহণ কৰা অগ্ৰণী ভূমিকা সকলোৰে আদৰণীয় আৰু সকলো বিদ্যালয়ৰে আদৰ্শনীয়।

**কম খৰচী সঁজুলিৰে বিজ্ঞান শিক্ষা —**

আমাৰ শিক্ষা ব্যৱস্থাত বহু বছৰৰ আগৰপৰা পৰিৱেশত সহজে পোৱা

কম খৰচী আৰু বিনা খৰচী (low cost and no-cost) সামগ্ৰীৰে তৈয়াৰ কৰা সঁজুলিৰ সহায়ত ছাত্ৰ-ছাত্ৰীক বিজ্ঞান শিক্ষা প্ৰদান আৰু বিজ্ঞান জনপ্ৰিয়কৰণৰ ওপৰত গুৰুত্ব দি অহা হৈছে। এই ধাৰণাৰ প্ৰচলন আৰু বিকাশৰ বাবে ৰাজ্যিক চৰকাৰৰ শিক্ষা বিভাগ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান-প্ৰযুক্তিবিদ্যা বিভাগৰ উপৰিও বিজ্ঞান জনপ্ৰিয়কৰণত ব্ৰতী বিভিন্ন স্বেচ্ছাসেৱী সংগঠনে প্ৰচেষ্টা চলাই আছে। অসম বিজ্ঞান সমিতিয়ে সময়ে সময়ে কম খৰচী সঁজুলিৰে বিজ্ঞান শিক্ষাদানৰ বিষয়ে কেন্দ্ৰীয়ভাৱে আৰু ইয়াৰ শাখাৰ জৰিয়তে শিক্ষক-কৰ্মশালাৰ আয়োজন কৰি আছে। এই সমিতিয়ে কম খৰচী সঁজুলিৰে বিজ্ঞানৰ তিনিটা সঁজুলি-বাকচ (kit-box) প্ৰযোজনা কৰিছে। সেই সঁজুলি-বাকচ তিনিটা হ'ল — পদাৰ্থবিজ্ঞান, উদ্ভাৱক ড° অখিল কুমাৰ ডেকা (১৯৯০), ৰসায়নবিজ্ঞান, উদ্ভাৱক ক্ষীৰধৰ বৰুৱা (১৯৯৭), জীৱবিজ্ঞান, উদ্ভাৱক ড° অৰ্পণা বুজৰবৰুৱা আৰু বিভা গোস্বামী (১৯৯৯)। সঁজুলি-বাকচ নিৰ্মাতাসকলে ৰচনা কৰা তিনিওখন পুথিও (যথাক্ৰমে বিজ্ঞান পৰীক্ষা, ৰসায়নৰ ৰসাল পৰীক্ষা, জীৱবিজ্ঞানৰ সহজ পৰীক্ষা) প্ৰকাশ কৰা হৈছে। কিন্তু আচৰিত কথা, কম খৰচী সঁজুলিৰে বিজ্ঞানৰ শিক্ষাদানৰ ধাৰণাটোৱে আশা কৰা মতে জনপ্ৰিয়তা লাভ কৰা নাই।

উল্লেখযোগ্য যে অসমৰ কেইবাখনো বছা বছা বিদ্যালয়ত আজি কিছু বছৰৰ আগেয়ে চৰকাৰৰ উদ্যোগত একোটাকৈ 'বিজ্ঞান কেন্দ্ৰ' খোলা হৈছিল। আমি জনামতে সেই বিজ্ঞান কেন্দ্ৰবোৰৰ কোনোটোৱেই বৰ্তমান সক্ৰিয় অৱস্থাত নাই। সম্প্ৰতি ৰাজ্য চৰকাৰৰ বিজ্ঞান-প্ৰযুক্তিবিদ্যা বিভাগে প্ৰতিখন জিলাতে উন্নয়ন খণ্ড পৰ্যায়ত ভালেসংখ্যক 'আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ' স্থাপন কৰাৰ ব্যৱস্থা কৰিছে। আমি আশা কৰোঁ, এই বিজ্ঞান কেন্দ্ৰসমূহৰ জৰিয়তে ৰাজ্যখনৰ চুকে-কোণে সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰী তথা শিশুসকলৰ মাজত বিজ্ঞান শিক্ষাৰ বিস্তাৰৰ লগতে জনসাধাৰণৰ বৈজ্ঞানিক জ্ঞানৰ প্ৰচাৰ তথা বিজ্ঞান-মনস্কতাৰ বিকাশৰ সুবিধা হ'ব; আৰু এই উদ্দেশ্য সাধনৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী, বিজ্ঞানকৰ্মী আৰু সদাশয় ব্যক্তিসকল আগবাঢ়ি আহিব। ❑❑





# বিশ্ব পৰিৱেশৰ সমস্যা

**ডিম্বেশ্বৰ চলিহা**

বিভিন্ন ধাতু, গেছ, খাৰুৱা তেল, কয়লা বা ৰাসায়নিক পদাৰ্থসমূহ আৱিষ্কাৰ কৰা বা সিহঁতৰ ব্যৱহাৰ কৰিবলৈ লোৱা বৰ বেছি দিন হোৱা নাই। যন্ত্ৰৰ আৱিষ্কাৰ তাৰো পাছৰ। এই পদাৰ্থ বা যন্ত্ৰসমূহ আৱিষ্কাৰ হোৱাৰ আগতে মানুহৰ জীৱন ধাৰণৰ মানদণ্ড আছিল অতি সাধাৰণ আৰু অযান্ত্ৰিক। তেওঁলোকৰ প্ৰয়োজনীয় দ্ৰব্যৰ তালিকাখন আছিল তেনেই চুটি আৰু সেয়ে প্ৰদূষণৰ প্ৰভাৱত বৰ বেছিকৈ ভূগিব লগা হোৱা নাছিল। বনৰ বাঘে হয়তো দুই এজনক খাইছিল, কিন্তু যন্ত্ৰ বাঘৰ কামোৰ খাই চট্‌ফটাব লগা হোৱা নাছিল। সঁচা কথা জীৱ মাত্ৰেই সংগ্ৰাম কৰিব লাগিব। তেওঁলোকেও নিশ্চয় কৰিছিল। কিন্তু তেওঁলোকৰ সেই সংগ্ৰাম আমাৰ দৰে সীমাহীন নাছিল। তেওঁলোকে হয়তো আহাৰ আৰু আশ্ৰয়ৰ কাৰণ যুঁজ দিব লগা হৈছিল — লগৰ আন দুই এক জনগোষ্ঠীৰ লগত, বতাহ-বৰষুণ, ধুমুহা, বজ্ৰপাতৰ লগত আৰু কেতিয়াবা হয়তো দুই এটা জন্তুৰ লগত। সিও আছিল খন্তেকীয়া। কিন্তু আমি একে সময়তে বহুতৰ লগত যুঁজ দিব লগাত পৰিছোঁ। বনৰ বাঘ কমিল, কিন্তু যন্ত্ৰৰ বাঘ বাঢ়িল। আজি আমি সভ্যতাৰ নামত যিবিলাক কল-কাৰখানাৰ সৃষ্টি কৰিছোঁ, যিবিলাক ৰাসায়নিক বা বৈদ্যুতিক প্ৰকল্প গঢ়ি তুলিছোঁ — সেইবিলাকেই আওপকীয়াকৈ আমাক তিল্ তিলকৈ দংশন কৰিবলৈ লৈছে। আজি আমি আমাৰ সৃষ্টিৰেই বিশ্ব ব্ৰহ্মাণ্ড দূষিত কৰিবলৈ ওলাইছোঁ।

**আৱৰ্জনাও প্ৰদূষণৰ অন্যতম কাৰণ ঃ**

মাত্ৰ কেইনিযুত বছৰমানৰ আগতেহে মানুহ নামৰ প্ৰজাতিটোৰ সৃষ্টি হৈছিল। অথচ তাৰ বহুত আগতে আনবোৰ প্ৰাণীৰ সৃষ্টি হৈছিল। এই প্ৰাণীসমূহৰ বেছিভাগৰে বিভিন্ন যুগত জৈৱিক পৰিৱৰ্তন ঘটিছিল আৰু এই

পৰিৱৰ্তনেই কাৰোবাক উন্নতিৰ জখলালৈ ঠেলি দিছিল। আৰু কাৰোবাক মৃত্যুৰ মুখত পেলাইছিল। ডাইন'চৰৰ দৰে বহুতো প্ৰাণী চিৰকালৰ বাবে লুপ্ত হৈ পৰিছিল। উন্নত মগজুৰেই মানুহক সকলো প্ৰাণীৰ ওপৰত শ্ৰেষ্ঠ কৰি গঢ়ি তুলিলে। মানুহে আন প্ৰাণীৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ ল'লে। বহুতো প্ৰাণীৰ সংখ্যা লাহে লাহে কমি আহিল। কিন্তু কমি নাহিল মানুহৰ সংখ্যা। তৃতীয় বিশ্বৰ দেশসমূহত এই মাত্ৰা অতিপাতকৈ বৃদ্ধি পালে। বৰ্দ্ধিত জনসংখ্যাৰ কাৰণে প্ৰয়োজন হ'ল অধিক খাদ্য, অধিক ঠাই। সেইখিনিৰ জোৰা মাৰিবলৈকে মানুহে প্ৰকৃতিৰ ওপৰত শোষণ চলালে। আগৰ কুটীৰ শিল্পৰ ঠাইত আৰম্ভ কৰিলে যান্ত্ৰিক শিল্প। যান্ত্ৰিক শিল্পই মাটি, পানী, বায়ু সকলো দূষিত কৰি পেলালে। ঔদ্যোগিক আৱৰ্জনায়ো তাতে ইন্ধন যোগালে। অৱশ্যে আৱৰ্জনাসমূহ পৰিশোধন কৰি পুনঃ পুনঃ ব্যৱহাৰৰ উপযোগী কৰিব পৰা হ'লহেঁতেন আৰু লগতে প্ৰদূষণৰ পৰাও হাত সাৰিব পৰা হ'লহেঁতেন, কিন্তু তাকো কৰা নহ'ল।

**শক্তিৰ ঘাই আধাৰ হ'ল সূৰ্য ঃ**

পৰিৱেশ শব্দটোৰ অৰ্থ কোনো এক সংজ্ঞাৰে সামৰা সম্ভৱ নহয়। পৃথিৱীত একে কোনো বস্তু নাই যি ইয়াৰ গণ্ডীৰ ভিতৰত নপৰে। গছ, বন, জীৱ-জন্তু, বায়ু-পানী, মাটি, আকাশ আৰু এইবিলাকৰ চৌদিশে থকা জলবায়ু — সকলোৱেই পৰিৱেশৰ অন্তৰ্গত। এটাৰ অবিহনে আনটোৰ স্থিতি অসম্ভৱ। পৰিৱেশক ৰেডিঅ' এটাৰ লগত নিশ্চয় তুলনা কৰিব পাৰি। ৰেডিঅ' একোটাত বহুতো অংশ থাকিলেও সেইবিলাকে বেলেগাই বেলেগাই কাম কৰিব নোৱাৰে। পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰ কৰিব লগাত পৰে। আটাইবিলাকৰ পাৰস্পৰিক সহযোগিতাতহে ৰেডিঅ' একোটা বাজি উঠে। আনহাতে ৰেডিঅ'টো বাজিবৰ কাৰণে শক্তিৰ প্ৰয়োজন হয়। ৰেডিঅ'ই শক্তি পায় বিদ্যুৎ বা বেটেৰীৰ পৰা। পৰিৱেশৰ ক্ষেত্ৰতো সেই একেই কথা। পৃথিৱীত থকা সকলো গছ, বন আৰু জীৱ-জন্তুৰ মূল শক্তিৰ আধাৰ হ'ল সূৰ্য। সূৰ্যৰ পৰা পোনে পোনে শক্তি আহৰণ কৰাৰ ক্ষমতা মানুহৰ নাই। কিন্তু সেই ক্ষমতা গছৰ আছে। গছে পোনে পোনে সৌৰশক্তি আহৰণ কৰি খাদ্য প্ৰস্তুত কৰিব পাৰে। সেই গছ-বনকে তৃণভোজী প্ৰাণীয়ে খায় আৰু তৃণভোজী





প্ৰাণীক খায় মাংসভোজী প্ৰাণীয়ে। অৰ্থাৎ খাদ্য আৰু শক্তিৰ এক চিৰন্তন চক্ৰ চলিয়েই আছে আৰু চলিয়েই থাকিব।

গ্ৰহ হিচাপে পৃথিৱীৰ কিছুমান বৈশিষ্ট্য আছে আৰু এই বৈশিষ্ট্যসমূহেই পৃথিৱীখনক জীৱ থকাৰ উপযোগী কৰি তুলিছে। পৃথিৱীৰ বায়ুমণ্ডলত তেনেই কম পৰিমাণৰ কাৰ্বন ডাইঅক্সাইডহে আছে। আনহাতে মঙ্গল গ্ৰহত কাৰ্বন-ডাইঅক্সাইডৰ পৰিমাণ শতকৰা ৯৬.৫ ভাগ আৰু শুক্ৰ গ্ৰহত শতকৰা ৯৬ ভাগ পৃথিৱীত অক্সিজেনৰ পৰিমাণ শতকৰা ২০ ভাগ আনহাতে শুক্ৰ আৰু মঙ্গলগ্ৰহত অক্সিজেনৰ পৰিমাণ শতকৰা ০.০১ ভাগতকৈও কম। সূৰ্যৰ পৰা আহৰণ কৰা উত্তাপৰ বেছিভাগেই পৃথিৱীৰ উপৰিভাগত পৰি প্ৰতিফলিত হৈ পুনৰ মহাকাশলৈ গতি কৰে। গতিকে পৃথিৱীৰ উত্তাপ গড় হিচাপত প্ৰায় ১৫° চেণ্টিগ্ৰেড। আনহাতে শুক্ৰগ্ৰহৰ উপৰিভাগত সেই উত্তাপ ৪৫০° চেণ্টিগ্ৰেড। এই পৰিসংখ্যা সমূহৰ ওপৰত ভিত্তি কৰি এটা কথা স্পষ্টকৈ ক'ব পাৰি যে পৃথিৱীয়েই একমাত্ৰ গ্ৰহ য'ত জীৱ থকাৰ সকলো উপাদান পোৱা যায়।

কিন্তু পৰিতাপৰ কথা এয়ে যে মানুহৰ কিছুমান অপকৰ্মই এই উপাদানসমূহক স্থিতাৱস্থাত ৰাখিব পৰা নাই। উত্তাপৰ সামান্যতম তাৰতম্য হ'লেও পৃথিৱীৰ পৰা সকলো জীৱৰ বিলুপ্তি ঘটিব পাৰে। জীৱ জগতৰ অতীত বুৰঞ্জী খুচৰি চালে আমি দেখা পাওঁ যে পাঁচবাৰকৈ বহুতো প্ৰজাতিৰ জীৱ এই পৃথিৱীৰ বুকুত নিঃশেষ হৈ পৰিছিল। প্ৰত্যেক বাৰতে পৰিৱৰ্তিত পৰিৱেশৰ লগত খাপ খাব নোৱাৰিয়েই এই প্ৰজাতিসমূহ মৃত্যুৰ মুখত পৰিছিল। প্ৰথমবাৰ এই বিলুপ্তিকৰণ হৈছিল ৪৪০ নিযুত বছৰৰ আগতে। সেইবাৰ শতকৰা ৮৫ জীৱ নিঃশেষ হৈ পৰিছিল। তাৰ পিছতো বেলেগ বেলেগ সময়ত অৰ্থাৎ ৩৬৫, ২৫১ আৰু ২০৫ নিযুত বছৰৰ আগতে বহুতো জীৱৰ বিলুপ্তি হৈছিল। ইয়াৰে ২৫১ নিযুত বছৰৰ আগতে হোৱা বিলুপ্তিকৰণতে পৃথিৱীৰ শতকৰা ৯৬ টা প্ৰজাতি লুপ্ত হৈ পৰিছিল। বেছিভাগ প্ৰাচীন স্তন্যপায়ী প্ৰাণী সেই সময়তে লুপ্ত হৈছিল। সেইখিনি সময়তে সৃষ্টি হৈছিল ডাইন'চৰৰ। ধ্বংস আৰু সৃষ্টি এটা আনটোৰ পৰিপূৰক হৈ পৰিছিল। এতিয়াৰ পৰা ৬৬ নিযুত বছৰৰ আগতে আৰু কিছুমান ডাঙৰ ডাঙৰ প্ৰাণীয়ে মেলানি মাগিছিল আৰু তাৰ মাজতে

ডাইন’চৰো আছিল।

**সাগৰীয় প্ৰদূষণ ঃ**

পৃথিৱীৰ সাগৰ-মহাসাগৰসমূহ দিনক দিনে অধিক প্ৰদূষিত হৈ পৰিছে। গাঁও আৰু নগৰসমূহৰ সকলো ধৰণৰ আৱৰ্জনা নদীসমূহেদি গৈ সাগৰত পৰেগৈ। তৈলবাহী জাহাজসমূহৰ পৰা মাজে সময়ে তেল ওলাই গৈও সাগৰত পৰেগৈ। বিভিন্ন ধৰণৰ গধুৰ ধাতৰ পদাৰ্থ আৰু কিছুমান জৈৱ যৌগ পদাৰ্থও সাগৰত পৰে। নগৰীয়া আৱৰ্জনাসমূহৰ ভিতৰত বিষাক্ত ৰাসায়নিক পদাৰ্থও থাকে। এইবিলাকে সাগৰৰ অক্সিজেন ভাগ শোষণ কৰি লয়। ফলত মাছকে ধৰি বিভিন্ন সাগৰীয় প্ৰাণী অক্সিজেনৰ অভাৱতে মৃত্যুবৰণ কৰিব লগা হয়। উদ্যোগসমূহৰ পৰা নিৰ্গত হোৱা কিছুমান বিষাক্ত পদাৰ্থ পানীৰ যোগেদি আমাৰ দেহতো প্ৰৱেশ কৰে।

**মৰুভূমিকৰণ ঃ** পৃথিৱীৰ খৰাং আৰু অৰ্দ্ধ খৰাং অঞ্চলসমূহ নানান কাৰণত মৰুভূমিলৈ ৰূপান্তৰিত হ’ব পাৰে। পৃথিৱীৰ ১০০খনমান দেশত প্ৰায় ১০০ কোটিমান লোক লাহে লাহে মৰুভূমি সদৃশ পৰিৱেশৰ মাজত সোমাই পৰিছে। মৰুভূমিকৰণৰ কাৰণ বহুত। তাৰ ভিতৰত চৰণীয়া পথাৰত হিচাপতকৈ বেচি গৰু, ম’হ এৰি দিয়া, জলবায়ুৰ পৰিৱৰ্তন, পানীৰ অভাৱ, একেখিনি ঠাইতে অধিক পৰিমাণৰ খেতি, জুম খেতিৰ দৰে হাবি ভাঙি কৰা খেতি, বনাঞ্চলত অধিক গছ-গছনি কটা আদিয়েই প্ৰধান। মৰুভূমিকৰণে মানুহৰ জীৱনৰ ওপৰত পোনপটীয়া প্ৰভাৱ পেলায়। মৰুভূমিকৰণৰ ফলতে সৃষ্টি হয় খৰাং বতৰ আৰু দুৰ্ভিক্ষ। মৰুভূমিকৰণৰ ফলতে মানুহ আৰু প্ৰাণী উভয়ে আন ঠাইলৈ যাবলৈ বিচাৰে। ফলত সামাজিক আৰু আন্তঃৰাজ্যিক সমস্যাবোৰ মূৰ দাঙি উঠে। অনুমান কৰা হৈছে যে একৈশ শতিকাত মাটি আৰু পানীৰ কাৰণেই আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় বাদ-বিসম্বাদ দিনক দিনে বৃদ্ধি পাইছে।

বৰ্তমান পৃথিৱীত মানুহৰ জনসংখ্যা প্ৰায় ৬০০ কোটি। এই সংখ্যা বছৰি বছৰি বৃদ্ধি পায়েই আছে। এই বৃদ্ধিৰ হাৰো উন্নয়নশীল দেশসমূহতে অধিক। অধিক জনসংখ্যাৰ দেশবোৰতে অধিক পৰিমাণৰ প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰা হয়। ফলত প্ৰাকৃতিক সম্পদৰ নাটনি হয়। আনহাতে উন্নত দেশসমূহেও





প্ৰাকৃতিক সম্পদ কম ব্যৱহাৰ নকৰে। তেওঁলোকৰ উন্নত জীৱন যাপনৰ মূলতেই হ’ল প্ৰাকৃতিক সম্পদ। তদুপৰি নিজৰ দেশত প্ৰাকৃতিক সম্পদৰ অভাৱ যেন দেখিলে ওচৰৰ উন্নয়নশীল বা অনুন্নত দেশসমূহৰ পৰাও তেওঁলোকে প্ৰাকৃতিক সম্পদ আহৰণ কৰে। পৃথিৱীৰ মুঠ প্ৰাকৃতিক সম্পদসমূহৰ ওপৰত পৃথিৱীৰ প্ৰতিজন নাগৰিকৰে অধিকাৰ আছে। প্ৰতিবিধ সম্পদক ৰক্ষা কৰাটো বা ব্যৱহাৰ কৰাটো প্ৰতিজন লোকৰে কৰ্তব্য। ভোগ কৰাৰ এক্তিয়াৰ পালোঁ বুলিয়েই যদি আমি সকলো প্ৰাকৃতিক সম্পদ এফালৰ পৰা ধ্বংস কৰি যাওঁ তেন্তে তাৰ কুফল আমিয়েই ভুগিব লাগিব। আমাৰো শেষ ফল ডাইন’চৰৰ দৰেই হ’ব।

**পৃথিৱীত যিমান গছ-গছনি আছে তাৰ চাৰিগুণ মানুহে কাটে ঃ**

প্ৰাণীক খাদ্যৰ যোগান ধৰাৰ উপৰি পৰিৱেশ ৰক্ষা কৰাতো গছৰ অৱদান আছে। বায়ুমণ্ডল দূষিত কৰাৰ এক প্ৰধান উপাদান হ’ল ধূলি। অথচ এই ধূলি বহু পৰিমাণে গছৰ পাত বিলাকেই ধৰি ৰাখে। সৌৰ বিকিৰণৰ অপকাৰী ৰশ্মিসমূহো মাটিত বা জীৱজন্তুৰ গাত পৰাৰ আগতে গছেই বাধা দি ৰাখে। আমি উশাহত লোৱা অক্সিজেনকণো গছৰ পৰাই পাওঁ। ভূমি সংৰক্ষণতো গছৰ শিপা বিলাকেই সহায় কৰে। গতিকে গছ-গছনি কমি গ’লে জীৱ-জন্তুৰ খাদ্যই যে কমিব, সি নহয়। গছ-গছনিৰ অভাৱত বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ মাত্ৰা বাঢ়িব, অক্সিজেনৰ মাত্ৰা কমিব। বৰষুণৰ পৰিমাণ কমিব, ভূমি সংৰক্ষণৰ অভাৱত নৈবিলাক পলসেৰে ভৰি পৰিব। আৰু ফলত বানপানী হ’ব। ধূলিৰ পৰা ৰক্ষা পাবলৈও কেইটামান কাম কৰিব পাৰি। যেনে কেঁচা বাট-পথবোৰ পৰাপক্ষত পকী কৰাৰ প্ৰয়োজন। বাটৰ দুয়োকাষে আৰু ঘৰৰ চাৰিওফালে বহল পাতৰ গছ ৰুলে সেইবিলাকেই অক্সিজেনৰো যোগান ধৰিব আৰু সেই পাততে ধূলি লাগি প্ৰদূষণো কমাব।

বিজ্ঞানীসকলে ইতিমধ্যে অধ্যয়ন কৰি কৈছে যে যোৱা ১০০ বছৰৰ ভিতৰত ১.৩ নিযুত টন চিলিকণ, ১.৫ নিযুত টন আৰ্চেনিক, এক টনতকৈও অধিক নিকেল, ৭ লাখ টন কোবাল্ট আৰু ৬ লাখ টন দস্তা বায়ুৰ লগত মিলি বায়ুমণ্ডলত ধূলিৰ পৰিমাণ শতকৰা ৫০ ভাগ বঢ়াই তুলিলে। বায়ুমণ্ডলত ধূলিৰ পৰিমাণ বাঢ়ি গ’লে তাপমাত্ৰা বৃষ্টিপাত আদিৰো পৰিৱৰ্তন হয়।

**বায়ুমণ্ডলত বিষাক্ত গেছৰ পৰিমাণো বাঢ়িছে ঃ**

যান-বাহন, কল-কাৰখানা আদিৰ পৰা কাৰ্বন মনক্সাইড, নাইট্ৰজেন অক্সাইড, আধাপোৰা আৰু নোপোৰা হাইড্ৰকাৰ্বন, চালফাৰ অক্সাইড আদি গেছসমূহে আমাৰ শৰীৰৰ যথেষ্ট অপকাৰ কৰে। এই গেছসমূহৰ উৎপাদন নগৰ সমূহতে বেছি আৰু সেই কাৰণে নগৰীয়া লোকসকলেই অধিক বায়ুপ্ৰদূষণত ভুগিব লগাত পৰে। এনে প্ৰদূষণৰ ফলতেই বৃহৎ বৃহৎ মহানগৰৰ লোকসকলে গোটেই বছৰেই নানা ধৰণৰ শ্বাস ৰোগত ভোগে। পতংগ নাশক, তৃণনাশক, ভেঁকুৰ নাশক, ৰাসায়নিক সাৰ বা আন ৰাসায়নিক দ্ৰব্য আমি যেনেকৈয়ে প্ৰয়োগ নকৰোঁ, তাৰ এটা অংশ বায়ুমণ্ডলত মিহলি হৈ যায় আৰু সেই বায়ুকে আমি শ্বাস প্ৰশ্বাসত আহৰণ কৰোঁ। গতিকে বিষক্ৰিয়া আমাৰ দেহতো হয়। ❑❑





# TEACHING & NON-TEACHING STAFF

## FACULTY MEMBERS

**Principal I/c**

1. Dr. Joy Krishn Mohanta

**Deptt. of Assamese :**

1. Dr. (Ms.) Usha Rani Baruah, HOD
2. Ms. Rupalim Thakur
3. Shri. Ananta Teron
4. Shri. Mridul Sarma
5. Ms. Anjumoni Phukon
6. Ms. Shikhamoni Konch

**Deptt. of Anthropology :**

1. Ms. Moromi Talukder, HOD
2. Shri. Anupjyoti Deori Bharali
3. Ms. Nitumoni Saikia
4. Ms. Sunanda Sahu

**Deptt. of Bengali :**

1. Ms. Kumkum Chakraborty, HOD
2. Ms. Rita Poddar

**Deptt. of Botany :**

1. Ms. Subrana Bhuyan, HOD
2. Dr. (Ms.) Nirmali Bhuyan
3. Dr. Ritupama Sharma
4. Shri. Rajib Lochan Borah
5. Dr. (Ms.) Alakananda Boruah
6. Ms. Dinalisha Bora

**Deptt. of Chemistry :**

1. Dr. (Ms.) Anjali Phukan, HOD

2. Dr. (Ms.) Sikhamoni Sarmah
3. Dr. Deba Pd. Phukan
4. Shri. Bidyut Bikash Gogoi
5. Shri. Uttam Mohan
6. Shri. Dipankaj Gogoi

**Deptt. of English :**

1. Shri. Pratik Choudhury, HOD
2. Dr. (Ms.) Madhumita Purkayastha
3. Ms. Aditi Konwar
4. Ms. Trishna Duara Kalita
5. Shri. Vedanta Vikash Baruah
6. Ms. Lulu Mariam Borgohain
7. Ms. Henriata Huda

**Deptt. of Economics :**

1. Dr. Atikuddin Ahmed, HOD
2. Dr. (Ms.) Sonali Chakarborty Goswami
3. Dr. (Ms.) joyshree Konwar
4. Dr. Partha Ganguli
5. Ms.Rubab Fatema Nomani

**Deptt. of Geography :**

1. Shri.Narendra Mehela, HOD
2. Ms.Smriti Bhattacharjee
3. Dr. (Ms.) Bharati Dutta
4. Shre. Hemanta Timsina
5. Dr. (Ms.) Meetali Chaliha

**Deptt.of Hindi :**

1. Ms. Kalpana Sengupta Baruah, HOD
2. Shri. Krishna Kanta Bordoloi

**Deptt.of History :**

1. Shri. Abhijit Baruah, HOD
2. Ms. Rita Choudhury Thakuria
3. Dr. (Ms.) Chandana Goswami
4. Shri. Deimunsang Doungel





**Deptt.of Mathematics :**

1. Dr. Priya Dev Goswami, HOD
2. Shri. Dilip Kr. Borbora
3. Shri. Devanjan Hazarika
4. Shri. Ananta Kr. Dutta

**Deptt. of Philosophy :**

1. Dr. (Ms.) R. Konwar, HOD
2. Ms. Rama Kanti Das
3. Ms. Urmila Ramciary
4. Ms. Hiramoni Laloong

**Deptt. of Physics :**

1. Dr. Paresh Baruah,HOD
2. Dr. (Ms.) Minu Buragohain
3. Shri. Aditya Dahal
4. Dr. jyoti Pd. Phukan
5. Ms. Tribeni Saikia
6. Dr. Ranjan Changmai

**Deptt. of Political Science :**

1. Shri Tintus Bhengra, HOD
2. Dr. Lamkholal Doungel
3. Ms. Nirmali Pagu

**Deptt. of Sanskrit :**

1. Dr. Joy Krishna Mahanta, HOD
2. Dr. Moheswar Hazarika
3. Ms. Kalyani Das

**Deptt. of Statistics :**

1. Dr. Deba Pallav Rajkhowa,HOD
2. Shri. Nazimuddin Ahmed

**Deptt. of Zoology :**

1. Ms. Sudakshina Das, HOD
2. Mr. Tikendrajit Gogoi
3. Mr. Sultana Hazarika
4. Dr. (Ms.) Sanchita Baruah
5. Ms. Aradhana P. Bhuyan

# NON-TEACHING STAFF

**Office Staff:**

| | | |
|---|---|---|
| 1. | Sri. Arjun Shah | Supervising Asstt. |
| 2. | Md. Asmat Ali | UDA |
| 3. | Sri. Rajesh Das | LDA |
| 4. | Sri. Prasanta Maziri Saikia | LDA |
| 5. | Sri. Bhuban Jyoti Baruah | LDA |
| 6. | Smt. Namita Saikia | LDA |
| 7. | Sri. Pratap Senapati | LDA |
| 8. | Sri. Paresh Das | Peon |
| 9. | Sri. Hari Ch. Gogoi | Peon |
| 10. | Sri. Jintu Gogoi | Peon |
| 11. | Ms. Lakhi Das | Peon |

**Loboratory :**

| | | |
|---|---|---|
| 12. | Sri. Diganta Boruah | Lab. Asstt. |
| 13. | Sri. Jiten Sarkar | Lab. Bearer |
| 14. | Sri. Dulal Gogoi | Lab. Bearer |
| 15. | Sri. Lakhi Gogoi | Lab. Bearer |
| 16. | Sri. Gopesh Deka | Lab. Bearer |
| 17. | Sri. Rajani Das | Lab. Bearer |
| 18. | Sri. Kusha Gogoi | Lab. Bearer |
| 19. | Sri. Bhairab Dutta | Lab. Bearer |
| 20. | Sri. Nibaran Handique | Lab. Bearer |
| 21. | Sri. Prosanna Das | Lab. Bearer |

**Library :**

| | | |
|---|---|---|
| 22. | Smt. Niroda Dutta | Librarian |
| 23. | Sri. Phuleswar Neog | Lib. Bearer |
| 24. | Sri. Dibya Jyoti Goswami | Lib. Bearer |





# Diamond Jubilee Concluding Function Celebration Committee

## Members of different Committees :

| Committees | | Names of office Bearers |
|---|---|---|
| (1) Executive Committee | Advisors | : Dr. Atikuddin Ahmed |
| | | : Mrs. Subarna Bhuyan |
| | | : Mr. Pratik Choudhury |
| | | : Dr. Paresh Boruah |
| | | : Dr. Anjali Phukan |
| | President | : Dr. Joy Krishna Mahanta |
| | Execuive President | : Dr. Minu Buragohain |
| | Secretary | : Mr. Narendra Mahela |
| | Asstt. Secretary | : Mr. Mridul Sarma |
| | | : Mr. Dipankaj Gogoi |
| | Finance Secretary | : Dr. Partha Ganguli |
| | Members | : Dr. Rajee Konwar |
| | | : Dr. Priya Dev Goswami |
| | | : Mr. Ananta Teron |
| | | : Dr. Deva Pallav Rajkhowa |
| | | : Mr. Anup Jyoti Bharali |
| | | : Mr. Vedanta Bikash Baruah |
| | | : Mr. Uttam Mohan |
| | | : Mr Pranam Prabhu Baruah |
| | | : Sri. Nayanmoni Sonowal |
| | | : Sri. Krishna Narayan Baruah |
| | | : Sri. Sandipon Gogoi |
| (2) Souvenir Committee | Editor | : Dr. Usha Rani Baruah |
| | Members | : Dr. Maheswar Hazarika |
| | | : Dr. Bharati Dutta |
| | | : Mrs. Rupalim Thakur |
| | | : Ms. Rimpi Gogoi |
| (3) Procession Committee | Convener | : Mr. Tintus Bhengra |
| | Members | : Dr. Lamkholal Doungel |
| | | : Mr. Ananta Teron |

: Mr. Bidyut Bikash Gogoi
: Mr. Aditya Dahal
: Dr. Jyoti Prasad Phukan
: Mrs. Aradhana Priyambada Bhuyan
: Mrs. Anjumoni Phukan
: Mr. Krishna Kanta Bordoloi
: Mr. Nazimuddin Ahmed
: Mr. Netra Kamal Mahanta

(4) Tree Plantation Committee

Convene : Dr. Paresh Baruah
Members : Mr. Tikendrajit Gogoi
: Dr. Ritupon Sharma
: Mrs. Rama Kanti Das
: Mr. Anup Jyoti Bharali
: Dr. Ranjan Changmai
: Mrs. Sikhamoni Konch Deori
: Dr. Bhaskar Das

(5) Ex-Teachers & Employees Felicitation Committee

Convener : Dr. Rajee Konwer
Members : Dr. Nirmali Bora Bhuyan
: Mrs. Moromi Talukdar
: Dr. Sikhamoni Sarmah
: Dr. Madhumita Purkayastha
: Dr. Sanchita Baruah
: Mrs. Nitumoni Saikia
: Mrs. Nirmali Pegu
: Ms. Urmila Ramchiari
: Mrs. Hiramoni Lalung

(6) Cultural Committee Convener : Mr. Pratik Choudhury
Members : Mr. Dilip Kumar Borborah
: Mrs. Aditi Konwar
: Mrs. Trishna Dowarah
: Mrs. Rubab Fatema Nomani
: Mr. Pranam Prabhu Baruah





: Jahnabi Sonowal

(7) Food Committee Convener : Mr. Ananta Kumar Dutta
Members : Dr. Atikuddin Ahmed
: Dr. Deba Prasad Phukan
: Dr. Chandana Goswami
: Mr. Devanjan Hazarika
: Mr. Rajib Lochan Borah
: Mrs. Tribeni Saikia

(8) Hall Arrangement and Decoration Committe Convener : Dr. Jaishree Konwar
Members : Mrs. Smrity Bhattacharjee
: Mrs. Moromi Talukdar
: Ms. Kumkum Chakraborty
: Dr. Meetali Chaliha
: Mrs. Kalyani Das
: Dr. Alakananda Baruah
: Ms. Lulu Moriam Borgohain
: Mrs. Henrieta Huda
: Mrs. Sunanda Sahu

(9) Reception Committee Convener : Mrs. Sudakshina Das
Members : Mrs. Kalpana Baruah
: Dr. Sonali Goswami
: Mr. Abhijit Baruah
: Mrs. Reeta Thakuria
: Mrs. Sultana Hazarika
: Mr. Hemanta Timsina
: Mr. Nazimuddin Ahmed
: Mrs. Dinalisha Borah
: Ms. Minakshi Bhattacharyya
: Ms. Swapnali Bora
: Mrs. Sobha Dutta Deka
: Ms. Monika Gohain

**Date of Concluding Function : 2nd and 3rd September 2010**

# ফটোৰেও কথা কয় ....



অশ্বিনী চৰণ চৌধুৰী
প্ৰথম সম্পাদক



লক্ষ্মীপ্ৰসাদ দত্ত
প্ৰতিষ্ঠাপক উপাধ্যক্ষ




যতীন্দ্ৰনাথ দুৱৰা
কবিতা পাঠ কৰা অৱস্থাত



সৰলা চৌধুৰী
প্ৰথমগৰাকী ছাত্ৰী








জৰ্জ ইন্সটিটিউচনত কানৈ কলেজ



১৯৫৫ চনৰ কলেজৰ ৰূপ
(অনিতা বৰুৱাৰ সৌজন্যত)



১৯৫৮ চনৰ কলেজৰ ৰূপ



লক্ষ্মীপ্ৰসাদ দত্তৰ নেতৃত্বত কলেজৰ নতুন ভৱন নিৰ্মাণৰ প্ৰস্তুতি



পদ্মশ্ৰী হনুমানবক্স কানৈ আৰু মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰী



অধ্যাপক বিৰিঞ্চি কুমাৰ বৰুৱাৰ নেতৃত্বত বিশ্ববিদ্যালয়ৰ পৰিদৰ্শন






শিক্ষকসকলৰ একাংশ ...



কলেজৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ কেইজনমান ......




উদ্‌যাপন সমিতিৰ বিষয়ববীয়া শিক্ষকৰ একাংশ



উদ্‌যাপন সমিতিৰ বিষয়ববীয়া ছাত্ৰ-ছাত্ৰীৰ একাংশ



কলেজৰ সদাব্যস্ত কম্পিউটাৰ লেবৰেটৰী .....




ব্যস্ত শিক্ষাৰ্থী ঃ কেন্দ্ৰীয় পুথিভঁৰালত